GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999

# সীৰলু

The sign of ploughing...



'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৭




গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত আই টি ই প্ৰকল্পৰ এক প্ৰদৰ্শনী অনুষ্ঠানত অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ সচিব ৰমেশ চন্দ্ৰ জৈনে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উৎসাহিত কৰে। কাষত, শিক্ষাৰ্থীক প্ৰমান পত্ৰ প্ৰদান কৰিছে এগৰাকী শিক্ষা বিষয়াই।



ইন্টাৰনেট সাথী প্ৰকল্পৰ এক অনুষ্ঠানৰ দৃশ্য




পুতলাৰে ধেমালিৰ মাধ্যমত প্ৰযুক্তি শিক্ষা, টাটা ট্ৰাষ্টৰ এগৰাকী সমল ব্যক্তিৰ কৰ্মশালাৰ মুহূৰ্ত



দুৰ্যোগ প্ৰশমন সম্পৰ্কীয় এক কৰ্মশালাত প্ৰশিক্ষাৰ্থীৰ সৈতে সমল ব্যক্তি।



গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱকে আঘোণমহীয়া পথাৰত ধান কটাৰ দৃশ্য।

# সীৰলু

*The sign of ploughing...*

## 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ

তৃতীয় বছৰ, তৃতীয় সংখ্যা, জানুৱাৰী, ২০১৭

স্থান

কাৰ্যালয়

গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী

জিলা ঃ নলবাৰী, অসম

**শুভেচ্ছাৰে—**

শুভেচ্ছাৰে—

শ্ৰীযুত/যুতা..................................................................

..................................................................................

সম্পাদক

সীৰলু, ২০১৭

# সীৰলু

তৃতীয় বছৰ ● তৃতীয় সংখ্যা, প্ৰকাশ কাল ঃ জানুৱাৰী ২০১৭

'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৭

**Siralu**

A annual journal of Gramya Vikash Mancha
published by Gramya Vikash Mancha
Office campus, Barbari, Dist. Nalbari, Assam

## সীৰলু সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | পৃথ্বিভূষণ ডেকা, কিশোৰ কুমাৰ কলিতা |
| সভাপতি | ঃ | ডাঃ ৰাজুমণি শৰ্মা |
| সম্পাদক | ঃ | নয়নজ্যোতি ভূঞা |
| সহযোগী সম্পাদক | ঃ | অৰূপজ্যোতি দাস |
| সদস্য/সদস্যা | ঃ | প্ৰদীপ মহন্ত, হৰমোহন বৰ্মন, শ্বাহ আলম আহমেদ, জুৰি তালুকদাৰ, কিশোৰ কলিতা, ববিতা দাস, দীপাঙ্কৰ চক্ৰবৰ্ত্তী, কমল কিশোৰ হাজৰিকা |
| প্ৰকাশক | ঃ | গ্ৰাম্য বিকাশ মঞ্চ |
| বেটুপাতৰ স্থিৰচিত্ৰ | ঃ | জিনমনি মহন্ত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ অন্যান্য সদস্য সদস্যাসকল |
| বেটুপাত | ঃ | সমুজ্জ্বল বৰ্মন |
| বৰ্ণসংস্থাপন | ঃ | শ্বফিউল আহমেদ |
| অংগসজ্জা | ঃ | তৰণী কলিতা |
| মুদ্ৰণ | ঃ | কালাৰপ্লাছ, ৰাজগড় ৰোড, গুৱাহাটী- ৩, ফোন ঃ ৯৮৬৪০-৩৩৫২৯ |

## কৃতজ্ঞতা

এই মুখপত্ৰ প্ৰকাশৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু প্ৰকাশৰ বাবে লিখনি আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষী, স্থিৰচিত্ৰ গ্ৰহণকাৰী, নিবন্ধকাৰ, কবি, গল্পকাৰলৈ।

—সম্পাদনা সমিতি 'সীৰলু'।

*Anant Lal Gyani*, IAS
Deputy Commissioner

Office of the
**DEPUTY COMMISSIONER**
Nalbari - 781335, Assam, India
Mobile : 81348-53710
Phone : 03624-220496(O), 03624-220218(R)
Fax : 03624-220469(O), 03624-220371(R)
Email : dc-nalbari@nic.in, anantlalgyani@gmail.com

सत्यमेव जयते



# শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে নলবাৰী জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা "গ্ৰাম্য বিকাশ মঞ্চ"ই এইবেলি ১৭ (সোতৰ)টা বৰ্ষ সফলতাৰে অতিক্ৰম কৰিবলৈ আগবাঢ়িছে। প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে সেৱা আগবঢ়াই থকা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিজন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকালৈ মই এই ছেগতে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ইয়াৰ সৈতে সংগতি ৰাখি গ্ৰাম্য বিকাশ মঞ্চই তেওঁলোকৰ বছৰেকীয়া মুখপত্ৰ "সীৰলু"ৰ তৃতীয় সংখ্যাটি প্ৰকাশ কৰিবলৈ ওলোৱাটো অতিশয় শুভ লক্ষণ। মই আশাকৰো মুখপত্ৰখনত অনুষ্ঠানটোৰ সমগ্ৰ কাম-কাজ প্ৰতিফলিত হোৱাৰ উপৰিও ই সামগ্ৰিক উন্নয়নৰ এক অগ্ৰণি দলিল হিচাপে পৰিগণিত হ'ব।

তাৰিখ ঃ ২৬-১২-২০১৬
স্থান ঃ নলবাৰী

(অনন্ত লাল জ্ঞানী, আই.এ.এচ)
উপায়ুক্ত, নলবাৰী

*Vinod Seshan, IAS*
District Magistrate
&
Deputy Commissioner
Kamrup, Amingaon
Guwahati- 781031

☎ 0361-2684404 (O)
0361-2680032 (R)
0361-2684405 (Fax)
94353-40685 (M)
73990-01571 (M)
e-mail : dc-kamrup@nic.in



# শুভেচ্ছাবাণী

অসমৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ (গ্ৰাম্য) জিলাতো সমাজৰ, বিশেষকৈ দুৰ্বল শ্ৰেণীৰ লোকৰ উন্নয়ন তথা সৱলীকৰণৰ বাবে সেৱা আগবঢ়াই অহা স্বেচ্ছাসেৱী সংস্থা "গ্ৰাম্য বিকাশ মঞ্চ"ই সফলতাৰে সোতৰ বছৰ অতিক্ৰম কৰাত অতিশয় আনন্দিত হৈছো। প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে পৰিবৰ্তনৰ যাত্ৰাত জড়িত "গ্ৰাম্য বিকাশ মঞ্চ"ৰ প্ৰতিজন স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাৰ যাত্ৰা পথৰ অভিজ্ঞতা, অনুষ্ঠানটোৰ কাম-কাজৰ প্ৰতিচ্ছবি, উন্নয়নমূলক তথ্য, জ্ঞান, চিন্তা-চৰ্চাৰে "সীৰলু"ৰ প্ৰতিটো পৃষ্ঠা সমৃদ্ধ হওঁক, যিয়ে সমাজক, বিশেষকৈ নৱ প্ৰজন্মক ধনাত্মক চিন্তা-চৰ্চা, কাম কাজৰ বাবে অনুপ্ৰেৰণা যোগাব পাৰে। সকলোকে অভিনন্দন আৰু শুভেচ্ছাৰে—

(বিনোদ শেষন) 28/12/16
উপায়ুক্ত, কামৰূপ জিলা (গ্ৰাম্য)
Deputy Commissioner
Kamrup, Amingaon

# নতুন দশকৰ সপোন



**আ**মাৰ দেশত নাগৰিক স্বাধীনতা আৰু বিকাশৰ অধিকাৰ আজিও এক ব্যাপক চৰ্চা আৰু বিতৰ্কৰ বিষয়। ইয়াৰ গণতান্ত্ৰিক পৰিকাঠামোৱে নাগৰিক স্বাধীনতাক সুৰক্ষিত আৰু উৎসাহিত কৰা যেনে লাগিলেও তাৰ বাস্তৱ ছবিখন বহু প্ৰতিবন্ধকতাৰে জৰ্জৰিত। যি সকল লোকৰ নাগৰিক স্বাধীনতা বা সামগ্ৰিকভাৱে মানৱ সমাজৰ সৰ্বাঙ্গীন বিকাশ সন্দৰ্ভত এক উচ্চ ধাৰণা আছে তেওঁলোকহে সমাজত অব্যহত বাস্তৱ ছবিখন হৃদয়ঙ্গম কৰিব পাৰে। প্ৰকৃত পৰিস্থিতিৰ অধ্যয়ন কৰিব পৰাসকল  বা মানুহৰ সামাজিক জীৱন সন্দৰ্ভত সচেতন প্ৰতিগৰাকী মানুহেই মানসিক কষ্টটো ভোগা দেখা যায়। আচলতে আমাৰ দেশৰ গণতান্ত্ৰিক ব্যৱস্থাই যি হাৰত নাগৰিক স্বাধীনতাক উৎসাহিত কৰে বা ইয়াৰ নাগৰিকৰ সুৰক্ষিত ভৱিষ্যতৰ কথাক



আঙুলিয়াই দিয়ে, সেয়া বাস্তৱায়িত হোৱাৰ পথত হেঙাৰ হৈ থিয় দিয়ে ভাৰসাম্যহীন সমাজখন। দেখা হৈছে যে বিশেষভাৱে যোৱা দুটা দশকত আমাৰ তৃণমুল পৰ্যায়ৰ সমাজখনো ইমানেই ভাৰসাম্যহীনতাৰ দিশলৈ গতি কৰিলে যে এতিয়া এক ধৰণৰ আঁত হেৰুওৱাৰ এক অৱস্থাত উপনীত হৈছে। ভাৰসাম্যহীনতা মানে বলী-দুৰ্বলী, ধনী-দুখীয়াৰ মাজৰ ব্যৱধান বৃদ্ধি। কৰ্ম অনুসৰি মজুৰি নিৰ্ধাৰণত থকা বিসঙ্গতি, সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত আপোচ, প্ৰশাসনীয় দুৰ্বলতা কিম্বা সুশাসনৰ অভাৱ ইত্যাদিকৈ ভিন্ন স্তৰৰ প্ৰতিবন্ধকতাই



কাৰ্যতঃ স্তব্ধ কৰি থৈছে সমাজ এখন ভাৰসাম্য হৈ উঠাৰ সকলো দিশ। এতিয়া সামগ্ৰিকভাৱে সমাজৰ সমুখত সেয়াই প্ৰধান প্ৰত্যাহ্বান।

এনে পৰিস্থিতিৰ বৰ্তমানতো কিন্তু আমাৰ সমাজৰ প্ৰতিটো উপান্ত স্তৰৰ মানুহে কিছু পৰিমাণে হ'লেও নতুন দিনৰ সপোন ৰচে। বহুতে সপোন দেখে নিজৰ সক্ষমতা বা জীৱনটোৰ এক জোখ-মাখ কৰি লৈ আৰু বহুতে সপোন দেখে তেনে সীমাৱদ্ধতা ভাঙি। দ্বিতীয় স্তৰৰ মানুহৰ চিন্তা-চেতনাই সামৰি লয় এখন বিশাল কেনভাছ য'ত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপত সাৰে থাকে প্ৰতিজন মানুহ আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰতিটো অংশীদাৰৰ ভৱিষ্যৎ। বহু দূৰলৈ নহ'লেও দ্বিতীয় প্ৰকাৰৰ চিন্তা-চেতনাৰে আমি হয়তো সপোন দেখিব পাৰো আমাৰ সমুখত থকা দশকটোৰ। অৰ্থাৎ, এটা নতুন দশকৰ বাবে নতুন সপোন। আচলতে সমাজৰ উপান্ত মানুহৰ ভৱিষ্যৎ সুৰক্ষিত হয় তেতিয়াহে যেতিয়া মূল্যবোধৰ ধাৰণা আৰু ব্যৱস্থাই সমাজখনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰাণ পাই থাকে। মূল্যবোধ নিৰ্ভৰ সমাজ সহনশীল আৰু ইতিবাচকভাৱে সুযোগ-সম্ভাৱনাৰ সৃষ্টিকাৰী হয়। নিজকে আনতকৈ দুৰ্বল বুলি বা আনতকৈ পিছপৰা বুলি ভবা মানুহে তেওঁ বাস কৰা সামাজিক পৰিৱেশটোৰ পৰা তেনে এটা পৰিবেশকে বিচাৰি থাকে, যি এখন মানৱীয় অনুভূতিৰে পূৰ্ণ সমাজৰ প্ৰথম আৰু প্ৰধান চৰ্ত। শেহতীয়া সময়ছোৱাত আমি বাস কৰা বৃহত্তৰ কামৰূপৰ সমাজখনলৈ যিবোৰ পৰিৱৰ্তন আহিছে সেইবোৰৰ লগত জড়িত হৈ আছে কেতবোৰ কাৰক। কেতবোৰ মতাদৰ্শৰ উত্থান আৰু তাৰ প্ৰসাৰে শেহতীয়া সময়ছোৱাৰ আমাৰ গ্ৰাম্য জীৱনক প্ৰভাৱিত কৰিছে। তাৰ ফলো বিভিন্ন ধৰণে সমাজখনে ভোগ কৰিছে। এনে পৰিস্থিতিত হ্ৰস্ব কালৰ সমাজখনে কি ধৰণে মূল্য ভৰিছে সেয়া আমি সকলোৱে বুজি পাইছো, হৃদয়ঙ্গম কৰিছো। কিন্তু, দীৰ্ঘকালত পৰিস্থিতিয়ে সৃষ্টি কৰা প্ৰভাবে যে আমাৰ ভৱিষ্যৎটোকেই অধিক কাইটিয়া কৰি তুলিলে তাক বুজি উঠিবলৈ হয়তো আমাৰ আৰু বহু সময় লাগিব। বহু কাৰকৰ প্ৰভাৱে আমাক সামাজিক মল্যবোধ ব্যৱস্থা বা শৃংখলাৰ পৰা যিমানেই আঁতৰাই নিছে সিমানেই সমাজৰ উপান্ত চামে ভৱিষ্যৎ আন্ধাৰ আন্ধাৰ দেখিছে। আৰু এতিয়া এনে পৰিস্থিতিৰ পৰা সমাজখনক যুক্ত কৰাৰ বাবেহে আমি সপোন দেখিব লাগিব হাতে কামে কাম কৰিব লাগিব। গাঠনিগতভাৱে সমাজখনক যিবোৰ কথাই ইতিমধ্যে গ্ৰাস কৰিছে সেইবোৰৰ পৰা পৰিত্ৰাণৰ পথ ৰচনা কৰিব লাগিব এনে সপোন দেখা সকলেই। ইয়াৰ বাবে অনিৰ্দিষ্ট সময় ল'লেও নহ'ব, ধৰি ল'ব লাগিব হয়তো এটা দশক। লগত ল'ব লাগিব সপোন দেখিবলৈ ভাল পোৱা আমাৰ তৰুণ প্ৰজন্মক।

—নয়নজ্যোতি ভূঞা



## সভাপতিৰ আসনৰ পৰা

# সমস্যা সমাধানৰ বাবে ৰাজনৈতিক সদিচ্ছাৰ প্ৰয়োজন

**ঘ**ৰমুৱা ৰেলখনত পল্টন বজাৰ ষ্টেচনত বহি আছো। চিৰাচৰিত ভাবেই ৰেলৰ খিৰিকিত ভিক্ষাৰীৰ ভিৰ। এজনী বুঢ়ীৰ অসহায় ৰূপ দেখি দুটকীয়াটো আগবঢ়াই দিলো। সাধাৰণতে ভিক্ষা দিয়াটো মোৰ স্বভাৱ বিৰুদ্ধ। ভিক্ষাই মানুহক এলেহুৱা কৰে বুলি মই ভাবো। অৱশ্যে বিকলাংগ আৰু বৃদ্ধ-বৃদ্ধাৰ ক্ষেত্ৰত কথাটো বেলেগ। বৰ মনোযোগেৰে খবৰ কাগজৰ পাত লুটিওৱা মোৰ সহযাত্ৰীজনে বিৰক্তিৰে বুঢ়ীজনীক দবিয়াই উঠিল। মই তেখেতৰ ব্যৱহাৰত একো অস্বাভাৱিকতা নেদেখিলো, বোধহয় সদায় এনে পৰিস্থিতিৰ সন্মুখীন হয়। মই কেতিয়াবাহে কামাখ্যা ষ্টেচন পাৰ হৈ শৰাইঘাটৰ তল পোৱাৰ লগে মানুহজনে খুচুৰা পইচা এটা উলিয়াই ব্ৰহ্মপুত্ৰত দলিয়াই দিলে। এয়াই ধৰ্ম। মানৱতাহীন।

ছায়ামণি ভূঞাই News Live ত এটা অনুষ্ঠান চলাই আছে। গুৱাহাটীৰ এটা বৃদ্ধাশ্ৰমৰ পৰা পোণপটীয়া সম্প্ৰচাৰ। এগৰাকী বৃদ্ধাৰ কান্দোন, পুতেক মাহত এবাৰকৈ আহে। পেঞ্চনৰ নামত মাকৰ বেংকৰ খাতাত জমা হোৱা ধনখিনি উলিয়াবলৈ চেকত চহী নিয়াৰ বাবে। ইয়াৰ বাবেও মানুহক পুত্ৰৰ দৰকাৰনে? তেজপুৰৰ এঘৰ আলহীৰ ঘৰলৈ গৈছিলো দূৰ সম্পৰ্কীয় বাইদেউ। ভিনদেউ এখন এম.ভি. স্কুলৰ প্ৰধান শিক্ষক। কথাৰ প্ৰসংগত ক'লে, পইচাৰ তেনে প্ৰব্লেম নাই। চলি আছে। মধ্যাহ্ন ভোজনৰ ১.৮৬ লাখ টকা আহিছে দহ দিন মান আগতে। পৰিচালনা সমিতিৰ সভাপতিক আঠ হাজাৰ মান দি বিৰানব্বৈ হাজাৰ ৰাখিলো। মই সুধিলো কিয় খৰচ নহয় নেকি? উত্তৰ আহিল এসপ্তাহৰ বাবে ২০ টা মান পানীলাউ, ২টামান ৰঙালাউ কিনি থও। চাউলটো আহেই আৰু বিদ্যালয়তো ১০০% উপস্থিতি সদায়েই নাথাকেই। নিৰ্লজ্জ স্বীকাৰোক্তি।

এইবোৰ বৰ্তমান সমাজৰ জীয়া বাস্তৱ। মানৱতাহীন, আদৰ্শহীন এখন সমাজৰ আমি অভিন্ন অংগ হৈ পৰিলো। গান্ধীবাদৰ ঠাইত গান্ধীক বাদ দিয়া হ'ল। গান্ধীৰ প্ৰতিচ্ছবিৰ আগত চলে দিয়া-লোৱাৰ খেল। ৰামৰাজ্যৰ সপোন সুদূৰ পাহাৰত। গান্ধীজীয়ে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কথা কৈছিল। ভাৰতবৰ্ষত এতিয়া দুৰ্নীতিৰ বিকেন্দ্ৰীকৰণ ঘটিছে। বিভিন্ন সামাজিক সমস্যাৰে ভাৰাক্ৰান্ত এই দেশত কিন্তু কোটিপতিৰ বৃদ্ধিৰ হাৰ সৰ্বাধিক। দৰিদ্ৰতাই পিষ্ট কৰা দেশত যে একো হোৱা নাই এয়া এতিয়াহে স্পষ্ট হ'ল নোটবন্দীৰ পিছত। ভাৰত ঐতিহাসিকভাৱে এক অন্যতম শ্ৰেষ্ঠ সভ্যতাৰ প্ৰাণকেন্দ্ৰ আছিল। চীন দেশীয় পৰিব্ৰাজক হিউৱেন ছাংৰ তথ্যতে প্ৰকাশ পাইছিল... । বহিঃদেশীয় লোকৰ আগমন ঘটিছিল শিক্ষা লাভৰ বাবে। কিন্তু এই সভ্যতাৰ গতি স্তিমিত হ'ল নেকি? ভুলবোৰ ক'ত?

নিজস্বতা হেৰুৱাই ভাৰতীয়ত্ব আজি নিঃশেষ হোৱাৰ পথত। সাম্যবাদৰ সপোন থানবান। গণতন্ত্ৰৰ ছদ্মবেশী ৰক্ষকে ক্ৰমাৎ নিশেষ কৰি দিলে সকলো। ভাৰতৰ স্বকীয়তা এতিয়া একাকীকত্বৰ গৰাহত। ভাৰতৰ পুব প্ৰান্তৰ অসমতো একেই পৰিৱেশ অহৰহ ৰাজনৈতিক চক্ৰান্তত বিধ্বস্ত অসমৰ সামাজিক পৰিৱেশ। বিশ্বাসৰ অভাৱেই অহৰ্নিশে খেদি ফুৰে সকলোকে। বহু সংগ্ৰামৰ ইতিহাসেৰে সমৃদ্ধ অসমৰ ৰাজনৈতিক ইতিহাস। ভাষা আন্দোলনেৰে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ চেষ্টা কৰা এইখন অসমত এতিয়া অসমীয়া ভাষা বহুতৰ বাবে Outdated

অসমীয়াত কথা ক'লে বহুতৰে Status নিম্নগামী হয় যেনে অনুভৱ কৰে।

সফলতাৰ নিগনি দৌৰত দৌৰি সকলোৱে বিসর্জন দিলে মানৱীয়তা। কেৱল সংকীর্ণ ৰাজনৈতিক আৰু ব্যক্তিগত লাভৰ স্বাৰ্থত সামূহিক স্বাৰ্থক বেছিভাগেই জলাঞ্জলি দিলে।

এনে প্ৰেক্ষাপটত এক সামাজিক পৰিৱৰ্তনৰ বাবে যেন পুনৰ আন্দোলনৰ প্ৰয়োজন, য'ত সামাজিক স্বাৰ্থত নামত যাতে কাৰোবাৰ ৰাজনৈতিক..... বহু সময়ত ভাৰতবৰ্ষত বিভিন্ন সামাজিক সংগঠনে বিভিন্ন ৰাজনৈতিক দলৰ স্বাৰ্থত কাম কৰা পৰিলক্ষিত হয়। লগতে সমাজ সেৱাৰ নামত ধৰ্মীয় সম্প্ৰাসাৰণবাদৰ এক দীঘলীয়া ইতিহাস ভাৰতবৰ্ষত আছে। লগতে বাওপন্থীয় চিন্তাধাৰাৰ দ্বাৰা প্ৰচলিত বিভিন্ন সামাজিক সংগঠনে কেৱল স্বকীয় আদৰ্শৰ বাবেই ভাৰতীয় পৰম্পৰাৰ বিৰোধ কৰা পৰিলক্ষিত হয়। পৰম্পৰাৰ নামত তাক পালন কৰা বা পৰম্পৰা বাবেই তাক আওকান কৰাটো যুক্তিসংগত নহয়। উদাহৰণস্বৰূপে কাতি বিহুত পথাৰত চাকি জ্বলাই লখিমী আদৰাটো এক পৰম্পৰা কিন্তু এই পৰাম্পৰাত থকা দৰ্শন অনুধাৱন কৰাটো প্ৰয়োজনীয়। কাতি বিহুত শালিধানত ঠোক ধৰা আৰম্ভ কৰাৰ সময়তেই কীট পতংগৰ নিয়ন্ত্ৰণৰ বাবে এনেদৰে জুইৰ ব্যৱস্থা কৰাটো এক উপযোগী প্ৰক্ৰিয়া। কিন্তু পৰম্পৰাৰ নামত মাত্ৰ এদিনৰ বাবে কৰা, বা পৰম্পৰা বুলিয়েই বিৰোধিতা কৰাটো অনুচিত।

প্ৰতিটো সমস্যা সমাধানৰ বাবে ৰাজনৈতিক সদিচ্ছাৰ প্ৰয়োজন, যিহেতু দেশৰ পৰিচালনা ৰাজনৈতিক ব্যৱস্থাৰ অধীনত হয়। সঠিক ৰাজনৈতিক দৰ্শনৰ অভাৱে দেশত সামাজিক বাতাবৰণৰ অস্থিৰতা সৃষ্টি কৰি আছিল। ভাৰতীয় শাসন ব্যৱস্থাত কিন্তু কোনো বিষয়ৰে Accountability নিৰ্ধাৰণ কৰা নহয়। কোনো এটা ব্যৱস্থাৰ সঠিক ৰূপায়ণ, কোনো আঁচনি বা নীতিৰ সঠিক কাৰ্যকৰীকৰণ আদি কোনো ক্ষেত্ৰতেই Accountability নিৰ্ধাৰিত নহয়। ফলত বেছিভাগ আঁচনি বা ব্যৱস্থাৰ সুফল জনসাধাৰণে পোৱাৰ পৰা বঞ্চিত। মুলতঃ এই ব্যৱস্থাসমূহৰ কাৰ্য্যকৰী কৰণৰ দায়িত্ব আমোলা বিষয়সকলৰ হাতত ন্যস্ত থাকে। এই বিষয়সকলৰ বেছিভাগৰ সেৱা মনোভাৱৰ অভাৱ। লগতে এইসকলৰ ফলাফল প্ৰাপ্তিৰ বাবে কাম কৰাবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবেও চৰকাৰৰ সদিচ্ছা নাই। ফলত কোনো আঁচনিয়েই সফল ৰূপায়ণ সম্ভৱপৰ হৈ উঠা নাই। এনে প্ৰেক্ষাপটতেই কিন্তু স্বেচ্ছাসেৱী সংগঠনে সামাজিক ক্ষেত্ৰখনত কিছু কৰাৰ বাবে আগবাঢ়ি আহিছে।

বিগত সোতৰ বছৰে গ্ৰাম্য বিকাশ মঞ্চৰ এই যাত্ৰাত সহায় সহযোগিতা আগবঢ়োৱা সমূহ ব্যক্তি প্ৰতিষ্ঠান জিলা প্ৰশাসন, সংবাদ মাধ্যম, বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থা, বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠান আদিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে সমাগত প্ৰতিটো দিনতেই যাতে একে ধৰণৰ সহযোগীতা সংগঠনটোৰ বিভিন্ন উন্নয়নৰ কাৰ্য্যসূচীত তৃণমূল পৰ্যায়ত জড়িত হৈ থকা বিভিন্ন ব্যক্তি, সংগঠন আদি যিসকলে নিজ নিজ গাঁৱৰ উন্নয়ন প্ৰক্ৰিয়াটো সক্ৰিয়তাৰে আমাক সহযোগিতা আগবঢ়াই আহিছে, যিসকলৰ নিঃস্বাৰ্থ সহযোগিতা অবিহনে আমাৰ এই যাত্ৰা কণ্টকময় হৈ উঠিলেহেঁতেন। সেইসকললৈ মোৰ প্ৰণিপাত আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে অনাগত প্ৰতিটো দিনতেই তেখেতসকলৰ একেই সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিছো।

যোৱা সোতৰ বছৰত সহস্ৰাধিক স্বেচ্ছসেৱক স্বেচ্ছাসেৱিকাই গ্ৰাম্য বিকাশ মঞ্চত পূৰ্ণকালীনভাৱে সেৱা আগবঢ়াইছে। এই অনুষ্ঠানৰ মজিয়াত কৰ্ম জীৱনৰ আৰম্ভণি কৰি বহুজনে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠানত যোগ দিছে আৰু দক্ষতাৰে সেৱা আগবঢ়াই আছে। বৰ্তমানেও শতাধিক স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকাই অনুষ্ঠানটোত পূৰ্ণকালীনভাৱে সেৱা আগবঢ়াই আছে। সকলোৰে অদম্য উৎসাহ, অক্লান্ত শ্ৰম আৰু ত্যাগৰ মনোভাৱেই অনুষ্ঠানটোক এই পৰ্যায়লৈ উন্নতি কৰিছে। সকলো কষ্ট, যন্ত্ৰণা এৰি সকলোৰে এটাই সপোন। মই প্ৰাক্তন আৰু বৰ্তমানৰ প্ৰতিজন সতীৰ্থলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি অনুষ্ঠানটো গঢ় দিয়া সকলৰ সাংগঠনিক সংস্কৃতি অনাগত দিনবোৰতো অক্ষুন্ন ৰাখি গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা সাধাৰণ সদস্য/সদস্যাই নিঃস্বাৰ্থভাৱে নিজৰ নিজৰ দায়িত্ব অতি দক্ষতাৰে পালন কৰাৰ লগতে অনুষ্ঠানটোৰ সপোন বাস্তৱায়িত কৰাৰ যাত্ৰাত নেতৃত্ব বহন কৰাৰ লগতে শক্তি যোগোৱা আটাইলৈকে তেখেতসকলৰ সেৱাৰ বাবে মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

এই ছেগতে গ্ৰাম্য বিকাশ মঞ্চৰ লগত ওতপ্ৰোতভাৱে জড়িত প্ৰয়াত বীৰেন কলিতা আৰু গোপাল দাসক শ্ৰদ্ধাৰে সুঁৱৰিছো।

**শ্ৰীকমলেশ্বৰ ভূঞা**



## সঞ্চালকৰ একলম

# পীড়িতৰ ভাষাৰে, পৰিৱৰ্তনৰ আশাৰে

**দী**পালী বড়োৰ ঘৰ নলবাৰী জিলাৰ বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত এখন গাঁৱত। এটা সৰু কোঠালীতে স্বামী আৰু দুগৰাকী কন্যাৰ স'তে থাকে দীপালী। মাটি বুলিবলৈ একমাত্ৰ বস্তিৰ মাটি একঠা আছে। কোঠাটোৰ কাষতে এফালে এটা গাহৰি গড়াল, আনফালে মুকলি আকাশৰ তলতে দীপালীৰ তাঁতশাল। উপাৰ্জনৰ বাবে দীপালীয়ে আধিয়া ভিত্তিত গাহৰি পুহিছে দিনটো তাঁতশালত কাপোৰ বোৱাত ব্যস্ত থাকে দীপালী। স্বামী গুৱাহাটীত হাজিৰা কৰে।

আজিৰ পৰা প্ৰায় এটা দশক আগতে দীপালী বিয়া হৈ আহিছিল। পিতৃগৃহৰ অৱস্থাও শোচনীয় আছিল। অষ্টম শ্ৰেণীলৈ পঢ়ি দীপালী পঢ়া বাদ দিছিল। বিয়াৰ সময়ত স্বামী গৃহৰ অৱস্থা ভালেই আছিল, প্ৰায় দহ বিঘা নিজা মাটিত খেতি কৰি পৰিয়ালটো ভালদৰেই চলিছিল। দীপালীৰ স্বামীৰ তিনিজন ভায়েক। ডাঙৰজনৰ অসুখত দুবিঘা মাটি বিক্ৰী গ'ল, তিনিবিঘা বন্ধকত থ'লে। পাগলদিয়াৰ বলিয়ে তিনি বিঘা পুতি খেতিৰ অনুপযুক্ত কৰিলে। ঘৰখনত লাহে লাহে অভাৱ অনাটন আৰু অভাৱ অনাটনে অনা মানসিক সংঘাত বাঢ়ি গ'ল। এসময়ৰ কৃষক দীপালীৰ স্বামী আৰু আন ভায়েক সকলে এতিয়া দিন হাজিৰা কৰি পেট প্ৰৱৰ্তাই। দীপালীয়ে তাঁতশালত কাপোৰ বোৱাৰ বাবে মাহিলী শতকৰা ৫ টকা সুদৰ হাৰত ঋণ লয় আৰু কাপোৰ বিক্ৰী কৰি ঋণ পৰিশোধ কৰে। প্ৰায় ৬ কিঃ মিঃ দূৰত থকা বেংকত অলপতে এটা একাউণ্ট খুলিছে। বেমাৰী স্বামীয়ে উপাৰ্জন কৰা ধনখিনিৰ সৰহভাগ দৰবতে যায়। সুদ, ঋণ পৰিশোধ কৰাৰ পাছত দীপালীৰ এহেজাৰৰ পৰা পোন্ধৰশ টকা ৰাহি হয়। দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক প্ৰদান কৰা নম্বৰো নাই, পৰিচয় পত্ৰও নাই, কিয়নো বন্ধকত থোৱাই হওক কিম্বা অনুপোযুক্তই হওক, তেওঁলোকৰ মাটি আছে। চৰকাৰী বিদ্যালয়ত পঢ়ি থকা ছোৱালী দুজনী লাহে লাহে ডাঙৰ হোৱাত দিনে দিনে খৰছ বৃদ্ধি হৈ গৈ আছে। "অতি কষ্টৰে জীয়াই আছো। ছোৱালী দুজনীক পঢ়ুৱাই অন্ততঃ মেট্ৰিক পাছ কৰোৱাৰ খুব ইচ্ছা আছিল। মই অষ্টম শ্ৰেণীলৈ পঢ়ি অনাটনৰ বাবে বাদ দিছিলো, ইহঁতক অন্ততঃ মেট্ৰিক পাছ কৰাব পাৰিলে... !" এনেদৰে দীপালীয়ে নিজৰ অৱস্থা বৰ্ণনা কৰিছিল। যোৱা দহবছৰৰ অভিজ্ঞতাৰ ভিত্তিত দীপালীয়ে ক্ষোভেৰে কৈছিল "আমাৰ দৰে মানুহবোৰ দিনে দিনে দুখীয়া হৈ গৈ আছো, কাৰো পৰা একো সহায় নাপাও। পৰালৈকে কষ্ট কৰি যাম, আগলৈ যি হয় হ'ব... বৰ কষ্টৰে জীয়াই আছো। ইহঁত দুজনীক ভাতসাজ খুওৱাটোৱে বৰ ডাঙৰ কথা হৈছে... ধনৰ অভাৱত মানুহজনৰো উপযুক্ত চিকিৎসা কৰিব পৰা নাই...।" ডালিমী দাসৰ ঘৰ কামৰূপ জিলাৰ হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত এখন গাঁৱত। এজন ভায়েক আৰু এজনী ভনীয়েক। সৰুতে মাক যক্ষ্মা ৰোগত আক্ৰান্ত হৈ ঢুকাইছে আৰু তাৰ দুবছৰ পিছতে দেউতাক ঢুকাইছিল। ডালিমীয়ে ভায়েক ভনীয়েকৰ বাবে মাক দেউতাকৰ দৰে দায়িত্ব লৈ অতি কষ্টৰে সিহঁতক ডাঙৰ দীঘল কৰিছে। ভনীয়েকে অষ্টম শ্ৰেণীলৈ পঢ়ি বিদ্যালয়লৈ যোৱা বাদ দিছে। ভায়েকক অন্ততঃ মেট্ৰিক পাছ কৰোৱাৰ ইচ্ছা আছিল ডালিমীৰ। সিও শাৰিৰীকভাৱে অতি দুৰ্বল, অষ্টম শ্ৰেণীলৈ গৈ এতিয়া নোযোৱা হৈছে। মাছমৰীয়া দেউতাকে সজাই থোৱা ঘৰটো জহি খহি গৈ আছে, মেৰামতি কৰিবলৈ ধন নাই। দাবী কৰা ধন দিব নোৱৰা বাবে আবাস যোজনাৰ ঘৰটো আজিলৈ নাপালে। জব কাৰ্ড আছে, কিন্তু যোৱা বছৰটোত এটকাও নাপালে, বিভিন্ন সময়ত ৫ টকা সুদত লোৱা প্ৰায় ২০ হেজাৰ টকাৰ ঋণ আছে ডালিমীৰ। দিপালী বড়োৰ দৰে ডালিমীয়ে কৈছিল একেই কথা, 'অতি কষ্টেৰে জীয়াই আছো, ...আমাক সহায়ৰ বাবে চিন্তা কৰা কোনো নাই! আগতে বিলত মাছ মাৰি দুই এপইচা পাইছিলো, এতিয়া বিলখন ডাকত দিয়াত তাৰো মুদা মৰিছে। আনৰ ঘৰত কাম-বন কৰাত বাদে একো উপায় নাই। মোৰ ভৱিষ্যত, ভাইটি-ভণ্টীৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়ে মোৰ টোপনি নাহে... মৰি মৰি জীয়াই আছো...!

তজমিল আলীৰ ঘৰ নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত এখন গাঁৱত। বয়স এতিয়া ১৪ বছৰ। আধাতে

বিদ্যালয় বাদ দিয়াত গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱকে অশেষ চেষ্টা কৰিলে শিক্ষা গ্ৰহণ নিয়মিত কৰিবলৈ, ছমাহ আবাসিক শিবিৰটো ৰখা হ'ল। তাৰ পিছত কিছুদিন বিদ্যালয়লৈ গ'ল। দেউতাকে ঘোৰা গাড়ী চলাই ঘৰখনৰ পোহপাল দিয়ে। কিন্তু হঠাৎ ঘোঁৰাটো মৰি থকাত ঘৰখনলৈ বিপৰ্যয় আহি পৰিল। নতুনকৈ ঘোঁৰা আনিবলৈ ধন নাই, ঋণ ল'লে ৫ শতাংশ সুদ দিব লাগে। অৱশেষত বলী হ'ল তজমিল, বিদ্যালয় এৰি গুজৰাটলৈ যাব লগা হ'ল, উপাৰ্জনৰ বাবে। 'উপায় নাই দাদা, ...পঢ়াৰ মন আছিল, কিন্তু নগ'লে আমি খাব নাপায় মৰিম! এটা ঘোঁৰাৰ প্ৰয়োজনীয় দাম জমা কৰিব পাৰিলে মই গুছি আহিম।" এনেদৰে তজমিলে কৈছিল তাক লগ পাওঁতে।...

গ্ৰাম্য বিকাশ মঞ্চৰ কামত নাইবা ব্যক্তিগত অধ্যয়নৰ বাবে বিভিন্ন সময়ত বিভিন্ন স্থানত ঘূৰি ফুৰোতে এনে অজস্ৰ দিপালী, ডালিমী, তজমিলহঁতৰ দৰে লোক লগ পাই আহিছো। সকলোৰে মুখত একেই হা হুমুনিয়াহ, পীড়াৰ ব্যাথা, পীড়িতৰ ভাষা, একেই অভিযোগ, একেই ক্ষোভ, একেই নিৰাশা...! উজনিৰ, নামনিৰ কিম্বা বৰাক, ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো অঞ্চল, সকলোতে একেই অৱস্থা। একাংশৰ অৱস্থাৰ কোনো পৰিৱৰ্তন হোৱা নাই, বৰঞ্চ দিনে দিনে ঋণাত্মক দিশেৰেহে ধাবিত হৈছে, বা হৈ আছে...! পৰিবৰ্তন তেওঁলোকৰ বাবে এক মিছা সপোন যেন অনুভৱ হৈছে...!

স্বাধীনতাৰ পিছৰে পৰা সমাজৰ অতিকৈ পিছপৰা, অসহায় এনে লোকসকলৰ উন্নয়নৰ বাবে, সবলীকৰণৰ বাবে বহু আঁচনি ৰূপায়ণ হ'ল, ভিন্ন সময়ত ভিন্ন নামেৰে। চৰকাৰী খণ্ডতে হওক নাইবা বেচৰকাৰী খণ্ডতে হওক, ৰূপায়ণ কৰা হ'ল, ভিন্ন সময়ত ভিন্ন নামেৰে। চৰকাৰী খণ্ডতে হওঁক নাইবা বেচৰকাৰী খণ্ডতে হওঁক, ৰূপায়ণ কৰা তেনে আঁচনি সমূহত বছৰি কোটি কোটি টকা খৰচ কৰাও হ'ল। কিন্তু যাৰ বাবে আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰা হৈছে, তেওঁলোকৰ অৱস্থা একেদৰেই থাকিল। তেনে আঁচনি প্ৰস্তুত আৰু ৰূপায়ণত আমাৰ সমাজৰে বিষয় ভিত্তিক উচ্চ শিক্ষিত লোক সকলেই জড়িত হৈ আছে। তথাপিও বহু ক্ষেত্ৰতে দেখা গ'ল, তেনে আঁচনিৰ অধীনত উন্নয়নৰ প্ৰেছক্ৰিপচনে সুফল কঢ়িয়াব পৰা নাই। যাৰ ফলত দিপালী, ডালিমী, তজমিলহঁতৰ দৰে লক্ষ লক্ষ লোকৰ আৰ্তনাদ, ক্ষোভ এতিয়াও ধ্বনিত হৈ আছে। তাৰ পৰিৱৰ্তে অন্য এচামৰ উন্নয়নহে পৰিলক্ষিত হৈ আহিছে।...

একেদৰে এনে ব্যক্তিসকলৰ উন্নয়নৰ শ্লোগান দিয়ে বহু নেতাৰ জন্ম হ'ল, নেতাৰ আহ্বানত বিভিন্নজনে প্ৰাণ আহুতিও দিলে। দেখা গ'ল পৰৱৰ্তী সময়ত উন্নয়নৰ শ্লোগান দিয়া নেতাসকলৰ এটা নতুন শ্ৰেণীহে হ'ল, পৰিস্থিতি একেই থাকিল। যাৰ উন্নয়নৰ বাবে চিঞৰিছিল, তেওঁলোকৰ পৰিৱৰ্তন নহ'ল।

ব্যক্তিক লৈয়ে পৰিয়াল, সমাজ, ৰাষ্ট্ৰৰ সৃষ্টি হয়। এনে ব্যক্তিসকলৰ মাজত যদিহে আৰ্থ-সামাজিক, সাংস্কৃতিক প্ৰভেদ বেছিকৈ থাকে, তেন্তে আমি নিবিচৰা পৰিৱেশ সৃষ্টি হোৱাৰ আশংকা অধিক থাকে। তেনে পৰিৱেশ নহ'বলৈ সমাজখনক তথা ইয়াৰ ব্যক্তি, পৰিয়ালক একে অৱস্থাৰে আগবঢ়াই নিবলৈ, তাৰ জড়িয়তে ঐক্যবদ্ধ সামাজিক প্ৰগতিৰ সূচনা কৰিবলৈ সামাজিক সমতা সৃষ্টিৰ প্ৰয়োজনীয়তা আহি পৰে, যিয়ে সমাজত আনিব পাৰে শান্তি, সমৃদ্ধি। ক্ষুদ্ৰ পৰ্যায়তে হওক নাইবা বৃহৎ পৰ্যায়তে হওক, এচামে আনচামক কৰা শোষণ বন্ধ হোৱাটো, সকলোতে গণতান্ত্ৰিক প্ৰমূল্যবোধ অটুত ৰখাটো সামাজিক সমতা সৃষ্টিৰ এক প্ৰাথমিক চৰ্ত। নহ'লে সমাজত শ্ৰেণী বিভাজন হৈ থাকিব, সমতা কাহানিও কল্পনা কৰিব নোৱাৰি। বহুক্ষেত্ৰত আকৌ দেখা গৈছে, এচামৰ উন্নয়নৰ বাবে ৰূপায়িত বহু আঁচনিয়ে আনচামক শোষণ কৰাৰ পথহে মুকলি কৰি দিছে বা দিয়ে। যাৰ ফলত শোষণৰ বন্ধনীত আবদ্ধ হোৱাৰ দৰে সমাজৰ এচাম লোক একেই অৱস্থাত বন্দী হৈয়েই আছে, দশকৰ পাছত দশক জুৰি। নিত্য নতুন শোষণৰ জালত ভৰি দি দি ভাৰাক্ৰান্ত হৈছে।... 'উন্নয়ন', 'সমাজ', 'পৰিৱৰ্তন' ইত্যাদিৰ প্ৰতি এচাম তীব্ৰভাৱে বিতুষ্ট হৈছে, সমাজত সন্দেহৰ ভাব বৃদ্ধি হৈ গৈ এক নেতিবাচক মানসিকতাৰে বহুলাংশ আক্ৰান্ত হৈছে। ধনাত্মক চিন্তা, চিন্তা কৰা ব্যক্তি, কৰ্ম, পৰিৱেশ ইত্যাদি যেন একেবাৰেই অসম্ভৱ, তেনে ভাবেৰে প্ৰতিটো স্তৰতে মানসিকতা গঢ় লৈ উঠিছে। এনে ক্ষয়ংকৰী প্ৰৱণতা, পৰিৱেশে এখন সমাজলৈ ভৱিষ্যতে অতি ঋণাত্মক পৰিৱেশ কঢ়িয়াই আনে, যিটো সকলোৰে বাবে ভয়ানক। এনে এক জটিল পৰিৱেশ পৰিস্থিতিৰ মাজেৰে আগবাঢ়িছে আমাৰ সময়।...

এজন ব্যক্তিৰ যেনেকৈ চালিকা শক্তি থাকে, ব্যক্তিৰ সমষ্টিয়ে সৃষ্টি কৰা সমাজখনৰো অদৃশ্য চালিকা শক্তি থাকে। সমাজৰ ক্ষেত্ৰত সামাজিক বান্ধোন, নেতৃত্ব, সংস্কৃতি ইত্যাদিয়ে চালিকা শক্তিৰ দৰে কাম কৰে। সমাজত শোষণ মুক্ত পৰিৱেশৰ বাবে, গণতান্ত্ৰিক প্ৰমূল্যবোধ শক্তিশালী কৰণৰ বাবে, সমতা সৃষ্টিৰ বাবে আৰু তাৰ জড়িয়তে শান্তিপূৰ্ণ, সমৃদ্ধিশালী সমাজ গঢ়াৰ বাবে কাৰ্যক্ষম সামাজিক বান্ধোন, সুনেতৃত্ব, গতিশীল পৰিৱৰ্তনকামী সামাজিক সংস্কৃতিৰ প্ৰয়োজন। সুনেতৃত্বই আগবঢ়াই নিব পাৰে পৰিৱৰ্তন, গঢ় দিব পাৰে ইপ্সিত সংস্কৃতি, শক্তিশালী কৰিব পাৰে পৰিবৰ্তনৰ বাবে সামাজিক বান্ধোন। আমাৰ সমাজৰ প্ৰায়ভাগ ক্ষেত্ৰতে এনে সুনেতৃত্ব দিব পৰা লোকৰ অভাৱ হৈছে নেকি, যাৰ ফলত দিপালী, ডালিমী, তজমিলহঁতৰ দৰে লক্ষ লক্ষ লোকৰ পৰিৱৰ্তন সুদূৰ পৰাহত হৈয়ে আছে...!

আমাৰ সমাজত ব্যক্তিকেন্দ্ৰীক চিন্তা চৰ্চাৰ পৰিৱৰ্তে সমাজকেন্দ্ৰীক চিন্তা চৰ্চাৰ উত্তৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে, নতুন প্ৰজন্মক সুশিক্ষাৰে শিক্ষিত কৰি সমাজত সুনেতৃত্ব দিব পৰাকৈ সক্ষম কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে, সমাজত গতিশীল, সুস্থ আৰ্থ-সামাজিক সংস্কৃতি শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে, য'ত দুৰ হ'ব পাৰে পীড়িতৰ পীড়া, ক্ষোভ, আৰ্তনাদ...। সেয়া কৰিব লাগিব আমাৰ সমাজখনেই।

আমি আশাবাদী। ঐতিহাসিকভাৱে সংঘাত, প্ৰত্যাহ্বান নেওচি আগুৱাই অহা আমাৰ সমাজে তেনে ঋণাত্মক পৰিৱৰ্তন ৰোধ কৰি ধনাত্মক পৰিৱৰ্তনেৰে আগুৱাই যাব পাৰিব, সকলো ক্ষেত্ৰতে সমতা সৃষ্টি কৰিব, পীড়িতক শোষণ, বঞ্চনাৰ পৰা মুক্ত কৰিব, সমাজখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী কৰিব পাৰিব। তাৰেই কামনাৰে...

**—পৃথিভূষণ ডেকা**

## গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদকৰ কলম



# উপান্ত মানুহৰ সবলীকৰণ

উপান্ত মানুহৰ সবলীকৰণেৰেহে এখন সমাজত সমতা স্থাপন হয় আৰু তেনে এখন স্বপ্নৰ সমাজ গঢ়াৰ মানসেৰে নলবাৰী, বাক্সা আৰু কামৰূপ গ্ৰাম্য জিলাকে ধৰি অসমৰ আন আন জিলা সমূহৰ ভিন্ন প্ৰান্তত গ্ৰাম্য বিকাশ মঞ্চই আজিও অব্যাহত ৰাখিছে উন্নয়নৰ ধাৰা। অসমৰ ভিন্ন প্ৰান্তৰ প্ৰায় এশৰো অধিক যুৱক-যুৱতীয়ে এই অনুষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ সমাজৰ অৱহেলিত আৰু নিপীড়িত লোকসকলৰ মাজত গণতান্ত্ৰিক অংশগ্ৰহণৰ জৰিয়তে উন্নয়নৰ প্ৰচেষ্টা আগত ৰাখি সেৱা আগবঢ়াই আহিছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান আৰু চৰকাৰী বেচৰকাৰী অনুষ্ঠানসমূহৰ পৃষ্ঠপোষকতাত গ্ৰাম্য বিকাশ মঞ্চই বিগত সময়ছোৱাত কেতবোৰ অভিলাষি পদক্ষেপেৰে কেইটিমান নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি অৱহেলিত তথা পিছপৰা অঞ্চলসমূহত উন্নয়নমূলক কাৰ্য্যসূচী ৰূপায়ণ কৰি আহিছে। ইয়াৰে প্ৰথমটো লক্ষ্য হ'ল ২০১৬ ইং চনৰ ভিতৰত প্ৰায় ১৫,০০০ কৃষিজীৱী লোকৰ বৰ্তমানৰ আয়তকৈ ৫০% বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰশীল কৰা, দ্বিতীয়টো লক্ষ্য ২০১৬ ইং চনৰ ভিতৰত পুৰুষ ৫০০০ আৰু মহিলা ৫০০০ মুঠ ১০০০ পৰিয়ালৰ অধিকাৰ সুনিশ্চিত কৰা, আৰ্থসামাজিক সুৰক্ষা প্ৰদান কৰা, এক মুক্ত পৰিৱেশ সৃষ্টি কৰা, সামাজিক ন্যায় প্ৰদান কৰা আৰু ভাতৃত্ববোধ গঢ়ি তোলা।

তৃতীয়টো লক্ষ্য- ২০১৬ ইং চনৰ ভিতৰত ১০০ৰো অধিক গাঁৱত প্ৰায় ১০০০ দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ দুৰ্যোগৰ পৰা হ'ব পৰা আৰ্থসামাজিক ক্ষয় ক্ষতিৰ পৰিমাণ ৩০% পৰ্য্যন্ত হ্ৰাস কৰা।

আৰু চতুৰ্থটো লক্ষ্য- ২০১৬ ইং চনৰ ভিতৰত প্ৰায় ১৫০০ বঞ্চিত তথা অৱদমিত পৰিয়ালৰ শিশু আৰু কিশোৰ কিশোৰীৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে তেওঁলোকক সৱলীকৰণ কৰা।

বিগত সময়ছোৱাত উপৰোক্ত লক্ষ্যসমূহ সফল কৰি তোলাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই ভালেমান প্ৰত্যাহ্বান গ্ৰহণ কৰিব লগা হৈছে যদিও এক ধনাত্মক মানসিকতাৰে উন্নয়ন প্ৰক্ৰিয়াত সকলো শ্ৰেণীৰ লোকক সংগঠিত কৰা হৈছে আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ আৰ্থসামাজিক উন্নয়ন তথা জীৱন ধাৰণাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা হাতত লোৱা হৈছে।

বিগত বৰ্ষটোত গ্ৰাম্য বিকাশ মঞ্চই কেইবাটাও উল্লেখনীয় প্ৰকল্পৰ জৰিয়তে কৃষি খণ্ডৰ উন্নয়ন তথা কৃষকসকলৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে। টাটা ট্ৰাষ্ট, দ্য হান্স ফাউণ্ডেচন, নেচনেল ফাউণ্ডেচন অফ ইণ্ডিয়া আৰু ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰনালয়ৰ পৃষ্ঠপোষকতাত "বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্প", "কৃষিৰ জৰিয়তে ক্ষুদ্ৰ কৃষকসমূহৰ জীৱিকাৰ মান উন্নিতকৰণ প্ৰকল্প", "মহিলা কৃষক সবলীকৰণ" ইত্যাদি প্ৰকল্পৰ জৰিয়তে প্ৰাকৃতিক জান, জলাশয়ৰ মুকলিকৰণ, কৃষিবান্ধ তথা কৃষকসকলৰ বিভিন্ন প্ৰশিক্ষণৰ জৰিয়তে কৃষিখণ্ডক অধিক উৎপাদনক্ষম কৰি তোলা তথা সক্ষমতা বৃদ্ধি বিষয়ক কৰ্মসূচী ৰূপায়ণ কৰাৰ লগতে কৰাৰ লগতে কৃষকৰ স্বাৰ্থত উৎপাদনকাৰী গোট গঠন কৰা হৈছে। তদুপৰি অনুসূচীত জাতি জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ষুদ্ৰ কৃষকসকলক সামৰি আত্মসহায়ক আৰু উৎপাদনকাৰী গোট গঠন কৰি শক্তিশালী ৰূপ দিয়া হৈছে। ইয়াৰ জৰিয়তে তেওঁলোকৰ স্থায়ী খাদ্য সুৰক্ষাৰ হেতু স্থায়ী জীৱিকাৰ পথ সুনিশ্চিত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। আনহাতে মহিলা কৃষক সকলক আত্মসহায়ক গোটৰ জৰিয়তে সংগঠিত কৰি তেওঁলোকক কৃষি কাৰ্যত অধিক জড়িত কৰি পদ্ধতিগত

বিনিয়োগৰ জৰিয়তে সবলীকৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

এখন দুৰ্যোগমুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰতো গ্ৰাম্য বিকাশ মঞ্চই উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। 'ফাউণ্ডেচন এলবেৰো ডেলাভিটা' নামৰ ইটালীৰ আন্তৰাষ্ট্ৰীয় সাহায্য সংস্থাটোৰ জড়িয়তে কামৰূপ গ্ৰাম্য জিলাৰ কেইখনো গাঁৱক সামৰি দুৰ্যোগৰ প্ৰতি সজাগতা সৃষ্টিৰ হকে তথা দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমনৰ বিষয়ত বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছে।

শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ এক সংহত পদ্ধতি যিয়ে কিশোৰ কিশোৰীসকলক বিদ্যালয়ত গ্ৰহণ কৰা শিক্ষাৰ পাৰস্পৰিক ক্ৰিয়া প্ৰতিক্ৰিয়া অন্বেষণৰ যথাৰ্থতা প্ৰমাণ কৰাত সুযোগ প্ৰদান কৰে এনে চিন্তা আগত ৰাখি শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ সংহত পদ্ধতিৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত অসমৰ কেবাখনো জিলাক সামৰি কেইবাখনো চৰকাৰী বিদ্যালয়, আৰ. এম. এছৰ দ্বাৰা পৰিচালিত বিদ্যালয়, আৰু এছ.টি.চি., আদৰ্শ বিদ্যালয়সমূহত আই.টি.ই নামৰ প্ৰকল্পটো ৰূপায়ণ হৈ আছে। এই প্ৰকল্পৰ জড়িয়তে শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল অধিক মনোগ্ৰাহী তথা বিদ্যালয়ৰ উপস্থিতিৰ হাৰ বৃদ্ধি হোৱা দেখা গৈছে।

আনহাতে গ্ৰাম্য বিকাশ মঞ্চই 'কিশোৰ কিশোৰীৰ শিক্ষা অসম' নামৰ প্ৰকল্পটোৰ জড়িয়তে তিনিওখন জিলাত ১৪ বছৰৰ অনুৰ্দ্ধৰ শিক্ষাৰ পৰা বঞ্চিত কিশোৰ কিশোৰীসকলক আবাসিক জ্ঞানসংযোগ শিবিৰৰ জড়িয়তে গুণগত শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত প্ৰকল্পটোৰ জৰিয়তে ১২ টা জ্ঞানকেন্দ্ৰ আৰু কেইবাটাও বিজ্ঞান কেন্দ্ৰ, পুথিভঁড়াল স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও নলবাৰী আৰু কামৰূপ গ্ৰাম্য জিলাত 'একছন এইড এচ'চিয়েচন'ৰ অৰ্থসাহায্যত "অবদমিত শিশুসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ" প্ৰকল্পৰ জড়িয়তে 'শিক্ষাৰ অধিকাৰ আইন ২০০৯'ৰ সম্পূৰ্ণভাৱে বলবৎ কৰা আৰু প্ৰতিখন বিদ্যালয়ক আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলা তথা আমি আৰু আমাৰ সপোনৰ বিদ্যালয়ৰ কাৰ্যাৱলীৰ দ্বাৰা স্কুলৰ ভৱিষ্যত পৰিকল্পনা বিষয়ক আদি কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছে।

শিশুসকলক সবলীকৰণ তথা শিশুসকলৰ অধিকাৰ সুনিশ্চিত কৰণৰ ক্ষেত্ৰতো "চাইল্ড ৰাইটচ এণ্ড ইউ"ৰ জড়িয়তে নলবাৰী আৰু কামৰূপ জিলাৰ কেইবাখনো গাঁৱক সামৰি এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হৈছে। শিশু আৰু মাতৃসকলৰ স্বাস্থ্য তথা শিশুসকলৰ শিক্ষাৰ অধিকাৰ এই দুয়োটা বিষয়ত প্ৰাধান্য দি উক্ত প্ৰকল্পটো ৰূপায়ণ কৰা হৈছে।

আনহাতে ভাৰত চৰকাৰৰ শিশু আৰু মহিলা উন্নয়ন মন্ত্ৰালয়ৰ জড়িয়তে কামৰূপ আৰু নলবাৰী জিলাত ১০৯৮ চাইল্ড লাইন সেৱা আৰম্ভ কৰা হৈছে।

কিশোৰ কশোৰীসকলৰ সবলীকৰণৰ ক্ষেত্ৰটো "নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়া"ৰ সহযোগত কেবাখনো গাঁৱৰ ১১ বছৰৰ পৰা ১৯ বছৰৰ ভিতৰত প্ৰায় ১০০০ ৰো অধিক কিশোৰ-কিশোৰীক সামৰি তেওঁলোকৰ স্বাস্থ্য বিষয়ত গুৰুত্ব প্ৰদান কৰা হৈছে।

গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়ণ কৰা কাৰ্য্যসূচীৰ এক উল্লেখযোগ্য সংযোজন "ইণ্টাৰনেট সংগী" প্ৰকল্প। গ্ৰামাঞ্চলত ইণ্টাৰনেট সেৱা উপলব্ধ কৰোৱাৰ লগতে ইণ্টাৰনেটৰ জড়িয়তে গ্ৰামাঞ্চলৰ লোকসকলক সবলীকৰণ কৰাৰ উদ্দেশ্যে নলবাৰী, কামৰূপ গ্ৰাম্য, বাক্সা আৰু বৰপেটা জিলাৰ ১৬০ গৰাকী সংগীক সামৰি ৰূপায়ণ কৰি থকা হৈছে এই প্ৰকল্প।

গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্য্যপন্থাসমূহৰ জড়িয়তে কেতবোৰ ইতিবাচক দিশ আমি লক্ষ্য কৰিব পাৰো। কাৰ্য্যসূচীসমূহত ৰাইজৰ গণতান্ত্ৰিক অংশগ্ৰহণ, চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ সহযোগিতা তথা স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাসকলৰ ত্যাগ এক অন্যতম দিশ।

কৃষিজীৱী, শ্ৰমজীৱী তথা শোষিত শ্ৰেণীৰ লোকসকলক এক শক্তিশালী ৰূপত সংগঠিত কৰাৰ ক্ষেত্ৰত যি এক মাত্ৰা দিবলৈ প্ৰয়াস কৰা হৈছে তাক লৈ নিশ্চয় ভৱিষ্যত প্ৰজন্মই আশাৰে বাত চাব। গ্ৰাম্য বিকাশ মঞ্চৰ এই প্ৰচেষ্টা বিৰতিহীনভাৱে ভৱিষ্যতলৈকো অব্যাহত থাকিব।

শ্ৰীদিবাকৰ ডেকা
সম্পাদক, গ্ৰাম্য বিকাশ মঞ্চ

# সূচীপত্ৰ

প্ৰবন্ধ


- এক যাত্ৰা... ডাঃ সুৰেন্দ্ৰ মজুমদাৰ/১৫
- বৈজ্ঞানিক মানসিকতা আৰু মানৱ অধিকাৰ ড° ধনেশ্বৰ বৈশ্য/১৭
- নৈতিকতাৰ গুৰুত্ব ক'ত মহানন্দ পাঠক/২০
- কৃষিৰ যান্ত্ৰিকীকৰণ পুষ্পধৰ দাস/২২
- কৃষিখণ্ডত পশুপালন পংকজ গোবিন্দ মেধি/২৪
- এন জি অ' বিপ্লৱ... কিছু চিন্তা কিছু দুশ্চিন্তা ড° সুশান্ত কুমাৰ কাশ্যপ/২৬
- আমাৰ গাঁও ঃ আমাৰ চিন্তা আৰু জি ভি এম কিশোৰ কুমাৰ কলিতা /২৮
- স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্য ৰমেন দাস/৩০


## ENGLISH SECTION


- **Adieu to the Pioneer of Mobile Theatre of Assam** **Kishor Kumar Kalita**/৩২
- **Book Review : Rendezvous with Rebels** **Dr. Uddipan Dutta**/৩৫
- **Scope of Promoting Health equity through Public health Services** **Arunjoti Das**/৩৮
- **What's alling our education system** **Jeni Baruah**/৪২
- **Gramya Vikash Manch (GVM): A Plateform For Professional Volunteerism** **Rajesh Kakati**/৪৪
- **My Mother** **Moni Begum**/৪৬


কবিতা


- কুশলে থাকক স্বদেশ প্ৰণৱ কুমাৰ বৰ্মণ/৪৭
- তিনিটা কবিতাৰ আৰম্ভণি আৰু সমাপ্তি জিতেন্দ্ৰ ডেকা/৪৮
- স্বেচ্ছাসেৱক অশ্বিনী কুমাৰ শৰ্মা/৪৯
- নীৰৱতাৰ চিঞৰ... প্ৰীতম তালুকদাৰ/৪৯
- অনুভৱ জ্যোতিষ দাস/৫০
- দাম চম্পক শৰ্মা/৫০
- কান্ধত নাঙল হাতত এছাৰি লৈ ৰ'জি সাউদ/৫১
- গ্ৰাম্য বিকাশ মঞ্চ আব্দুল মান্নান/৫১

# সূচীপত্ৰ

প্ৰবন্ধ


- বিৰিণাৰ মৃত্যু — ৰতন তালুকদাৰ/৫২
- জৈৱিক কৃষিৰ উন্নত উপায় — অমিয় কুমাৰ ৰায়/৫৪
- অসমীয়া বিহু আৰু ভাষা সংস্কৃতি — দেৱ কুমাৰ বড়ো/৬৩
- বৰ্তমান সময়ৰ কৃষি আৰু কৃষক — মঃ ইব্ৰাহিম আলী/৬৯
- সমাজ সেৱা, চৰকাৰৰ নতুন নীতি আৰু স্বেচ্ছাসেৱী সংস্থা সমূহৰ ভৱিষ্যত — প্ৰাঞ্জল চক্ৰৱৰ্ত্তী/৭০
- অসমৰ গঁড় আৰু গঁড়ৰ মহিমাময় খৰ্গটো — হীৰকজ্যোতি বৰ্মন/৭৩
- সংস্কৃতিৰ বৰঘৰত ৰাসোৎসৱ — প্ৰণৱ দত্ত/৭৫
- কৃষক বেংক — সুভাষ চন্দ্ৰ দাস/৭৬
- জনসম্পৰ্ক — জিতেন্দ্ৰ নাথ কলিতা/৭৭
- অতীত আৰু বৰ্তমানৰ পৰিক্ৰমাত ভাৰতীয় নাৰী — হিমানী ৰাজবংশী/৮০
- নিৰুদ্ধ অনুভৱ — কল্যাণ দাস/৮২
- শৈশৱ— মোৰ অনুভৱ — ধ্ৰুৱজ্যোতি ৰাজবংশী/৮৪
- বাঁহ গোঁসাই উৎসৱ আৰু ভঠেলিৰ ঃ এক তুলনামুলক অধ্যয়ন — শিখা দাস ভূঞা/৮৫
- শৈশৱ ঃ জীৱনৰ এক স্বৰ্ণীল সময় — ক্ষিতিশ কুমাৰ কাকতি/৮৮
- গাঁৱে গাঁৱে বিকাশৰ আঁত ধৰিছে গ্ৰাম্য বিকাশ মঞ্চই — শ্বাহ আলম আহমেদ/৯০
- **Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 17 Years...**/৯২
- **Audited statement 2015-2016 : Granya Vikash Mancha, Nalbari**/৯৮
- বাতৰি কাকতৰ পৃষ্ঠাত.../৯০


## গ্ৰাম্য বিকাশ মঞ্চ

গ্ৰাম্য বিকাশ মঞ্চ এটি অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। ছ'চাইটি ৰেজিষ্ট্ৰেচন এক্ট 'XXI, ১৮৬০'ৰ অধীনত পঞ্জীকৃত অনুষ্ঠানটোৰ পঞ্জীয়ন নং ঃ RS/NAL/B/246/39 of 2000-2001। অনুষ্ঠানটো ভাৰত চৰকাৰৰ ফ'ৰেইন কন্ট্ৰিবিউচন ৰেগুলেচন এক্টৰ অধীনত পঞ্জীকৃত। পঞ্জীয়ন নং ঃ 020640005। আয়কৰ আইন ১৯৬১ৰ '৮০ জি অধিনিয়ম' অনুসৰি গ্ৰাম্য বিকাশ মঞ্চত দান বৰঙনি আগবঢ়োৱা দাতা, কৰ ৰেহাইযোগ্য বিবেচিত হ'ব। ঠিকনা ঃ কাৰ্যালয় চৌহদ, কৰ্দৈটোলা, বৰবৰী, জিলা ঃ নলবাৰী (অসম)। ফোন নং ঃ ০৩৬২৪-২৮৩৮৮৮, ২৮৩৭৭৪। ই-মেইল ঃ gvmassam@gmail.com। ৱেবছাইট ঃ www.gvmassam.ngo।



# এক যাত্ৰা...

**ডাঃ সূৰেন্দ্ৰ মজুমদাৰ**
মুখ্য উপদেষ্টা, গ্ৰাম্য বিকাশ মঞ্চ

১৯৯৯ চন। অসমৰ ইতিহাসত আমাৰ সময়ৰ অতি ৰক্তাক্ত এটি দশকৰ অন্তিম সময়। সম্ভৱতঃ ছেপ্তেম্বৰ মাহৰ মাজভাগত আমি প্ৰথম আলোচনা কৰিছিলো, সমাজৰ বাবে কিবা এটা কৰাৰ। লাহে লাহে আমাৰ আলোচনা আগুৱাই গৈছিল। সেই বৰ্ষৰ ডিচেম্বৰ মাহৰ ৭ তাৰিখ, মঙ্গলবাৰ। আমি আটায়ে লগ হৈ বহু আশাৰ সপোন বুকুতলৈ জন্ম দিছিলো "গ্ৰাম্য বিকাশ মঞ্চ"। দুৰ্দিনৰ মাজতো নীৰৱে কিছু সুখ বিলাবলৈ, সুখৰ সপোন দেখিবলৈ, সমাজখনক উৎসাহিত কৰিবলৈ উমৈহতীয়াভাৱে আমি সপোন ৰছিচিলো। প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়িম। সেই সমাজ হ'ব মোৰ গাঁৱত, আপোনাৰ গাঁৱত... সকলোৰে গাঁৱতে!

চিকিৎসা সেৱাৰ গধূৰ দায়িত্বৰ মাজতো মই পাৰ্যমানে সময় দিছিলো, নিশা দোভাগলৈ বহি কাম কৰিছিলো, আলোচনা কৰিছিলো, প্ৰেৰণা দিছিলো। সেই সময়ৰ সকলোজনেই দিনে নিশাই সেৱাত জড়িত হৈছিল সকলো প্ৰত্যাহ্বান নেওচি। সকলোৰে মনত এটাই সপোন আমাৰ গাঁৱসমূহ শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণ মুক্ত হ'ব।

লাহে লাহে "গ্ৰাম্য বিকাশ মঞ্চ" আগবাঢ়ি গ'ল। বহু ঘাত-প্ৰতিঘাত নেওচি সময়ৰ সোঁতত সোতৰ বছৰ অতিক্ৰম কৰিলে। সোতৰ বছৰত বহু অভিজ্ঞতা হ'ল, নতুন নতুন চিন্তা চেতনা থুপ খালে, সপোন বাস্তৱায়িত কৰাৰ বাটত অহা প্ৰত্যাহ্বানসমূহ কিছু পৰিমাণে হ'লেও উপলব্ধি হ'ল। বিগত সময়ছোৱাত অভিজ্ঞতাৰ ভিত্তিতে অনুষ্ঠানটো পৰিচালনাৰ ক্ষেত্ৰত বহু নীতি নিয়মো প্ৰস্তুত কৰা হ'ল। সকলোৰে আশা অনুষ্ঠানটো সুস্থভাৱে, সুশৃংখলভাৱে আগুৱাই যাওক সপোন বাস্তৱায়িত কৰাৰ বাবে... প্ৰতিখন গাঁৱতে...!

মাত্ৰ কেইজনমান স্বেচ্ছাসেৱকে আৰম্ভ কৰা "গ্ৰাম্য বিকাশ মঞ্চ"ত এতিয়া তিনি শতাধিক স্বেচ্ছাসেৱক/স্বেচ্ছাসেবিকাই দিনে নিশাই সেৱা আগবঢ়াই আছে। আমাৰ আশা "গ্ৰাম্য বিকাশ মঞ্চ" প্ৰগতিশীল চিন্তা চৰ্চাৰ উমৈহতীয়া ক্ষেত্ৰ হওক, সমাজখনক আগুৱাই নিয়াৰ বাবে, সমাজত ধনাত্মক মানসিকতা গঢ় দিয়াৰ বাবে, নতুন

প্ৰজন্মক সু-সংস্কৃতিৱান কৰাৰ বাবে, সময়ৰ গতিত খোজ মিলাব পৰাকৈ আৰ্থ সামাজিকভাৱে সক্ষম কৰাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই অগ্ৰণী ভূমিকা গ্ৰহণ কৰক।

গ্ৰাম্য বিকাশ মঞ্চত জড়িত প্ৰতিজন স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই সমাজক, নিজৰ গাঁওখনক, অঞ্চলটোক সংস্কৃতিৱান কৰাৰ, আৰ্থ সামাজিক দিশত আগবঢ়াই নিয়াৰ যাত্ৰাত নেতৃত্ব বহন কৰক। গ্ৰাম্য বিকাশ মঞ্চৰ লগত জড়িত হৈ আহৰণ কৰা অভিজ্ঞতা, সংস্কৃতি, প্ৰমূল্যবোধ হৃদয়ঙ্গম কৰি ভৱিষ্যত জীৱনৰ কৰ্মক্ষেত্ৰত প্ৰয়োগ আৰু প্ৰসাৰ কৰক। গ্ৰাম্য বিকাশ মঞ্চক কেৱল জীৱিকাৰ ক্ষেত্ৰ হিচাপে ন'লৈ অনুষ্ঠানটোৰ সপোন, কৰ্মসংস্কৃতি, মূল্যবোধ গ্ৰহণ আৰু প্ৰসাৰণৰ ক্ষেত্ৰত জড়িত হোৱাতোহে আমি আশা কৰোঁ। গ্ৰাম্য বিকাশ মঞ্চই গঢ় দিয়া সংস্কৃতি, আদৰ্শত একাত্ম হৈ প্ৰতিজন স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই একোজন আদৰ্শ নেতা হৈ আমাৰ সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত জড়িত হওক। কোনোবা স্বেচ্ছাসেৱকে তাৰপৰা বিচ্যুত হ'লেই শুধৰাই দিয়ক, সোঁৱৰাই দিয়ক। তেতিয়াহে 'গ্ৰাম্য বিকাশ মঞ্চ'ই আৰম্ভ



কৰা যাত্ৰাই এদিন বাস্তৱ ফল দিব। তদুপৰি ধনাত্মক চিন্তা চৰ্চা, জ্ঞান চৰ্চা, বিতৰ্কৰ মাজেৰে সত্যৰ অন্বেষণৰ বাবে গ্ৰাম্য বিকাশ মঞ্চৰ মজিয়া ব্যৱহাৰ হোৱাতো আমি বিচাৰোঁ। প্ৰতিজন স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই তেনে পৰিৱেশ সৃষ্টিত, আগবঢ়াই নিয়াত সক্ৰিয়ভাৱে জড়িত হ'লেহে সু-সংস্কৃতি গঢ় লৈ উঠিব আৰু শক্তিশালী হ'ব।

গ্ৰাম্য বিকাশ মঞ্চৰ যথেষ্ট সীমাবদ্ধতা আছে। তেনে সীমাবদ্ধতাৰ মাজতে সম্ভৱপৰ পথেৰে সুশৃংখলভাৱে জ্ঞান, সত্যক আকোঁৱালি লৈ আমি আগুৱাব লাগিব আপোনাৰ-মোৰ-আমাৰ প্ৰতিখন গাঁৱতে এখন "শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ বাবে। আহক, আমি প্ৰত্যেকেই একোজন আদৰ্শ হৈ তেনে যাত্ৰা আগবঢ়াই নিওঁ...।





# বৈজ্ঞানিক মানসিকতা আৰু মানৱ অধিকাৰ

ড° ধনেশ্বৰ বৈশ্য

দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫) সময়ৰ পৰাই সমগ্ৰ বিশ্বত চৰ্চিত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ভিতৰত 'মানৱ অধিকাৰ' হৈছে অন্যতম। ব্যক্তিৰ মৰ্যদাসম্পন্ন জীৱন যাপনৰ বাবে সমাজত মানৱ অধিকাৰ উপভোগ কৰিব পৰাৰ পৰিৱেশ হৈছে আটাইতকৈ প্ৰয়োজনীয় চৰ্ত। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মানৱ অধিকাৰৰ অবাধ লংঘন হৈছিল যুদ্ধই সৃষ্টি কৰা অৱৰ্ণনীয় পৰিৱেশৰ বাবে। সেই সময়ছোৱাত লাখ লাখ মানুহে নিজৰ জন্মভূমি, ঘৰ-বাৰী এৰি উদাস্তু হ'বলগীয়া হৈছিল। নিৰ্বিচাৰ বোমা-বাৰুদৰ আক্ৰমণত নিহত হৈছিল অনেক। হিটলাৰৰ দৰে একনায়কৰ কূটিল চক্ৰান্তত ইহুদিসল সন্মুখীন হৈছিল বৰ্বৰ অত্যাচাৰৰ। ইউৰোপৰ ঠায়ে ঠায়ে গোষ্ঠী নিষ্কাষণৰ দৰে বৰ্বৰ পন্থা গ্ৰহণ কৰা হৈছিল। এনে পৰিৱেশত মানৱ অধিকাৰৰ সুৰক্ষাৰ বিষয়টোৱে বহু মানৱতাপ্ৰেমী আৰু গণতন্ত্ৰপ্ৰেমী লোকৰ মনত বাহ লৈছিল। এনে লোকসকলৰ প্ৰচেষ্টাতে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত গঠন হোৱা ৰাষ্ট্ৰসংঘৰ (১৯৪৫) চনদত মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়টোক এক গুৰুত্বপূৰ্ণ লক্ষ্য হিচাপে স্থান লাভ কৰিছিল। এই লক্ষ্য পূৰণৰ বাবে ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰিছিল মানৱ অধিকাৰৰ প্ৰথমখন ঐতিহাসিক দলিল 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা'। ইয়াৰ পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘই আন বহুবিলাক মানৱ অধিকাৰৰ দলিল গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য দলিল দুখন হৈছে 'পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি (১৯৬৬)' আৰু 'অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি (১৯৬৬)'। উল্লেখ্য যে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তৰ্জাটিক সংগঠনৰ প্ৰচেষ্টা স্বত্বেও বিশ্বৰ কোনো দেশ বা সমাজতে মানৱ অধিকাৰ লংঘন সম্পৰ্ণৰূপে ৰোধ কৰাটো সম্ভৱপৰ হোৱা নাই। আজিও বিশ্বৰ বিভিন্ন প্ৰান্তত যুদ্ধ আৰু গৃহযুদ্ধ অব্যাহত আছে আৰু ইয়াৰ ফলত জঘন্যভাৱে মানৱ অধিকাৰ লংঘন হৈ আছে। পিছে যুদ্ধ, গৃহযুদ্ধৰ দৰে প্ৰত্যক্ষ পৰিস্থিতিৰ বাহিৰেও আন কিছুমান কাৰকেহে বিশ্বৰ প্ৰায় প্ৰতিখন সমাজত মানৱ অধিকাৰ লংঘনত বিশেষ ভূমিকা পালন কৰি আছে। ইয়াৰ ভিতৰত অযুক্তিবাদী, অবৈজ্ঞানিক সামাজিক পৰম্পৰা, ৰীতি-নীতি, বিশ্বাস আদি হৈছে অন্যতম। এনে কাৰকসমূহ

নিঃশেষ কৰিব নোৱাৰালৈকে মানৱ অধিকাৰ সুৰক্ষিত কৰাটো সম্ভৱ নহয়। এনে পৰিপ্ৰেক্ষিততে মানৱ অধিকাৰৰ সৈতে বৈজ্ঞানিক মানসিকতাৰ সম্পৰ্কৰ বিষয়টো চমুকৈ আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।



বিজ্ঞান মনস্কতা বা বৈজ্ঞানিক মানসিকতাই যুক্তিসংগত দৃষ্টিভংগীক সূচাই। ইয়াৰ অভিন্ন অংশ হৈছে আলোচনা, যুক্তি, বিতৰ্ক, ব্যাখ্যা আৰু বিশ্লেষণ। ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ বিজ্ঞান মনস্কতা বা বৈজ্ঞানিক মানসিকতা (Scientific Temper) অভিধাটো প্ৰথমতে ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে বৈজ্ঞানিক মানসিকতা হৈছে সত্য আৰু নতুন জ্ঞানৰ অন্বেষণ; যিকোনো বিষয়ক পৰীক্ষা নকৰাকৈ গ্ৰহণ কৰিবলৈ অস্বীকাৰ; নতুন প্ৰমাণৰ আধাৰত পূৰ্ববৰ্তী জ্ঞান বা সিদ্ধান্ত সলনি কৰা; পৰ্যবেক্ষিত সত্যৰ ওপৰত বিশ্বাস পোষণ তথা সু-শৃংখলিত মানসিকতা। ই যে কেৱল বৈজ্ঞানিক ধাৰণাসমূহৰ ক্ষেত্ৰতহে প্ৰযোজ্য এনে নহয়। ই হৈছে মানুহৰ দৈনন্দিন জীৱনৰ সকলোবোৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব লগা ধাৰণা। অতি সৰলতাৰে যুক্তিসংগত চিন্তা আৰু সিদ্ধান্তই হৈছে বৈজ্ঞানিক মানসিকতা।

বৈজ্ঞানিক মানসিকতা মানুহৰ মনত কেনেদৰে শিপাইছে তাক জানিব পাৰি দৈনন্দিন জীৱনৰ কাম-কাজ আৰু সমস্যাসমূহ সমাধান কৰাত মানুহে কিমানখিনি যুক্তিৰ প্ৰয়োগ কৰিছে তাৰ ওপৰত। যদিহে মানুহে ব্যক্তিগত বা সামাজিক বিষয় বা সমস্যাসমূহৰ ক্ষেত্ৰত যুক্তিৰপৰিৱৰ্তে আৱেগ, অন্ধবিশ্বাস বা অবৈজ্ঞানিক উপায়ৰহে আশ্ৰয় লয় তেনেহ'লে বুজিব লাগিব যে বিজ্ঞান মনস্কতা সেইসকল লোক বা সেইখন সমাজত এতিয়াও প্ৰোথিত হোৱা নাই। অৰ্থাৎ তেওঁলোক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দ্বাৰা ভাৰাক্ৰান্ত। এনে অন্ধবিশ্বাস আৰু কু-সংস্কাৰে সমাজৰ উপকাৰ নকৰে। ই সমাজৰ গভীৰ ক্ষতিহে কৰে।

এতিয়া প্ৰশ্নটো হ'ল বিজ্ঞান মনস্কতাৰ সৈতে মানৱ অধিকাৰৰ বিষয়টো কেনেদৰে সাঙোৰ খাই আছে। যদি আমি গভীৰভাৱে বিশ্লেষণ কৰো তেনেহ'লে দেখিম যে বিশ্বৰ প্ৰায়ভাগ সমাজত কিছুমান মানৱ অধিকাৰ লংঘন হৈ থকাৰ অন্যতম কাৰণ হৈছে বিজ্ঞান মনস্কতাৰ অভাৱ। অৰ্থাৎ সেই সমাজৰ লোকসকল যুক্তি, বিচাৰ-বিবেচনা, পৰ্যবেক্ষণৰ পৰিৱৰ্তে অতিপ্ৰাকৃত, অযুক্তিকৰ চিন্তাধাৰা আৰু অন্ধবিশ্বাসৰ দ্বাৰা পৰিচালিত হোৱাটো। আমাৰ মনলৈ অহা এনে দুটামান উদাহৰণ বিষয়টো স্পষ্ট কৰাৰ বাবে তলত দাঙি ধৰিব বিচাৰিছো।

বিশ্বৰ প্ৰায়ভাগ সমাজতে নাৰীৰ মানৱ অধিকাৰ ভংগ কৰাটো এক সাধাৰণ কথা। নাৰীক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাত অংশ গ্ৰহণৰ সুযোগ প্ৰদান নকৰা, বিভিন্ন অজুহাতত নাৰীৰ ওপৰত শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলোৱা একেবাৰে সাধাৰণ ঘটনা। ইয়াৰ লগত জড়িত ধাৰণাটো হৈছে পুৰুষৰ তুলনাত নাৰীৰ শাৰীৰিক আৰু মানসিক শক্তিৰ অসমতাৰ ধাৰণা। ইয়াৰ লগত কোনো বৈজ্ঞানিক ভিত্তি জড়িত নাই। যেনেদৰে



কোনো নাৰী কোনো পুৰুষৰ তুলনাত শাৰীৰিক বা মানসিকভাৱে দুৰ্বল হ'ব পাৰে। ঠিক একে দৰে কিন্তু কোনো পুৰুষো কোনো



নাৰীৰ তুলনাত এই দুয়ো ক্ষেত্ৰত দুৰ্বল হ'ব পাৰে। প্ৰকৃততে নাৰী অবলা, দুৰ্বল এই তত্ত্বটো বহু যুগ ধৰি পুৰুষতান্ত্ৰিক সমাজে আৰোপ কৰি অহা ধাৰণা।

বহু সমাজে ছোৱালী সন্তান জন্ম হোৱাটো সহজভাৱে গ্ৰহণ নকৰে। ছোৱালী সন্তান জন্মৰ বাবে মাকক দায়ী কৰা হয় আৰু ইয়াৰ ওপৰত ভিত্তি কৰি তেনে মাতৃৰ ওপৰত অকথ্য শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱা হয়। প্ৰকৃততে সন্তানটো ল'ৰা হ'ব নে ছোৱালী হ'ব সেয়া মাকগৰাকীয়ে নিৰ্ধাৰণ নকৰে। সেয়া পুৰুষগৰাকীৰ শুক্ৰানুয়েহে নিৰ্ধাৰণ কৰে। আমাৰ সমাজৰ পুৰুষতান্ত্ৰিক আৰু অবৈজ্ঞানিক মানসিকতাৰ বাবে মাকগৰাকী অত্যাচাৰৰ বলী হয়।

ভাৰতবৰ্ষৰ কিছুমান প্ৰান্তৰ লগতে অসমত বসবাস কৰা কিছুমান জনগোষ্ঠীৰ মাজত 'ডাইনী' বিশ্বাস গভীৰভাৱে শিপাই থকা বিশ্বাস। ইয়াৰ লগত জড়িত মূল কথাটো হৈছে ডাইনীয়ে বিচাৰিলে যিকোনো লোকৰে অপকাৰ কৰিব পাৰে। গতিকে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দ্বাৰা পৰিচালিত লোকসকলৰ দ্বাৰা 'ডাইনী হত্যা' ডাইনী সজাই কোনো লোক বা পৰিয়ালৰ ওপৰত চলোৱা শাৰীৰিক আৰু মানসিক অত্যাচাৰ, গাঁও এৰি যাবলৈ বাধ্য কৰোৱা ঘটনা সঘনাই সংঘটিত হৈ আহিছে। ইয়াৰ ফলত কিছুমান লোকৰ অতি গুৰুত্বপূৰ্ণ মানৱ অধিকাৰ যেনে -জীয়াই থকাৰ অধিকাৰ, নিষ্ঠুৰ, অমানৱীয় শাস্তি অথবা অত্যাচাৰৰ পৰা মুক্ত থকাৰ অধিকাৰ, নিজৰ পৈতৃক স্থানত বসবাস কৰাৰ অধিকাৰ আদি ভয়াৱহভাৱে লংঘন হৈ আহিছে। এতিয়া কথা হ'ল ডাইনী বিশ্বাসৰ সম্ভাব্য মূল কাৰণসমূহ কি— গাঁৱৰ কিছুমান লোকৰ দেহত বাহ লোৱা অচিন বা সোনকালে নিৰাময় নোহোৱা ৰোগ বা সেই ৰোগ সম্পৰ্কে মানুহৰ অজ্ঞতা; কোনো পৰিয়াললৈ নামি অহা আকস্মিক বিপদ; কোনো লোকে প্ৰয়োগ কৰা তন্ত্ৰ-মন্ত্ৰ; গাঁৱৰ কোনো শক্তিশালী লোকে নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ কোনো লোকক ডাইনী সজাই চলোৱা প্ৰচাৰ ইত্যাদি. উক্ত কাৰণসমূহৰ এটাৰ সৈতেও কোনো যুক্তি বা বিশ্বাস নাই। অজ্ঞতা বা বৈজ্ঞানিক জ্ঞানৰ অভাৱৰ বাবেহে মানুহে ডাইনী বিশ্বাস মানি আহিছে।

ওপৰত উল্লেখ কৰা উদাহৰণকেইটা মোৰ মনলৈ থাউকতে অহা উদাহৰণ। হয়তো আপুনি বিচাৰিলে এনে উদাহৰণ আপোনাৰ সমাজতো বিচাৰি পাব যাৰ সৈতে মানৱ অধিকাৰ লংঘনৰ এনে দিশসমূহ আমি কেনেদৰে ৰোধ কৰিব পাৰো। নিশ্চয় মানুহৰ মাজত বৈজ্ঞানিক মানসিকতা প্ৰোথিত কৰি। পিছে ই ভবাৰ দৰে ইমান সহজ নহয়। ভাৰতীয় সংবিধানত ৪২তম সংশোধনীৰ জৰিয়তে বৈজ্ঞানিক মানসিকতাৰ বিকাশক এটা মৌকি কৰ্তব্য হিচাপে সন্নিৱিষ্ট কৰিছিল। অথচ আজিও আমাৰ দেশৰ গৰিষ্ঠসংখ্যক লোক অবৈজ্ঞানিক মানসিকতাৰ দ্বাৰা পৰিচালিত। বিজ্ঞান মনস্কতা সু-চিন্তিত আৰু অহৰ্নিশে চলোৱা প্ৰচেষ্টাৰ দ্বাৰাহে মানুহৰ মনত প্ৰোথিত কৰাটো সম্ভৱ। ইয়াৰ বাবে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আৰু বেচৰকাৰী সংগঠনসমূহে জনসাধাৰণৰ মাজলৈ গৈ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।



# নৈতিকতাৰ গুৰুত্ব ক'ত

মহানন্দ পাঠক

**প্ৰা**চীন কালত গ্ৰীচ দেশৰ মেচিডনৰ ৰজা মহামতি আলেকজেণ্ডাৰে এছিয়া মহাদেশৰ বহুকেইখন দেশ জয় কৰাৰ পিছত ভাৰতবৰ্ষৰ গুজৰাট আৰু ছাহপুৰ সামৰি লোৱা পুৰু ৰাজ্য আক্ৰমণ কৰে। সেই সময়ৰ পুৰু ৰাজ্যৰ ৰজা পুৰুক আলেকজেণ্ডাৰৰ সৈন্যই বন্দী কৰি আনি ৰজা আলেকজেণ্ডাৰৰ সন্মুখত থিয় কৰায়। তেতিয়া ৰজা আলেকজেণ্ডাৰে পুৰুক সুধিলে — "এতিয়া তুমি মোৰ পৰা কেনেকুৱা ব্যৱহাৰ বিচৰা।" পুৰুৱে মহামতি বিশ্বজয়ী ৰজা আলেকজেণ্ডাৰক ক'লে —"ৰজাৰ দৰে।" আলেকজেণ্ডাৰে পুৰুক নৈতিকতাত স্থিতপ্ৰজ্ঞ হৈ ৰজা পুৰুক মুক্ত কৰি দিলে। যেনেকৈ জ্ঞানৰ বিতৰণ বা প্ৰসাৰ নহ'লে জ্ঞানৰ মৃত্যু হয়, তেনেকৈ নৈতিকতাৰ মৃত্যু হয় যদিহে নৈতিকতাৰ চৰ্চা কৰা নহয়। এতিয়া নৈতিকতাৰ চৰ্চা কৰিবলৈ বহুতো জ্ঞানীয়ে দ্বিধাবোধ কৰে কিয় ? তাৰ উত্তৰ হয়তো ওলাব দাৰ্শনিক থিয়ড'ৰ ৰুজভেল্টৰ বক্তব্যত —"নৈতিকতাৰ শিক্ষা নিদি এজন মানুহক মনৰ শিক্ষা দিয়াৰ অৰ্থই হ'ল এখন সমাজক বিপদ বা ভাবুকিৰ শিক্ষা দিয়া।" বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰতবৰ্ষতো এনে ধৰণৰ শিক্ষাকেই দি থকা হৈছে। নৈতিক শিক্ষা এতিয়া যেন পাঠ্যক্ৰম বহিঃৰ্ভূত শিক্ষা হৈ পৰিছে, য'ত ধৰ্মযাজকে সুৰুঙা বিচাৰি পাইছে। নৈতিক শিক্ষা দিয়াটো কেৱল ধৰ্ম যাজকৰ কাম হ'লে আধ্যাত্মিকতাই প্ৰাধান্য বিস্তাৰ কৰাৰ থল থাকে। নীতি-নিয়ম আৰু নৈতিকতা কিন্তু আধ্যাত্মিকতা নহয়। কিছুমান সৰ্বস্বীকৃত বিশ্বাস আৰু মানসিকতাই এখন ৰাষ্ট্ৰক ধৰি ৰাখে। ইয়াৰ দ্বাৰাই তেওঁলোকৰ সামাজিক সংঘাতবোৰৰ পৰিৱেশ উৰ্দ্ধলৈ উঠিব পাৰে। ইয়েই এখন ৰাষ্ট্ৰক দিয়ে প্ৰমূল্য, ইয়াৰ বসন, ইয়াৰ সততা , ইয়াৰ নৈতিকতা আৰু ইয়াৰ কষ্ট সহিষ্ণু শক্তি। এনে বক্তব্যৰ অধিকাৰী আছিল নৈতিকতাৰ গৰাকী দাৰ্শনিক জন গাৰ্ডনাৰ।

প্ৰমূল্যতাই সাহস, আত্মবিশ্বাস, অনুগত্য আৰু শিষ্টাচাৰক বুজায়। এজন ব্যক্তিৰ প্ৰতি, এখন সমাজৰ প্ৰতি, এখন ৰাষ্ট্ৰৰ প্ৰতি অনুগত্য প্ৰকাশ কৰাটোৱেই হ'ল আত্মবিশ্বাসেৰে বিশ্বাস দিব পৰা প্ৰত্যয়। মানুহৰ আচৰণ, অভ্যাস, চৰিত্ৰ আৰু স্বভাৱসুলভ বৈশিষ্ট্যবোৰেই প্ৰমূল্যক জীপাল কৰি ৰাখে, য'ত নৈতিকতাই গঢ় লয়। নৈতিকতাৰ দিশৰ পৰা বিচাৰ কৰিব গ'লে সমাজৰ কল্যাণৰ কাৰণে যুক্তিসংগত শ্ৰম কৰা বাধ্যতামূলক। এখন ঘৰত, এখন সমাজত, এখন দেশত নিষ্কৰ্মাক অকৰ্মাৰ খাদ্য পোৱাৰ অধিকাৰ নাই। এই নীতি-নিয়মৰ মাজতেই ভাল-বেয়া, দক্ষ-অদক্ষ, শ্ৰদ্ধা-অশ্ৰদ্ধা, ন্যায়-অন্যায় নিৰ্ণীত হয়।

দাৰ্শনিক বাট্ৰাণ্ড ৰাছেলৰ ধাৰণাত - যিজনৰ কথা-বতৰাই অইনৰ মনত আঘাত নিদিয়ে, তেওঁৱেঁই ভদ্ৰলোক আৰু যিজনে নিজৰ লগতে দহৰ হকে সঁচা অৰ্থত ন্যায়ৰ বাবে মাত মাতে, অভাৱগ্ৰস্তজনক সহায়ৰ হাত আগবঢ়ায়, অইনৰ অপকাৰ নকৰে, তেওঁৱেঁই ভাল মানুহ। কিন্তু ভদ্ৰলোক এজন ভাল মানুহ নহ'বও পাৰে বা ভাল মানুহ এজন ভদ্ৰলোক হ'ব নোৱাৰে। চমুকৈ ভদ্ৰলোক এজনক ভাল মানুহ নুবুজায়। ভাল মানুহ হ'বলৈ গৈ সঁচা অৰ্থত ন্যায়ৰ হকে মাত মাতিলেই প্ৰশাসনিকৰ মনত আঘাত লাগে। গতিকে প্ৰশাসনিকৰ মনত তেওঁ ভদ্ৰলোক হৈ থাকিব নোৱাৰে। এইটোৱে হ'ল, অনিশ্চয়তাৰ নীতি। বিজ্ঞানী হাইজেন বাৰ্গৰ মতে এটা নিশ্চিত হ'লে, আনটো অনিশ্চয়তাত বুৰ গৈ থাকিবই লাগিব। তেনেদৰে দক্ষ শিক্ষক এজন, মানুহ হিচাপে বা ভদ্ৰলোক, দুয়োটাৰ এটাহে হ'ব পাৰে। দক্ষ শিক্ষকজন হয়তো ভদ্ৰ হ'ব পাৰে বা ভদ্ৰ নহৈ ভাল হ'ব পাৰে। কিন্তু দুয়োটা কেতিয়াও একে সময়তে একে পৰিৱেশত হ'ব নোৱাৰে বুলি অনিশ্চয়তাৰ নীতিয়ে কৈ থৈছে।

আকৌ দক্ষ প্ৰশাসনিক বিষয়া এজন ভদ্ৰলোক হোৱাৰ কথাই নুঠে। যদি প্ৰশাসনিক বিষয়াজন ভদ্ৰলোক হোৱাৰ প্ৰয়াস কৰে, তেন্তে তেওঁৰ দক্ষতাই নৈতিকতাৰ প্ৰমূল্য নোহোৱা কৰে, এখন সমাজক তথা এখন ৰাষ্ট্ৰক পংগু কৰে। আকৌ জনগণক লোভৰ টোপ দিয়া, ভয়ৰ ভাব দেখুওৱা আৰু হেঁচা প্ৰদান কৰাটো হ'ল মূলতঃ নৈতিকতাৰ অন্তৰায়।

পৰিৱেশ পৰিস্থিতি সাপেক্ষে ভিন্নজনৰ সংস্পৰ্শত নিজৰ নিজৰ নৈতিকতা সলনি হৈ থাকে যদিও নৈতিকতাৰ লগত জড়িত আইনগত কাৰ্য নৈতিক নহ'বও পাৰে। উদাহৰণস্বৰূপে, চৰকাৰৰ ঘৰত নিৰিখ মতে আয়কৰ জমা দিয়াতকৈ বেছি পৰিমাণে বীমা কৰা নাইবা চৰকাৰৰ ঘৰত নিৰিখ মতে আয়কৰ জমা দি ছমাহ নৌহওঁতেই আটাইখিনি ওভতাই অনাৰ বাবে আইনৰ সুৰুঙা আছে যদিও ই নৈতিকতাৰ পৰিপন্থী। আকৌ ৰোগীক বচাবলৈ গৈ ৰাজপথৰ নীতি-নিয়ম উলংঘা কৰি বেছ বেগত এম্বলেঞ্চ চলাই নিয়া কাৰ্য আইনবিৰোধী হ'লেও নৈতিক নহৈ নোৱাৰে। গতিৰে পৰিৱেশ পৰিস্থিতি সাপেক্ষে কৃতকাৰ্য নৈতিক হ'লেও আইন সংগত নহ'ব পাৰে নতুবা কিছুমান কাৰ্য নৈতিক নহ'লেও আইনসংগত হ'ব পাৰে। বহুতো বিজ্ঞই বিশ্বাস কৰি আহিছে যে নীতি-নিয়ম, আইন আৰু নৈতিকতা আধ্যাত্মিকতাৰ পৰিপন্থী নহয় যদিও, এটা কথা ঠিক যে নীতি আৰু নৈতিকতা কিন্তু আধ্যাত্মিকতা নহয়। ই হ'ল এক ধৰণৰ আচৰণ বিধিহে, য'ত সহানুভূতি আৰু সততা বিৰাজমান। দৰাচলতে, মানৱীয় মূল্যবোধ বা যোগ্যতাৰ দ্বাৰাহে (অৰ্হতাৰ নহয়) নিজৰ নিজৰ আচৰণ বিধি পৰিচালিত হয়। মানৱীয় মূল্যবোধৰ দ্বাৰা নিজৰ আচৰণ বিধি পৰিচালিত কৰিব পৰাজন সাত্বিক। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম আছিল এজন সাত্বিক তথা আদৰ্শ ব্যক্তি। মূল্যবোধৰ প্ৰকাশ আৰু বিকাশ মানুহৰ সামাজিক পৰিৱেশ আৰু অৰ্থনৈতিক অগ্ৰগতি বা পশ্চাৎমুখিতাৰ ওপৰত নিৰ্ভৰশীল। গতিকে প্ৰমূল্য,নৈতিকতা আৰু মূল্যবোধ




কোনোটোৱেই পৰম বা চিৰন্তন নহয়। মহামতি এলবাৰ্ট আইনষ্টাইনে কোৱাৰ দৰে - "There is no such thing as absolute motion." ইয়াৰ অৰ্থ এয়ে যে বাস্তৱ জগতত যিকোনো বস্তু বা যিকোনো কথাৰে কোনো পৰম সত্য নাই। সকলো বিষয়বস্তুৰেই সত্য নিৰূপণ হয় আন এক বিষয়বস্তু সাপেক্ষেহে, যাক সাময়িক সত্য বা আপেক্ষিক সত্য বুলি কোৱা হয়। The true value of a human being is primarily by the measure and the sense in which he has attained liberation from the self. *(Ideas and Opinion : Albert Einstein : P. 12)*। গতিকে নৈতিকতাপূৰ্ণ মানুহ হৈ সমাজত জীয়াই থকাৰ প্ৰয়াস কৰিলে মানৱ জীৱনৰ প্ৰকৃত অৰ্থ ওলাই পৰিব, য'ত উদ্দেশ্যই বিধেয় হৈ ধৰা দিব আৰু প্ৰত্যেকজন মানুহৰে জীৱন পৰিক্ৰমাত নৈতিকতা গঠনৰ গুৰুত্ব স্পষ্ট হৈ পৰিব।

অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, বৰভাগ কলেজ
e–mail : mahanandapathak@yahoo.com
+91 98641-49250

চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া গাঁওসমূহত যোৱা কেইবছৰমানৰ পৰা কিছুমান যন্ত্ৰৰ ব্যৱহাৰ কৰাৰ বাবে প্ৰচেষ্টা কৰি থকা হৈছে। কিছুমান যন্ত্ৰ আগৰপৰাই প্ৰচলিত আৰু কিছুমান নতুন। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদি আগৰ পৰাই প্ৰচলিত। মাটি প্ৰস্তুতকৰণত যান্ত্ৰিকীৰণ যথেষ্ট আগবঢ়া।



# কৃষিৰ যান্ত্ৰিকীকৰণ

পুষ্পধৰ দাস

**অ**ৰ্থনীতিবিদসকলে বিভিন্ন গৱেষণা কৰি এইটো প্ৰতীয়মান কৰিছে যে বিকাশৰ আৰম্ভণি কৃষি বা আন প্ৰাথমিক ক্ষেত্ৰৰ বিকাশেৰে হয়। বৰ্তমান যুগত বহুদেশৰ উন্নতি ভাবিব নোৱাৰা ধৰণে হৈছে আৰু কেৱল প্ৰাথমিক ক্ষেত্ৰৰ বিকাশেৰে তেনে দেশবোৰৰ লগত ফেৰ মৰাটো হয়তো কাল্পনিক হ'ব। কিন্তু, জনসংখ্যাৰ ফালৰ পৰা যিহেতু আমাৰ গৰিষ্ঠ সংখ্যক লোকেই কৃষিৰ লগত জড়িত, কৃষিক্ষেত্ৰৰ বিকাশ আমাৰ বাবে অতীব প্ৰয়োজনীয়।

ইয়াৰ বিপৰীত ছবি এখনহে বাস্তৱ জীৱনত দেখা যায়। সমাজ জীৱনত খেতিয়কৰ স্থান সৰ্বনিম্ন, যদিওবা কৃষকসকলৰ বাবে বহুলোকে দুবেলা দুসাঁজ খাবলৈ পাইছে, কৃষিভিত্তিক বেপাৰ-বণিজ কৰি। খেতিয়কসকলে কি উৎপাদন কৰে তাৰ ওপৰতেই দেশৰ স্বাস্থ্য নিৰ্ভৰ কৰে, ৰাইজে কি খায় সেয়া নিৰ্ভৰ কৰে।

আজিকালি প্ৰায়বোৰ গাঁৱৰ পৰাই ডেকা ল'ৰাবোৰে বাহিৰলৈ প্ৰব্ৰজন কৰে কাম বিচাৰি জীৱিকাৰ তাড়নাত। জ্ঞান আৰু অভিজ্ঞতাৰ বাবে তেনেকৈ প্ৰব্ৰজন হোৱাটো ভাল কথা, কিন্তু প্ৰায়বোৰেই ঘূৰি আহে ভগ্ন মানসিকতা লৈ। যিসকল ইয়াত থাকি যায়, তেওঁলোকৰো প্ৰায়বোৰেই তিনিটকীয়া চাউল আৰু কাম নকৰাকৈ পোৱা হাজিৰাকেইটাৰ কেটাৰ জহত উৎপাদনমূলক কামবোৰলৈ পিঠি দিয়ে।

সমস্যাৰে জৰ্জৰিত এই কৃষিক্ষেত্ৰখনক আকৌ উন্নতিৰ দিশে আগুৱাই নিয়া বিষয়টো সকলোৰে কাম্য যদিও বিভিন্ন কাৰণত সেইটো হৈ উঠা নাই। কৃষিৰ দীৰ্ঘ্যম্যাদী উন্নতিৰ বাবে কিছুমান বিশেষ কথাৰ প্ৰতি লক্ষ্য ৰখা উচিত। এই সন্দৰ্ভত বিভিন্নজনে বিভিন্ন মত আগবঢ়াইছে। তাৰ মাজতে আমাৰ সংক্ষিপ্ত অভিজ্ঞতাৰ পৰা কৃষিক্ষেত্ৰৰ উন্নয়নৰ কাৰণে কি কৰিব লাগিব, সেয়া সংক্ষেপে তলত আলোচনা কৰা হ'ল।

প্ৰথমতেই, প্ৰণালীবদ্ধ খেতি মানে গোটেই বছৰটোৱেই আমি কেনেদৰে মাটিডৰা ব্যৱহাৰ কৰিব পাৰো, তাৰ ওপৰত জোৰ দিয়া উচিত- নহ'লে আমি বছৰটোত এবাৰ ধানখেতি কৰিয়েই মাটিডৰা পেলাই থও। সঠিক সময়ত সঠিক বীজেৰে আৰু সঠিক প্ৰণালীৰে খেতি কৰিলে বছৰটোত আমি কেবাটাও খেতি কৰিব পাৰো। আমাৰ বহুতো কৃষকে দুটা খেতি কৰেই- তাকে বহলভিত্তিত লৈ যাব লাগিব। অকল খেতিয়েই নহয়, ইয়াৰে উপোদপাদ সমূহ অইনত, যেনে গৰু, মাছ, মুৰ্গী আদিৰ পোহপালনত ব্যৱহাৰ কৰি মিশ্ৰিত খেতি কৰিব লাগিব।

দ্বিতীয়তে, আমাৰ খেতিয়কে পুৰণিকলীয়া পদ্ধতিতে খেতি কৰি ক্ৰমাগতভাৱে দুখীয়া হৈ গৈ আছে। নতুন পদ্ধতিবোৰ আৰু নতুন খেতিবোৰ নিশিকিলে তেওঁলোকৰ অৱস্থাৰ আৰু অৱনতি ঘটাৰ আশংকাই অধিক। বীজ সংৰক্ষণৰ পৰা আৰম্ভ কৰি বজাৰ কেনেকৈ দখল কৰিব পাৰি, আমাৰ কৃষকে নিশিকিলে, আমাৰ অৱস্থাৰ কেতিয়াও উন্নতি সাধন নহয়।

তৃতীয়তে, প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষা কৰাটো আমাৰ সকলোৰে দায়িত্ব। Integrated Pest

## *যন্ত্ৰৰ সফল প্ৰয়োগৰ পথত প্ৰথম প্ৰত্যাহ্বান হ'ব কৃষি শ্ৰমিক নিজেই। তেওঁলোকৰ কাম হেৰুওৱাৰ ভয় এটা সদায় থাকিব।*

Management আৰু Integrated Nutrient Management আমাৰ কাৰণে অত্যন্ত প্ৰয়োজনীয়। পচনসাৰ, কেঁচুসাৰ আদিৰ ব্যৱহাৰ কৰি মাটিৰ আয়ুস বঢ়োৱা আৰু পৰিসীমিত মাত্ৰাত ৰাসায়নিক বস্তু ব্যৱহাৰ কৰাৰ ওপৰত জোৰ দিয়া উচিত আৰু চতুৰ্থতে কৃষিৰ উৎপাদিকা হ্ৰাস, ভূমিৰ বহুখণ্ডীকৰণ, কৃষি শ্ৰমিকৰ সংখ্যা হ্ৰাস, জলবায়ু পৰিবৰ্তন আদিৰ বাবে খেতিত সমূহীয়াভাৱে একগোট হৈ খেতি কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। কৃষি শ্ৰমিকৰ সংখ্যা হ্ৰাস হোৱা হেতুকে যান্ত্ৰিকীকৰণ হ'বই লাগিব আমাৰ কৃষিত। ই অকল খৰচ আৰু সময় কমোৱাই নহয়, ভাল ফচল পাবলৈ কৃষিত থলুৱাভাৱে উপযোগী যন্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিয়ে কৃষকৰ হেৰোৱা গৌৰৱ ওভতাই অনাত বহুখিনি সহায় কৰিব।

চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া গাঁওসমূহত যোৱা কেইবছৰমানৰ পৰা কিছুমান যন্ত্ৰৰ ব্যৱহাৰ কৰাৰ বাবে প্ৰচেষ্টা কৰি থকা হৈছে। কিছুমান যন্ত্ৰ আগৰপৰাই প্ৰচলিত আৰু কিছুমান নতুন। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদি আগৰ পৰাই প্ৰচলিত। মাটি প্ৰস্তুতকৰণত যান্ত্ৰিকীৰণ যথেষ্ট আগবঢ়া। কৃষিৰ আন কৰ্মসমূহতো যন্ত্ৰৰ ব্যৱহাৰৰ যথেষ্ট থল আছে। প্ৰত্যাহ্বান এটাই যে প্ৰচলিত ধ্যান ধাৰণাৰ পৰা ওলাই আহি এক নতুন পদ্ধতিক আদৰি লোৱাত আমি অভ্যস্ত নহয়। কিন্তু সমাধানৰ উপায়সমূহ ব্যৱহাৰৰ লগে লগে উন্নত হৈ গৈ থাকে। যন্ত্ৰ ব্যৱহাৰ কৰা আৰম্ভ কৰিলেহে আমি ইয়াৰ সুবিধা-অসুবিধা সমূহ গম পাম আৰু সেইমতে যন্ত্ৰ বা পদ্ধতি সলনি কৰিব পাৰিম।

প্ৰচলিত কৃষি পদ্ধতিৰ সমস্যাসমূহ সকলোৱে ভালকৈ বুজি পায়, সেয়ে হয়তো নতুন চামে কৃষিক জীৱিকা হিচাপে লোৱা নাই। যন্ত্ৰৰ সফল প্ৰয়োগে কৃষিক জীৱিকা হিচাপে লোৱাত ভালেখিনি সহায় কৰিব পাৰে। বিশেষকৈ কঠীয়া ৰোপণ যন্ত্ৰটো অতি কামত অহা। আমাৰ প্ৰচলিত পদ্ধতিত কিছুমান আঁসোৱাহ আছে। তাৰ প্ৰথমটো হ'ল আমি লাইনত নুৰুওঁ। দ্বিতীয়তে, আমি কঠীয়া দেৰিকৈ ৰোওঁ। তৃতীয়তে, কঠীয়া উঠাওতে কঠীয়াবোৰক বৰ কষ্ট দিয়া হয়। চতুৰ্থতে ৰুওঁতে বহুত সময়ৰ প্ৰয়োজন হয়। এই সকলোবোৰৰ পৰা হাত সাৰিবলৈ যন্ত্ৰৰ ব্যৱহাৰ অপৰিহাৰ্য্য। এই যন্ত্ৰটো ব্যৱহাৰ কৰিবলৈ হ'লে পদ্ধতিগতভাৱে আগবাঢ়িব লাগিব। সুকীয়াকৈ মেট পদ্ধতিৰে নাৰ্চাৰী প্ৰস্তুত কৰি ল'ব লাগে। তাৰ লগে লগেই মূল মাটি ডৰাও প্ৰস্তুত কৰি ল'ব লাগে। ১৫ ৰ পৰা ১৮ দিনৰ ভিতৰত কঠীয়া ৰুব লাগে। এই যন্ত্ৰৰ উপকাৰিতাসমূহ হ'ল ঃ

১. কঠীয়াই খুব কম কষ্ট পায়। তাৰ ফলত সোনকালে সজাল ধৰে।

২. শাৰী শাৰীকৈ ৰুৱাৰ বাবে বনবাত নিৰোৱা বা পৰিচৰ্য্যা কৰাত সুবিধা হয়।

৩. সম-দূৰত্বত ৰুৱা বাবে গছবোৰে সমভাৱে আহাৰ, সূৰ্য্যৰ পোহৰ, বতাহ আদি পায়।

৪. কম বয়সীয়া কঠীয়া হোৱা বাবে বেছিকৈ গজালি ওলায়।

ইয়াৰ ফলত উৎপাদন বঢ়াৰ যথেষ্ট সম্ভাৱনা আছে। অসমৰ তুলনাত ভাৰতৰ অন্যান্য ৰাজ্যসমূহ যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত বহুত আগবঢ়া আৰু সেয়ে তেওঁলোকৰ উৎপাদনো বেছি। তেওঁলোকৰ লগত ফেৰ মাৰিবলৈ আমি যান্ত্ৰিকীকৰণ কৰিবই লাগিব। ৰোৱণীসকলে এই যন্ত্ৰটোক প্ৰত্যাহ্বান বুলি ভাবে যদিও সেইটো ভুল ধাৰণা যিহেতু ধান ৰুৱা কামটো খুব বেছি এমাহৰ বতৰ, ধান ৰুৱাৰ বাহিৰেও তেওঁলোকে বেলেগ দক্ষতাও অৰ্জন কৰা উচিত যেয়ে তেওঁলোকক গোটেই বছৰ জুৰি অৰ্জনৰ উপায় দিব।

**কটা যন্ত্ৰ**

কম সময়তে নিয়াৰিকৈ ধান বা সৰিয়হ কটাৰ কাৰণে ই এটা উপযোগী যন্ত্ৰ। এই যন্ত্ৰটোৰ একমাত্ৰ অসুবিধাটো হ'ল কটা শস্যসমূহ চপোৱা। তাৰবাদে, এই যন্ত্ৰেৰে শস্য চপালে ধানৰ নৰা বেছিকৈ পোৱা যায় আৰু আচলতে ধানৰ নৰাত খেৰতকৈ বেছি পুষ্টি থাকে। সৰিয়হ চপালে যিহেতু শিপাবোৰ নাহে, সৰিয়হ চপোৱাৰ পাছত ফচলবোৰ বেছি পৰিস্কাৰ হয়।

**মৰণা মৰা যন্ত্ৰ**

এই যন্ত্ৰৰ দ্বাৰা অতি কম সময়ৰ ভিতৰতে ধান মৰণা মাৰি উলিয়াই শেষ কৰিব পাৰি। প্ৰায়বোৰ মৰণা মৰা যন্ত্ৰতে বাওঁ দিয়া কামটোও একেলগে হয়। গতিকে ইয়াৰ পৰা ওলোৱা ধান চিধাই বজাৰলৈ লৈ যাব পাৰি।

আমি প্ৰায়েই অভিযোগ কৰোঁ যে আমি ফচলৰ উচিত মূল্য নাপাওঁ। ইয়াৰ প্ৰধান কাৰণ হ'ল আমাৰ ফচলৰ মান। আমাৰ ফচলত পতান থাকে, জাবৰ বেছি থাকে, আদি। কিন্তু যন্ত্ৰ ব্যৱহাৰ কৰিলে এই অসুবিধা সমূহৰ পৰা হাত সাৰিব পাৰিম আৰু আমি উচিত মূল্য পাম।

আৰু বহুতো যন্ত্ৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰি উলিয়াইছে। সকলোবোৰৰে সময় আৰু ক্ষেত্ৰসাপেক্ষে সুবিধা-অসুবিধা আছে। সময় বাগৰাৰ লগে লগে যন্ত্ৰসমূহ উন্নত হৈ গৈ আছে।

**শেষত ঃ** যন্ত্ৰৰ সফল প্ৰয়োগৰ পথত প্ৰথম প্ৰত্যাহ্বান হ'ব কৃষি শ্ৰমিক নিজেই। তেওঁলোকৰ কাম হেৰুওৱাৰ ভয় এটা সদায় থাকিব। যন্ত্ৰৰ কাম হ'ল একঘেয়ামী কামবোৰৰ পৰা মানুহক সকাহ দিয়া- যেনে মাটি চাহ কৰা পানী সিচা, ধান কটা আদি। কৃষিত এতিয়াও বহুত কাম আছে যিবোৰ যন্ত্ৰই কেতিয়াও কৰিব নোৱাৰে। আমাৰ কৃষকসকল আগবাঢ়ি আহিব লাগে আৰু নিজকে সক্ষম কৰি ন-ন কামত লাগি যাব লাগে। যন্ত্ৰ আৰু মানৱ ক্ষমতাৰ সঠিক সংমিশ্ৰণেহে সফলতা আনিব, এটা এৰি আনটো নহ'ব।

অসমত তেনে ধৰণেৰে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আহি পৰিছে। নিৰ্দিষ্ট বৈজ্ঞানিক পদ্ধতিৰে পশু পাম সমূহৰ পৰা নিষ্কাষিত হোৱা জৈবিক নিৰ্গমন সমূহক ব্যৱহাৰ কৰা উচিত। আমাৰ পাম সমূহত নিষ্কাষিত হোৱা জৈবিক নিৰ্গমন সমূহৰ অধিক পৰিমাণৰ সঠিক ব্যৱহাৰ নোহোৱা হেতুকে তাৰ পৰা আমি লাভদায়ক ফল লাভ কৰা নাই।



# কৃষিখণ্ডত পশুপালন

পংকজ গোবিন্দ মেধি

**প**ৰম্পৰাগত কৃষি অভিযোজনাত পশুপালনৰ ভূমিকা সৰ্বজনবিদিত। হালবোৱাৰ পৰা মৰণা মৰালৈ কৃষিখণ্ডত নিয়োজিত কৃষি শ্ৰমিকসকল পশুৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লাগিছিল। পৃথিৱীৰ বিভিন্ন স্থানত পৰিৱেশ প্ৰতিকূলতাৰ ওপৰত নিৰ্ভৰ কৰি উপলব্ধ হোৱা পশুৰে কৃষি কাৰ্য আগবঢ়াই নিয়া দেখা গৈছিল। ফিন্‌লেণ্ডত যদি ঘোঁৰাৰে, ভাৰতবৰ্ষত ম'হ-গৰুৰে কৃষি কাৰ্য সম্পন্ন কৰা হৈছিল।

পশুপালনৰ দীৰ্ঘ ইতিহাসত যোৱা কেইটামান দশকত তাৎক্ষণিক পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা গ'ল। বিজ্ঞানৰ ন ন উদ্ভাৱন আৰু যন্ত্ৰৰ সঞ্চালনি ব্যৱহাৰে কৃষি ক্ষেত্ৰখনৰ ওপৰত ব্যাপক পৰিৱৰ্তন সাধিবলৈ ল'লে। কৃষি কাৰ্যত সমুলঞ্চে যন্ত্ৰ প্ৰয়োগ হোৱাৰ ফলত কৃষিখণ্ডৰ পৰা পশুৰ সহযোগ ক্ৰমে অপ্ৰয়োজনীয় হ'বলৈ ল'লে। ইয়াৰ ফলত কৃষিখণ্ড আৰু পশুপালন দুই ভিন্ন পথেৰে অগ্ৰসৰ হ'ল। যন্ত্ৰৰ প্ৰয়োগে উৎপাদন বৃদ্ধি কৰিবলৈ সমৰ্থ হ'লেও পৰম্পৰাগত কৃষি অভিযোজনাত আঘাত হানি মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰিবলৈ ল'লে। বিশেষকৈ ভূগৰ্ভৰ পৰা সংগ্ৰহ কৰা পানীয়ে মাটিৰ উপৰি ভাগৰ সংযুক্তি পৰ্যন্ত সলনি কৰিবলৈ ধৰিলে। অধিক উৎপাদনক্ষম আৰু মাটিৰ সংযুক্তি নিয়ন্ত্ৰিত কৰি ৰাখিবলৈ কৃত্ৰিম পদ্ধতিৰে সাৰ প্ৰয়োগকে আদি কৰি বিভিন্ন কৃত্ৰিম পদ্ধতিৰ সহায় ল'ব লগা হ'ল। এই ধৰণৰ কৃত্ৰিম পদ্ধতিয়ে কৃষিখণ্ডৰ প্ৰাকৃতিক পৰিগাঁঠনি সলনি কৰি পেলালে আৰু পৰিৱেশ-পৰিস্থিতি ক্ৰমে ক্ষয়ংকৰ হ'বলৈ ল'লে। অধিক উৎপাদনৰ লক্ষ্য আৰু তাগিদা, বাণিজ্যিকীকৰণৰ প্ৰভাৱ আদিয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ

নিবলৈ লোৱা পৰিলক্ষিত হ'ল। অত্যধিক সাৰ প্ৰয়োগ আৰু অধিক উৎপাদনক্ষম বৰ্ণসংকৰ জাতৰ সঁচে সহিব নোৱাৰা কীটৰ উপদ্ৰৱ প্ৰতিহত কৰিবলৈ ব্যৱহাৰ কৰা কীটনাশক ঔষধসমূহে আমাৰ খাদ্য প্ৰক্ৰিয়াত বিৰূপ ক্ৰিয়া কৰিবলৈ ল'লে। আনকি পৰিস্থিতি ইমান ক্ষয়ংকৰ পৰ্যায় পাইছে যে ভূটানৰ নিচিনা অনগ্ৰসৰ দেশে ভাৰতৰ পৰা পাচলি সৰবৰাহত নিষেধাজ্ঞা আৰোপ কৰিছে। ফলস্বৰূপে আমি জৈৱিক কৃষি উৎপাদন ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিয়াৰ প্ৰয়োজন আহি পৰিছে।

আন এক অৰ্থত আমি কব পাৰো আমাৰ পূৰ্বাপৰ পৰম্পৰাগত কৃষি অভিযোজনাক আধুনিক ৰূপ দিয়াৰ প্ৰয়াস কৰিব পাৰো। তেতিয়া আমাৰ মনলৈ আহিব কৃষি খণ্ডত পশুপালনৰ ভূমিকা সৰ্বস্ব চিন্তা-চেতনা। কৃষি ক্ষেত্ৰৰ লগত পশুপালন অংগাংগী হ'লে ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰৰ বহুল আৰু সঠিক ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আয়াসতে স্বীকাৰ কৰি ল'ব পাৰি। কৃষি খণ্ডত প্ৰয়োজন হোৱা সাৰ উৎপাদনৰ বাবে পশু পামৰ বাণিজ্যিক বিস্তৃতিও সহায়ক হয়। অসমত তেনে ধৰণেৰে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আহি পৰিছে। নিৰ্দিষ্ট বৈজ্ঞানিক পদ্ধতিৰে পশু পাম সমূহৰ পৰা নিষ্কাষিত হোৱা জৈৱিক নিৰ্গমন সমূহক ব্যৱহাৰ কৰা উচিত। আমাৰ পাম সমূহত নিষ্কাষিত হোৱা জৈৱিক নিৰ্গমন সমূহৰ অধিক পৰিমাণৰ সঠিক ব্যৱহাৰ নোহোৱা হেতুকে তাৰ পৰা আমি লাভদায়ক ফল লাভ কৰা নাই। আনহাতে পশু পালনত পশুৰ বাবে প্ৰয়োজন হোৱা খাদ্য শস্যৰো বাণিজ্যিক উৎপাদন অসমত দেখা পোৱা নাযায়। অসমৰ পশুপালকসকল বহিৰাগত পশু খাদ্যৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ অৰ্থ এয়ে যে অসমৰ পশুপালন ক্ষেত্ৰৰ পৰা যেনেদৰে কৃষকসকল ন্যূনতম পৰিমাণে লাভান্বিত হৈছে তেনেদৰে অসমৰ কৃষি ক্ষেত্ৰৰ পৰা অসমৰ পশুপালকসকলো অতি ন্যূনতম পৰিমাণেহে বাণিজ্যিক ভাৱে লাভান্বিত হৈছে। পশুপালন আৰু কৃষি ক্ষেত্ৰত নিয়োজিত ব্যক্তিসকলে পৰস্পৰৰ পৰা থলুৱা আৰু পৰম্পৰাগতভাৱে লাভান্বিত হোৱাৰ কামনা নকৰি বাণিজ্যিকভাৱে লাভান্বিত হোৱাৰ চেষ্টা কৰিব লাগিব। এয়া সময়ৰ তাগিদা। অন্যথা অসমৰ কৃষকে ৰাসায়নিক সাৰৰ প্ৰতি অধিক নিৰ্ভৰশীল হ'ব লাগিব আৰু অসমৰ পশুপালকসকলে বহিৰাগত পশু খাদ্যৰ ওপৰত সদা নিৰ্ভৰশীল হৈ থাকিব লাগিব। বাণিজ্যিকভাৱে কৃষক আৰু পশুপালকসকলৰ দৈন্যতা আঁতৰাবলৈ পৰস্পৰে পৰস্পৰৰ ওচৰত দায়বদ্ধ হোৱা উচিত।



অসমৰ পশুপালকসকল বহিৰাগত পশু খাদ্যৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ অৰ্থ এয়ে যে অসমৰ পশুপালন ক্ষেত্ৰৰ পৰা যেনেদৰে কৃষকসকল ন্যূনতম পৰিমাণে লাভান্বিত হৈছে তেনেদৰে অসমৰ কৃষি ক্ষেত্ৰৰ পৰা অসমৰ পশুপালকসকলো অতি ন্যূনতম পৰিমাণেহে বাণিজ্যিকভাৱে লাভান্বিত হৈছে। পশুপালন আৰু কৃষি ক্ষেত্ৰত নিয়োজিত ব্যক্তিসকলে পৰস্পৰৰ পৰা থলুৱা আৰু পৰম্পৰাগতভাৱে লাভান্বিত হোৱাৰ কামনা নকৰি বাণিজ্যিকভাৱে লাভান্বিত হোৱাৰ চেষ্টা কৰিব লাগিব। এয়া সময়ৰ তাগিদা। অন্যথা অসমৰ কৃষকে ৰাসায়নিক সাৰৰ প্ৰতি অধিক নিৰ্ভৰশীল হ'ব লাগিব আৰু অসমৰ পশুপালকসকলে বহিৰাগত পশু খাদ্যৰ ওপৰত সদা নিৰ্ভৰশীল হৈ থাকিব লাগিব। বাণিজ্যিকভাৱে কৃষক আৰু পশুপালকসকলৰ দৈন্যতা আঁতৰাবলৈ পৰস্পৰে পৰস্পৰৰ ওচৰত দায়বদ্ধ হোৱা উচিত।



# এন জি অ' বিপ্লৱ... কিছু চিন্তা কিছু দুশ্চিন্তা

ড° সুশান্ত কুমাৰ কাশ্যপ
অৰ্থনীতি বিভাগ, বৰভাগ কলেজ

**অ**না-চৰকাৰী সন্থা চমুকৈ এন জি অ'ৰ ধাৰণাটো আজিৰ পৰা কিছুবছৰ আগলৈকে আমাৰ সমাজ ব্যৱস্থাত প্ৰচলিত নাছিল। বিশেষকৈ কি লক্ষ্য বা উদ্দেশ্যৰে এই এন জি অ'সমূহ গঠন কৰা সেই বিষয়েও জনসাধাৰণৰ সুস্পষ্ট ধাৰণা নাছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত একাংশ এন জি অ'ৰ গঠন আৰু সমাজৰ বিভিন্ন স্তৰত ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সহযোগত ৰূপায়ণ কৰা বিভিন্ন প্ৰকল্প আৰু জনহিতকৰ কাৰ্যাৱলীয়ে এন জি অ'ৰ প্ৰতি মানুহৰ এটা বিশেষ সদ্ভাৱ সৃষ্টি কৰিবলৈ সক্ষম হয়। যোৱা দশকটোত সমগ্ৰ ভাৰত তথা আমাৰ উত্তৰ-পূবত হাজাৰ হাজাৰ এনজিঅ' গঠন হয় আৰু নিজ নিজ স্তৰত ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাৰ লগতে ৰাইজৰ আস্থাভাজন হ'বলৈ সমৰ্থ হয়। চৰকাৰী বিভাগবোৰ দুৰ্নীতিৰে ছানি ধৰাৰ সময়ত এন জি অ'ৰ উত্থান এক যুগান্তকাৰী ঘটনা হিচাপে পৰিগণিত হয়। এয়া সৰ্বজনবিদিত যে স্বাধীনোত্তৰ ভাৰতবৰ্যত পৰিকল্পনাৰ কালছোৱাত চৰকাৰে গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ লগতে দেশৰ দুটা প্ৰধান সমস্যা দৰিদ্ৰতা দুৰীকৰণ আৰু নিবনুৱাৰ সংস্থাপনৰ বাবে ধাৰাবাহিকভাৱে আঁচনি গ্ৰহণ কৰি আহিছে। এতিয়ালৈকে এই আঁচনিবোৰ ৰূপায়ণৰ নামত ৰাজহুৱা ধনৰ কিমান শৰাধ হৈছে সেয়া সঠিককৈ হিচাপ কৰা কঠিন, কিন্তু এটা কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰিব যে প্ৰতিটো টকাৰ সদব্যৱহাৰ হোৱা হ'লে ভাৰতবৰ্ষ আজিৰ এই অৱস্থাত নাথাকিলহেঁতেন! অৱশ্যে এয়াও সত্য যে আঁচনিবোৰে সামগ্ৰিকভাৱে সফলতা দাবী কৰিব নোৱাৰিলেও আঁচনিবোৰ ৰূপায়ণৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত থকা আমোলা-বিষয়া, ৰাজনৈতিক নেতা-পালিনেতাৰ অৰ্থনৈতিক অৱস্থাৰ কিন্তু দোপত-দোপে উন্নতি হয়। এফালৰ পৰা চাবলৈ গ'লে ব্যক্তিৰ উন্নতি মানেই যদি সমাজৰ উন্নতি বুলি ভাবো তেনেহ'লে সেই আঁচনিবোৰে কিছু সফলতা দাবী কৰিব পাৰে (?)। কিন্তু এনেধৰণৰ উন্নতি বা সফলতা কোনো ক্ষেত্ৰতে কাম্য হ'ব নোৱাৰে। চৰকাৰী আঁচনি বা প্ৰকল্পৰ প্ৰতি সাধাৰণ মানুহৰ আস্থা কমি অহা এক সময়ত এন জি অ'ৰ আগমন নিসন্দেহ তাৎপৰ্যপূৰ্ণ।

আৰম্ভণি অৱস্থাত অসমৰ বহুকেইটা এন জি অ'ই সমাজৰ বাবে গঠনমূলক কাম কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অৰ্থ সাধাৰ্যত গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ লগতে দুখীয়া-দৰিদ্ৰৰ সহায়ৰ বাবে বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰিবলৈ সমৰ্থ হয়। চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা একাংশক এন জি অ'ই স্পৰ্শ কৰিবলৈ সক্ষম হয়। এয়াই কিজানি এন জি অ'ৰ ৰাইজৰ মাজত গ্ৰহণযোগ্যতাৰ অন্যতম কাৰণ, আৰু এন জি অ' বিলাকেও সফলতা দাবী কৰিব পাৰে সেইখিনিতেই। আনকি এনেকুৱা চিন্তা-চৰ্চাও আছিল যে চৰকাৰী আঁচনি বা প্ৰকল্পৰ ৰূপায়ণ সঠিক ৰূপে হৈছে নে নাই তাৰ তদাৰকী কৰিব কিছুমান নেতৃস্থানীয় এন জি অ'ই। এক প্ৰকাৰ যেন এক বিপ্লৱ, আন্দোলনৰ আৰম্ভণী হ'ল... এন জি অ' বিপ্লৱ...



এয়াই কিজানি কাল হ'ল একাংশ এন জি অ'ৰ বাবে, বিশেষকৈ সেইসকলৰ বাবে যিবিলাক এন জি অ'ই সঁচা অৰ্থত সমাজৰ বাবে কিবা এটা ভাল কাম কৰি আছে, প্ৰকল্প ৰূপায়ণ কৰি আছে, আঁচনি ৰূপায়ণ কৰি আছে। কিয়নো ৰাতিৰ ভিতৰতে য'তে ত'তে কিছুমান এন জি অ'ৰ আবিৰ্ভাৱ হ'ল, আনকি একোখন ঘৰৰ ভিতৰতে সভাপতি, সম্পাদক হৈ এন জি অ' গঠন হ'ল। উদ্দেশ্য— কেনেকৈ বাহিৰৰ পৰা ধন আনি ব্যক্তিগতভাৱে লাভান্বিত হ'ব পাৰি। এন জি অ'ৰ প্ৰতি সাধাৰণ ৰাইজৰ সন্দেহ ঘণীভূত হ'ল। আনকি বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাই প্ৰকল্প, আঁচনি অনুমোদনৰ ক্ষেত্ৰত, ধন আৱণ্টনৰ সময়ত দুবাৰকৈ ভাবিব লগা হ'ল। ভুৱা এন জি অ'ৰ উত্থানে যেন এক বিড়ম্বনাৰ সৃষ্টি কৰিলে। কিন্তু এয়া দীৰ্ঘস্থায়ী নহ'ল। নিজে নিজেই অপমৃত্যু ঘটিল এনে ভুৱা এন জি অ'বোৰৰ। এতিয়াও ভুৱা এন জি অ'ৰ সম্পূৰ্ণ বিলুপ্তি ঘটা নাই। এচামে এতিয়াও ধন ঘটাৰ অস্ত্ৰ হিচাপে ইয়াক ব্যৱহাৰ কৰি আছে। কিন্তু বৰ্তমান সময়ত যিকেইটা এন জি অ'ই দোপত-দোপে উন্নতি কৰিব পাৰিছে, সমাজত মূৰ দাঙি থিয় হৈ থাকিব পাৰিছে। কেৱলমাত্ৰ নিকা ভাবমূৰ্তি, সুদক্ষ পৰিচালনা আৰু অনুমোদন পোৱা প্ৰকল্প/আঁচনি ৰূপায়ণৰ বাবে। এই এন জি অ'বোৰে নিজৰ নিজৰ কৰ্মসূচীৰ লগতে ভুৱা অনাচৰকাৰী সন্থাসমূহ চিনাক্ত কৰাত আগভাগ লওক; ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহক এই বিষয়ে অৱগত কৰক; আকৌ এক এন জি অ' বিপ্লৱৰ সূচনা হওক।



# আমাৰ গাঁও
# আমাৰ চিন্তা আৰু জি ভি এম

**কিশোৰ কুমাৰ কলিতা**
নলবাৰী



**বা**ৰীৰ তামোল-পাণ, লাউ-জিকা, ভোল, ভড়ালৰ জহা ধান, পুখুৰীৰ মাছ, ফল-মূলেৰে ভৰপূৰ গাঁওবোৰ সদায় সমৃদ্ধিশালী। গাঁৱৰ সংগঠিত বান্ধোন, যুৱক-যুৱতীৰ দ্বাৰা প্ৰতিষ্ঠিত সংঘ, পুথিভঁৰালৰ দায়বদ্ধতা আৰু ঐক্য-সংহতি, মৰম-চেনেহৰ গভীৰতা সদায় চহকী। সেয়ে গাঁও অফুৰন্ত শক্তিৰ ভঁৰাল। সম্প্ৰতি এই সমৃদ্ধিশালী ভঁৰাল দুখলগা ধৰণে জহি-খহি যোৱাৰ উপক্ৰম হৈছে। সাতামপুৰুষীয়া গাঁৱৰ সমৃদ্ধি আৰু ঐক্য-সংহতিৰ বৰখুঁটা আজি লৰচৰ হৈছে। সৰু সৰু কথাত মানুহৰ মনত অমিল হৈছে। জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা-সন্মানৰ অভাৱ হৈছে। অনুৰূপভাৱে লোপ পাইছে কনিষ্ঠজনৰ প্ৰতি থাকিবলগীয়া দায়বদ্ধতাৰ আচৰণ। ব্যক্তিকেন্দ্ৰিক চিন্তা-চেতনাৰ আগ্ৰাসনে সামাজিক দায়িত্ববোধক পৰাভূত কৰি ভোগবাদৰ আন্ধাৰ কোঠালিত সোমোৱাৰ প্ৰতিযোগিতাত নামি পৰিছে সকলো মানুহ।

সভ্যতাৰ ক্ৰমবিকাশ আৰু বিজ্ঞান প্ৰযুক্তিৰ সাফল্যৰ জখলাত যিমানে বগাইছে মানুহৰ মন-মদজুৰ চিন্তা-ভাৱনা আৰু সামাজিক দায়বদ্ধতা সিমানে সংকুচিত হৈ আহিছে। চহৰকেন্দ্ৰিক সমাজ ব্যৱস্থাত স্বাভাৱিকতে সামাজিকৰণ ব্যৱস্থা নাই বুলি কৰা তুচ্ছ-তাচ্ছিল্য কৰাৰ সময়তে গাঁৱৰ সমাজ ব্যৱস্থাত দুখলগা ধৰণে অৱক্ষয় ঘটিছে। প্ৰযুক্তিৰ পোহৰত গাঁওবোৰ যিমানে উজ্জ্বল হৈছে, আমেৰিকা, চীন, জাপানক যিমানে ওচৰত পাইছে

সিমানে মানুহৰ মন -মগজু. চিন্তা-ভাৱনা সংকুচিত হৈছে। প্ৰযুক্তিৰ পোহৰত বাসোপযোগী ঠাইবোৰ উজ্জ্বল হৈছে সঁচা কিন্তু তাৰ তুলনাত মানুহৰ মানসিকতা, চিন্তা-ধাৰণাত কলাঙ্কু লাগিছে। তাহানিৰ নহয় যোৱা কিছুবছৰ আগলৈকে গাঁওবোৰত থকা শান্তি- সম্প্ৰীতিৰ এনাজৰীডাল যেন দুৰ্বল হৈ পৰিছে। সমৃদ্ধিৰ ভঁৰালস্বৰূপ গাঁওবোৰত এতিয়া ইজনৰ লগত সিজনৰ, ইঘৰৰ লগত সিঘৰৰ সম্প্ৰীতি-সদ্‌ভাবত যেন ফাট মেলিছে। সকলো নিজক লাগে। কেৱল মোক লাগে, মোৰ হওঁক। এই চিন্তা আৰু কৰ্মত সকলো মগ্ন। ইয়ে হয়তো আত্মকেন্দ্ৰিকতা। সামাজিক চিন্তা-চেতনাক পদাঘাত কৰা এয়েই আজিৰ সময় আৰু সমাজ। ভোগবাদী চিন্তা-চৰ্চাত মগ্ন হোৱাৰ ফলত সামাজিক দায়বদ্ধতা, মানসিকতা আদি সকলো প্ৰক্ৰিয়াৰে পৰিৱৰ্তন হৈছে। আজিৰ পৰিৱৰ্তিত পৰিস্থিতিত কাৰো কথা কাৰোৰে ভবাৰ সময় নাই। এয়া যুগৰ পৰিৱৰ্তন নে মানুহৰ মানসিকাৰ পৰিৱৰ্তন? দুপৰ নিশাটো বাদেই দুপৰবেলা ৰতনৰ ঘৰত কিবা এটা অঘটন হ'লে গাতে লাগি থকা অশোকৰ ঘৰৰ মানুহৰ খবৰ ল'বলৈ আহৰি নাই। এয়া কিছুবছৰৰ পৰা সৃষ্টি হোৱা মানুহৰ মানসিকতাৰ পৰিৱৰ্তন। এই পৰিৱৰ্তনে গাঁৱৰ সমৃদ্ধিত আঘাত কৰিছে। কেইবছৰমান আগলৈকে গাঁৱৰ সমাজ ব্যৱস্থাত চলা ৰীতি-নীতিবোৰো আজি বিলুপ্ত হ'ল। ভোগবাদী চিন্তা-চৰ্চাত মোহাচ্ছন্ন হৈ পৰাৰ ফলত গাঁওবোৰৰ সাতামপুৰুষীয়া পৰম্পৰাবোৰ দুখলগা ধৰণে আঁতৰি যাব ধৰিছে। মাঘৰ মেজিৰ জুইৰ সেক লৈ গাঁৱৰ মানুহবোৰে লগলাগি ৰাস্তা বনোৱা, গাঁৱৰ কৃষিজীৱী লোকসকলে আঘোণৰ পথাৰত সাউৰী দিয়া, লগ লাগি চুঙা পিঠাৰ সোৱাদ লোৱা পৰম্পৰাবোৰ আজি নোহোৱা হ'ল। তদুপৰি গাঁৱৰ উন্নয়নৰ বাবে মাহেকে-পষেকে সকলো পৰিয়াল লগ হৈ সম্প্ৰীতিৰ মহামেল পতাও আমি দেখিছো। কৃষি উৎপাদিত শস্যবোৰ ইঘৰে সিঘৰৰ লগত ভগাই খোৱাৰ পৰা আৰম্ভ কৰি ভোগালী বিহুৰ সময়ত গাঁৱৰ পৰিয়ালবোৰত প্ৰাকৃতিকভাৱে সোমাই পৰা উছাহৰ পৰিৱেশবোৰো আজি ক্ৰমশঃ নাইকিয়া হ'বলৈ ধৰিছে। গাঁৱৰ পৰিৱেশ-পৰিস্থিতিৰ সঁচাকৈয়ে অভুতপূৰ্ব পৰিৱৰ্তন ঘটিছে। দুখীয়া-নিচলা, চহা কৃষক, মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহক আত্মকেন্দ্ৰিকতাই গিলি পেলাইছে। ইঘৰ-সিঘৰতো বাদেই একে মাতৃৰ দুই পুত্ৰৰ মাজতো আদি দন্দ্বৰ দেৱাল। ভাই-ককাইৰ কৰবাত মিল থাকিলেও পত্নী-বোৱাৰীৰ অমিল। সকলো যেন ওলট-পালট। ভোগবাদ সৰ্বস্ব জীৱনকলৈ সকলো ব্যস্ত। আত্মকেন্দ্ৰিকতাৰ জখলাৰে বগাই কেৱল নিজক প্ৰতিষ্ঠা কৰাৰ প্ৰতিযোগিতাৰ জ্বৰত আক্ৰান্ত আজিৰ সময় আৰু সমাজ। কি গাঁও- কি চহৰ। ইয়াৰ মূলতে হ'ল মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় আৰু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ কেৰোণ। সামাজিকীকৰণ মানৱ জীৱনৰ লগত বিশেষভাৱে জড়িত এটা ধাৰণা। সামাজিকীকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিসকলক সমাজৰ লগত স্বতঃস্ফুতভাৱে খাপ খুৱাই লোৱা হয়। ইয়াৰ জৰিয়তে মানহৰ মানসিকতা উদাৰ আৰু অভিজাত হয় আৰু ইয়ে সুষ্ঠ সমাজ নিৰ্মাণত সহায় কৰে। সাম্প্ৰতিক সময়তএই প্ৰক্ৰিয়াত কেৰোণ লাগিছে। বিখ্যাত সমাজবিদ মেকেইভাৰে কৈছিল — "সামাজিকীকৰণ এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে সামাজিক জীৱই পৰস্পৰে পৰস্পৰৰ লগত অধিক ব্যাপক আৰু গভীৰ সম্বন্ধ স্থাপন কৰে। যাৰ জৰিয়তে তেওঁলোকৰ মাজৰ বান্ধোন আৰু নিৰ্ভৰশীলতা বৃদ্ধি পায়; যাৰ জৰিয়তে আনৰ প্ৰতি দায়বদ্ধতা আৰু দায়িত্ববোধ গঢ়ি উঠে, যাৰ জৰিয়তে তেওঁলোকৰ নিজৰ আৰু ব্যক্তিৰ প্ৰতি অধিক সচেতন হয় আৰু যাৰ সহায়ত ঘনিষ্ঠ আৰু দুৰ সম্পৰ্কৰ এক যুটীয়া গাঁথনি গঢ় লৈ উঠে।" মেকেইভাৰে সামাজিকীকৰণ প্ৰক্ৰিয়াক লৈ কৰা উক্তিৰ যেন আজি ওলোটা ছবি পৰিস্ফুট হৈছে আজিৰ সমাজত। অভিষ্টসিদ্ধিৰ বাবেই যেন সকলো। উমৈহতীয়া চিন্তা তথা সামাজিক কল্যাণৰ চিন্তা-কৰ্মৰ পৰা মানুহ আঁতৰি ফুৰাটো স্বভাৱত পৰিণত হৈছে। মনকৰিবলগীয়া যে, সামাজিক জীৱনত পৰস্পৰে পৰস্পৰৰ লগত ভাৱৰ আদান-প্ৰদান কৰি ইজনে-সিজনক বুজিবলৈ যুত্ন কৰাটোৱে সামাজিক জীৱনৰ মূল বৈশিষ্ট্য। এই সত্যক লৈ আগবাঢ়িব নোৱাৰিলে সমাজ বিভ্ৰান্ত হোৱাতো স্বাভাৱিক। কিন্তু ইয়াক একলগ কৰাটো অসম্ভৱ। সামাজিকীকৰণ প্ৰক্ৰিয়া আৰু মূল্যবোধসম্পন্ন কৰ্মৰে আগবাঢ়িলেহে গাঁৱৰ সমাজখনৰ পূৰ্বৰ ঐতিহ্য, ভাতৃত্ববোধ, সংহতি ঘূৰি আহিব। মানসিকতাৰ পৰিৱৰ্তন হ'ব। এই প্ৰক্ৰিয়াত স্বেচ্ছাসেৱী সংগঠন গ্ৰাম বিকাশ মঞ্চই নামনি অসমৰ গ্ৰামাঞ্চলত এক জাগৰণৰ সৃষ্টি কৰিছে। সুদীৰ্ঘ সোতৰ বছৰে গাঁৱৰ মানুহৰ মানসিকতাৰ পৰিৱৰ্তন বিচাৰি গাঁৱত ৰত্নৰ ভাণ্ডাৰ গঢ়িবলৈ সংগ্ৰাম অব্যাহত ৰাখিছে। নামনি অসমৰ অনুন্নত, অৱহেলিত, অনাদৃত গাঁওসমূহৰ দুখীয়া-নিচলা, অনাক্ষৰি-অৰ্ধক্ষৰি পুৰুষ-মহিলা বিশেষকৈ মহিলাসকলক ঘৰৰ চাৰিবেৰৰ পৰা উলিয়াই আনি জীৱন-জীৱিকাৰ সন্ধান দিছে। সমান্তৰালকৈ সৎ মানসিকতাৰে জীপাল হৈ থকা পুৰুষ-মহিলা, যুৱক-যুৱতীৰে সমাজৰ কল্যাণৰ হকে যিকোনো কাম কৰিব পৰাকৈ গঠন কৰি উলিয়াইছে বিশাল স্বেচ্ছাসেৱক বাহিনী। ৰতন, চন্দন, অশোক, সতীশ, দেবেশ্বৰ, চৰিত, হীৰকজ্যোতিহঁতৰ নিচিনা প্ৰায় তিনিশৰো অধিক স্বেছাসেৱকে দিনে-নিশাই কষ্ট কৰি গাঁৱৰ সমৃদ্ধি বৃদ্ধিত অহিৰণা যোগাই আহিছে। এইসকল শিক্ষিত আৰু অতি শিক্ষিত স্বেচ্ছাসেৱকে নামনিৰ গাঁওবোৰত গঢ়ি তুলিছে এক অনন্য সংস্কৃতি। এই সংস্কৃতিৰ কৰ্মৰ জৰিয়তে গাঁৱৰ বিকাশৰ সংস্কৃতি। প্ৰতিজন মানুহৰ মন-মগজু, সৎ মানসিকতাৰে ভৰপূৰ কৰাৰ সংস্কৃতি। বিকাশৰ জৰিয়তে সমাজখন নতুনকৈ নিৰ্মাণ কৰাৰ সংস্কৃতি। এই সংস্কৃতিৰ পোহৰে অবিভক্ত উত্তৰ কামৰূপ জিলিকাই তুলিছে। জিলিকাই তুলিছে অৱহেলিত-অনাদৃত গাঁৱৰ লক্ষ লক্ষ শ্ৰমজীৱী মানুহৰ হৃদয়। এই সংস্কৃতিয়ে গাঁৱৰ সমৃদ্ধিৰ উদং হোৱা ভঁৰাল নিশ্চয় ভৰপূৰ কৰিব।






# স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্য

ৰমেন দাস

শেহতীয়াকৈ বিশ্বৰ ১৯৩খন ৰাষ্ট্ৰত উন্নয়নী প্ৰক্ৰিয়াৰ প্ৰায় সৰ্বত্ৰত উচ্চাৰিত বিষয়টোৱেই হৈছে স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্য (Sustainable Department Goals) যাক "আমাৰ বিশ্বৰ পৰিৱৰ্তন ঃ স্থায়ীকৰণযোগ্য বিকাশৰ বাবে ২০৩০ কাৰ্যসূচী বুলি অভিহিত হৈছে। স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্যত আছে ১৭টা লক্ষ্য যাক প্ৰকৃততে "বিশ্বলক্ষ্য" কোৱা যায় আৰু ১৬৯টা উদ্দেশ্যৰ সমহাৰ ঘটিছে। স্থায়ীকৰণ যোগ্য বিকাশ লক্ষ্য হৈছে ৰাষ্ট্ৰসংঘই ২০১৫ চনৰ ২৫ ডিচেম্বৰত গ্ৰহণ কৰা এক প্ৰস্তাৱ যিবোৰ আন্তঃৰাষ্ট্ৰীয় এক চুক্তিপত্ৰ বুলি পৰিচিত হৈছে। ২০১৫ চনৰ ২৫-২৭ চেপ্টেম্বৰত নিউয়ৰ্কত অনুষ্ঠিত ৰাষ্টসংঘৰ স্থায়ীকৰণযোগ্য বিকাশ সন্মিলনে উমৈহতীয়াভাৱে এই চুক্তিপত্ৰ গ্ৰহণ কৰে।

ৰাষ্ট্ৰসংঘই ২০০০ চনত গ্ৰহণ কৰা প্ৰস্তাৱটো আছিল "সহস্ৰাব্দৰ বিকাশ লক্ষ্য (Millenmium Development Goals) যাক কোৱা গৈছিল "আমি বিচৰা ভৱিষ্যত'। এই লক্ষ্য ২০১৫ চনৰ ভিতৰত সাধন হোৱাৰ কথা আছিল। কিন্তু ইঙ্গিত লক্ষ্যত উপনীত হ'ব নোৱাৰিলে আৰু ইয়াৰ অভিজ্ঞতা তথা শিকনি লৈয়ে সহস্ৰাব্দৰ বিকাশৰ ৭টা লক্ষ্যৰ পৰা স্থায়ীকৰণযোগ্য বিকাশৰ ১৭টা বিশ্বজনীন লক্ষ্য নিৰ্ধাৰণ কৰা হ'ল। আৰু কোৱা গ'ল বিশ্বৰ স্থায়ীকৰণযোগ্য বিকাশ ২০৩০ চনত সম্পন্ন হ'ব।

স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্যসমূহ হৈছে—

দৰিদ্ৰতা নাথাকিব ঃ সকলোধৰণৰ দৰিদ্ৰতা সৰ্বত্ৰৰ পৰা পৰিসমাপ্তি ঘটিব।

শূন্য ক্ষুধা ঃ ক্ষুধাৰ সমাপ্তি ঘটিব, খাদ্য নিৰাপত্ত সুনিশ্চিত হ'ব। পৰিপুষ্টিৰ উন্নয়ন হ'ব আৰু স্থায়ীকৰণ কৃষি ত্বৰান্বিত হ'ব।

সু-স্বাস্থ্য আৰু জীৱন প্ৰণালী ঃ বয়স নিৰ্বিশেষে সকলোৰে বাবে স্বাস্থ্যৱান জীৱন নিশ্চিতকৰণ আৰু কুশল জীৱন

যাপন।

গুণমানসম্পন্ন শিক্ষা ঃ সমন্বিত আৰু সাম্যবাদী গুণমানসম্পন্ন শিক্ষাৰ নিশ্চিতকৰণ সকলোৰে বাবে আজীৱন শিকণ সুবিধা ত্বৰান্বিত কৰা।

লিংগ সমতা ঃ লিংগ সমতা সাধন কৰা আৰু সকলো মহিলা আৰু বালিকাৰ সৱলীকৰণ কৰা।

বিশুদ্ধ পানী আৰু অনাময় ঃ পানীৰ পৰ্যাপ্তকৰণ আৰু স্থায়ীকৰণ পৰিচালনা নিশ্চিত কৰা আৰু সকলোৰে বাবে অনাময় ব্যৱস্থা নিশ্চিত কৰা।

বহনক্ষম আৰু পৰিষ্কাৰ শক্তি ঃ সকলোৰে বাবে বহনক্ষম, বিশ্বাসযোগ্য, স্থায়ীকৰণযোগ্য আৰু আধুনিক শক্তি (বিদ্যুৎ) নিশ্চিত কৰা।

আৰু উৎপাদনৰ নমুনা নিশ্চিত কৰা।

বতৰৰ কাৰ্যসূচী ঃ বতৰ পৰিৱৰ্তন মোকাবিলাৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰা আৰু নিৰ্গমণ নিয়ন্ত্ৰণৰ দ্বাৰা প্ৰভাৱ ঠিৰাং কৰা আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ বিকাশ ত্বৰান্বিত কৰা।

পানীৰ তলৰ জীৱন ঃ মহাসাগৰসমূহৰ ব্যৱহাৰ সংৰক্ষণ আৰু স্থায়ীকৰণ কৰা সাগৰ আৰু উপকূলীয় সম্পদৰ স্থায়ী উন্নয়ন।

ভূমিভাগৰ জীৱন ঃ স্থলজ পাৰিপাৰ্শ্বিক ব্যৱস্থাৰ স্থায়ীত্ব ত্বৰান্বিত, সুৰক্ষা আৰু পুনৰুদ্ধাৰ কৰা, বনাঞ্চলৰ স্থায়ী পৰিচালনা, মৰুময়তাৰ প্ৰতিৰোধ ভূমিৰ অৱনতিৰোধ আৰু জৈৱ বৈচিত্ৰৰ অৱক্ষয় ৰোধ।

শান্তি, ন্যায় আৰু শক্তিশালী প্ৰতিষ্ঠান ঃ স্থায়ীকৰণযোগ্য বিকাশৰ ক্ষেত্ৰত শান্তিময় আৰু সমন্বিত সমাজৰ উন্নয়ন, সকলোৰে বাবে ন্যায়ৰ সুবিধা প্ৰদান কৰা আৰু সকলো পৰ্যায়তে ফলপ্ৰসু, দায়বদ্ধ




শিষ্টাচাৰসন্মত কৰ্ম আৰু অৰ্থনৈতিক বিকাশ ঃ সকলোৰে বাবে স্থায়ী, সমন্বিত আৰু স্থায়ীকৰণযোগ্য অৰ্থনৈতিক বিকাশ, পূৰ্ণ তথা উৰ্বৰ নিয়োগ আৰু শিষ্টাচাৰসন্মত কৰ্মৰ বিকাশ ঘটোৱা।

উদ্যোগ, উদ্ভাৱন আৰু আন্তঃগাঠনি ঃ প্ৰতিৰোধক্ষম আন্তঃগাঠনিৰ নিৰ্মাণ, সমন্বিত আৰু স্থায়ীকৰণ ঔদ্যোগীকৰণ আৰু উদ্ভাৱনীমূলক কাৰ্যত গুৰুত্ব দিয়া।

অসম্যতাৰ সীমিতকৰণ ঃ বিভিন্ন দেশত আৰু দেশসমূহৰ মাজত উপাৰ্জনৰ অসাম্যতা সীমিত কৰা।

মহানগৰ আৰু সম্প্ৰদায়ৰ স্থায়ীকৰণ ঃ মহানগৰ আৰু মানৱ বসতিৰ সমন্বিত, নিৰাপদ, প্ৰতিৰোধক্ষম আৰু স্থায়ীকৰণ কৰা।

দায়বদ্ধ ব্যৱহাৰ আৰু উৎপাদন ঃ স্থায়ীকৰণযোগ্য ব্যৱহাৰ

আৰু সমন্বিত প্ৰতিষ্ঠান স্থাপন কৰা।

লক্ষ্যসমূহৰ কাৰণে অংশীদাৰীত্ব ঃ স্থায়ীকৰণযোগ্য বিকাশৰ কাৰণে বিশ্ব অংশীদাৰীত্বৰ নৱশক্তিৰ সঞ্চাৰ কৰা আৰু ৰূপায়ণৰ প্ৰক্ৰিয়া মজবুত কৰা

সমগ্ৰ দেশৰ লগতে অসমতো এই লক্ষ্য সমূহলৈ বিভিন্ন পৰ্যায়ত চিন্তা-চৰ্চা আৰু এই সন্দৰ্ভত কাৰ্যাৱলী প্ৰস্তুত কৰা হৈছে। কৰ্মসূচী থিৰাং কৰিবৰ বাবে বিভিন্ন সূচক প্ৰস্তুত কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান বেন-কি মুনে কোৱাৰ দৰে সকলোৱে হয়তো ক'ব লাগিব —"There can be no plan 'B', because there is no planet B" দেশ-ৰাজ্যৰ বিকাশৰ বৰ্তমানৰ একমাত্ৰ শ্লগান হৈছে— "স্থায়ীকৰণ যোগ্য বিকাশ লক্ষ্য"।

**English Section**



# Adieu to the Pioneer of Mobile Theatre of Assam

**Kishor Kumar Kalita**

The man who had initiated a journey in the cultural field of Assam in the year 1963 by developing an indigenous model of theatre group, which was mobile in character and had the ability to provide livelihood opportunities to thousand of artists in the state, is no more. Achyut Lahkar, the doyen of mobile theater of Assam which is commonly known as Bhramyaman Theatre has passed on 12 June after enduring health problems for a couple of years. Achyut Lahkar was born on July 9, 1931 at Bagana near Pathsala. His father was businessperson Gaurikanta Lahkar, who owned a shop in the town, and his mother was Kantipriya Lahkar. Having done his primary education at Pathsala MV School, he passed his matriculation in 1949 from Bajali High School. His father passed away a month prior to the examination. For higher studies, he joined the commerce Stream of Saint Paul College, Kolkata. His association with the intellectual and cultural life of Kolkata brought about a qualitative change in his outlook. The first fruit of

*Nataraj Theatre folded up after 40 years of existence. During the successful days of Nataraj Theatre, Lahkar initiated some revolutionary ideas in respect of stage craft and in presentation. In the year of 1966-67 he developed Theatre-Scope and then after in 1968-69 Cine-theatre process was introduced in Nataraj. .He also tried to introduce three numbers of stages in 1970-71, but it could not last more.*

these changes in him appeared on June15, 1952. It was the illustrated magazine Dwipawali, edited and published by him from Kolkata. The publication of the famous magazine Awahan, which was published from Kolkata, was stopped. Therefore, he decided to edit and publish Dwipawali following the footsteps of Awahan, edited by Dinanath sarma, the glorious son of Assam hailing from Pathsala. In the meantime, domestic burden too fell heavily upon his head and publication of Dwipawali had to be stopped.

After the closure of Dwipawali, Achyut Lahkar returned to pathsala. He passed IA as a private candidate from Bajali College. Then he went to Kolkata again to do his BA which he could not complete because of domestic compulsions. Meanwhile, his younger brother Sadananda Lahkar founded the Nataraj Opera.This group travelled throughout the whole lower Assam region and performed drama even in some places of Upper Assam where it earned huge popularity in the tea garden areas. Nataraj Opera turned full-fledged mobility in the year 1962 and its theatrical journey touched almost all rural and semi urban centers of Assam. This journey continued till the year 1962 without any interruption. In that sense Sada Lahkar invented a new way of theatre mobility across the state to entertain both rural and urban peopleAfter his return from Kolkata, Achyut Lahkar wished to change the Nataraj Opera, incorporating the latest techniques. The Lahkar brothers also felt that the small theatre halls of the towns and semi urban areas were not able to cope with the surging enthusiasm of the theatre going public particularly of the rural areas and which is why they hit upon a novel plan of having plays enacted under big tents pitched in wide open spaces, like the big top of the circus parties. Thus the commercial theatre was first organized in a village of Assam named Pathsala and not in any town He wished to change the Nataraj Opera, incorporating the latest techniques. As a result, the mobile Nataraj Theatre was born. That was on October2, 1963.

Combining the basics of dramatic art ----- dance, music, acting, stagecraft with most modern technology, Nataraj Theatre stood as an institution. It moved through the length and breadth of Assam, entertaining people, urban as well as rural, for forty long years. The process enriched the cultural heritage of Assam with a unique dramatic tradition, which ensured a strong foundation for mobile theatre in the national cultural scenario. Initially this form was not known as Bhramyaman.It was coined with this name by late Radhagovinda Barua,the lion man of Assam and founder of The Assam Tribune Group in the year 1963.

In its initial year Nataraj Theatre published one pamphlet where it announced the overall motto of the theatre group. The pamphlet announced -" As an assimilated centre of history,literature,arts and science, the stage has become an essential part of expressing the national character. Therefore, the whole world is giving special attention of its development. Nevertheless, in Assam the situation of this art craft and its artists are very pitiful. This art craft has been developed centering on the cities in those states which have an advancing footing in this art form in India. In Assam, we do not have cities like Bombay or Kolkata and for this reason permanent stage are not developing here. The best drama has exhausted within a few nights in our big towns. Therefore for the search of a big market we are organizing this mobile theatre so that the artist of this art form could earn their regular livelihoods by concentrating only in this

service and could uplift this art form. We are molding a theatre and are trying to impart mass orientation in this cultural venture that have a town centric affiliation. This is an avant-garde venture not only in Assam but in entire India. For the success of this venture we need whole hearted wish and advice from the public. Will the public be kind with that generousness? "

Nataraj Theatre folded up after 40 years of existence. During the successful days of Nataraj Theatre, Lahkar initiated some revolutionary ideas in respect of stage craft and in presentation. In the year of 1966-67 he developed Theatre-Scope and then after in 1968-69 Cine-theatre process was introduced in Nataraj. He also tried to introduce three numbers of stages in 1970-71, but it could not last long. Nataraj Theatre is the first Assamese professional theatre group that extensively toured different parts of this country and performed their regular shows in those places. The theatre group travelled Cachar and some places of Uttar Banga (the northern part of present West Bengal state of India) and presented Bangla drama there(1978-79). In the year 1979-80 the theatre group made a history by performing Assamese play in Cachar and in Uttar Banga.Finally in 1990, Achyut Lahkar experienced a kind of rounded stage or Alsom in stage and it got a little appreciation from audiences. During the long tenure of theatrical journey Nataraj produced a number of important plays n its initial years and a few of them are- Angar( 1964-65, originally written by Utpal Dutta in Bengali), Nandadulal, Anarkali, Khana, Bandita (1965-66, most of these dramas were adapted from Bengali origin), Sati Savitri, Biplab, 1987 (1966-67), Jerengar Sati Karbala, Ekhan Prithivi, Bicharak Samrat Bikramditya(1968-69) etc. The theatre group was also credited with a number of important dance drama and a few mentionable are- Ram Bijay, Ahalya Udhhar, Chitrangada,Sita sayambar, Kumar Haran, Ei Mrityu Aparajey, Chandalika(1964-65), Aspriswata(1965-66), Karengar Ligiri, Tezimala, Sakuntala (1966-67), Parijat Haran(1968-69)etc.

This pioneer of Mobile theatre has received a few numbers of awards from the state as well as from non-state institutions. In 1997, Achyut Lahkar was awarded the Kamal Kumari National Award for his invaluable contributions towards the nation's cultural life. He was also the recipient of Atul Chandra Hazarika award in 2008 given by the Govt. of Assam for his outstanding contribution to the cultural history of Assam. Nevertheless, his contribution has never been considered for giving national honor like Padmashree or Sangeet Natak Academy award. We must have to regret that the man who has developed a successful economic model for the sustenance of thousand of cultural workers of the state has never received high regards from the state authority and his overall contribution was literary ignored by not conferring proper recognisation during his life time.

*(The writer is a practicing Advocate in Gauhati High Court and author of the book Bhramyaman Theatarar Itihas, a book about the history of the mobile theatre of Assam)*






## Book Review
# Rendezvous with Rebels

**Dr. Uddipan Dutta**

At a time when journalistic agenda across the country has been found more and more to be determined by editors sitting in studios, it is quite heartening to read Rajeev Bhattacharyya's Rendezvous with Rebels: Journey To Meet India's Most Wanted Men that recounts his adventurous journey of negotiating one the most treacherous and difficult terrains in Myanmar for interviews with some of the most elusive and wanted separatist rebels of Northeast India. He was escorted by a group of ULFA (United Liberation Front of Asom) cadres to their camps, sent especially for that purpose by the organisation's chief of staff Paresh Baruah. As a journalist specializing on ULFA and insurgency, the author had made repeated attempts to visit the group's camps in Myanmar and finally succeeded in convincing the chief of staff. He was accompanied by his fellow journalist Pradip Gogoi who worked for a local news channel and from the beginning of the journey till the end which lasted for three months and twenty days.

Divided into eight chapters, the book primarily has three themes - a vivid narrative of the journey of the author to the rebel camps; the prevailing political situation in Eastern Nagaland; and towards the end, the office-politics in media houses that almost endangered the life of the author and his colleague. The first Chapter "On the Trail" begins rather dramatically narrating how Bhattacharyya had a close shave with death after he tumbled down from the hill on the very second day of the trek in Myanmar. Then a bit of flashback where the reader is acquainted with the efforts made to cultivate the ULFA chief of staff. He describes how the ice was finally broken and how ULFA Commander-in-Chief Paresh Baruah agreed to meet him although the destination was not revealed. Eliciting the consent of Baruah for an interview at that time was no mean achievement for a journalist. Till Bhattacharyya's interview Baruah had remained an enigma. He was elusive and shied himself away from the media for a long time. In fact, people as well as intelligence agencies hardly had any idea how he looked at that time. There were only three photographs of Baruah that were seen on the media at regular intervals. There were rumours that he had been suffering from serious diseases. There were regular media reports that he had survived several assassination attempts and one report sometime even said that he had been injured sometime in the late 1990s. But the photographs in the book taken by the author himself dispelled all these myths. The rebel chief was not only hale and hearty but regularly engaged himself in exercises and football.

What is endearing about the book is that in spite of the fact that the author is at the centre of the narrative, he does not portray himself as a hero. Rather his vulnerability is very much evident from the beginning of the journey. There is no dramatization of events in the book and the narrative evidently bears the testimony that that it has been woven from the diary jottings of the author. In fact, the plain narrative imparts authenticity. Yet, the story is gripping and it reads almost like a thriller. It combines the excitement and anxiousness of adventure sports with a deep understanding of rebel politics in the region. Though the author is grateful to the ULFA chief of staff for facilitating the journey, yet he poses some tough and uncomfortable questions to him. Baruah's answers on some occasions have portrayed a different perspective on ULFA's military and ideological tactics. It would perhaps not be wrong to say that Baruah's tenacity and military tactics have helped sustained ULFA even at the face of brutal military offensives and large scale surrender of cadres.

However, what I found most interesting is the depiction of the everydayness of the Naga inhabitants in the hilly terrain that the author and his group treks through and the lives of the rebels in the camps deep in a valley. The account succinctly sums up the relationship between the locals and the rebels and their interdependence. Sakhan, for instance, is a sort of forced labour that has been made mandatory on the villages and it means carrying the luggage of the rebels from one village to the other by a group of able-bodied villagers. The author candidly shows the prevalence of opium consumption among different Naga tribes. There occurred some amusing incidents related opium consumption. The anecdotal tone of the narrative never fails to entertain the readers. The description of the blind woman who walks perfectly in a patchy terrain very quickly along with her grandson shows the hardiness and endurance of the local Naga population. Bhattacharyya provides a deft illustration about the workings of different stakeholders and power groups in Myanmar and shows how there is a constant power struggle among different armed groups in the region in which the Myanmarese army is a formidable factor. In the midst of this tussle, the local inhabitants survive and coexist with the armed groups.

ULFA chief of staff Baruah was no less eager to give the interview as can be gleaned from the book. He had sent a very senior and trusted aide to receive Baruah and his colleague across the border in Nagaland. Baruah perhaps wanted to show himself as being capable enough to regenerate the organisation at a time when support was dwindling. When the author embarked on the assignment early in October 2011, the pro-talks faction of ULFA headed by chairman Arabinda Rajkhowa had already submitted a charter of demands to the government. Talks had begun in February and the Centre had also expressed its willingness to take the process to a logical conclusion. With Rajkhowa were all senior leaders who had been apprehended in Bangladesh and were later handed over to India. There was an impression that the anti-talks faction would no longer be able to carry on with the campaign for independence. But Baruah appeared confident and even said in the interview that the organisation would only emerge stronger after the exit of the moderate leaders who were never committed to the movement. Interestingly, a consignment of European weapons comprising assault rifles and pistols had also arrived when Bhattacharyya was in the camp. These photographs have also been published in the book.

Baruah had started giving more interviews on phone to the electronic and print media after the author's return. There were even occasions when videos have been mailed showing Baruah dancing Bihu with his colleagues in the camp. But Bhattacharyya's interview still remains the most elaborate and authentic although some more questions could have been asked. Some replies have been a repetition of his answers given in the past during interviews over phone. The chief has also avoided some tickling queries perhaps to ensure his long terms interests. His keen interests in knowing more about the people back home particularly the changes taking place in the society reveals how he has remained cut-off from the ground reality in the state for a long time. Though guarded, he shared some personal memories and information with the author about his childhood, family and the initial years of ULFA. However what strikes the reader is his poor understanding of the national and international scenario. Baruah is firm

in his belief that a war between India and China is inevitable and imminent. He even beliefs that the provocation would come from the US and China would retaliate by invading India. He is hopeful that ULFA would seize the opportunity to liberate Assam when that happens. This hope however seems quite far-fetched who are acquainted with the current trend of geopolitics in the region. This proves beyond doubt the intellectual bankruptcy in ULFA which is one of the precise reasons why the outfit's journey has gone downhill after it reached the peak in the late 1980s.

Chapters 6 and 7 are exclusively about the political scenario and the Naga movement for independence. The godfather of the region is S S Khaplang who had recently been in the news after the Indian government abrogated the ceasefire with his organisation called the Khaplang faction of National Socialist Council of Nagaland (NSCN-K). Unlike Baruah, Khaplang is very forthcoming and candid. His confidence stems from his absolute control over and support of the Naga populace in the northern region of Myanmar's Sagaing Division which is contiguous to the eastern districts of Arunachal Pradesh and Nagaland. He dropped quite a few bombshells in the interview which are contrary to media reports that have been published and telecast in the past one decade or so. Khaplang revealed how he had arrived at an informal understanding with the Myanmarese army in 2001 and how the pact has resulted in peace in the region. Gone are the days when the army would raid the villages, kill and plunder and leave behind a trail of death and destruction. No wonder New Delhi's repeated requests to Naypyidaw to eliminate these camps and facilities have fallen on deaf ears. After going through the book, a clear picture can be gathered about the reasons why the Myanmarese army refuses to take on the Naga rebels.

The account of the Naga region since Myanmar's independence in 1948 is exclusive which is not to be found in other books or documents. The author has gathered the information by interviewing Naga rebels and from documents published years ago in Nagaland and Myanmar. He says that there have been factional clashes among the rebels and internecine wars among villages that left hundreds dead in a span of a few hours. All these have remained unreported since there was no access to the region. Journalists have managed to land in the country's rebel zones like Karen and Kachin surreptitiously from China and Thailand on several occasions. Many books have been written on the conflict in Kachin, Karen and the movement by the Communist Party of Burma which had almost toppled the regime in Yangon. But there were areas in Myanmar like the Sagaing Division and Chin State that have escaped the attention of journalists and researchers probably because of their inaccessibility. Till date, information is very scarce on the movement for independence that was once spearheaded by the Chin National Front.

However the chapter "Missing in Action" that delves into the anxiety of the author's relatives back home after reports appeared in the media that he had been apprehended by the Myanmarese army, the politics at his office and the subsequent closure of the newspaper he worked for could have been brief. The enmity between the editor of the daily and the author leading to the sordid episode of leakage of information about the assignment to Myanmar appears to be a biographical note to the narrative and distracts the reader from the original theme of the book. This apart, the narration in the first person is often too formal. But many a time he breaks the monotony of a linear narrative and uses dialogue in places imparting the flavour of a fiction. He is quite successful in keeping the reader's attention glued and it seems as if the events unfolding in front of the eyes of the readers.

ইয়াৰ মাটিত ব্যৱহাৰ কৰিলে মাটিত থকা উপকাৰী অনুজীৱৰ কাৰ্য্যকলাপ বৃদ্ধিত সহায় কৰে। প্ৰস্তুত কৰাৰ এক সপ্তাহৰ ভিতৰত ইয়াক ব্যৱহাৰ কৰিব পাৰি। 'জীৱামৃত' ব্যৱহাৰৰ ১২ ঘণ্টাৰ ভিতৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে।

**জৈৱিক ইউৰীয়া (ক'লা ইউৰীয়া) ঃ**

গাঁওলীয়া কৃষকে অতি সহজে ইয়াক প্ৰস্তুত কৰিব পাৰে আৰু ৰাসায়নিক ইউৰীয়াৰ পৰিবৰ্তে এই জৈৱিক ইউৰীয়া খেতি পথাৰত ব্যৱহাৰ কৰিব পাৰে। খেতি পথাৰত ইয়াক প্ৰয়োগ কৰিলে কোনো পাৰ্শ্বপ্ৰক্ৰিয়া নাথাকে। ইয়াক মাটিত ব্যৱহাৰ কৰিলে মাটিৰ স্বাস্থ্য আৰু উৰ্বৰতা শক্তি বৃদ্ধিত সহায় হয়।

**প্ৰস্তুত প্ৰণালী ঃ**

গোহালীৰ কাযত তিনিফুট দীঘল, ২ ফুট বহল আৰু ২ ফুট ওখ এটা আয়তাকাৰ টেংকী তৈয়াৰ কৰি লব লাগে। চালনীৰে ভালদৰে চালি লোৱা বালিৰে টেংকীটো ভৰ্ত্তি কৰাব লাগে। প্ৰত্যেকদিনা ৫-৬ লিটাৰ গো-মূত্ৰ টেঙ্কটোত ঢালিব লাগে। এনেদৰে ১৫-২০ দিন গো-মূত্ৰ ঢালি থকাৰ পিছত আমি লক্ষ্য কৰিম যে বালিয়ে গোমূত্ৰখিনি শুহি লোৱা নাই। তেতিয়া গোমূত্ৰ ঢলা বন্ধ কৰি দিব লাগে। এনেদৰে বালিখিনি ১০-১৫ দিন ৰখাৰ পিছত ক'লা দানাকৃতি ৰূপ ল'ব; এয়াই হৈছে ক'লা ইউৰীয়া।

**ব্যৱহাৰ প্ৰণালী ঃ**

ব্যৱহাৰৰ আগতে ক'লা ইউৰীয়াখিনি ছাঁত শুকুৱাই লব লাগিব আৰু গুটি ছটিয়াবৰ আগতে ইয়াক মাটিত ব্যৱহাৰ কৰিব লাগিব। পানী থকা মাটিত পোনপটীয়াকৈ ইয়াক ছটিয়াব পাৰি। মাটিত ব্যৱহাৰ কৰিলেই নাইট্ৰজেনৰ মাত্ৰা বৃদ্ধি কৰে আৰু মাটিৰ আদ্ৰতা বজাই ৰখাত সহায় কৰে। ইয়াক প্ৰধানত ধান জাতীয় শস্যৰ বাবে ব্যৱহাৰ কৰা হয়। প্ৰতি বিঘাত ১০০ কেজি. ক'লা ইউৰীয়া (জৈৱিক ইউৰীয়া) ব্যৱহাৰ কৰিব পাৰি।

**নাডেপ কমপ'ষ্ট (NADEP)**

এয়া এক বায়ুৰ দ্বাৰা পৰিচালিত জৈৱিক সমাগ্ৰীৰ পচন প্ৰক্ৰিয়া। এই পচন প্ৰক্ৰিয়াৰ প্ৰযুক্তি, শ্ৰী এন. ভি. পানধাৰী পাণ্ডে মহাশয়ে উদ্ধাৰণ কৰিছিল।

**নাডেপ টেঙ্কৰ প্ৰস্তুতি ঃ**

৩ মিটাৰ দীঘল, ১.৮ মি. বহল আৰু ০.৯ মিটাৰ উচ্চতা এটা টেঙ্ক প্ৰস্তুত কৰিব লাগে। টেঙ্কটোৰ বেৰখন ০.২ মি. ডাঠ আৰু মাজে মাজে ফুটা থকাটো বাঞ্চনীয়। টেঙ্কটোৰ মজিয়াত ইটা দিয়াটো প্ৰয়োজন আৰু টেঙ্কৰ ওপৰত খেৰৰ চাল এখন দিব লাগে।

**পচন প্ৰণালী ঃ**

পচনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যেনে- যথাক্ৰমে পেলনীয়া কৃষিজাত সামগ্ৰী, গোবৰ আৰু মাটি ৪৫ঃ৫ঃ৫০ অনুপাতত (ওজন হিচাপে) গোটাই লব লাগে।

উপৰোক্ত সামগ্ৰীৰে কেইবাতৰপৰে টেঙ্কটো তলত দিয়া ধৰণে ভৰ্ত্তি কৰিব লাগে।

- প্ৰথমতে, ১০০ কেজি. পেলনীয়া কৃষিজাত সামগ্ৰী টেঙ্কৰ একেবাৰে তলত ৬ ইঞ্চি ডাঠকৈ পাৰি দিব লাগে ইয়াৰ ওপৰত। ৪ কেজি গৰুৰ গোবৰ ১২০-১৫০ লি. পানীত মিহলাই, পেলনীয়া কৃষিজাত সামগ্ৰীৰ ওপৰত সমভাৱে ছটিয়াই দিব লাগে।

- ৫০-৫৫ কেজি. সাৰুৱা মাটি তাৰ ওপৰত সমান ভাৱে মেলি দিব লাগে। সামন্য পানী ছটিয়ালে ভাল।

- এনেদৰে তৰপে তৰপে সামগ্ৰী সমূহ মেলি দিব টেঙ্কটোৰ ওপৰলৈ যাতে আধা মিটাৰ উঠি থাকে।

- এতিয়া গোবৰ মিহলোৱা মাটিৰে টেঙ্কটো ওপৰখিনি ভালদৰে মচি দিব লাগে।

- ২-৩ মাহৰ ভিতৰত কলা বৰণৰ, গোন্ধবিহীন নৰম আৰু ফুৰফুৰীয়া পচন সাৰ প্ৰস্তুত হৈ যাব। এয়াই "নাডেপ কমপষ্ট"।

**নাডেপ সাৰৰ খাদ্যমৌলৰ পৰিমাণ ঃ**

| খাদমৌল | | পৰিমাণ (%) |
|---|---|---|
| নাইট্ৰ'জেন | - | ০.৫-১.৫ |
| ফছফৰাছ | - | ০.৫-১.৭ |
| পটাছিয়াম | - | ১.২-১.৪ |

**উপৰোক্ত টেংকত ব্যৱহাৰৰ প্ৰণালী ঃ**

কঠিয়া লগোৱাৰ পিছত ৪ কুইণ্টাল প্ৰতি বিঘাত নাডেপ পচন সাৰ ব্যৱহাৰ কৰিব পাৰি।

এবাৰত ৩ টন পচন সাৰ প্ৰস্তুত কৰিব পাৰি। প্ৰথম বছৰত দুবাৰ আৰু তাৰ পিছত তিনিবাৰ পচনসাৰ প্ৰস্তুত কৰিব পাৰি। এইদৰে প্ৰথম বছৰত ৬ টন আৰু তাৰ পিছৰ বছৰৰ পৰা ৯ টন পচন সাৰ প্ৰস্তুত কৰিব পাৰি।



**কেঁচু সাৰ ঃ**
**(Vermicompost)**

কম দিনতে উৎকৃষ্ট পচনসাৰ প্ৰস্তুতৰ বহুতো পদ্ধতি উদ্ভাৱন হৈছে। তাৰে ভিতৰত কেঁচুৰ সহায়েৰে বিভিন্ন জৈৱিক আৱৰ্জনা অতি কম দিনতে পচন ঘটাই উৎকৃষ্ট মানৰ জৈৱিক সাৰকেই 'কেচুসাৰ' নামেৰে নামেৰে জনা যায়।

ডাৰউইন নামৰ বিখ্যাত বিজ্ঞানীজনে প্ৰথমবাৰৰ বাবে (১৮৩৭- ১৮৮১) কেঁচু আৰু মাটিৰ উৰ্বৰতা বৃদ্ধিত ইয়াৰ গুৰুত্ব সম্পৰ্কে অধ্যয়ন কৰিছিল বুলি জনা যায়। অতি পুৰণি কালৰে পৰা কেঁচু কৃষকৰ পৰম বন্ধু হিচাপে পৰিচিত হৈ আহিছে। কেঁচুৱে আমাৰ অজ্ঞাতে পৰোক্ষ বা প্ৰত্যক্ষভাৱে মাটিৰ উৰ্বৰতা বৃদ্ধি তথা শস্য উৎপাদন আৰু পৰিৱেশ প্ৰদূষণ হ্ৰাস কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। কেঁচুৱে মাটিত সঘনাই চলাচল কৰি প্ৰাকৃতিক ভাৱে মাটিৰ চহ কাৰ্য্য সমাধা কৰাৰ উপৰিও মাটিৰ ভৌটিক গুনাগুণ যেনে- জলধাৰণ ক্ষমতা, মাটিৰ গঠন, চলাচলৰ সুবিধা আদিৰ উন্নতিৰ যথেষ্ট অৰিহনা যোগায়।

কেঁচুসাৰত শস্যৰ অত্যাৱশ্যকীয় প্ৰায় সকলোবিধ মৌলই পোৱা যায়। তদুপৰি এনে সাৰত শস্যৰ বৃদ্ধিকাৰকৰ বহুতো এনজাইম আৰু হৰমনজাতীয় দ্ৰব্য) যেনে- অক্সিলিন, জিবাৰেলিন, ছাইটোকাইনিন ইত্যাদি) আদি থাকে যাৰ ফলত, শস্যৰ শ্ৰীবৃদ্ধি দ্ৰুত হয়।

**কেঁচুসাৰত থকা শস্যৰ অত্যাৱশীয় মৌলসমূহৰ পৰিমাণঃ**

| | | |
|---|---|---|
| নাইট্ৰজেন - | | ২-২.৫ শতাংশ |
| ফচফৰাছ | - | ১.৩-১.৮ শতাংশ |
| পটাছ | - | ১.৮-৩ শতাংশ |
| কেলচিয়াম | - | ১-১.২ শতাংশ |
| মেগনেচিয়াম | - | ০.৩-০.৫ শতাংশ |
| ছালফাৰ | - | ০.৪-০.৫ শতাংশ |
| আইৰণ | - | ০.৮-১.৫ শতাংশ |
| কপাৰ | - | ১২০-৩৬০ পি পি এম |
| জিংক | - | ৫০০-১০০০ পি পি এম |
| মেংগানিজ | - | ১০০০-২০০০ পি পি এম |

**প্ৰস্তুত প্ৰণালী ঃ**

কেঁচুৰ প্ৰায় ২৫০০ বিধ প্ৰজাতি সমগ্ৰ বিশ্বত থকাটো জনা যায়। সকলোবিধ কেঁচুৰ প্ৰজাতিয়েই কেঁচুসাৰ তৈয়াৰ কৰিবৰ বাবে উপযোগী নহয়। কেঁচুসাৰ প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা কেইবিধমান কেঁচুৰ প্ৰজাতি হ'ল- আইচেনীয়া ফ'তিদা *(Eisenia foetida)* এমাইনথেচ্ ড্ৰিফ্ৰিনজেনছ্ *(Amyanthes diffringens)*, ইউড্ৰিলাছ ইউগিনি *(Eudrillus eugineae)*পেৰিঅ'নিক্স এক্সাভেটাছ *(Perionyx excavatus)*

ইত্যাদি। কেঁচুৰ সহায়ত পচনসাৰ তৈয়াৰ কৰিবলৈ পকী টেংকী বনাই লব পাৰিলে ভাল। টেংকৰ প্ৰস্থ ৩ ফুট আৰু উচ্চতা প্ৰায় ২-২.৫ ফুট হ'ব লাগে। টেংকৰ দৈৰ্ঘ্য প্ৰয়োজন অনুযায়ী কৰি লব পাৰি। ব্যৱসায় ভিত্তিক উৎপাদন পাবলৈ হ'লে নাডেপ প্ৰথাৰে পচন সাৰ প্ৰস্তুত কৰি, প্ৰস্তুত হোৱা পচনসাৰখিনি ভাৰ্মিটেংকত দি কেঁচু এৰি দিব লাগে। প্ৰতি এক বৰ্গ ফুটত ৩০ ডাল কেঁচু এৰি দিলেই যথেষ্ট। কেঁচুসাৰ বনোৱা টেংকত যাতে সূৰ্য্যৰ পোনপটীয়া পোহৰ বা বৰষুণৰ পানী পৰিব নোৱাৰে তাৰ বাবে টেংকৰ ওপৰত এখন চালি দিব লাগে। কেঁচুসাৰ প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা আবৰ্জনাৰ মিশ্ৰনটো যাতে সেমেকা থাকে তাৰ বাবে মাজে মাজে পানী ছটিয়াব লাগে। তৈয়াৰ হোৱা কেঁচুসাৰ তৰপে তৰপে চপাই ছাঁত দম কৰি ৰাখিব লাগে। এনেকৈ ৬-৮ ঘণ্টা দম কৰি ৰাখিলে কেঁচুসাৰত থকা কেঁচুসমূহ দমটোৰ তললৈ নামি আহে আৰু এই কেঁচুবোৰ পুনৰবাৰ কেঁচু বনাবলৈ ব্যৱহাৰ কৰিব পাৰি। প্ৰস্তুত হোৱা কেঁচুসাৰত২০ শতাংশ বা কম আদ্ৰতা থকাৰ প্ৰয়োজন। বিজ্ঞানসন্মতভাৱে এই সাৰ প্ৰস্তুত কৰি বিক্ৰী কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ যথেষ্ট থল আছে।

**ব্যৱহাৰৰ বিধি ঃ**

| শস্য | পৰিমাণ | ব্যৱহাৰৰ সময় |
|---|---|---|
| ধান | ৪ কুইণ্টল/বিঘা | কঠিয়া লগোৱাৰ পিছত |
| কুহিয়াৰ | ৬ কুইণ্টল/বিঘা | শেষৰ হাল বাওতে |
| জলকীয়া | ৪ কুইণ্টল/বিঘা | ঐ |
| মাকৈ | ৪ কুইণ্টল/বিঘা | ঐ |
| শাক-পাচলি | ৪-৬ কুইণ্টল/বিঘা | ঐ |
| মধুৰি আম, নেমু আদি | ২ কেজি/ গছ | লগোৱাৰ সময়ত আৰু ফুল ধৰাৰ আগত |
| নাৰিকল, আম | ২ কেজি/ গছ | লগোৱাৰ সময়ত |
| | ৫ কেজি/ গছ | ১-৫ বছৰীয়া গছত |
| | ১০ কেজি/ গছ | ৬-৯ বছৰীয়া গছত |
| | ২০ কেজি/ গছ | ১০ বছৰীয়া গছত |

**পঞ্চগব্য ঃ**

'পঞ্চগব্য' এবিধ জৈৱিক ভাৱে তৈয়াৰী সামগ্ৰী যিয়ে গছৰ বৃদ্ধিৰ লগতে প্ৰতিৰোধ কৰা ক্ষমতাও বৃদ্ধি কৰে। এইবিধ জৈৱিক সামগ্ৰী প্ৰস্তুত কৰোতে গৰুৰ গোবৰ, গৰুৰ মূত্ৰ, গাখীৰ, দৈ আৰু ঘিৰে প্ৰস্তুত কৰা হয়।

**প্ৰয়োজনীয় সামগ্ৰী ঃ**

| | | |
|---|---|---|
| ১. | গৰুৰ গোবৰ - | ৭ কেজি. |
| ২. | গৰুৰ মূত্ৰ - | ১০ লিটাৰ |
| ৩. | গৰুৰ গাখীৰ - | ৩ লিটাৰ |
| ৪. | গৰুৰ ঘি - | ১ কেজি. |
| ৫. | গৰুৰ দৈ - | ২ লিটাৰ |
| ৬. | পানী - | ১০ লিটাৰ |
| ৭. | ডাব (নাৰিকৰল)ৰ পানী - | ৩ লিটাৰ |
| ৮. | গুৰ - | ৩ কেজি. |
| ৯. | পকা কল - | ১২ টা |

**প্ৰস্তুত প্ৰণালী ঃ**

এটা প্লাষ্টিক বাল্টিত (৫০ লিটাৰ) ৭ কেজি গৰুৰ গোবৰ আৰু ১ কেজি ঘি ভালদৰে মিহলাই লৈ ৩ দিন থৈ দিব লাগে। এই তিনিদিনৰ প্ৰত্যোক ৰাতিপুৱা আৰু সন্ধিয়া বাল্টিত থকা মিশ্ৰনটো ভালদৰে মিহলাব লাগে। এনেদৰে তিনিদিন থোৱাৰ পিছত ১০ লিটাৰ গোমূত্ৰ আৰু ১০ লিটাৰ পানী মিহলাই পোন্ধৰ (১৫) দিন থৈ দিব লাগে। এই ১৫ দিনৰ, প্ৰত্যেকদিনা ৰাতিপুৱা আৰু গধূলিত এই মিশ্ৰনটো ভালকৈ মিহলি হৈ যায়। পোন্ধৰ দিনৰ পিছত তিনি লিটাৰ গৰুৰ গাখীৰ, দুই লিটাৰ দৈ, তিনি লিটাৰ ডাব (নাৰিকলৰ) পানী, তিনি কেজি গুড় আৰু ১২ টা পকা কল ভালদৰে মিহলি কৰিব লাগে।

এনেদৰে আকৌ পোন্ধৰ দিন আগৰ দৰে পুৱা, গধূলি মিহলোৱা কাম কৰিব লাগে। মুঠতে এইবিধ জৈৱিক সামগ্ৰী প্ৰস্তুত হওতে ৩৩ দিন সময় লাগে। এইদৰে প্ৰস্তুত হোৱা জৈৱিক সামগ্ৰীৰ এক যাদুকৰী গুণৰ অধিকাৰী হয়। এয়াই পঞ্চগব্য।

**পঞ্চগব্যৰ ভৌত ৰাসায়নিক আৰু জৈৱ গুণ ঃ**

| ভৌত ৰাসায়নিক বিন্যাস | | জৈৱিক পৰিমাণ |
|---|---|---|
| | pH | : 5.45 |
| মুঠ | N | : 229 (ppm) |
| মুঠ | P | : 209 (ppm) |
| মুঠ | K | : 232 (ppm) |
| | Na | : 90 (ppm) |
| | Ca | : 25 (ppm) |
| ভেকুৰ | | - ৩৮৫,০০ / মি.লি. |
| বেক্টেৰীয়া | | - ১৮৮০০০০/ মি.লি. |
| লেক্টবেছিলাছ | | - ২২৬০০০০/ মি.লি. |
| মুঠ আবায়বক্ষুদ্ৰজীৱ | | - ১০০০/ মি.লি. |
| এছিদ গঠনকাৰী ক্ষুদ্ৰ জীৱ | | - ৩৬০ / মি.লি. |
| মিথানোজেন | | - ২৫০/ মি.লি. |

**ব্যৱহাৰ প্ৰণালী ঃ**

ক) স্প্ৰেৰ জৰিয়তে - তিনি লিটাৰ 'পঞ্চগব্য' ১০০ লিটাৰ পানীত মিহলি কৰি যিকোনো শস্যত ব্যৱহাৰ কৰিব পাৰি।

খ) পানী (জলসিঞ্চন) ৰ জৰিয়তে - প্ৰতিবিঘাত ৭ লিটাৰ পঞ্চগব্য জলসিঞ্চন পানীত মিহলি কৰি দিব পাৰি। ড্ৰিপ জলসিঞ্চনতো ইয়াক ব্যৱহাৰ কৰিব পাৰি।

গ) বীজ / কঠিয়াত প্ৰয়োগ - তিনি শতাংশ দ্ৰৱন তৈয়াৰ কৰি বীজ বা কঠিয়া বা পুলি ২০ মিনিট ডুবাই ৰাখি ৰোপন কৰিলে সুফল লাভ কৰিব পৰা যায়।

ঘ) বীজ সংৰক্ষন - পঞ্চগভ্যৰ তিনি শতাংশ দ্ৰব্যন তৈয়াৰ কৰি বীজখিনি ডুবাই ৰখোৱাৰ পিছত ৰ'দত শুকোৱাৰ পিছত সংৰক্ষনৰ ব্যৱস্থা কৰিলে বীজৰ গুণ বঢ়োৱাত সহায়ক হয় আৰু বীজ সংৰক্ষনৰ বাবে সুবিধা হয়।

**ব্যৱহাৰ কৰাৰ সময়ৰ ব্যৱধান ঃ**

ক) ফুল ফুলাৰ আগত এবাৰ বা দুবাৰ ১৫ দিনৰ অন্তত শস্যৰ জীৱনকাল অনুযায়ী।

খ) ফুল ফুলা আৰু ফল ধৰাৰ সময়ত দুবাৰ ১০ দিনৰ অন্তত

গ) ফল পুৰঠ হোৱাৰ সময়ত এবাৰ

**বিভিন্ন শস্যত ঃ**

**পঞ্চগভ্যৰ ব্যৱহাৰৰ সময় ঃ-**

| শস্য | সময় |
|---|---|
| ক) ধান | ১০,১৫, ৩০ আৰু ৫০ তম্ দিনত (কঠিয়া লগোৱাৰ সময়ত) |
| খ) বিলাহী | লগোৱাৰ ৪০ দিন পিছত |
| গ) মগু | লগোৱাৰ ১৫,২৫,৩০,৪০ আৰু ৫০ দিনৰ পিছত |

**জৈৱিক কীট নিয়ন্ত্ৰণ ঃ**

বৰ্তমান সময়ত জৈৱিক কৃষি পদ্ধতিৰ প্ৰতি কৃষক যথেষ্ট আগ্ৰহান্বিত হোৱা দেখা গৈছে। জৈৱিক কৃষিত ৰাসায়নিক কীটনাশক ঔষধৰ বিকল্প হিচাপে উদ্ভিদজাত কীট-পতংগনাশক ঔষধ ব্যৱহাৰ কৰা হয়। এনেধৰনৰ জৈৱিক ঔষধ সাধাৰণ খেতিয়কে সহজতে ঘৰতে প্ৰস্তুত কৰিব পাৰে।

**উদ্ভিদজাত কীট-পতংগনাশক ঃ -**

বহুত উদ্ভিদৰ পাতৰ ৰস, ফলৰ গুটিৰ ৰস বা গা-গছৰ পৰা নিৰ্গত বগা আঠা জাতীয় পদাৰ্থই কীট-পতংগক নাশ কৰা ক্ষমতা থাকে। ইয়াৰে ভিতৰত নিম, কৰনচ আৰু আকন গছৰ দ্বাৰা উল্লেখযোগ্য ভাৱে কীট পতংগ নিয়ন্ত্ৰন কৰিব পৰা যায়।

**নিম** (*Azadiracta indica*) ঃ-

নিমৰ পৰা তৈয়াৰ কৰা বিভিন্ন ধৰনৰ উদ্ভিদজাত কীট-পতংগনাশক ঔষধ বৰ্তমান সময়ত বহুলভাৱে ব্যৱহাৰ কৰা হৈছে। সাধাৰণতে এই উদ্ভিদজাত কীটনাশক ঔষধসমূহ শস্যত ব্যৱহাৰ কৰিলে গছজোপাৰ বিভিন্ন অংগ, যেনে- পাত, ফুল, গছৰ বাকলি, গুটি আদি অনিষ্টকাৰী কীট-পতংগৰ পলুবিলাকৰ বাবে খোৱাৰ অনুপযোগী হৈ পৰে। সেয়েহে খাদ্যৰ অভাৱৰ কাৰণে পলুবিলাকে জীৱনচক্ৰ সম্পূৰ্ণ কৰিব নোৱাৰি মৃত্যু মুখত পৰে। ইতিমধ্যে সৰহ সংখ্যক ৰাসায়নিক ঔষধৰ বিপৰীতে বহু অনিষ্টকাৰী পতংগই প্ৰতিৰোধ ক্ষমতা গঢ়ি তুলিছে কিন্তু উদ্ভিদজাত কীটনাশকৰ ক্ষেত্ৰত পতংগৰ প্ৰতিৰোধ ক্ষমতা গঢ়াৰ কোনো প্ৰশ্নই নাহে বা এতিয়ালৈকে এনে হোৱা দেখা পোৱা নাই। নিমৰ পৰা উৎপাদিত নিমৰ গুটিৰ নিৰ্যাস; সকলো ধৰনৰ শস্যত ব্যৱহাৰ কৰি প্ৰায় সকলো প্ৰকাৰৰ কীট-পতংগৰ পৰা পৰিত্ৰাণ পাব পাৰি।

**কৰনচৰ খলিহৈ ঃ (*Pongamia pinnata*) ঃ -**

কৰনচ্ গছৰ গুটিৰ পৰা তেল নিস্কাষণ কৰাৰ পিছত যি খলিহৈ পোৱা যায়, সেয়া পোক পৰুৱাৰ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়। অধিক মাত্ৰাত নাইট্ৰজেন থকাৰ বাবে এই খলিহৈক সাৰ হিচাপেও ব্যৱহাৰ কৰিব পৰা যায়। কৰনচ্ খলিহৈ মাটিত ব্যৱহাৰ কৰা হয় আৰু ই বিশেষকৈ মাটিত থকা অপকাৰী পোককে নিয়ন্ত্ৰন কৰে কিন্তু উপকাৰী জীৱৰ একো অনিষ্ট সাধন নকৰে।

**নিমাস্ত্ৰ ঃ**

৫ কেজি নিমপাত পানী মিহলি কৰি বটি গুড়ি কৰি লৈ ৫ লিটাৰ গোমূত্ৰ আৰু ২ কেজি গৰুৰ গোৱৰ মিহলি কৰি ২৪ ঘণ্টাৰ বাবে কিন্বন হ'বলৈ থৈ দিব লগে। এই সময়ছোৱাত মাজে মাজে এডাল লাঠিৰে পাত্ৰটোত থকা মিশ্ৰনটো লৰাই দিব লাগে। এনেদৰে ২৪ ঘণ্টাৰ পিছত মিশ্ৰনটো কাপোৰৰ সহায়েৰে ভালদৰে চেকি লব লাগে। এতিয়া ছেকি লোৱা মিশ্ৰন খিনিৰ লগত পানী



মিহলি কৰি মুঠতে ১০০ লিটাৰ কৰি লব লাগে। যিকোনো চুহি খোৱা পোকৰ নিয়ন্ত্ৰনৰ বাবে এই 'নিমাস্ত্ৰ' ব্যৱহাৰ কৰিব পৰা যায়।

**ব্ৰহ্মাস্ত্ৰ ঃ -**

৩ কেজি নিমপাত গুড়ি কৰি ১০ লিটাৰ গোমূত্ৰৰ লগত

মিহলাব লাগে। এতিয়া, ২ কেজি আটলছৰ পাত, ২ কেজি অমিতা পাত, ২ কেজি ডালিম পাত আৰু ২ কেজি মধুৰি আমৰ পাত পানীৰ সহায়ত ভালদৰে বটি গুড়ি কৰি লব লাগে। গোটেইখিনি একেলগে মিহলি কৰি মুঠতে পাঁচবাৰ মান গৰম কৰিব লাগে। প্ৰত্যেকবাৰ গৰম কৰাৰ পাছত অলপ সময় ঠাণ্ডা হ'বলৈ দিব লাগে। মিশ্ৰনটো গৰম কৰাৰ শেষত প্ৰথমতে যি পৰিমান আছিল তাৰ আধা কৰিব লাগে। এনেদৰে ২৪ ঘণ্টা থোৱাৰ পিছত ফিল্টাৰ কৰি নিৰ্যাস খিনি উলিয়াই ল'ব লাগে। এই মিশ্ৰনটো ৬ মাহলৈ সংৰক্ষন কৰি ৰাখিব পাৰি। এই 'ব্ৰহ্মাস্ত্ৰ' মিশ্ৰনটো ২-৩ লিটাৰ লৈ লিটাৰ পানীত মিহলি কৰি এক বিঘা শস্যভূমিত ব্যৱহাৰ কৰিব পাৰি।

**আগ্নেয়াস্ত্ৰ ঃ-**

১ কেজি কাষ্ঠ কলমৌৰ পাত, আধা কেজি জলকীয়া, আধা কেজি নহৰু আৰু ৫ কেজি নিমপাত, ১০ লিটাৰ গোমূত্ৰ লগত গুড়ি কৰি লব লাগে। পাঁচবাৰ গৰম কৰাৰ পিছত মিশ্ৰনটো আধা কৰি লব লাগে। তাৰ পিছত কাঁচৰ বা প্লাষ্টিকৰ পাত্ৰত সংৰক্ষন কৰিব লাগে। সংৰক্ষন কৰাৰ আগতে মিশ্ৰনখিনি ভালদৰে চেকি লব লাগে যাতে মিশ্ৰনটোত কোনো ধৰনৰ গোটা সামগ্ৰী নাথাকে। ২ লিটাৰ 'আগ্নেয়াস্ত্ৰ' ৫০ লিটাৰ পানীত মিহলি কৰি ১ বিঘা শস্যৰ পথাৰত স্প্ৰে কৰিব পৰা যায়।

**গো-মূত্ৰ ঃ -**

এক লিটাৰ গোমূত্ৰৰ লগত ২০ লিটাৰ পানী মিহলি কৰি পোক-পৰুৱা আৰু ৰোগ নিবাৰণ কৰাৰ বাবে পাতত ছটিয়াবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ উপিৰও গোমূত্ৰ ব্যৱহাৰ কৰিলে গছৰ শ্ৰীবৃদ্ধিত সহায় কৰে।

**কিম্বন হোৱা দৈ পানী ঃ-**

ইয়াক ব্যৱহাৰ কৰি কিছুমান পোক পতংগৰ পৰা ৰক্ষা পাব পাৰি।

**খলিহৈ (তেলযুক্ত) ঃ-**

তেলযুক্ত শস্যৰ পৰা তেল নিষ্কাষণ কৰাৰ পিছত যি অৱশিষ্ট অংশ ৰৈ যায় সেই খলিহৈক জৈৱিক সাৰ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। খলিহৈ প্ৰধানত দুই ধৰনৰ পোৱা যায়। খোৱাৰ যোগ্য আৰু খোৱাৰ অযোগ্য। এই দুয়ো ধৰনৰ খলিহৈকে জৈৱ সাৰ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়।

ব্যৱহাৰ প্ৰণালী ঃ - ব্যৱহাৰ কৰাৰ আগতে খলিহৈক ভালদৰে শুকোৱাৰ পিছত গুৰি কৰি লব লাগে। এনেদৰে গুৰি কৰি লোৱা খলিহৈ মাটিত ব্যৱহাৰৰ ৭-১০ দিনৰ পিছত গছে ইয়াৰ পৰা পোষক দ্ৰব্য আহৰণ কৰিব পাৰি। গুড়ি কৰা খলিহৈ সমভাৱে পথাৰত ছটিয়াব পাৰি আৰু ই সহজতে মাটিৰ লগত মিহলি হৈ গছে গ্ৰহন কৰাৰ যোগ্য হৈ উঠে।

পোষক দ্ৰব্যৰ পৰিমাণ ঃ

| খলিহৈ | পোষক দ্ৰব্যৰ শতকৰা পৰিমাণ | | |
|---|---|---|---|
| *ক) খোৱা অযোগ্য খলিহৈ* | N(%) | $P_2O_5$(%) | $K_2O$(%) |
| ১. এৰা খলিহৈ (Castor Cake) | ৪.৩ | ১.৮ | ১.৩ |
| ২. কৰঞ্চ খলিহৈ | ৩.৯ | ০.৯ | ১.২ |
| ৩. মহুৱা খলিহৈ | ২.৫ | ০.৮ | ১.২ |
| *ক) খোৱাৰ যোগ্য খলিহৈ* | | | |
| ১. নাৰিকলৰ খলিহৈ | ৩.২ | ১.৯ | ১.৮ |
| ২. বাদামৰ খলিহৈ | ৭.৩ | ১.৫ | ১.৩ |
| ৩. তিচিগুড়িৰ খলিহৈ | ৪.৯ | ১.৪ | ১.৩ |
| ৪. তিলৰ খলিহৈ (Sesamum) | ৬.২ | ২.০ | ১.২ |

**ব্যৱহাৰৰ পৰিমাণ ঃ** প্ৰতি বিঘাত ২০০-৩০০ কেজি ব্যৱহাৰ কৰিলে সুফল লাভ কৰিব পৰা যায়।

**পশুজাত জৈৱিক সাৰ ঃ-**

আধুনিক কচাইখানাৰ পৰা ওলোৱা বিভিন্ন পশুৰ তেজক শুকুৱাই গুড়ি কৰি শস্যপথাৰত ব্যৱহাৰ কৰি মাটিৰ পৌষ্টিক গুণ উন্নতি কৰিব পাৰি। এনেধৰনৰ তেজৰ গুড়িত যথেষ্ট পৰিমানে নাইট্ৰজেন পোৱা যায়।

**পৌষ্টিকৰ দ্ৰব্যৰ পৰিমান ঃ**

| জৈৱিক সাৰ | পোষক দ্ৰব্যৰ শতকৰা পৰিমাণ | | |
|---|---|---|---|
| | N(%) | $P_2O_5$(%) | $K_2O$(%) |
| ১. তেজৰ গুড়ি (Blood meal) | ১০-১২ | ১-২ | ১ |
| ২. মঙহৰ গুড়ি (Meat meal) | ১০.৫ | ২.৫ | ০.৫ |
| ৩. মাছৰ গুড়ি (Fish meal) | ৪-১০ | ৩-৯ | ০.৩-১.৫ |
| ৪. হাড়ৰ গুড়ি (Bone meal) | | ৩-৪ | ২০-২৫ |
| ৫. সিজোৱা হাড়ৰ গুড়ি (Steamed some meal) | | ১-৪ | ২৫-৩০ |

**ব্যৱহাৰৰ পৰিমাণ** ঃ- পশুজাত জৈৱিক সাৰ প্ৰতিবিঘাত ৮০-১২০ কেজি ব্যৱহাৰ কৰিব পাৰিলেই যথেষ্ট।

**মাছ টনিক ঃ** (Fish tonic)

ই এবিধ মাছৰ পৰা তৈয়াৰী জৈৱিক ঔষধ।

**প্ৰয়োজনীয় সামগ্ৰী ঃ**

ক) মাছৰ বাকলি আৰু পাচনতন্ত্ৰ ১ কেজি

খ) ২০০ গ্ৰাম গুড়

গ) পাত্ৰ এটা।

**প্ৰস্তুত প্ৰণালী ঃ** এক কেজি মাছৰ বাকলি / পচনতন্ত্ৰৰ সৈতে ২০০ গ্ৰাম গুড় ভালদৰে মিহলাই লৈ পাত্ৰ এটাত থৈ ভালদৰে ঢাকনি লগাই ৩০ দিনৰ বাবে থৈ দিব লাগে। ৩০ দিন

পিছত এই মিশ্রনটোৱে "মাছ টনিক" হিচাপে শস্যত কীটনাশক হিচাপে ব্যৱহাৰ কৰিব পাৰি।

**ব্যৱহাৰ প্ৰণালী** ঃ- ১০ মিলি. মাছ টনিক ১০ লিটাৰ পানীত মিহলাই লৈ যিকোনো শস্যত পোক-পতংগ নিয়ন্ত্ৰনৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

**নিগনিৰ পৰা পৰিত্ৰানৰ উপায় ঃ-**

'গ্লাইৰিছেডিয়া' গছৰ ফুল শস্য পথাৰত সিঁচৰিত কৰি দি পথাৰত নিগনিৰ পৰা পৰিত্ৰাণ পাব পাৰি। এই ফুলৰ পৰা ওলোৱা ৰস আৰু গোন্ধেই নিগনিক পথাৰৰ পৰা আতৰাই পেলায়। এই ফুলে যেতিয়া নিগনিয়ে খায়, তেতিয়া নিগনি অলপ সময়ৰ কাৰণে অচল হৈ যায় আৰু শস্য আক্ৰমনৰ পৰা ৰক্ষা হয়।

চৰাই বহিবলৈ কৰনচ্ বা নিম গছৰ ডালেৰে সুবিধা কৰি দিব লাগে। যাতে চৰাইয়ে ইয়াত বহি নিগনি নিৰিক্ষণ কৰি ভোক্ষণ কৰিব পাৰে। ৰাতি ফেঁচাই ইয়াত বহি নিগনিক ধৰি ভোক্ষণ কৰি শস্য ৰক্ষাত সহায় কৰে।

শস্য পথাৰৰ চাৰিওফালে নাৰ্জি ফুলৰ গছ লগাই অপকাৰী কীট বা জীৱ-জন্তুৰ পৰা ৰক্ষা পাব পাৰি।

**ধানৰ ব্ৰাউন প্লাট হুপাৰ (BPH) ৰ পৰিত্ৰানৰ উপায় ঃ**

ধাননি পথাৰতদুজনমানুহৰ হাতত দুটা টৰ্চ লাইট এনেধৰণে ধৰিব লাগে যাতে ইংৰাজী 'V' আকৃতিৰ পোহৰৰ কিৰণ পৰিলক্ষিত হয়। এই 'V' আকৃতিৰ কিৰণ পথাৰৰ মাজ অংশৰ পৰা ক্ৰমান্বয়ে পথাৰৰ বাহিৰ অংশলৈ লৈ গ'লে, পোহৰৰ লগতে অনিষ্টকাৰী পোকৰ পখিলাও পথাৰৰ বাহিৰলৈ এলাই যায় আৰু শস্য অপকাৰী কীট-পতংগৰ আক্ৰমনৰ পৰা ৰক্ষা পায়। এনেধৰণে একেৰাহে ২-৩ দিন কৰিলেহে সুফল লাভ কৰিব পৰা যায়।

**পলুৰ জাকৰ পৰা পৰিত্ৰানৰ উপায় (Swarming Cateopila) ঃ**

চাউল বেছিকৈ সিজাই লৈ ভেৰাৰ তেজৰ লগত মিহলি কৰি ধাননি পথাৰত ছটিয়াই দিব লাগে। এনেকুৱা কৰিলে পথাৰত চৰাইৰ সংখ্যা বেছি হয় আৰু এই চৰাইবোৰে পলুৰ জাকক আক্ৰমন কৰি ভক্ষন কৰে, তেতিয়া এই পলুৰ সংখ্যা শস্য পথাৰত হ্ৰাস পায় আৰু শস্য পলুৰ জাকৰ পৰা পৰিত্ৰাণ পাব পাৰি।

**পাৰত জুই জ্বলাই পোকৰ পৰিত্ৰাণ ঃ**

পথাৰত পাৰত ৰাতি জুই জ্বলালে বিভিন্ন অপকাৰী পোক পোহৰৰ দিশে আগবাঢ়ি আহে আৰু জুইৰ তাপত এই পোক - পৰুৱাবোৰ মৃত্যুবৰণ কৰে। ফলত শস্য অপকাৰী পোক-পতংগৰ পৰা পৰিত্ৰাণ পাব পৰা যায়।

ভেষজ কীটনাশকৰ দ্বাৰা উঁইপোক নিবাৰণ ঃ

আকন গছৰ (Crown flower) ফুল আৰু খিম্প (Khimp) (*Leptadonia pyrotechnica*) (মৰুভূমিত পোৱা গছ) ৫ কেজিকৈ লৈ সৰু সৰুকৈ কাটি এটা পাত্ৰত লৈ ১০ লিটাৰ গোমূত্ৰ আৰু ১ কেজি নিমখ মিহলাই লৈ পাত্ৰটো ১৫-২০ দিন থৈ দিব লাগে। এখন কপাহী কাপোৰেৰে জুলীয়া পদাৰ্থখিনি উলিয়াই লৈ প্ৰতি বিঘা মাটিত ১.৫-২.০ লি. জলসিঞ্চন পানীৰ লগত মিহলাই দিলে পথাৰত উঁইপোকৰ পৰা পৰিত্ৰান পাব পাৰি।

**পাত মেৰিওৱা পোকৰ পৰিত্ৰানৰ উপায় ঃ**

পাতত বালি ছটিয়াই ইয়াৰ পৰা পৰিত্ৰান পাব পাৰি। পাতত বালি লাগি থাকিলে পোকৰ পৰা পৰিত্ৰান পাব পাৰি। লেটাপোকৰ গাত বালি লাগিলে ছালখন কটা যায় আৰু লেটাপোকবোৰ মৃত্যুমুখত পৰে।

**পক্ষালন কৰা ভৰ্মি (Vermiwash):**

ই এবিধ তৰল জাতীয় জৈৱ সাৰ যাক শস্যৰ পাতত স্প্ৰে কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। ইয়াক কেঁচুসাৰ প্ৰস্তুত কৰোতে অতিৰিক্ত ভাৱে নিৰ্গত হোৱা জুলীয়া পদৰ্থ হিচাপে উৎপাদন কৰা হয়। কেঁচুসাৰ উৎপাদনৰ সময়ত পানী ছটিওৱা হয়। যেতিয়া কেঁচুসাৰ উৎপাদনৰ শেষত কেঁচুসাৰ টেংকৰ পৰা ওলোৱা হয়। সেই সময়ত অতিৰিক্তভাৱে উলিওৱা জুলীয়া পদাৰ্থই হ'ল পক্ষালন কৰা ভাৰ্মি বা ভাৰ্মিৱাশ্ব।

ব্যৱহাৰ প্ৰণালী ঃ এক লিটাৰ ভৰ্মিৱাশ্ব ৭-১০ লিটাৰ পানীত মিহলাই লৈ যিকোনো গছৰ পাতত স্প্ৰে কৰিব পাৰি। এক লিটাৰ ভৰ্মিৱাশ্ব এক লিটাৰ গোমূত্ৰৰ লগত মিহলাই লৈ এক ৰাতি থৈ দিব লাগে। এদিন পিছত ১০ লিটাৰ পানীৰে ভালদৰে মিশ্ৰন তৈয়াৰ কৰিব লাগে। এনেধৰনৰ ৫০ লিটাৰ মিশ্ৰন এক বিঘা শস্য পথাৰত ব্যৱহাৰ কৰিলে পোষক দ্ৰব্যৰ ওপৰিও বিভিন্ন ৰোগ আৰু পোক পৰুৱাৰ পৰা পৰিত্ৰাণ পাব পাৰি।

এজলা আৰু নীলা- সেউজীয়া শেলাই ঃ ধান লগোৱাৰ আগতে ১-২ কুইণ্টল এজ'লা বা নীলা-সেউজীয়া শেলাই প্ৰতিবিঘাত ব্যৱহাৰ কৰিব লাগে। এয়া ব্যৱহাৰ কৰাৰ পিছত ধাননি পথাৰত ২-৩ ইঞ্চি পানী থকাটো বাঞ্চনীয়। এনে জৈৱিক সাৰ পথাৰতব্যৱহাৰ কৰিলে বিশেষকৈ পথাৰত পথাৰত নাট্ৰজেনৰ মাত্ৰা বৃদ্ধি কৰায়।

**সেউজ সাৰ ঃ**

'সেউজ সাৰ' গছৰ খেতি পুৰণিকালৰ পৰা কৰি অহা হৈছে যদিও বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা বৃদ্ধি পোৱা দেখা গৈছে। ধইনচা, শন, মগুমাহ, লেচেৰা, খেচাৰী বাৰচিম ইত্যাদি সেউজ সাৰ হিচাপে প্ৰয়োগ কৰিব পাৰি। ধইনচা, শন, মগুমাহ, মাটিমাহ বাৰিষা কালত কৰিব পাৰি আৰু অন্যবিলাক খৰালি সময়ত কৰা হয়। ধানখেতি কৰাৰ আগতে বিদেশী ধইনচা *(চেছবেনীয়া ৰোষ্ট্ৰেটা)* ৰ খেতি কৰি ৪৫ দিনলৈ পথাৰত বাঢ়িব দিলে প্ৰায় ১৯ টন পৰিমানৰ সেউজ সাৰ পোৱা যায় আৰু মাটিত মিহলাই দিয়াৰ পাছত প্ৰায় ৬১-৬২ কেজি নাইট্ৰজেন যোগান ধৰে। ধানগছে সেউজসাৰৰ জৰিয়তে যোগান ধৰা নাইট্ৰজেন (৪২শতাংশ) ইউৰীয়া সাৰৰ জৰিয়তে যোগান ধৰা নাইট্ৰজেন (২৪-২৫

শতাংশ) তকৈ অধিক আহৰণ কৰে। ধানখেতিৰ আগতে কৰা ধইন্‌চাই ৪০-৬০ শতাংশ নাইট্ৰজেন ৰাহি কৰে। সেউজসাৰৰ খেতিয়ে মাটিত খাদ্যমৌল একত্ৰিত কৰা, মাটিত থকা অনুজীৱক উপযুক্ত পৰিৱেশ দিয়াৰ লগতে বায়ুমণ্ডলৰ পৰা নাইট্ৰজেন সংশ্লেষণ কৰি মাটিৰ উৰ্বৰতা শক্তি বঢ়াই দিয়ে।

| সেউজ সাৰ | | নাইট্ৰজেনৰ মাত্ৰা (শতাংশ) |
|---|---|---|
| দেশী ধইনচা | - | ০.৪২ শতাংশ |
| বিদেশী ধইনচা | - | ০.৫৫ শতাংশ |
| শ'ন | - | ০.৪৩ শতাংশ |
| মগুমাহ | - | ০.৫৩ শতাংশ |
| লেচেৰামাহ | - | ০.৪৯ শতাংশ |
| খেচাৰী | - | ০.৫৪ শতাংশ |
| বাৰচিম | - | ০.৪৩ শতাংশ |

**ধানখেতিত 'এজলা' জীৱাণু সাৰৰ খেতি ঃ**

এজ'লা এবিধ পানীত হোৱা ঢেকীয়া বৰ্গৰ উদ্ভিদ। আৱদ্ধ পানীত ইয়াৰ জন্ম আৰু শ্ৰীবৃদ্ধি সহজতে হয়। ইয়াৰ পাতত 'এনাবিনা এজ'লি' নামৰ এবিধ নীলা-সেউজীয়া শেলাই থাকে। ই বায়ুমণ্ডলৰ পৰা নাইট্ৰজেন ধৰি ৰাখে। শুকান ওজনৰ ভিত্তিত ইয়াত থকা ফছফৰাছ আৰু পটাছিয়ামৰ মাত্ৰা হ'ল ক্ৰমে ০.৫-০.৯ শতাংশ আৰু ২.০-৬.০ শতাংশ। এজ'লা সহজতে পচি মাটিত মিলি গৈ গছৰ কাৰণে দৰকাৰী খাদ্যমৌল সোনকালে উপলব্ধ হ'ব পৰা কাৰণে খেতিপথাৰত ইয়াক সাৰ হিচাপে গণ্য কৰা হয়।

ধানখেতিত ইউৰীয়া সাৰাৰ মাত্ৰা এজ'লা সাৰ প্ৰয়োগ কৰিলে প্ৰায় ৫০ শতাংশ কমাব পাৰি। শেষবাৰ বোকা দিয়াৰ ২-৩ সপ্তাহ আগতে ৫-১০ চে.মি. পানীৰ গভীৰতাযুক্ত পথাৰত বিঘাই প্ৰতি ৬৫-৭০ কেজি সজীৱ এজ'লা দি ৰাখিলে ধান খেতি ৰোৱাৰ সময়লৈকে যথেষ্ট পৰিমানে বৃদ্ধি হয়। পথাৰত এজ'লা এৰি দিয়াৰ সময়ত ১০ চে.মি. গভীৰতাত পানী জমা থাকিব লাগে। দুসপ্তাহৰ পাছত যেতিয়া এজ'লাৰ বৃদ্ধি হৈ যথেষ্ট পৰিমানৰ হয়, তেতিয়া পথাৰৰ পানী কমাই মাটিৰ লগত ভালদৰে মিহলাব লাগে। এজ'লাৰ বংশবৃদ্ধিৰ বাবে খেতি পথাৰৰ বাহিৰত অৱস্থিত প্ৰাকৃতিকভাৱে দ' ঠাই বা পুখুৰী আদি ব্যৱহাৰ কৰিব পাৰি। ১৫-২০ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰাত এজ'লাৰ বৃদ্ধি অধিক হয়। অসমত ডিচেম্বৰ-জানুৱাৰী মাহক বাদ দি যিকোনো সময়তে এজ'লাৰ খেতি কৰিব পাৰি।

উপসংহাৰ ঃ

শেহতীয়াকৈ ভাৰত চৰকাৰে অসমত জৈৱিক কৃষিৰ প্ৰসাৰৰ বাবে বিশেষ পদক্ষেপ গ্ৰহন কৰিছে। জৈৱিক খেতিৰ প্ৰধান আহিলা সমূহ হৈছে থলুৱা বীজৰ ব্যৱহাৰ, শস্যক্ৰমৰ প্ৰয়োগ, বহুজাতীয় তথা মিশ্ৰিত শস্যৰ ৰোপন, নূন্যতম কৃষিকাৰ্য্য (Zero tillage), জৈৱিক আৱৰণ, জৈৱসাৰ, কেঁচুসাৰ আদিৰ ব্যৱহাৰ তথা পোক-পতংগৰ জৈৱ নিয়ন্ত্ৰন ইত্যাদি। ইয়াৰ উপৰি আনকেতবোৰ দিশ আছে য'ত বিশেষ লক্ষ্য ৰাখিবলগীয়া হয়, যেনে- জৈৱিক কৃষিৰ বাবে উপযুক্ত মাটি তথা উন্নত থলুৱা প্ৰজাতিৰ চিনাক্তকৰণ, মাটিৰ গুণাগুণ বৃদ্ধিৰ বাবে নতুন পদ্ধতিৰ অৱলম্বন, বিভিন্ন শস্যক্ৰমৰ ভূমিকা, উৎপাদন প্ৰক্ৰিয়াৰ মূল্য নিৰূপন, মাটি আৰু শস্যৰ ৰোগ-প্ৰতিৰোধ ক্ষমতাৰ নিৰীক্ষণ কৰা ইত্যাদি।

ভৱিষ্যত কৃষিৰ বাবে এক উজ্বল সম্ভাৱনা কঢ়িয়াই অনা এই জৈৱিক কৃষিৰ বিষয়ে আজিও নিৰন্তৰ গৱেষণা চলি আছে। কৃষি উৎপাদন বঢ়াই তোলাৰ উদ্দেশ্যেৰে কৃষকসকলেও নতুন যুগৰ এই জৈৱিক কৃষিৰ অকল চিনাকি হোৱাই নহয়, খেতিপথাৰত ইয়াৰ ব্যৱহাৰৰ বাবে আগবাঢ়ি অহাটোও বাঞ্চনীয়।





# অসমীয়া বিহু আৰু ভাষা সংস্কৃতি

**দেৱ কুমাৰ বড়ো**

**অ**সমীয়া জাতীয় উৎসৱ আহিলে লগে লগে নতুন বছৰৰ শুভেচ্ছাৰে আই অসমীয়ে ব'হাগ আৰু বৰদৈচিলাজনীক হিয়াভৰা মৰমেৰে আদৰণি জনায়। ব'হাগ বুলিলে চেনাই তোৰ মনত ৰঙীণ সপোনৰ চেহেৰাটি শুৱনি চমৎকাৰহৈ জিলিকি উঠে।

এইবেলি বিভিন্ন জনে বিহু গীতত গাইছেঃ

'অ' সৰু ভনীটি, ৰীহা মুগাৰ মেখেলা পিন্ধিলি, দেখি মৰম লাগি যায়।' আৰু গাইছে ডঃ ভূপেন হাজৰিকাৰ গীতঃ

ডেকাঃ বৰদৈচিলা নে, সৰুদৈচিলা নে
অসমৰ আকাশত বৰ বৰ চিলা
..................................
..................................
গাভৰু ঃ বৰদৈচিলা মানে কিঅ' ককাইটি?
ডেকা ঃ বড়োৰ ভাষাৰে
'বৰ' মানে বতাহ
'দৈ' মানে পানী
আৰু 'চিখলা' মানে হ'ল গোঁসানীজনী।
এনে সাহসৰ বৰযুণ বোকোচাতগৈ
চিলাজনী উৰিছিল ধুমুহাহৈ।
তাই অসমলৈ আগতে আহিছিল ..."

ব'হাগত প্ৰকৃতিয়ে ৰূপ সলাই গছত নতুন পাত ওলাই। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ য'ত ইমূৰৰ পৰা

সিমূৰলৈ হাবি বনে-বনে গছৰ ডালত কপৌ ফুলাৰ বতৰে ব'হাগৰ আগমনক সূচায়। কুলি, কেতেকি চৰাইয়ে গছৰ ডালে ডালে ফুৰি গীত জুৰে ব'হাগৰ বতৰা বিলাই। ব'হাগৰ বতৰাৰ আগজাননী পাই সেই সময়ত বৰদৈচিলাজনী আহে গছৰ ডালে পাতে নাচি উঠে চিয়ৰি-চাপৰি বজাই। মেঘে মাদল বজাই নাচিল উঠে অসমৰ সৰোবৰ, নদ-নদী, খাল, বিলত ভৰা পানীৰে উপচি পৰে। আমি



সকলোৰে জানো যে ব'হাগ কিনো বাৰু প্ৰকৃতিৰ তাণ্ডৱ। ই যে হ'ল ব'হাগত চেনাইতোৰ চেহেৰাটি বোলা প্ৰকৃতিৰ স্বৰূপ। অসমীয়া জাতীয় জীৱনত বিহুৰ প্ৰভাৱ বহুত আছে। বিহুৰ লগত অসমীয়া জাতিৰ প্ৰাণ এনেভাৱে সাঙোৰ খাই আছে যে বিহুক বাদ দি অসমীয়া জাতিৰ কৃষ্টি, সংস্কৃতি, সভ্যতা আনকি সাহিত্যৰ বৰ মজিয়াখনো উৰুঙা হৈ পৰিব। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগতে বড়োসকলো 'বৈসাগু' বুলি ব'হাগ বিহুটিৰ নামেৰে পৰম্পৰা উৎসৱ পালন কৰি আহিছে। আমি বহাগ বিহুক ' ৰঙালী বিহু' বুলিও কোৱা হয়।

**গৰু বিহুৰ পৰিচয় ঃ** অসমৰ ৰাইজে প্ৰতি বছৰে ৩০ চ'ত মাহৰ শেষ দিনৰ পৰা তথা সংক্ৰান্তিৰ দিনা ব'হাগৰ প্ৰথম দিনৰ দোমাহী হিচাপে পৰম্পৰাগতভাৱে পালন কৰি আহিছে। প্ৰকৃতিৰ যি বিপুল পয়োভৰৰ সময়তে চ'তৰ সংক্ৰান্তিৰ দিনা ৰঙালী বিহু। ব'হাগৰ প্ৰথম দিনৰ দোমাহীক গৰু বিহু বুলি কোৱা হয়। গৰু বিহুৰ পৰা সাত দিনত এশ এবিধ থলুৱা শাক খোৱাৰ নিয়ম আমাৰ অসমীয়াৰ ঘৰে ঘৰে প্ৰচলন আছে। সেই এশ এবিধ থলুৱা শাক গ্ৰহণ কৰা বাবে মানৱ দেহত ৰোগ মুক্ত হৈ আমাৰ শাৰীৰিক বৃদ্ধি আৰু মানসিক বিকাশত সহায় কৰে বুলি ভবা যায়। আমি জানো অতি কমেও সহজতে সংগ্ৰহ কৰিব পৰা গাঁৱতে পোৱা সাত বিধৰ শাক যেনে - কচু, ঢেকীয়া, মানিমুনি, নৰসিংহ, ভেদাইলতা, খুতৰা শাক, ব্ৰাহ্মী শাক ইত্যাদি তুলি ব'হাগৰ গৰু বিহুৰ দিনা ৰান্ধি খোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা আজিও আমাৰ অসমীয়া সমাজত দেখা পোৱা যায়। অসমীয়া বিহুৰ সময়ত এশ এবিধ থলুৱা শাকৰ উপলব্ধ বৰ্তমান সময়ত নহ'বও পাৰে। কিন্তু আমি নিম্নতম সাতবিধৰ থলুৱা শাক গ্ৰহণ কৰিব পাৰিম। ব'হাগত তিতা, টেঙা আৰু মিঠাৰ শুদ্ধ সোৱাদ ল'বলৈ আমি সকলোৱে বিচাৰো। যেনে ঃ আম, কঠাল, তিতা ফুল ইত্যাদি বিধে বিধে ৰান্ধি বাঢ়ি খোৱা খাদ্য অভ্যাস বিভিন্ন জনগোষ্ঠীয় সম্প্ৰদায় লোকৰ অসমীয়া সমাজত নিয়ম প্ৰচলন কৰা দেখিবলৈ পোৱা যায়।

আমি নিজৰ বাৰী-বস্তিতে দেখা পোৱা এশ এবিধ দুষ্প্ৰাপ্য থলুৱা শাকৰ ভিতৰত কিছু অংশ শাকৰ নাম উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হ'ল। নলবাৰী জিলাৰ সদৰ ঠাইৰ পৰা চাৰি-পাঁচ কিলোমিটাৰ দূৰত্বৰ দক্ষিণে পাগলাদিয়া মথাউৰিত যাওঁ তাতে কচু-ঢেকীয়াৰ শাক পাই আনিছিলো। উদাহৰণস্বৰূপে যুগ যুগ বছৰ ধৰি চত্ৰা এখন জনজাতীয় গাঁও য'ত অতীতৰে পৰা বড়ো মহিলাসকলে পাগলাদিয়া মথাউৰিৰ পৰা কচু-ঢেকীয়াৰ শাক তুলি আনিছিল। তেওঁলোকে বতৰৰ সময়মতে কচু বিচাৰি সোৱাদযুক্ত আঞ্জা-তৰকাৰী বিধে বিধে ৰান্ধিবলৈ জ্ঞাত আছিল। ভুনকুছি বিলৰ পৰা মাছ পুঠি মাৰি লগতে বনৰীয়া কচু পাত, ঠাৰি, পেতা, ফুল আৰু আলু সংগ্ৰহ কৰি তেওঁলোক বছৰজুৰি কচু শাকৰ সোৱাদযুক্ত আঞ্জা ৰান্ধি পৰিয়ালক পোহপাল দিছিল। এই খাদ্যত দেহৰ কোনো ক্ষতি নাছিল বৰং সিহঁতে নজনাকৈ শৰীৰত আইৰণযুক্ত খাদ্য জমা হৈছিল। এনেকৈ বড়ো মহিলাসকলে দৈনন্দিন জীৱনত নিজৰ পৰিয়ালত লাগতিয়াল শাক সংগ্ৰহ কৰা শাকৰ নাম হৈছে - হেলচীশাক, ঢেকীয়াশাক, কলমৌ শাক, মচন্দৰী, নৰসিংহ, দোৰোণ শাক, পচতীয়া, মেটেকা, মৰাপাট, হাতীখুতৰা, কচুশাক আদি বহুতো শাক তুলিছিল।

বন্ধুৰ ওৱাৰ্টচৰেপৰ পৰা সংগ্ৰহকৰা এশ এবিধ শাকৰ নাম তলত উল্লেখ কৰা হ'ল ঃ

ব'হাগত সাত বিহুৰ দিনা খোৱা এশ এবিধ শাক। (ইয়াত এশ এবিধতকৈ অলপ বেছিকৈ দিবলৈ যত্ন কৰা হৈছে যাতে সকলোৱে সুবিধা হয়।) সেইবোৰ হৈছে। ১। অমিতাফুল ২। অমৰা ফুল ৩। অশোক ফুল ৪। আৰফুল ৫। আমৰ মল ৬। আনাৰসৰ কোঁহ ৭। আলুগুটিৰ পাত ৮। আদা পাত ৯। আগেজলা ১০। ওলকচুপাত ১১। কঁঠালৰ মুচি ১২। ওলকবি পাত ১৩।

কেঁহেৰাজ শাক ১৪। কচুশাক ১৫। কুঁহিয়াৰ পাতৰ আগ ১৬। কুকুৰাঠেঙীয়া ১৭। কোৱাভাতুৰি ১৮। কেঞ্জাবন ১৯। কাচিপকা ২০। কাঁছকল পাত ২১। কাঠ আলু পাত ২২। কৰ্দৈ পাত ২৩। কলমৌ শাক ২৪। কুহিলা পাত ২৫। কলপচলা ২৬। কোমোৰা পাত ২৭। কেৰেলা পাত ২৮। খুতৰা শাক ২৯। গাখীৰতী ৩০। গাজৰ পাত ৩১। গৰুখিচ ৩২। চুকাশাক ৩৩। চজিনা পাত ৩৪। চাল কুঁৱৰী আগ ৩৫। চিৰতা পাত ৩৬। চয়াবিন পাত ৩৭। জিলমিল শাক ৩৮। জেতুলীপকা পাত ৩৯। জালুকপাত ৪০। জলকীয়া পাত ৪১। জবাফুল ৪২। জ্যেষ্ঠ মধু ৪৩। জৰেত্ৰী ৪৪। জাতি লাও পাত ৪৫। জিকা পাত ৪৬। টিকনি বৰুৱা ৪৭। টুপুৰী লতা ৪৮। টেঙামৰা ৪৯। টেঙেচি টেঙা ৫০। তিতাফুল ৫১। তিলপাত ৫২। তুলসী ৫৩। টিয়হ পাত ৫৪। থেকেৰা পাত ৫৫। খেৰেজু পাত ৫৬। দাংবদি ৫৭। দোৰোণ শাক ৫৮। সোণবৰণীয়া ৫৯। দুপৰটেঙা ৬০। ধুন্দুলি পাত ৬১। ধতুৰা ৬২। ধনিয়া ৬৩। ঢেকীয়াশাক ৬৪। নৰসিংহ ৬৫। নহৰু পাত ৬৬। নেফাফু ৬৭। নুনি পাত ৬৮। নিলাজী বন ৬৯। পিৰালি পালেং ৭০। পিঁয়াজ পাত ৭১। পদিনা ৭২। পিৰালি কুঁৱৰী ৭৩। পটল পাত ৭৪। পালে ৭৫। পূৰৈশাক ৭৬। পনৌলোৱা ৭৭। পচতীয়া ৭৮। পিপলি ৭৯। ব্ৰাহ্মী শাক ৮০। বিলাহী পাত ৮১। বন্ধাকবি ৮২। বেতগাজ পাত ৮৩। বনজালুক ৮৪। বেঙেনা পাত ৮৫। বৰথেকেৰা পাত ৮৬। বিহলঙনি ৮৭। বকফুল ৮৮। বৰমানিমুনি ৮৯। বৰবৰীয়াল ৯০। বৃন্দাবন ৯১। বহমথুৰি ৯২। বিশল্যকৰণি ৯৩। ভেদাইলতা ৯৪। ভাঙৰ আগ ৯৫। ভৃংগৰাজ ৯৬। ভেকুৰি তিতা ৯৭। ভেটফুল ৯৮। মাটিকাঁদুৰি ৯৯। সৰু মানিমুনি ১০০। মহানিম ১০১। মচন্দৰী ১০২। মানধনিয়া ১০৩। মৰিচা ১০৪। মেথিশাক ১০৫। মেটেকা ১০৬। মৰাপাট ১০৭। মধুৰী আম পাত ১০৮। মধুসেলেং ১০৯। মূলাশাক ১১০। ৰঙালাউ আগ ১১১। লফাশাক ১১২। লাইজাবৰী ১১৩। লাইশাক ১১৪। শেৱালি ফুল ১১৫। সৰিয়হ শাক ১১৬। শুকলতি ১১৭। হাতীখুতৰা ১১৮। হেলচী শাক ইত্যাদি।

গৰু গা ধোৱা গীত ঃ

'দীঘলী দীঘল পাত
মাখি মাৰো জাত জাত
লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ গৰু।"

গৰু হৈছে অসমীয়া সমাজৰ এক উল্লেখযোগ্য বিশ্বাস ধৰ্মীয় পৱিত্ৰ জীৱ। সেই কাৰণে হ'বলা ব'হাগত অসমীয়াই প্ৰথমতে গৰু বিহুৰ দিন পালন কৰে। আমি গৰুক পৱিত্ৰ বুলি পূজা কৰো। অসমৰ বিভিন্ন ঠাইৰ লগতে নলবাৰী জিলাৰ বৰবৰী চ'কৰ ওচৰতে থকা পাগলাদিয়া নদীৰ বৰমুৰিকোনা ঘাটৰ গো-পূজা প্ৰতি বছৰে ৰাজহুৱা ভাৱে গো -পূজা পালন কৰি আহিছে আৰু বৰবৰী থানত বাসন্তি পূজা পালন কৰে। ব'হাগত অসমৰ প্ৰতিজন কৃষি প্ৰধান ৰাইজে গৰু বিহুৰ দিনা ৰাতিপুৱাতে উঠি যাৰ যিমান ঘৰত গৰু-ছাগলী আছে তাৰ বাবে ঘৰৰ প্ৰতিজন মুখিয়াল ব্যক্তিয়ে মাহ-হালধিৰে বোটা খুন্দি গৰু-ছাগলীৰ গাত সানি দিয়ে। তেওঁলোকৰ পোহনীয়া জন্তুক বনৰীয়া বাঘে বা জন্তু আদিয়ে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবেও গৰু-ছাগলীৰ গাত ক'লা দাগ সানি দিয়ে আৰু গৰু-ছাগলীৰ শিঙত তেল আদিও ঘঁহি দিয়ে। বিহুৰ আগদিনাতে যোগাৰ কৰি আনি থোৱা দীঘলতী ডাল-পাত, লাউ, বেঙেনা, হালধি আদিৰ কুলা-চালনিত খেতিয়কৰ ঘৈণীয়েকে বৰ চোতালতে গিৰিয়েকক ঘৰৰ পৰা উলিয়াই আনি দিয়ে। খেতিয়কজনে চোতালতে বৰপিৰাখনত বহি দা-কটাৰী এখন লৈ লাউ, বেঙেনা , হালধি আদিৰ বিধে বিধে টুকুৰা টুকুৰ কৰি গোল গোলকৈ কাটিব আৰু প্ৰতিটো গৰু-ছাগলীৰ নামত এঢানীকৈ মালা গাঠি যোগাৰ কৰিব। সেই যোগাৰখিনি লৈ মূলত ফুলাম গামোচা এখন বান্ধি খেতিয়কজন গৰু গোহালিৰ পৰা ঘৰৰ গৰু-ছাগলীখিনি গঞা ৰাইজৰ পুখুৰী, খাল, বিল, নদী বুলি যাৰ য'ত যি সুবিধাৰে উপলব্ধ হয় তাতে সকলো খেতিয়ক ৰাইজে একেলগে গা ধুৱাবলৈ উলিয়াই লৈ যায়। গাঁওখনৰ সকলো খেতিয়কে এটা



দুটাকৈ নিজৰ গৰু-ছাগলীখিনি গা ধুৱাবলৈ পানীত নমাই আনে আৰ গৰু গাধোৱা গীতো জুৰে ঃ 'দীঘলী দীঘল পাত ... মাখি মাৰো জাত জাত ... লাউ খা বেঙেনা খা ... বছৰে .. বছৰে বাঢ়ি যা ... মাৰ সৰু বাপেৰ সৰু ... তই হ'বি বৰ গৰু।' খেতিয়কজনে

নিজৰ গৰু-ছাগলীখিনি গা ধোৱা হোৱাৰ পিছত তেওঁ হাতত দীঘলতী ডাল-পাত আৰু লাউ-বেঙেনা, হালধিৰে গুঠি অনা মালা ডাল কুলা চালনিৰ পৰা উঠাই লৈ তাৰ লগত গৰু-ছাগলীখিনিক খেদি খেদি কোবাই আৰু কোবাই আশীৰ্বাদ কৰে। গৰু বিহুৰ দিনা খেতিয়কজন নিজৰ গৰু-ছাগলী গা ধুওৱাৰ পিছত পুৰণীয়া পঘাখিনি খুলি দি পেলাই দিনটোৰ বাবে মুকলিকৈ এৰি দিয়ে। আবেলি পৰত গোহালি ঘৰ আহি চোপা গৰু-ছাগলীখিনিৰ বাবে পঘাবোৰ গোপালৰ আগত নৈবেদ্য দি চাকী-বন্তি জ্বলাই গৰু-ছাগলীখিনিৰ নামত উৎসৰ্গা কৰি গোহালিত বান্ধি ধূপ-ধুনা জ্বলাই ন-বিচনিৰে বিচি জলপান খুওৱা হয় তাকে গৰু বিহু বুলি অসমীয়া সমাজত প্ৰতি বছৰে পালন কৰি আহিছে।

ব'হাগৰ দোমাহী দিনা বিহু বুলি অসমীয়াৰ প্ৰতিটো পাক ঘৰে ঘৰে এসাজ ভাল অন্ন প্ৰীতি ভোজন বুলি আমিষ আহাৰ ভোজীৰ নামত মাছ-মাসং যোগাৰ কৰে আৰু নিৰামিষ আহাৰভোজী সকলৰ বাবে দৈ গাখীৰ, মাখন আদিৰ ব্যৱস্থা কৰে। ব'হাগত অসমীয়া খেতিয়কৰ ঘৰত লাৰু পিঠাৰ সোৱাদ পোৱা যায়। অসমীয়াৰ বিহুত চাহ-জলপান হৈছে- পিঠা, আখৈ, লাৰু, সান্দহগুৰা, দৈ গাখীৰ, চিৰা, মিঠাই আদিৰ সোৱাদযুক্ত জলপান। ইয়াৰ পৰা আপুনি বুজাৰ দৰে' খাদ্য খালেহে বাদ্য বাজে': বুলি কোৱা কথাযাৰ অসমীয়াৰ ব'হাগ বিহুতে দেখিবলৈ পোৱা যায়।

মানুহ বিহুৰ পৰিচয় ঃ ৰঙালী বিহুৰ প্ৰথম ব'হাগ দিনটোক অসমৰ মানুহ বিহু হিচাপে পালন কৰা হয়। সেই দিনটোক সকলো অসমীয়া পৰিয়ালত প্ৰতিজন অসমীয়া বোৱালী, জীয়ৰী, পুত্ৰ-কন্যা আৰু যিকোনো ব্যক্তিয়ে নিজৰ পিতৃ-মাতৃক, শাহু-শহুৰৰ লগতে জ্যেষ্ঠজনক আঁঠুলৈ সেৱা সাক্ষাত কৰি আশীৰ্বাদ গ্ৰহণ কৰে। এই সম্পৰ্কত ফুলাম বিহুৱান, গামোচা, ধুতি, গেঞ্জি. চোলা, ব্লাউজ, মেখেলা, শাৰী, আৰনাই আদি বস্ত্ৰক অসমীয়া সমাজত দান কৰা প্ৰথা আজিকোপতিও প্ৰচলন আছে। অসমীয়াৰ নতুন বছৰটো জীৱনৰ নতুন আশাৰ ফলদা.ক দিন হিচাপে গণ্য কৰি নতুন বস্ত্ৰ পৰিধান কৰে। অসমৰ ঢুলীয়া-নাচনী সকলো ডেকা-ডেকেৰী, ল'ৰা-ছোৱালী. বুঢ়া মেথা, পুৰুষ-মহিলাই উলহ মালহেৰে ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ ওলাই আহে। ঢুলীয়াই ধুতি, চোলা, গামোচা আৰু কঁকালত টঙালি পৰিধান কৰি এফাকি বিহু গাই আৰু হুচৰী গায় আৰু নাচনী জনীয়ে মুগাৰ সাজ পৰিধান কৰি খোপাতে কপৌ ফুল গুজি লৈ গগনা এফাকি বিহুৰ যোজনা আৰম্ভ কৰি বিহুৰ নাম গায়। বিহুৱা আৰু নাচনীয়ে একলগ হৈ উখল মাখলৰে বৰ গছৰ তলত, মুকলি পথাৰতে ঢোল, পেঁপা, গগনাৰ হিয়া উতলা কৰা ঐক্যতানে হিয়াত জগাই তোলে বিপুল উলাহ দি বিহু নৃত্যৰ প্ৰদৰ্শন কৰে। মন মতলীয়া হয় গা সাতখন আঠখন কৰি উঠে, বিহু গীতৰ খলকনি উঠে আকাশে বতাহে, পৰ্বতে কন্দৰে। লুইতৰ বুকু উথলি উঠে বিহু গীতৰ সুৰে সুৰে, তালে তালে, ছন্দে ছন্দে, মন উৰো উৰো, প্ৰাণ উৰো উৰো কৰে গীতৰ মাদকতাই বসুন্ধৰাক কৰি তোলে শস্য শ্যামলা। অসমৰ গাঁৱৰ প্ৰতি ঘৰ পৰিয়ালতে বিহু হুঁচৰী গোৱা হয় আৰু হুঁচৰী গোৱা দলটোক গৃহস্থই তামোল-পাণ শৰাই গামোচা আগবঢ়াই আশীৰ্বাদ বিচাৰি আদৰে পৰিয়ালৰ মংগল সাধন কৰে যেন বুলি। বিহুৰ বতৰা সকলোৰে মুখে মুখে এফাকি বিহুৰ হুচৰি গাই জুৰে "হুঁচৰি এ দলৌ চৰাই ... আমি বিহু মাৰো ঘৰে ঘৰে গৈ" ইত্যাদি নৃত্য-গীত মাতৰে ৰঙালী বিহুৰ উৎসৱ পালন কৰে।

বিহু হুঁচৰি গীত ঃ

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

ব'হাগ বিহুৰ আন এটা বিশেষত্ব হুঁচৰি গোৱাটো। গৃহস্থৰ ঘৰে ঘৰে উত্তাল আনন্দত গৃহস্থৰ কুশলৰ অৰ্থে হৰিধ্বনি দি ঢোল, পেঁপা, গগনাৰ সুমধুৰ সমন্বয় তুলি নৃত্য গীতেৰে মুখৰিত কৰি গৃহস্থক পুলকিত কৰাৰ লগতে দহ ভকতক সতকাৰ কৰাটো যে অসমীয়া জাতিৰ স্বভাৱজাত ধৰ্ম তাকেই সোঁৱৰাই দিয়া হয়।

সেয়েহে বিহু গীতত গাইছে ঃ

"চ'ততে চকৰী ব'হাগত বগৰী
জেঠতে আমনা ধান,
গৰুৰ বিহুৰ দিনা ধন শৰাই আগবঢ়াবা
তেহে পাবা বৈকুণ্ঠত থান।"

গোঁসাই বিহুৰ পৰিচয় ঃ ৰঙালী বিহুৰ দ্বিতীয় ব'হাগ দিনটোক অসমত গোঁসাই বিহু হিচাপে পালন কৰা হয়। অসমীয়া পৰিয়ালত ঘৰে প্ৰতি গুৰ গোঁসাইৰ সেৱা কৰে গতিকে গোঁসাই বিহু বুলি সেই দিনা প্ৰতি ঘৰ পৰিয়ালে গোঁসাই মন্দিৰত পূজা অৰ্চনা পালন কৰি নামপ্ৰসংগ কৰে। যি ঘৰ পৰিয়ালে গৰখীয়া ল'ৰা-ছোৱালীৰ পৰা গ্ৰহৰ দুৰ্গতি খন্দন কৰিব বিচাৰে তথা সেৱাৰ আশীৰ্বাদ বিচাৰে সেই পৰিয়ালেও নিজ গাঁও-চুবুৰীৰ ল'ৰা-ছোৱালীক নিমন্ত্ৰণ কৰি গৰখীয়া সেৱাৰ পূজা পাঠ কৰে। সেই গৰখীয়া ল'ৰা-ছোৱালীৰ গৰখীয়া সেৱাৰ পূজাৰ অৰ্থ হৈছে ল'ৰা -ছোৱালীক সন্তুষ্টি কৰি এসাঁজ অন্ন মাছ-মাংসৰে উদৰ পূৰাই খুৱাই বুৱাই তাৰ পাছতে প্ৰত্যেককে বস্ত্ৰ, ধন, সোণ দান দি পথৰ ধূলিক লৈ আশীৰ্বাদ গ্ৰহণ কৰে। ব'হাগৰ বতৰতে অসমৰ ঠাই বিশেষে হিন্দু ধমাৱলম্বী লোকসকলে গো-পূজা, বাসন্তী পূজা, ভোঠেলীৰ পূজা আদি উৎসৱ পালন কৰা দেখিবলৈ পোৱা যায়।

ব'হাগ বিহুটো হ'ল কৃষকসকলৰ বিহু প্ৰতি বছপে পালন কৰি অহা অসমৰ অতি আদৰৰ এটা উৎসৱ। এই উৎসৱৰ আনন্দক উপভোগ কৰিবলৈ অসমীয়া সমাজৰ লোকসকলে সাত দিনীয়াকৈ বিশেষ বিশেষ নাম দি ৰঙালী বিহু হিচাপে উদযাপন কৰে। ব'হাগত প্ৰতিখন গাঁৱৰ সকলো শ্ৰেণীৰ সমনীয়া আৰু সম বয়সীয়া দলৰ লোকে বিহু মাৰি পোৱা নগদ ধনৰ টোপোলাৰে

এসাঁজ ভালকৈ লগভাত মিলাপ্ৰীতিৰে খায়। তেওঁলোকৰ খৰচৰ বাকী হাতত থকা ৰাহী হোৱা টকাখিনিক জমাতে ৰাখি থ'ব বিচাৰে নাইবা সমান অংশত তেওঁলোকৰ মাজত ভাগ বিতৰণ কৰিব বিচাৰে নাইবা কেতিয়াবা তেওঁলোকে আলোচনা কৰি গাঁওখনৰ কল্যাণমূলক কামৰ বাবে খৰচ কৰিব বিচাৰে।

এসময়ত ডঃ ভূপেন হাজৰিকাই অসমৰ বিভিন্ন বিহুতলীত বা বিহু মঞ্চত বিহুগীতৰ শৰাই আগবঢ়াইছিল।

গীত ঃ নব নব ব'হাগ আহে
সৰু ফুলে মিচিকি হাঁহে
মনে তোমাক ধিয়াই।

এই গীতটি ১৯৬৭ চনৰ 'ভাগ্য' কথাছবিৰ গীত আছিল। নতুন ব'হাগৰ মিচিকি হাঁহিয়ে উদ্বাউল কৰা মনৰ মাজত নতুন সুৰৰ গুঞ্জন, মিলন বাসনাকামী ৰূপ পিয়াসী মনত প্ৰিয়াৰ আৱাহন।

তেখেতৰ গীতে ব'হাগত অসমীয়াৰ প্ৰাণক জী উঠা যেন পাওঁ।

'ব'হাগ মাথোঁ এটি ঋতু নহয়
ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণজীৱনৰ ই সাহ।
ব'হাগ মাথোঁ বিহুতলী নহয়.
নহয় ই নিশা ফুলা ফুল
ব'হাগেই আনি দিয়ে সমদল গতি
নেওচি জাতিকুল
ই প্ৰভেদক কৰেহি নাশ।।

অসমৰ বাপতি সাহোন বিহুটিক আদৰি অনা এই মাহটোক লৈ অসমত হয়তো ইয়াতকৈ উজ্জ্বল প্ৰকাশ কেতিয়াও হোৱা নাছিল। ব'হাগে অসমৰ আকাশ-বতাহলৈ আনি দিয়া পৰিৱৰ্তন, ব'হাগে আনি দিয়া উৎসৱৰ ৰঙীণ উৎস আৰু নৱসৃষ্টিৰ পাতনি অসমৰ জাতীয়ত্ব দাপোণ। ব'হাগতে আমাৰ সকলো ব্যক্তিৰে দেহ, মন শৰীৰ আৰু মানসিক ভাৱে শান্তিৰ প্ৰগতি প্ৰস্তুত হৈ থাকে। মানৱ দেহৰ তেনে ধৰণৰ চেহেৰা আৰু পৰিস্থিতিৰ অৱস্থাকে সু স্বাস্থ্যৰ অধিকাৰী বুলি গণ্য কৰা হয়।

দ্বিতীয়তে আৰু এটা বিহুৰ নাম হৈছে- কাতি বিহু ঃ

আহিন মাহৰ সংক্ৰান্তিত কাতি বিহু পালন কৰা হয়। পৃথিৱীয়ে সেউজীয়া শস্যৰ বুকু উপচাই অসমীয়া জাতিৰ অন্তৰত আশাৰ হেঙুলীয়া ৰেঙণি বিৰিঙাই তোলে এই সময়ছোৱাত। অসমীয়া জাতিয়ে তুলসী তলৰ বন্তিৰ জেউতিৰে পথাৰৰ বাট দেখুৱাই দিয়ে। আকাশ বন্তি জ্বৰাই লখিমীৰ আগমনৰ পূৰ্বভাস জগতক জনাই দিয়ে। এয়াই কাতি বিহুৰ বিশেষত্ব। আমি কাতি বিহুক আন এটা নামেৰে 'কঙালী বিহু' বুলি জানো।

তৃতীয়তে অসমৰ আন এটা বিহুৰ নাম হৈছে - মাঘ বিহু

প্ৰকৃতিৰ মহান অৱদানক স্বীকৃতি জনাই অনন্তজনলৈ কৃতজ্ঞতাৰে শৰাই আগবঢ়াই গুৰু ভকতকলৈ -ধানৰ এমুঠি জা-



জলপানৰ দিহা কৰি অসমীয়া জাতিয়ে পুহৰ সংক্ৰান্তিৰ দিনা ভোগালী বিহু উ দযাপন কৰে। ৰাতিপুৱাতে উঠি ঘৰৰ বোৱাৰী-জীয়াৰীহঁতে ঢেঁকীত চাউলৰ গুৰা খুন্দিলৈ বিধি বিধে জা-জলপানৰ ব্যৱস্থা কৰে। এতিয়া ঢেঁকীৰ প্ৰচলন কমি গৈছে। মাঘৰ বিহুত আমাৰ আই মাতৃসকলে নানা ধৰণৰ পিঠা পোৱে, যেনেঃ তিল পিঠা, খান্দ গুৰা, আখৈ, লাৰু, লাউ পিঠা ইত্যাদি। আমি মাঘ বিহুক আকৌ ভোগালী বিহু বুলি জনা হয়। মাঘ বিহুৰ উৰুকাৰ পিছদিনা মেঝি জ্বলাই অগ্নি দেৱতাক অসমৰ ৰাইজে পূজা কৰে। অসমৰ ঠাইয়ে ঠাইয়ে মাঘৰ সভা উৎসৱ পালন কৰে আৰু অঞ্চল ভিত্তিত বিভিন্ন খেলৰ প্ৰতিযোগিতা পাতে। উদাহৰণস্বৰূপে কণীৰ যুঁজ, কুকুৰা যুঁজ, বুলবুলি চৰাই যুঁজ, ম'হৰ যুঁজ আদি খেল খেলে।

সমাজ এখন যি ধৰণৰ নীতি-ৰীতিৰ মাধ্যমেৰে প্ৰচলিত ধৰণে প্ৰতিষ্ঠা কৰা হয় তাৰ সেই সমাজে নিজৰ সংস্কৃতি হিচাপে গ্ৰহণ কৰে। অসমীয়াত বিহু তিনিটা। অসমৰ সকলো জাতি-জনগোষ্ঠীয়ে নিজৰ নিজৰ সংস্কৃতিৰ নীতি-নিয়মৰ মাজেৰে অসমীয়াত বিহুবোৰ



পাল কৰে। অসমৰ সকলো ভাষা জনগোষ্ঠীৰ নিজৰ নিজৰ মাতৃভাষা আছে যেনেঃ অসমীয়া, বড়ো, ৰাভা, গাৰো, নেপালী, কাৰ্বি, চাউতাল, মিছ্মি, মিছিং ইত্যাদি। তেওঁলোক অসমৰ ভূমিপুত্ৰ বুলি জনজাতীয় লোকসকলক জনা যায়। সংস্কৃতি হ'ল এটা জাতিৰ দাপোণ স্বৰূপ। আমি দাপোণ এখনত দেখি নিজকে যেনেকৈ বুজি পাওঁ ঠিক তেনেদৰে সংস্কৃতিৰ দিশক অধ্যয়ন কৰি এটা জাতিৰ সাম্যক ধাৰণাক আমি বুজি পোৱাত সক্ষমতা অৰ্জন কৰিব পাৰিম।

প্ৰতিখন সমাজতে সমাজ সংগঠক থাকে। সমাজ সংগঠক হ'ল এজন ব্যক্তি যিজনে সমাজৰ মুখিয়াল ব্যক্তি হিচাপে কাম কৰে। তেওঁলোকে সমাজত গাঁও উন্নয়ন, মনিদৰ, মছজিদ উন্নয়ন, শিক্ষা, স্বাস্থ্য উন্নয়ন সভা-সমিতি আদি সংঘৰ সম্পৰ্কত জড়িত হৈ থাকে।

সমাজ সংগঠকে এক বিশেষ নীতি নিয়মক বান্ধি লৈ এক সামাজিক বান্ধোনত থাকি সমাজক পৰিচালনা কৰে। জাতি, ধৰ্ম আৰু ভাষা নিৰ্বিশেষে আমাৰ অসমত বিভিন্ন সামাজিক প্ৰথা আছে। ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত ঘাইকৈ দুই প্ৰথাৰ পৰিচালিত সমাজ থাকে। ক) পিতৃ প্ৰধান সমাজ আৰু খ) মাতৃ প্ৰধান সমাজ। অসমত ঘাইকৈ পিতৃ প্ৰধান সমাজৰ প্ৰভাৱ বেছি। পিতৃ প্ৰধান সমাজ হ'ল ঃ ল'ৰাজনে ছোৱালীক বিবাহ কৰি আনে আৰু ল'ৰাজনেই পিতৃ-মাতৃৰ সা-সম্পত্তিৰ উত্তৰাধিকাৰী হয়। কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ পৰ্বতীয়া অঞ্চলত দেখিবলৈ পোৱা মাতৃ প্ৰধান সমাজ হ'ল ঃ ল'ৰাজনক ছোৱালীয়ে বিবাহ কৰি লৈ যায় আৰু ছোৱালীয়ে পিতৃ-মাতৃৰ সা-সম্পত্তিৰ উত্তৰাধিকাৰী হয়। ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত তেনেকুৱা বাবে বাৰে বৰ্ণীয়া সংস্কৃতি দেখি বিভিন্ন পৰ্যটকসকলৰ মন জয় কৰি দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

ভাৰতীয় সাংবিধানিক আইন মতে ল'ৰা হ'লে একৈশ বছৰৰ ওপৰত আৰু ছোৱালী হ'লে ওঠৰ বছৰৰ ওপৰত বিবাহ কৰোৱাৰ উপযুক্ত সময় হয়। উক্ত বয়সতে ল'ৰা-ছোৱালী যোৱাক সামাজিকভাৱে বিবাহ দিলে সিহঁতৰ উপযুক্ত সময়ত বিবাহ কৰোৱালে সামাজিক মানদণ্ড অটুট থাকে বুলি ভাবে। আমাৰ সমাজত ল'ৰা আৰু ছোৱালীৰ বিবাহ কৰাটো বাধ্যতামূলক হ'ব লাগে। আমি সমাজ প্ৰিয় প্ৰাণী হিচাপে জাতি বংশ ৰক্ষা কৰাৰ দায়িত্ব আমাৰ সকলো পিতৃ-মাতৃৰ নীতি-নিয়মক পালন কৰা উফচিত। কিন্তু ল'ৰাৰ একৈশ বছৰৰ তলত আৰু ছোৱালীৰ ওঠৰ বছৰৰ তলত বিবাহ হ'লে তাক বাল্য বিবাহ বুলি ভাৰতীয় সাংবিধানক আইন মতে দণ্ডনীয় কৰা হ'ব। আমি বিবাহৰ ধৰণ বিভিন্ন দেখিবলৈ পাওঁ, যেনেঃ প্ৰজাপতি বিবাহ, দৈৱ্য বিবাহ, অনুলম বিবাহ, প্ৰভিলম বিবাহ, ৰাক্ষস বিবাহ ইত্যাদি। আগৰ দিনত জনজাতীয় বড়ো সমাজত প্ৰজাপতি বিবাহ, দৈৱ্য বিবাহ আৰু ৰাক্ষস বিবাহৰ প্ৰচলন আছিল। তাতকৈ অধিক ৰাক্ষস বিবাহ হৈছিল কাৰণ বড়ো ডেকাই নিজৰ লগা যিকোনো ছোৱালীক জোৰ জবদস্তি টানি উঠাই আনি নাইবা চুৰ কৰি হ'লেও ছোৱালীৰ অমান্তিৰ পৰিৱৰ্তে বিবাহত বহুৱাই লৈছিল। এতিয়াৰ বড়ো সমাজত এই বিবাহৰ সংখ্যা কমিছে। আমি দেখা পোৱাত বৰ্তমান মিশ্ৰিত সমাজত ভাল পোৱা বিবাহৰ সংখ্যা বাঢ়িছে। এই বিবাহৰ কাৰণ আৰু প্ৰভাৱ বিশ্লেষণ কৰিবলৈ গ'লে আমি দেখিম বৰ্তমানৰ শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰচলন অধিক উন্নয়ন।

'সমাজ এখন আপোনাৰ পৰিয়ালৰ সন্তানটি বুলি ভাবি-গুনি প্ৰতিপালন কৰিব লাগে।' কথা ঃ শ্ৰীদেৱকুমাৰ বৰা

# বৰ্তমান সময়ৰ কৃষি আৰু কৃষক



মঃ ইব্ৰাহিম আলী

**আ**মি সকলোৱে জানো যে ভাৰত এখন কৃষিপ্ৰধান দেশ। দেশখনৰ প্ৰায়ভাগ ৰাজ্য কৃষিৰ লগত অতি ওতঃপ্ৰোতভাৱে জড়িত।

বৰ্তমান ভাৰতীয় কৃষকৰ বাবে এক সংকটময় সময়। ভাৰত এখন স্বাধীন দেশ। কিন্তু আধুনিকতাৰ নামত ভাৰতীয় কৃষকক পৰাধীন কৰা হ'ল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱে বিশ্ববাসীক যিমান উপকাৰ কৰিছে তাতোকৈ বেছি কৰিলে অপকৃত।

বিশ্বায়নৰ অভূতপূৰ্ব নেতিবাচক দিশে আগুৰি ধৰিলে ভাৰতৰ ক্ষুদ্ৰ কৃষক ৰাইজক। যাৰ বাবে সময়ে সময়ে কৃষকে সমস্যাৰে জৰ্জৰিত জীৱনৰ পৰা মুক্তি পাবলৈ লৈছে আত্মহত্যাৰ দৰে চৰম পথ।

আধুনিকতাৰ ধামখুমীয়াত আমিবোৰ খেতিত ব্যৱহাৰ কৰিছো ৰাসায়নিক সাৰ, হেৰুৱাই পেলাইছো পাৰম্পৰিক শস্যৰ বীজ। কম সময়ত অধিক শস্য উৎপাদনৰ লাভত হেৰুৱাই দিলো প্ৰাকৃতিক মাটিৰ উৰ্বৰতা। ফলত ৰাসায়নিক সাৰ ব্যৱহৃত ভেজাল খাদ্যই (খাদ্য নহয় বৰবিহ) আমাক বেমাৰৰ গ্ৰাসত পেলাইছে।

ভাৰতীয় কৃষি ব্যৱস্থা কেতিয়াও অকলশৰীয়া নহয়। ইয়াৰ লগত সদায় পশুপালন আৰু বন সংৰক্ষণ জড়িত। কিয়নো বনে ধৰি ৰাখিব মাটিৰ উৰ্বৰতা আৰু পশুৰ দ্বাৰা পোৱা গোমূত্ৰই দিব খেতিপথাৰক নৰূপ। কৃষি কাৰ্যত জড়িত লোকৰ সংখ্যা লাহে লাহে কমি আহিবলৈ ধৰিছে। ইয়াৰ মূল কাৰণ হ'ল কৃষিকাৰ্যত ব্যৱহৃত সামগ্ৰীৰ মূল্য হ'ল বৃদ্ধি, কিন্তু উৎপাদনৰ মূল্য হ্ৰাস হ'ল। ফলত ক্ষুদ্ৰ কৃষকসকলে এমুঠি অন্নৰ তাড়নাত অন্য বৃত্তি ল'বলৈ বাধ্য হৈ পৰিল। কৃষিক্ষেত্ৰত আমিবোৰৰ অনীহাৰ একমাত্ৰ কাৰণ আমাৰ চৰকাৰ ব্যৱস্থা। চৰকাৰে কৃষক ৰাইজক আঁভুৱাভাৰি থাকে। চৰকাৰৰ নেতাই সভাত শ্লোগান দিয়ে কৃষক দেশৰ ধৰণী। কিন্তু কৃষকৰ সমস্যাক আৱৰ্জনা ৰূপে গণ্য কৰে। তাৰ বাবেইতো কৃষিৰ নামত অহা টকা দুৰ্নীতিবিদবোৰে ভক্ষণ কৰে।

কৃষি ক্ষেত্ৰক নতুনত্বৰ ভাল মুখ দেখুৱাবৰ বাবে আমি সাধাৰণ ৰাইজ সজাগ হ'বৰ হ'ল। এই ক্ষেত্ৰত এন জি অ'বোৰে সহায়ৰ হাত আগবঢ়াই আছে। কৃষকক আমি প্ৰশিক্ষণপ্ৰাপ্ত কৰি তুলিব লাগে। কৃষক ৰাইজক উদ্‌গনি দিবৰ বাবে সময়ে সময়ে গাঁৱে-ভূঞে সজাগ কৃষি সভাৰ ব্যৱস্থা হ'ব লাগে।

কেঁচুসাৰ, গোবৰ সাৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কৃষকক পৰামৰ্শদান অনিবাৰ্য। খেতি কৰাৰ প্ৰতি অনীহা নাইকিয়া কৰিব লাগিব।

পৰম্পৰাগত পদ্ধতিত কৃষিকাৰ্য হ'বলৈ হ'লে তাৰ বাবে দৰকাৰী উৎপাদন সামগ্ৰী কৃষকক যোগাৰ দিয়াতো অতি জৰুৰী। মই গ্ৰামীণ বিকাশ মঞ্চৰ উদ্যোগত কৰ্মৰত স্বেচ্ছাসেৱী কৰ্মী হিচাপে বহুকেইটা কৃষিৰ লগত জড়িত প্ৰশিক্ষণ কৰি বহু উপকৃত হৈছো।

প্ৰশিক্ষণ পোৱা অনুসৰি মই জানিব পাৰিছো যে 'খেতিত হোৱা নানা ধৰণৰ বেমাৰবোৰ আমি নুই কৰিবৰ কাৰণে কেতবোৰ পদক্ষেপ ল'ব লাগে। যদি আমি মাঘ মাহৰ পৰা মাটিডৰা হাল বাবলৈ ধৰো আৰু খৰালী মাহতো মাজে সময়ে হাল বাওঁতেন্তে পথাৰত থকা বীজাণুবোৰ ধ্বংসত পৰিণত হ'ব। কৃষিত জৈৱিক সাৰ আৰু ঔষধ ব্যৱহাৰ কৰি প্ৰাকৃতিক মাটিৰ উৰ্বৰতাক ৰক্ষা কৰিব লাগিব ঘৰতে পোৱা পেলনীয়া সামগ্ৰীক কেঁচুসাৰত পৰিণত কৰি তাক কৃষিত খটুৱাব লাগিব।

নিজৰ দেশ মাতৃক বচাবলৈ আমি কৃষি পথাৰৰ সমস্যাক সমাধানৰ বাবে আন্দোলন কৰি চৰকাৰৰ পৰা প্ৰাপ্যখিনি পাবই লাগিব।

আমাৰ কৃষিক জীয়াই ৰাখিব তেতিয়াহে পাৰিম যেতিয়া ক্ষুদ্ৰসংখ্যক কৃষকৰ পৰা বৃহৎ সংখ্যক কৃষক হ'ব পাৰিম। তাৰ বাবে আমি কেৱল কেইজনমান কৃষকক নিৰ্ভৰ কৰি চলিলে নহ'ব। আমি সকলোৱে নিজৰ লগতে আনৰ বাবেও খেতি কৰিব লাগিব।



# সমাজ সেৱা, চৰকাৰৰ নতুন নীতি আৰু স্বেচ্ছাসেৱী সংস্থাসমূহৰ ভৱিষ্যত

প্ৰাঞ্জল চক্ৰৱৰ্ত্তী

ভাৰতবৰ্ষ এখন বিশাল দেশ। স্বাধীনতাৰ আগৰে পৰা ভাৰত, পাকিস্তান আৰু পূৱ পাকিস্তান (এতিয়াৰ বাংলা দেশ) এই তিনিওখন দেশক লগ লগাই গঠিত হোৱা পূৰ্বৰ ভাৰতত সমাজ সেৱাৰ নিদৰ্শন বুৰঞ্জী পঢ়িলে গম পোৱা যায়। দুখীয়া মানুহক সহায়ৰ হাত আগবঢ়োৱা, বিশেষভাৱে সক্ষম ব্যক্তিসকলক আৰু অসহায় ব্যক্তি সকলক সেৱা আৰু শুশ্ৰূষা কৰা পূৰ্বৰে পৰা এটি পৰাম্পৰাগত ব্যৱস্থা। যদিও ভাৰতত সংগঠিত ৰূপত সমাজ সেৱাৰা ধাৰণা নতুন বুলি কোৱা হয় বা সমাজ সংস্কাৰৰ বাবে স্বেচ্ছাসেৱী সংস্থাৰ ভূমিকা নতুন বুলি কোৱা হয়, কিন্তু আমি যদি অসমৰ ইতিহাস অধ্যয়ন কৰো দেখিবলৈ পাওঁ যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱীয় ধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে এক সংগঠিত ৰূপত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এখন সুস্থ, সম্প্ৰীতিশীল আৰু শান্তিৰ অসম গঢ়িবলৈ চেষ্টা কৰিছিল। ইয়াৰ উপৰিও বৃটিছ শাসনৰ আগতে অসমৰ লগতে ভাৰতৰ সকলো ঠাইৰ গাঁওসমূহত থকা গাওঁ কমিটী, মন্দিৰ বা মছজিদ কমিটীসমূহে ধৰ্মীয় কামৰ লগতে সামাজিক কাম কাজত জড়িত আছিল বা সমাজৰ দুখীয়া মানুহৰ হকে কাম কৰিছিল আৰু গাওঁৰ সকলো দিশৰ স্বচ্ছলতাৰ ওপৰত কাম কৰিছিল যাৰ পৰাম্পৰাগত নিদৰ্শন হয়তো আমি এতিয়াও কিছুমান গাঁৱত দেখিবলৈ পাওঁ। পিছৰ পৰ্য্যায়ত বৃটিছৰ শাসনৰ সময়ত ভাৰতৰ গাওঁ সমূহত থকা গোটেই সামাজিক ব্যৱস্থাতো ভাঙি-চিঙি চুৰমাৰ হয় আৰু গাওঁসমূহৰ পূৰ্বৰ সামাজিক ব্যৱস্থাটো পুনৰুদ্ধাৰৰ ক্ষেত্ৰত সেই সময়ত ৰাজা ৰামমোহন ৰায় (ব্ৰহ্ম সমাজ), পণ্ডিত ৰামাভায় (আৰ্য্য সমাজ), স্বামী বিবেকানন্দ (ৰামকৃষ্ণ মিছন), মহামানৱ মহাত্মা গান্ধীৰ

অৱদান সৰ্বজনবিদিত।

স্বাধীনতাৰ পিছৰ কালছোৱাত এইসকল মহান ব্যক্তিৰ আদৰ্শ আগত ৰাখি গোটেই ভাৰতবৰ্ষতে বিভিন্ন ধৰণৰ আৰু বিভিন্ন নামেৰে সংগঠিত ৰূপত স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম হৈছিল। সমাজৰ দুখীয়া, শোষিত, বঞ্চিত, নিপিড়িত মানুহৰ হকে কাম কৰাৰ দুৰ্বাৰ বাসনাই সেই সকল ব্যক্তিক সকলো ধৰণৰ মায়া মমতাৰ পৰা দূৰত ৰাখিছিল। নিজৰ পৰিয়ালৰ মায়া মমতা ত্যাগ কৰি সেই সকল ব্যক্তিয়ে ভাৰতৰ বিভিন্ন স্থানত স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম দিছিল আৰু সমাজৰ বিভিন্ন বিষয়ৰ ওপৰত আৰু সমাজৰ দুখীয়া, শোষিত, অৱহেলিত মানুহৰ হকে কাম কৰিছিল। পিছৰ পৰ্য্যায়ত এই সকল ব্যক্তি বা অনুষ্ঠানৰ সৎ প্ৰচেষ্টাক আৰু আগবঢ়াই নিয়াৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিছিল বিভিন্ন ব্যক্তি বা অনুদানকাৰী সংস্থা। এই ব্যক্তি বা অনুদানকাৰী সংস্থা সমূহৰ ভিতৰত কিছুমান দেশৰ ভিতৰৰ আৰু কিছুমান বিদেশৰো আছিল। এনেকুৱা অনুদানকাৰী সংস্থা বা ব্যক্তিৰ সহায়ে এই সমূহ সংস্থাৰ কাম-কাজ বহু ক্ষিপ্ৰ গতিত আগবাঢ়িছিল। কিন্তু সেই সময়তে কিছুমান অসাধু দুষ্ট মনৰ মানুহে সমস্ত ব্যৱস্থাটোক এটা সোণালী সুযোগ হিচাপে লৈ সামাজিক উদ্দেশ্যৰ বাবে অহা বা সামাজিক উদ্দেশ্যৰ বাবে সংগৃহিত ধন ব্যক্তিগত স্বাৰ্থ লগতে ইয়াৰ অপপ্ৰয়োগ কৰাৰ উপৰিও ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিছিল। পিছৰ পৰ্য্যায়ত এই গোটেই প্ৰক্ৰিয়াটোৱে যেতিয়া ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি, ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি আৰু ভাৰতীয় জাতীয় বিষয়ৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছিল তেতিয়াই আৰম্ভ হৈছিল এক নতুন অধ্যায়ৰ। বলবৎ হৈছিল স্বেচ্ছাসেৱী সংস্থা সমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে ভাৰত চৰকাৰৰ বিভিন্ন বিধি।




এইখিনিতে উল্লেখ কৰিব লাগিব যে যদিও ভাৰতত অতীতৰে পৰাই সমাজ সেৱাৰ নিদৰ্শন চকুত লগা বা গোটেই বিশ্বৰ ভিতৰত লেখত লবলগীয়া কিন্তু ইয়াক ভাৰতবৰ্ষত পেছাগত ভাবে লোৱাৰ বেছি বছৰ হোৱা নাই। অসমৰ ক্ষেত্ৰত হয়তো ইয়াক আঙুলিৰ মূৰত গণিব পৰা যাব। পূৰ্বতে উল্লেখ কৰা ধৰণে সেই সকল সমাজসেৱী ব্যক্তিয়ে সমাজ সেৱাক কোনো কাৰণতে পেছাগত হিচাপে নলৈ তেওঁলোকৰ আত্মাৰ আহ্বান হিচাপে লৈছিল। ইয়াৰ ফলত চৰকাৰে বলবৎ কৰা বিভিন্ন বিধিৰ সন্ধি ক্ষণত এই সমূহ সংস্থাই নানা ধৰণৰ আহুকালৰ সন্মুখীন হৈছিল আৰু এটা সময়ত অনুষ্ঠানৰ অস্তিত্ব ৰক্ষাৰ সংকটতত ভুগিছিল। বিভিন্ন সময়ত সেইসকল সমাজসেৱকে চৰকাৰৰ বিধিৰ বিষয় সমূহ গুৰুত্ব নিদি বা আপোছদাৰী নিঃস্বাৰ্থ মনো ভাৱেৰে একমাত্ৰ সমাজ সেৱাৰ কামত ব্ৰতী হৈ এটা সময়ত চৰকাৰৰ নানা ধৰণৰ বিধিৰ মেৰপাচত বন্দী হৈ আদালতৰ দ্বাৰস্থ হোৱাও দেখা গৈছিল।



অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানৰ জয়যাত্ৰাক সোণালী সুযোগ হিচাপে লোৱা অসাধু, দুষ্ট, স্বাৰ্থবান আৰু ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ব্যক্তিৰ কাৰ্য্যৰ বাবে ভাৰতত ১৯৭৬ চনত বলবৎ হৈছিল "বৈদেশিক বৰঙণি বিধি" আৰু ইয়ে এচাম নিস্বাৰ্থ, সমাজ হিতৈষীৰ কামত বাধা জন্মাইছিল। চৰকাৰৰ নানান বিধিৰ মেৰপাচত তেওঁলোক বন্দী হৈ পৰিছিল। এচাম অসাধু লোকৰ বাবে সৎ উদ্দেশ্যৰে গঠিত হোৱা মহান

অনুষ্ঠান একোটি ধ্বংসৰ গৰাহলৈ আগবাঢ়িছিল। তেওঁলোকৰ ভুল মাত্ৰ এটাই ..... তেওঁলোকৰ অপেছাদাৰী আৰু নিঃস্বাৰ্থ সামাজিক কাম কৰাৰ স্পৃহা।

১৯৭৬ ইং চনৰ পৰা ২০১৬ ইং চনলৈ এই দীঘলীয়া যাত্ৰাত "উক্ত বৈদেশিক বৰঙণি নিয়ন্ত্ৰণ বিধি"খন কঠোৰৰ পৰা কঠোৰতম পৰ্য্যায়লৈ গৈছে আৰু এনে অসৎ উদ্দেশ্যৰে আৰু ৰাজনৈতিক উদ্দেশ্যৰে গঠিত হৈ ভাৰতৰ সাৰ্বভৌমত্বত আঘাত হনা অনুষ্ঠানক নাকি লগাবলৈ চেষ্টা কৰিছে। ২০১০ চনত পূৰ্বৰ বিধি বাতিল কৰি নতুনকৈ "বৈদেশিক বৰঙণি নিয়ন্ত্ৰন বিধি ২০১০" কৰা হৈছে। কিন্তু অতি পৰিতাপৰ কথা এইয়ে যে ভাৰত চৰকাৰৰ এনে বিধিৰ মেৰপাচত বন্দী হৈ বহুতো সৎ উদ্দেশ্যৰে গঠিত অনুষ্ঠানৰ দুৱাৰত চিৰদিনৰ বাবে তলা লগিছে। ২০১৫ চনৰ ৬ এপ্ৰিল তাৰিখে গৃহ মন্ত্ৰালয়ে এক নিৰ্দেশ যোগে একেলগে ৮৯৭৫ টা অনুষ্ঠানৰ



পঞ্জীয়ণ বাতিল কৰিছে। ইয়াৰ আগতে আকৌ আন এক নিৰ্দেশ যোগে ৪১৩৮ টা অনুষ্ঠানৰ পঞ্জীয়ণ বাতিল কৰা হৈছিল। তাৎপৰ্য্যপূৰ্ণভাৱে উক্ত বাতিলকৃত অনুষ্ঠানৰ তালিকাত অসমৰে ১৩২ টা স্বেচ্ছাসেৱী অনুষ্ঠানৰ নাম আছিল। অলপতে যোৱা নৱেম্বৰ মাহত গৃহ মন্ত্ৰালয়ে একেলগে প্ৰায় ১১,৩১৯ টা অনুষ্ঠানৰ পঞ্জীয়ণ নবীকৰণৰ খেলিমেলিৰ বাবে পঞ্জীয়ণ বাতিল কৰি সকলোৰে চকু কপালত উঠাইছিল। কিন্তু অতি আচৰ্য্যজনক ভাৱে উক্ত অনুষ্ঠান সমূহক পুণৰ চাৰি মাহৰ সময় দি কিছু সকাহ দিছে।

ইয়াৰ লগে লগে ভুতৰ ওপৰত দানহ পৰাৰ দৰে ভাৰত চৰকাৰৰ "আয়কৰ আইন -১৯৬১"ৰ বিভিন্ন ধাৰা বা দফাৰ অধীনত বিভিন্ন অনুষ্ঠানে লতিঘটি হ'ব লগা হৈছে। বৃহৎ পৰিমাণৰ টকা আয়কৰ বা জৰিমনা হিচাপে চৰকাৰক পৰিশোধ কৰিব লগা হৈছে, আদালতৰ দ্বাৰস্থ হ'ব লগা হৈছে আৰু কেতিয়াবা ৰঙা ঘৰৰ ভাতো খাব লগা হৈছে। ওপৰোক্ত আইন সমূহৰ লগতে "কৰ্মচাৰীৰ ভৱিষ্যৎ নিধি আইন-১৯৫২" চনৰ পৰা স্বেচ্ছাসেৱী অনুষ্ঠান সমূহক ৰেহাই উঠাই দিয়াৰ পিছৰে পৰা অপেছাদাৰী স্বেচ্ছাসেৱী সংস্থা সমূহে নানা আহুকালৰ সন্মুখীন হ'ব লগীয়া হৈছে। যাৰবাবে এনেকুৱা স্বেচ্ছাসেৱী সংস্থাই কৰ্মচাৰীৰ মাহিলী বেতন সুনিশ্চিত কৰাৰ লগতে অতিৰিক্ত ১২ শতাংশ ধন পৰিশোধ কৰাৰ দায়িত্ব লব লগা হৈছে। অলপতে ভাৰত চৰকাৰে "লোকপাল আৰু লোকায়ুক্ত আইন - ২০১৩"ৰ অধীনত একাংশ অনুষ্ঠানৰ মূল বিষয়ববীয়া আৰু কৰ্মচাৰীৰৰ সম্পত্তিৰ তথ্য ৰাজহুৱা কৰাক লৈ জাননী জাৰি কৰিছে আৰু যাৰ বাবে হয়তো একাংশ সৎ অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানে পুণৰ এক নতুন সংকটৰ সন্মুখীন হ'ব। আচৰ্য্যজনক ভাৱে ওপৰোক্ত সকলো প্ৰক্ৰিয়াত পৰ্য্যাপ্ত আন্তঃগাঠনিৰ ব্যৱস্থা নকৰাকৈ অনলাইন বা ইণ্টাৰনেট ব্যৱস্থাৰ সংযোগ ঘটোৱাত একাংশ অপেছাদাৰী স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিপদ অনিবাৰ্য হৈছে।

গতিকে ওপৰত উল্লেখিত প্ৰতিটো বিষয় বিশ্লেষণ কৰিলে দেখা যায় যে পেছাগতভাৱে এই খণ্ডটোত জড়িত নহলে বা পেছাগতভাৱে স্বেচ্ছাসেৱী অনুষ্ঠানৰ কাম-কাজ নচলালে তেনেকুৱা স্বেচ্ছাসেৱী অনুষ্ঠান ভৱিষ্যতে আগবঢ়াই নিয়াত বহুতো আহুকালে দেখা দিয়াৰ সম্ভাৱনীয়তাই দেখা দিছে। সমাজৰ দুখীয়া, শোষিত, অৱহেলিত মানুহৰ হকে কাম কৰাৰ দুৰ্বাৰ হেপাঁহ থাকিও একমাত্ৰ অপেছাদাৰীত্ব ভাৱে সমাজ সেৱাৰ এই ক্ষেত্ৰখনত জড়িত হোৱা বহু স্বেচ্ছাসেৱী অনুষ্ঠানৰ আজি অস্তিত্ব নোহোৱা হৈছে। এটা সময় আছিল যিটো সময়ত মানুহে অন্তৰাত্মাৰ আহ্বানত অপেছাদাৰীভাৱে সামাজিক কামত জড়িত হৈছিল বা স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম দিছিল। কিন্তু এতিয়া সময় সলনি হ'ল। এতিয়া অতিকৈ প্ৰয়োজনীয় অন্তৰাত্মাৰ আহ্বানৰ লগতে লাগিব চৰকাৰৰ বিভিন্ন বিধি সম্পৰ্কে জ্ঞান, নিয়মিত অধ্যয়ণ, প্ৰযুক্তিবিদ্যা আৰু ইণ্টাৰনেটৰ কৌশল লগতে অনুষ্ঠানৰ লগত পেছাগত সম্পৰ্ক। যিহেতু অসমত এতিয়াও তেনেকুৱা পেছাদাৰী স্বেচ্ছাসেৱী অনুষ্ঠানৰ সংখ্যা তেনেই তাকৰ গতিকে নৱপ্ৰজন্মই স্বেচ্ছাসেৱী অনুষ্ঠানক বা সমাজ সেৱাৰ মনোভাৱক পেছাগতভাৱে আগবঢ়াই নিয়াৰ দায়িত্ব আছে। পৰিভ্ৰমী চৰায়ে ওখ গছক ক্ষন্তেকৰ জিৰণি ঠাই হিচাপে লোৱাৰ দৰে নৱপ্ৰজন্মই সমাজ সেৱাৰ এই পবিত্ৰ ক্ষেত্ৰখনক তেনেকৈ নলয় যেন। নহ'লে হয়তো এদিন এনেকুৱা অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানৰ অস্তিত্ব চিৰদিনলৈ হেৰাই যাব।

# 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ কাৰ্যনিৰ্বাহক সদস্য/সদস্যা আৰু বিষয়ববীয়াসকল (২০১৬-২০১৭ বৰ্ষ)



কমলেশ্বৰ ভূঞা
সভাপতি



পৃথ্বিভূষণ ডেকা
সঞ্চালক



প্ৰাঞ্জল চক্ৰৱৰ্তী
উপ-সভাপতি



দিবাকৰ ডেকা
সম্পাদক



ৰোহিত লহকৰ
কাৰ্যনিৰ্বাহক সদস্য



চন্দন চক্ৰৱৰ্তী
কাৰ্যনিৰ্বাহক সদস্য



হেমেন ডেকা
কোষাধ্যক্ষ



ডাঃ ৰাজুমণি শৰ্মা
কাৰ্যনিৰ্বাহক সদস্য



পদ্মাৱতী বড়ো
কাৰ্যনিৰ্বাহক সদস্যা



সুভাষ দাস
সহকাৰী সম্পাদক



বুলু মজুমদাৰ
কাৰ্যনিৰ্বাহক সদস্যা

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



গ্ৰাম্য বিকাশ মঞ্চই আৰম্ভণিৰে পৰা নতুন প্ৰজন্মৰ শিশু, কিশোৰ-কিশোৰীক কৃষি কাৰ্যৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে পদক্ষেপ লৈ আহিছে। শেহতীয়াকৈ স্কুলীয়া শিশু, কিশোৰক লৈ অনুষ্ঠিত এক কৰ্মশালাৰ ছবি।



গ্ৰাম্য বিকাশ মঞ্চই নিজৰ কৃষিভূমিত চলিত বৰ্ষৰ পৰা আৰম্ভ কৰিছে প্ৰদৰ্শনীমূলক কৃষি কৰ্ম। এই কৃষি কৰ্মৰ দ্বাৰা অঞ্চলটোৰ ৰাইজৰ মাজত কৃষি কৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ চেষ্টা চলোৱা হৈছে।




'মহিলা কৃষক সবলীকৰণ প্ৰকল্প'ৰ অধীনত নলবাৰী আৰু বাগ্‌সা জিলাৰ চাৰিটা সংমণ্ডলত সংগঠিত কৰা হৈছে মহিলা কৃষকক। ছবিত এছ আৰ আই পদ্ধতিৰ কৃষি কাৰ্যত ব্যস্ত দুগৰাকী কৃষক।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



শ্বহীদ দিৱসৰ দিনা গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত স্থাপিত বিদ্যালয় 'শৈশৱ'ৰ শিক্ষাৰ্থীয়ে বীৰ শ্বহীদসকলৰ প্ৰতি আগবঢ়াইছে শ্ৰদ্ধাঞ্জলি। এগৰাকী শিশুৰ শ্বহীদ তৰ্পণৰ ছবি।



সাংস্কৃতিক কাৰ্যসূচীত ভাগ লৈছে শৈশৱৰ শিশুৱে। আমাৰ থলুৱা সাহিত্য, ভাষা, সংস্কৃতিৰ প্ৰতি শিশুক আগ্ৰহী কৰি তোলাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই নিয়মীয়াকৈ পদক্ষেপ লৈ আহিছে।



নতুন গৃহ আৰু চৌহদত 'শৈশৱ'ৰ পাঠদান আৰম্ভ কৰাৰ আগমুহূৰ্তত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয় চৌহদটো।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...




এছ আৰ আই পদ্ধতিৰ কঠীয়া ৰোৱাৰ পাছত পথাৰত উইডাৰ মাৰিছে গ্ৰাম্য বিকাশ মঞ্চৰ জীৱিকা প্ৰকল্পৰ লগত জড়িত মহিলা কৃষকে।



নিজৰ নিজৰ বাৰী আৰু কৃষি পামত উৎপাদিত ৰঙালাউ নিজেই বিক্ৰী কৰাৰ বাবে বজাৰলৈ আনিছে মহিলা কৃষকে। বাগ্‌সা জিলাৰ এখন ছবি।



গ্ৰাম্য বিকাশ মঞ্চৰ চৌহদতে উন্নত কৃষি পদ্ধতিৰে উৎপাদন কৰা হৈছে বিভিন্ন জাতৰ পাচলিৰ পুলি। পাচলিৰ পুলি আগ্ৰহী কৃষকে ইয়াৰ পৰা সংগ্ৰহ কৰাৰো সুবিধা আছে।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



আন্তঃৰাষ্ট্ৰীয় সংস্থা গোগ'লৰ অৰ্থ সাহায্যত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত হৈছে 'ইণ্টাৰনেট সাথী' শীৰ্ষক এক কাৰ্যক্ৰম। ইয়াৰ দ্বাৰা গ্ৰাম্যবাসীক পৰিচয় কৰাই দিয়া হৈছে ইণ্টাৰনেটে কঢ়িয়াই অনা সুযোগ, সম্ভাৱনাৰ বিষয়ে, তাৰে এখন ছবি।

সমাজত ইতিবাচক পৰিৱৰ্তনৰ আঁত ধৰিব লাগিব মাতৃ সমাজেই। 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ আহ্বানক্ৰমে এক সজাগতা অভিযানৰ বাবে ৰাজপথলৈ ওলাই আহিছে স্থানীয় মাতৃ সমাজ।






চাইকেলত প্ৰযুক্তি সামগ্ৰী কঢ়িয়াই ভিতৰুৱা গাঁৱলৈ গৈছে গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱিকাসকল, উদ্দেশ্য সময়ে আনি দিয়া প্ৰযুক্তিৰ লগত গ্ৰাম্যবাসীক পৰিচয় কৰাই দিয়া। নলবাৰীৰ বৰভাগ অঞ্চলৰ ৰাইজে সদায় দেখি থকা এক দৃশ্য।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



গ্ৰাম্য বিকাশ মঞ্চৰ ১৭তম্ প্ৰতিষ্ঠা দিৱসৰ দিনা সংস্থাটোৰ স্থায়ী চৌহদত শ্বহীদ তৰ্পণৰ এক মুহূৰ্ত, ৭ ডিচেম্বৰ, ২০১৬ৰ।



সংস্থাৰ ১৭তম প্ৰতিষ্ঠা দিৱসৰ দিনা বৰবৰীৰ স্থায়ী চৌহদত পতাকা উত্তোলনৰ এক দৃশ্য।



টাটা ট্ৰাষ্টৰ অৰ্থ সাহায্যত ৰূপায়িত আই টি ই প্ৰকল্পত অংশগ্ৰহণ কৰা কেইগৰাকীমান শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাৰ বাহিৰটো লেপটপ ব্যৱহাৰ কৰি নতুন নতুন তথ্য সংগ্ৰহত ব্যস্ত।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



সংস্থাৰ স্থায়ী চৌহদৰ প্ৰেক্ষাগৃহত নিয়মিত অনুষ্ঠিত হয় বিভিন্ন বিষয়বস্তুৰ ওপৰত আলোচনা আৰু ভাবৰ আদান-প্ৰদান। ছবিত সংস্থাৰ সঞ্চালকে স্বেচ্ছাসেৱকৰ লগত আলোচনা কৰি থকাৰ এক মুহূৰ্ত।



শিশু অধিকাৰ, নাৰী নিৰ্যাতন, মাদক দ্ৰব্যৰ অপকাৰিতা আদিক বিভিন্ন সামাজিক বিষয়ত গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱকসকলে যোৱা ডেৰ দশক ধৰি ৰূপায়ণ কৰি আহিছে বাটৰ নাট। তাৰে এক দৃশ্য।




সংস্থাৰ আই টি ই প্ৰকল্পৰ অধীনত শিক্ষাৰ্থীৰ মাজত মোবাইল ফোনৰ শৈক্ষিক ব্যৱহাৰ সন্দৰ্ভত সজাগতা চলাই থকা হৈছে। তাৰে এখন ছবি।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...




সংস্থাৰ দ্বাৰা ৰূপায়িত মহিলা কৃষক সবলীকৰণ প্ৰকল্পৰ অধীনৰ মহিলা কৃষকসকলৰ মাজত বিত্তীয় সাক্ষৰতা সৃষ্টিৰ প্ৰচেষ্টা লোৱা হৈছে। ইয়াৰ দ্বাৰা সুফলো লাভ কৰিছে মহিলা কৃষকে। তেনে কৰ্মশালাৰ এক দৃশ্য।




সংস্থাৰ প্ৰকল্প সম্পৰ্কীয় প্ৰশিক্ষণৰ পাছত স্বেচ্ছাসেৱক, প্ৰশিক্ষাৰ্থীৰ এখন ছবি।



সংস্থাৰ প্ৰতিষ্ঠা দিৱসৰ দিনা স্বেচ্ছাসেৱক শুভাকাংক্ষীৰ মাজত অনুষ্ঠিত ৰচী টনা প্ৰীতি খেলৰ ছবি।



# অসমৰ গঁড় আৰু গঁড়ৰ মহিমাময় খৰ্গটো

হীৰকজ্যোতি বৰ্মন

এটা খৰ্গযুক্ত গঁড়ৰ বাবে অসমৰ কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যান বিশ্ববিখ্যাত। এই জাতৰ গঁড় অসম, উত্তৰবংগ আৰু নেপালৰ বাহিৰে পৃথিৱীৰ কতোৱে নাই। অসমত কাজিৰঙা আৰু মানাহৰ বাহিৰেও পবিতৰা, ওৰাং আদি অসমৰ সংৰক্ষিত বনাঞ্চলত এই বিধ গঁড় পোৱা যায়।

বিশ্বত জীৱিত স্থলচৰ প্ৰাণীৰ ভিতৰত আকৃতিত গঁড়ৰ স্থান হাতীৰ পিছতে। অৰ্থাৎ ই বিশ্বৰ দ্বিতীয় অতিকায় জন্তু। আমাৰ আলোচ্য বিষয় গঁড়ে হাতীৰ পিছতে স্থান পালেও প্ৰাণীৰ তত্ববিদে কয় যে হাতীৰ আধাখিনি বুদ্ধিও গঁড়ৰ নাই। এইবিধ আপুৰুগীয়া প্ৰাণীৰ বিশ্বত বিশেষ খ্যাতি থকা সত্ত্বেও ইয়াৰ উগ্ৰ আচৰণ আৰু আচহুৱা স্বভাৱৰ হোৱা বাবে ই হাতী বা অইন জীৱ-জন্তুৰ দৰে অসমীয়াৰ  জনমানসত বিশেষ ৰেখাপাত কৰিব পৰা নাই। এক লাজুকীয়া স্বভাৱৰ বাবেই মানুহৰ সৈতে গঁড়ৰ কোনো ধৰণৰ ঘনিষ্ঠতা গঢ়ি নুঠিল। মাথোঁ অন্ধবিশ্বাসৰ বাবেই হওক, নাইবা কিবা অজ্ঞাত বিজ্ঞানসন্মত কাৰণতেই হওক, গঁড়ৰ খৰ্গ, ছাল, মঙহ, প্ৰস্ৰাৱ আৰু তেজৰ বাবেহে মানুহৰ গঁড়ৰ বাবে হাবিয়াস। তাৰ বাহিৰে আন নালাগে এক খৰ্গযুক্ত গঁড়ৰ দেশ অসমৰ মানুহে গঁড় সম্বন্ধে বৰকৈ নাজানে বা জানিবলৈ ইচ্ছা নকৰে।

খৰ্গই মুখ্যত গঁড়ক মহীয়ান কৰিছে। কিন্তু খৰ্গটোৰ বৈজ্ঞানিক মূল্য কি সেই সম্বন্ধে জানিবৰ অৱকাশ নাই। চুইজাৰলেণ্ডৰ বেছল ৰসায়নগাৰত গঁড়ৰ খৰ্গৰ পৰীক্ষা কৰি প্ৰমাণ পাইছে যে খৰ্গত তেনে কোনো ৰাসয়নিক পদাৰ্থৰ মূল্য নাই। যুগ যুগ ধৰি ভাৰতটো কথাই নাই অন্য জ্ঞান বিজ্ঞানত আগবঢ়া দেশেও অন্ধবিশ্বাসৰ বশৱৰ্তী হৈয়ে আছে। হৃদৰোগৰ ঔষধ তৈয়াৰ কৰোতে গঁড়ৰ খৰ্গৰ গুড়ি ব্যৱহাৰ কৰা বুলি শুনা যায়। খৰ্গ ভিজোৱা পানী খালে যকৃতৰ বেমাৰ ভাল হয় বুলি মানুহৰ বিশ্বাস। দেহত গঁড়ৰ খৰ্গ থাকিলে দেহত চৰ্মৰোগ হ'ব নোৱাৰে আৰু গ্ৰহৰ কোপ দৃষ্টিও পৰিব নোৱাৰে বুলি বিশ্বাসৰ বাবেই মানুহে আঙুঠি, মাদুলি, হাড়ৰ লকেট আদিত খৰ্গৰ টুকুৰা লগায়। মানুহৰ ভাগ্য পৰিৱৰ্তনত গঁড়ৰ  খৰ্গৰ বিশেষভাৱে সহায় কৰা বুলি মানুহৰ অন্ধবিশ্বাস। পুৰণি সময়ত সম্ভ্ৰান্ত পুৰুষ মহিলাই হাতত লৈ ফুৰা অস্ত্ৰ কটাৰী, দাপোন আদিত গঁড়ৰ খৰ্গই মুঠি লগাই লৈছিল। যিটো খৰ্গৰ বাবে গঁড় বিশ্ববিখ্যাত আপুৰুগীয়া বন্য প্ৰাণী তাৰ পশ্চিমীয়া নাম হ'ল হৰ্ণ আৰু তাৰেই অভিধানিক অৰ্থ উলিয়াই অসমৰ আজিকালি শিক্ষিত সমাজে তাক শিং বোলে। যেনে- এশিঙীয়া গঁড়, দুশিঙীয়া গঁড়, আচলতে তাৰ নাম খৰ্গই অসমৰ প্ৰাচীন নিজস্ব নাম। প্ৰাচীন কালত তৰোৱাল আছিল যুদ্ধ বিগ্ৰহত সৈনিকৰ প্ৰধান অস্ত্ৰ। এই অস্ত্ৰৰ অন্য নাম খৰ্গ। আজিৰ পণ্ডিতৰ মতে গঁড়ৰ খৰ্গটো চুলিৰ গোট মৰা সমষ্টি। দেহৰ হাড় মূৰৰ লগত খৰ্গটোৰ কোনো সম্পৰ্ক নাই। সেয়েহে শিঙৰ পৰিৱৰ্তে ইয়াক খৰ্গ বোলাই শ্ৰেয়।

দেৱ-দেৱীৰ অৱহেলিত জন্তু গঁড়। পৌৰাণিক কাহিনীত হাতী বিশ্বকৰ্মাৰ বাহন, বাঘ দেৱীৰ, তেনেকৈ বিশ্বৰ খ্যাত-অখ্যাত প্ৰায়

জীৱ-জন্তুকে তেত্ৰিশ কোটি দেৱতাৰ প্ৰায়বোৰেই বাহন কৰি লৈছে। আনকি সাধাৰণ শ্ৰেণীৰ প্ৰাণী এন্দুৰ স্বয়ং গণেশৰ বাহন। কিন্তু আমাৰ আলোচ্য বিষয়ৰ খৰ্গযুক্ত গঁড় কাৰ বাহন তাৰ বিষয়ে আমি অজ্ঞাত। মৰম-চেনেহ নুবুজা গোঁৱাৰ ধৰণৰ গঁড় বুলিয়ে নাইবা সৌন্দৰ্যৰ দিশৰ পৰাও বিশেষ নজৰত পৰা বিধৰ নহয় বুলিয়ে হয়তো দেৱ-দেৱীয়ে ইয়াক বাহন নিৰ্বাচন নকৰিলে।

ভাৰতৰ ভিতৰত একমাত্ৰ অসমতে বৰ্তি থকা এক খৰ্গযুক্ত গঁড়ক গোটেই বিশ্বই আপুৰুগীয়া বন্যপ্ৰাণী বুলিয়ে হওক নাইবা ব্যৱসায়িক দিশত বিশেষ মূল্য থকা কাৰণতেই হওক ৰাজ্য চৰকাৰে গঁড়ক চৰকাৰী প্ৰতীক হিচাপে গঁড় ব্যৱহাৰ কৰি গঁড়ক যেনিবা নৰৰূপী নাৰায়ণৰ বাহন কৰিলে। পৰিবহণ নিগমে গঁড়ৰ প্ৰতীকেৰে চলোৱা বাছত মানুহ উঠাই দেৱ-দেৱীৰ অৱহেলিত গঁড়ক কিছু সান্ত্বনা দিয়া বুলি ধৰি লোৱা হৈছে।



চীনা পৰিব্ৰাজক কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত কামৰূপীয়া কোনো কোনো ঠাইত কৃষকে গঁড়েৰে হাল বাই খেতি কৰা বুলি তেওঁ উল্লেখ কৰিছে।

১৫১৫ চনত বম্বেৰ ৰজাই পতুৰ্গীজ ৰাজা ইমানুবেললৈ প্ৰাণী জাহাজেৰে এটা গঁড় পঠিয়াইছিল আৰু সেইটোৱে আছিল ভাৰতৰ পৰা ইউৰোপলৈ পঠোৱা প্ৰথম ভাৰতীয় গঁড়। তাৰ পিছত ১৬৮৪ চনত ইংলেণ্ডত প্ৰথম ভাৰতীয় গঁড় পঠায়। সেইদৰে ভাৰতীয় গঁড় অইন দেশ পায়গৈ।

যিটো খৰ্গৰ বাবে গঁড় বিশ্ববিখ্যাত বা আপুৰুগীয়া প্ৰাণী সেই গঁড় ইংৰাজসকল ভাৰতলৈ অহাৰ সময়ৰ আগতে অসমৰ বহু সংখ্যক গঁড় আছিল। কৰ্ণেল পেলেক নামৰ ইংৰাজ চাহাব এজনে অসমৰ মাটি জৰীপ কৰাৰ সময়তে তেওঁ নিজ হাতে এহাজাৰতকৈও অধিক গঁড় চিকাৰ কৰা বুলি উল্লেখ কৰিছে।১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজে চাহ খেতি কৰে। গঁড়ৰ উপদ্ৰৱৰ পৰা চাহখেতি ৰক্ষা কৰিবলৈ সেই সময়ত ইংৰাজে অসংখ্য গঁড় বধ কৰে। তাৰ পিছত কিন্তু এদল অসমীয়া চিন্তাশীল লোকৰ সহযোগত ইংৰাজে গঁড়ক বিলুপ্তিৰ পথৰ পৰা ৰক্ষা কৰিবলৈ সিদ্ধান্ত লয়। সেই সিদ্ধান্ত অনুসৰি গঁড়ৰ উপযুক্ত আৱাসভূমি হিচাপে কাজিৰঙাক ব্ৰিটিছ চৰকাৰে ১৯০৮ চনত সংৰক্ষিত এলেকা ঘোষণা কৰে। ১৯৭৪ চনত কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যদা দিয়ে।১৯০৪ চনত বিলুপ্তিৰ দুৱাৰডলিত উপনীত হোৱা বাৰটা গঁড়ৰ ঠাইত ১৯৫০ চনত ২৫০ টালৈ কাজিৰঙাৰ গঁড়ৰ সংখ্যা বাঢ়ে। তাৰ পিছত ক্ৰমে ১৯৬৬ চনত ৩৬৬টা আৰু ১৯৭২ চনৰ পিয়ল মতে গঁড়ৰ সংখ্যা ৬৭০টা হয়। বৰ্তমান অসমৰ বৰ্তমান হাবিত প্ৰায় তিনি হেজাৰমান গঁড় থকা বুলি বন বিভাগৰ তথ্যাত প্ৰকাশ।

১৯৬৬ চনত গোটেই বিশ্বৰ এক খৰ্গৰ গঁড়ৰ সংখ্যা আছিল ৭৪০। তাৰে ১৬৫টা নেপালৰ আৰু বাকী গঁড় অসমৰ কাজিৰঙা, মানাহ আৰু আন বনাঞ্চলত আছিল। গঁড় বুদ্ধিত যেনে পৰিমৰা, তেনেকৈ দৃষ্টিশক্তিৰ দুৰ্বল। ঘ্ৰাণ আৰু শ্ৰৱণ শক্তি কিন্তু অতি প্ৰখৰ। খোজকঢ়া সময়ত ই সদায় তলমূৰা হৈ খোজ কাঢ়ে। তেনে অৱস্থাত দেখিলে ভাব হয় যে সি কিবা বস্তুহে বিচাৰিছে।

অসমৰ মতা গঁড়ৰ উচ্চতা ছয়ফুটলৈ হয়। গড় হিচাপে পূৰ্ণ বয়সৰ মতা গঁড়ৰ উচ্চতা ন ফুট আঠ ইঞ্চি। ইয়াৰ স্বাভাৱিকভাৱে গড় লোৱা খৰ্গৰ দৈৰ্ঘ্য এতিয়া ৮/১০ইঞ্চিলৈকে হয়। পুৰণি কালত অসমৰ গঁড়ে ২৪ ইঞ্চিলৈকে দীঘল খৰ্গ ধাৰণ কৰা অভিযোগ আছে। যৌন ক্ষুধাত উন্মত হৈ স্বগোষ্ঠীৰ প্ৰাণী নিধন কৰা উগ্ৰ স্বভাৱ, দ্বিতীয়তে হত বুদ্ধি গঁড় পোৱালিক সততে বাঘৰ লেখীয়া হিংস্ৰ জন্তুৱে ভক্ষণ কৰাত আৰু জন্ম দিয়া সময় দীঘলীয়া হোৱা বাবে গঁড়ৰ বংশ বৃদ্ধিৰ গতি অতি মন্থৰ। তেনেস্থলত মানুহে খৰ্গ, হাড়, মুখ আৰু তেজ-মঙহৰ বাবে ব্যাপক হাৰত গঁড় নিধন যজ্ঞ চলাই থকাৰ ফলত এটা সময়ত অসমৰ গঁড় সম্পূৰ্ণ নিচিহ্ন হৈ যাব। বুদ্ধিত ভোটা আৰু স্বভাৱত উগ্ৰ হোৱা বাবেই ই সময়ত কেতিয়াবা বিচাৰ বুদ্ধি হেৰুওৱাইয়ো মৃত্যু মুখত পৰে।

বন বিভাগে গঁড় ধৰিবলৈ হ'লে চাই-চিতি ধৰিব বিচৰা সেই গঁড়টোৰ পায়খানা পথটো চিনাক্ত কৰি লয়। সেই অনুপাতে নিৰ্দিষ্ট গঁড়টো ধৰাৰ উদ্দেশ্য তাৰ নিৰ্দিষ্ট পায়খানাৰ পথত গাঁত খান্দি অনায়াসে তাক ধৰিব পাৰে। গঁড়ৰ এটা বিশেষত্ব যে শৌচৰ বাবে নিৰ্দিষ্ট ঠাই ব্যৱহাৰ কৰে। গঁড়ৰ পায়খানলৈ যোৱা লুংলুঙীয়া পথৰ সুবিধা বুজি বন বিভাগে গঁড় বিভাগে গঁড় ধৰে। সেই গঁড় আমি চিৰিয়াখানাত দেখিবলৈ পাওঁ।

এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

# সংস্কৃতিৰ বৰঘৰত ৰাসোৎসৱ

প্ৰণৱ দত্ত

বৈষ্ণৱ সংস্কৃতিৰ হৃদয় স্থান, সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ এটি হৃদয় পৰশা নাম 'মাজুলী'। বিশাল ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ দিশৰ মহুৰা আকৃতি বিস্তৃত সেউজীয়া ভূখণ্ডই হ'ল মাজুলী। সংস্কৃতিৰ বৰঘৰ প্ৰদূষণমুক্ত শুৱনি মাজুলীৰ সত্ৰানুষ্ঠানসমূহৰ সামাজিক, ধৰ্মীয়, পৰ্যটন নানা গোষ্ঠীৰ মিলনভূমি এক ঐতিহ্যমণ্ডিত বিশ্বৰ বৃহত্তম জনবসতিপূৰ্ণ নদীদ্বীপ। বৰলুইতৰ এক জটিল নদী বিৱৰ্তন প্ৰক্ৰিয়াৰ ফলতে এতিয়াৰ পৰা কেইবাশ বছৰৰ পূৰ্বে ইয়াৰ বক্ষত মাজুলীৰ সৃষ্টি হৈছিল।

সত্ৰপীঠ মাজুলী কলা-সংগীতৰ ৰংপুৰ। দুজনা গুৰুৰ মিলনভূমি, এটকা মহন্তৰ স্থান ৰূপে পৰিচিত মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল নদীৰ মাজত যেন মাজুলীৰ সংস্কৃতিৰ মোহনীয় ৰূপ দেখিবলৈ পোৱা যায়। বাৰে ৰহণীয়া সংস্কৃতিৰ মাজত আজিও পৰম্পৰা ৰীতি নিয়মেৰে উদ্‌যাপিত কৰি আহিছে বহু উৎসৱ তাৰে অন্যতম ৰাসোৎসৱ। শৰতৰ হেঙুলী য়া ৰহনে মাজুলীৰ অপৰূপ ৰূপত সোণত সুৱগা চৰায় ৰাস উৎসৱে। ৰাসলীলাৰ জৰিয়তে শ্ৰীকৃষ্ণই সপ্ৰেম ভক্তিৰে পৰমাত্মাৰ লগত জীৱাত্মৰ মিলনৰ পটন্তৰ সুন্দৰভাৱে দাঙি ধৰিছে।

সংস্কৃতিৰ বৰঘৰ নদীদ্বীপ মাজুলীত ৰাসলীলা অভিনয় আৰু নৃত্যৰ মাজেৰে অতি মনোগ্ৰাহী আৰু জীৱন্ত ৰূপত প্ৰদৰ্শন কৰা হয়। 'কৃষ্ণৰ ভক্তিৰসে পাপৰ প্ৰলয় আৰু আনক' ভাৱত ৰাসলীলাৰ নাটসমূহ বিশেষকৈ কংসালয়, নন্দালয়, অসুৰৰ বধ আৰু শেষত মহাৰাস প্ৰদৰ্শন কৰি সামৰা হয়।

বৰ্তমান মাজুলীৰ ৰাসলীলা চকুত লগাতৈ উত্তৰণ ঘটিছে। যিহেতু ৰাসোৎসৱ মাজুলীৰ প্ৰাণৰ উৎসৱ আৰু এই সুন্দৰ ধাৰা অক্ষুণ্ণ হোৱাৰ আশাৰে ...





# কৃষক বেংক

সুভাষ চন্দ্ৰ দাস

**প্ৰ**তিজন ৰাজনৈতিক নেতাৰ এটা ডাঙৰ শ্ল'গান আমাৰ দেশৰ আমূল পৰিৱৰ্তন সাধিবলৈ হ'লে কৃষি ক্ষেত্ৰত উন্নয়ন সাধন কৰিব লাগিব। যেতিয়াৰ পৰা গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক হৈ কামত মনোনিৱেশ কৰিছিলো তেতিয়াৰ পৰাই বেছিভাগ সময় কৃষকৰ লগত, কৃষকৰ উন্নতিৰ হকে কাম কৰি আহিছো। কিন্তু আজিলৈ বেছি সংখ্যক কৃষকে কয় চৰকাৰী আঁচনিসমূহ আমাৰ বাবে নহয় সেইবোৰ এচাম দালাল শ্ৰেণীৰ লোকৰ বাবেহে। আনহাতে কৃষি লোণৰ কাৰণে বেংকৰ ওচৰলৈ গ'লে বেংক কৰ্মচাৰীৰ মূৰ তুলি কথা পাতিবলৈ সময় নাই বা এতিয়া ঋণদান বন্ধ আছে, অহা মাহত আহিব। আনহাতে খেতিৰ সময় উকলি যায়। গতিকে এনেকুৱা এটা দোধোৰ-মোধোৰৰ মাজত বেছি সংখ্যক কৃষকে কিবাকৈ কৃষি কৰি পৰিয়ালটো পোহ-পাল দি আছে। হয়তো এইবিলাক সমস্যাৰ কাৰণেও এজন কৃষকে তেওঁৰ সন্তানক এজন ভাল কৃষক হোৱাৰ কাৰণে আগবঢ়াই নিদিয়ে, কয় চহৰত গৈ কিবা এটা কৰি থাক যি পইচাৰে অন্ততঃ আমাক দিব নোৱাৰিলেও নিজৰ পেটটো পোহপাল দিব পাৰিবি।

চৰকাৰৰ কি এনেকুৱা এখন আঁচনি ৰূপায়ণ হৈছে যি এতিয়ালৈ প্ৰতিজন কৃষকক স্পৰ্শ কৰিব পাৰিছে। আনহাতেদি চৰকাৰী আঁচনিৰ যি মেৰপেচ সেই মেৰপেচ অতিক্ৰম কৰি এজন অশিক্ষিত কৃষকে বেছি আঁচনিৰ সুফল লাভ কৰিব নোৱাৰে।

ওপৰোক্ত এশ এবুৰি সমস্যাৰ মাজত আমাৰ কৃষকসকল জীয়াই আছে কেৱল ভগৱানক সাক্ষী কৰি যে এদিন ভগৱানে উচিত বিচাৰ কৰিব।

এইখিনিতে কৃষকসকলৰ যিখিনি সমস্যা সেই সমস্যাখিনি সমাধান কৰিব পৰাকৈ মোৰ মনত এটা ধাৰণা এই লিখনিৰ জৰিয়তে ব্যক্ত কৰিব বিচাৰিছো।

কৃষকসকলৰ মুখৰ পৰা সচৰাচৰ শুনি থকা কেইটামান সমস্যাৰ কথা। যেনে —

ক) বীজ সময়মতে নোপোৱা

খ) চৰকাৰী বীজ যোগান, যি বীজৰ পৰা ফল ওলোৱাৰ নিশ্চয়তা নই।

গ) কৃষিৰ বিভিন্ন ধৰণৰ ৰোগৰ কাৰণে উচিত দিহা নোপোৱা

ঘ)কৃষিৰ সঁজুলিসমূহ দালালৰ লগত যোগ হৈ বিষয়া-কৰ্মচাৰীৰ হৰলুকী। ইত্যাদি।

গতিকে এতিয়া কথা হ'ল গোটেইকেইটা সমস্যা মই ভাবো পইচাৰ লগত জড়িত। কাৰণ

যিহেতু কৃষকৰ সমস্যাসমূহ বেছিভাগেই টকা-পইচাৰ লগত জড়িত কিয়নো চৰকাৰে কৃষকৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে কৃষক বেংক স্থাপন নকৰে। যত কেৱল কৃষকৰ কথাহে শুনা হ'ব। যত আন কোনো অন্য গ্ৰাহকৰ স্থান নাথাকিব। এতিয়া কথা হ'ল কোনজন প্ৰকৃত কৃষক সেয়া চাব সেই বেংকৰ বিষয়াই আৰু সেই বিষয়াৰ মতামতৰ ভিত্তিত কৃষকজনে প্ৰকৃত কৃষক বা কৃষি লোণ পোৱাৰ বাবে যোগ্য বুলি বিবেচিত হ'ব আৰু সেই কৃষকজনে তেওঁ বিচৰা প্ৰতিটো কৃষিৰ সমস্যা সমাধানৰ কাৰণে ঋণ গ্ৰহণ কৰিব পাৰিব।

যেতিয়া কিবা ব্যৱসায়-বাণিজ্য আৰম্ভ কৰা হয় তাত তিনিটা প্ৰধান বস্তু হ'ল ভূমি, শ্ৰম, মূলধন। গতিকে এজন কৃষকৰ সমস্যাসমূহ হৈছে তেখেতে আৰম্ভ কৰিব খোজা কৃষি ডৰাক লৈ। কাৰণ কৃষিডৰা কৰিম বুলি ভাবিবৰ দিনাৰ পৰা ওপৰত উল্লেখ কৰা সমস্যাকেইটাই লগ নেৰা হয়। যদি আমি কৃষিডৰাক ব্যৱসায় হিচাপত লওঁ তেতিয়া এই সমস্যাবিলাক সমস্যা হৈ নাথাকে। কাৰণ ব্যৱসায় যিয়ে আৰম্ভ কৰিব সি প্ৰথমতে মূলধন যোগাৰ কৰি ল'ব। গতিকে মূলধন থাকিলে বীজ সময়মতে উৎকৃষ্ট মানদণ্ডৰ পোৱা যায়। কোনো এজন কৃষি বিষয়াক এটা পৰিমাণৰ মাননি দিলে আপোনাৰ কৃষিডৰা ৰোগৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায়সমূহ দি যাব। কৃষি সঁজুলি কৰিব পৰা নিজৰ মূলধনেৰে ক্ৰয় কৰি আনিব।

যিহেতু কৃষকৰ সমস্যাসমূহ বেছিভাগেই টকা-পইচাৰ লগত জড়িত কিয়নো চৰকাৰে কৃষকৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে কৃষক বেংক স্থাপন নকৰে। যত কেৱল কৃষকৰ কথাহে শুনা হ'ব। যত আন কোনো অন্য গ্ৰাহকৰ স্থান নাথাকিব। এতিয়া কথা হ'ল কোনজন প্ৰকৃত কৃষক সেয়া চাব সেই বেংকৰ বিষয়াই আৰু সেই বিষয়াৰ মতামতৰ ভিত্তিত কৃষকজনে প্ৰকৃত কৃষক বা কৃষি ঋণ পোৱাৰ বাবে যোগ্য বুলি বিবেচিত হ'ব আৰু সেই কৃষকজনে তেওঁ বিচৰা প্ৰতিটো কৃষিৰ সমস্যা সমাধানৰ কাৰণে ঋণ গ্ৰহণ কৰিব পাৰিব।

আনহাতে চৰকাৰৰ সকলো ধৰণৰ কৃষকৰ হিতাৰ্থে লোৱা আঁচনিৰ ধনসমূহ বেংকৰ জৰিয়তে ন্যূনতম সুতৰ হাৰত কৃষকসকলক দিয়াৰ ব্যৱস্থা কৰিলেহে দালাল শ্ৰেণীৰ সমাপ্তি ঘটিব। আৰু কৃষি বিভাগৰ বিভিন্ন কেলেংকাৰিৰ কিছু সমাপ্তি হ'ব।

সেয়েহে গ্ৰাম্য বিকাশ মঞ্চই নলবাৰী কামৰূপ আৰু বাক্সা জিলাৰ কৃষকসকলক এটা গোট কৰি মুঠ আঠটা উৎপাদনকাৰী গোঠ গঠন কৰিছে। যিটো গোটত আঠৰ পৰা দহখন গাঁৱৰ কৃষক জড়িত হৈ আছে। প্ৰতিটো গোটৰ বেংক জমা বহী খোলা হৈছে য'ত গ্ৰাম্য বিকাশ মঞ্চই প্ৰথম পৰ্যায়ত দুই লাখ পঞ্চাশ হেজাৰ টকাকৈ প্ৰতিটো গোটত এককালীন সাহায্য হিচাপে আগবঢ়াইছে।

এতিয়া কথা হ'ল আঢ়ৈলাখ টকা এটা গোটৰ কৃষকসকলৰ বাবে পৰ্যাপ্ত নহয় কিন্তু পৰ্যায়ক্ৰমে এই টকাখিনি যিসকল কৃষকে ঋণ হিচাপে ল'ব বা লৈছে তেওঁলোকে এটা ন্যূনতম সুত আদায় দিব আৰু প্ৰতিজম কৃষকৰে মাহিলি জমা এশৰ পৰা পঞ্চাশ টকা পৰ্যন্ত গোটৰ জমাবহীত থোৱাটো বাধ্যতামূলক। হয়তো এই ধৰণৰ অতিৰিক্ত ধনখিনিয়ে গৈ এটা সময়ত এটা বৃহৎ পুঁজিৰ ৰূপ ল'ব যিয়ে কৃষক মূলধন সমস্যা দূৰ কৰিব।

হয়তো ইয়াৰ পৰাই কৃষক বেংকৰ শুভাৰম্ভণী হ'ব।






# জনসম্পৰ্ক

জিতেন্দ্ৰ নাথ কলিতা (জিতু)

নিজৰ মনোভাব আনক ক'বলৈ বা আনৰ মনোভাব নিজে বুজিবলৈ যি মত বিনিময় কৰা হয় তাকেই আমি সাধাৰণভাৱে সম্পৰ্ক স্থাপন কৰা বুলি ক'ব পাৰো। জনসাধাৰণৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ বিভিন্ন কৌশল আৰু পদ্ধতি আছে। অসমীয়া সমাজত এষাৰ কথা আছে ' কথাতে কটা যায়, কথাতে বঁটা পায়'। মানুহে মানুহৰ লগত কথা-বতৰাৰ জৰিয়তে সম্পৰ্ক স্থাপন কৰাৰ সময়ত কিছুমান বিশেষ দিশৰ ওপৰত গুৰুত্ব দিব লগা হয়। মত বিনিময় বা কথা-বতৰা কওঁতে সদায় সচেতন হোৱা উচিত। ব্যৱসায়িক ক্ষেত্ৰত জনসম্পৰ্ক ৰক্ষা কৰাটো অতি জৰুৰী। যিকোনো ব্যৱসায়ৰ লগত জনসাধাৰণৰ সম্পৰ্ক অতি নিবিড়। জনসম্পৰ্ক ৰক্ষাৰ বাবে প্ৰত্যক্ষ যোগাযোগ আৰু পৰোক্ষ যোগাযোগৰ মাধ্যম লোৱা হয়। মুখামুখি হৈ, ফোন যোগে, চিঠি পত্ৰৰ আদান-প্ৰদানেৰে মত বিনিময় কৰি প্ৰত্যক্ষ যোগাযোগ কৰা হয়। আনহাতে টিভি, ৰেডিঅ', বাতৰি কাকত, আলোচনী, পোষ্টাৰ আদিৰ জৰিয়তে বিজ্ঞাপন প্ৰচাৰ কৰি বা তথ্য সম্পৰ্কে প্ৰচাৰ কৰি পৰোক্ষ যোগাযোগ কৰিব পাৰি।

ব্যৱসায় মানেই কেৱল লাভ-লোকচানৰ হিচাব নহয়, ই এক মানৱীয় সেৱা। ব্যৱসায়িক ক্ষেত্ৰত জনসাধাৰণৰ লগত সুমধুৰ সম্পৰ্ক গঢ়িবলৈ পৰিকল্পনা, সুচিন্তা, ব্যৱসায়িক ধাৰণা, আত্মবিশ্বাস, সমস্যা সমাধানৰ কৌশল, ক্ষতিৰ আশংকা কমোৱা, মূল্য নিৰ্ধাৰণত গুৰুত্ব, সু ব্যৱহাৰ, তথ্য আহৰণ, সমস্যাৰ সৈতে মুখামুখি হোৱাৰ সাহস, একাগ্ৰতা, ধৈৰ্য, জনসাধাৰণৰ সৈতে সম্পৰ্ক ইত্যাদি

দিশবোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। ব্যৱসায় এটি চলাবলৈ আচাৰ-ব্যৱহাৰ ভাল হোৱাৰ উপৰিও সেৱাৰ মনোভাব থাকিব লাগিব। জনসাধাৰণক পতিয়ন নিয়াব পৰা, জনসাধাৰণৰ আস্থাৰ পাত্ৰ হ'ব পৰাৰ কৌশল ব্যৱসায়ীসকলে আয়ত্ত কৰিব লাগিব। নিজে বজাৰলৈ গ'লে যিবোৰ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় এগৰাকী গ্ৰাহকেও এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব। গ্ৰাহকৰ সৈতে সুসম্পৰ্ক গঢ়িবলৈ ব্যৱহাৰ ভাল হ'বই লাগিব। কোনো কথাতেই যাতে গ্ৰাহক অসন্তুষ্ট নহয় তাৰ প্ৰতি সদায় নজৰ দিব লাগিব। আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়। গুণগত মান অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত সৎ ব্যৱসায়ী হিচাপে গুৰুত্ব দিব লাগিব। একো একোখন দোকান বা ব্যৱসায় প্ৰতিষ্ঠান এক তথ্যৰ ভাণ্ডাৰ স্বৰূপ। ব্যৱসায়ীসকলে এলেকাটোৰ বহু কথাই জানে আৰু প্ৰয়োগ কৰে।

আজিৰ অসমৰেই নহয়, সমগ্ৰ পৃথিৱীৰেই সমস্যাসমূহৰ অন্তৰালত ভাষাৰ প্ৰশ্নটোৱে বিশেষ ভূমিকা লৈ আহিছে। প্ৰকৃতপক্ষে ভাষা বিনিময়ৰ মাধ্যম, সমন্বয়ৰ মাধ্যম। প্ৰয়োজনৰ খাতিৰত মানুহে ভাষা শিকে। গাৰ জোৰেৰে ভাষা প্ৰয়োগ কৰিবলৈ বিচৰাৰ প্ৰতিক্ৰিয়া বিভাজনমুখী আৰু বিষময় হৈ পৰাৰ অলেখ দৃষ্টান্ত আছে। গতিকে সমগ্ৰ পৃথিৱীক ঐক্যবদ্ধ কৰি তোলাৰ বাবে এক মহান সাৰ্বজনীন ভাষাৰ সকলোৱে পোষকতা কৰিব লাগে। মাতৃভাষা সকলোৰে বাবে আদৰণীয় সঁচা; কিন্তু কেৱল মাতৃভাষাৰ প্ৰেমেই আজিৰ পৃথিৱীত কোনো লোককেই মৰ্যাদাপূৰ্ণ জীৱন জীৱিকা দিয়াৰ বাবে পৰ্যাপ্ত নহয়। ভাষা প্ৰেম বিভেদৰ কাৰণ নহৈ ঐক্যৰ বাহন হ'ব লাগে।

দায়িত্ব আৰু কৰ্তব্য পালনৰ জৰিয়তেহে আমি নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰো। নিষ্কৰ্মা হৈ থকা সকলো সময়ত স্বেচ্ছাই মূল ক্ষেত্ৰৰ পৰা বিদায় ল'ব লগাত পৰে। পিতৃ-মাতৃয়ে সন্তানৰ ভৰণ পোষণৰ দায়িত্ব লৈ কৰ্তব্য পালন কৰে বাবেই সন্তানৰ ওপৰত অধিকাৰ সাব্যস্ত হয়। যি পিতৃ-মাতৃয়ে সন্তানৰ ভৰণ পোষণৰ দায়িত্ব ল'বলৈ অক্ষম সেই পিতৃ-মাতৃৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শন কৰি সন্তানে যথোচ্ছাৰভাৱে ফুৰিলেও পিতৃ-মাতৃয়ে মাত মাতিবলৈ কুণ্ঠাবোধ কৰে। আমাৰ সমাজে বিভিন্ন দাবী আদায়ৰ বাবে ধ্বনি দিয়াৰ লগতে অধিকাৰ সাব্যস্ত কৰিবলৈ নিজ নিজ কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈ ল'লেহে যোগ্য নাগৰিক হোৱাৰ পথ মুকলি হ'ব।

একাগ্ৰতাই পিন্ধায় জয়ৰ মালা  
কেতিয়াও হাৰ নামানিবা  
প্ৰয়োজন মাথো দৃঢ়তাৰ  
হতাশ নহ'বা  
মনোবল অটুট ৰাখা।  
হতাশা ঃ সেয়াতো মৃত্যুৰ উপনাম।  
চেষ্টা হওক তোমাৰ পথ  
আৰু উদ্যম হওক সাৰথি  
সংগ্ৰামেই হওক তোমাৰ আত্ম পৰিচয়।।





# অতীত আৰু বৰ্তমানৰ পৰিক্ৰমাত ভাৰতীয় নাৰী

হিমানী ৰাজবংশী

**ভা**ৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ সামাজিক স্থিতি পুৰুষৰ সমপৰ্যায়ৰ নহয়।

বৈদিক যুগত সমাজত ভাৰতীয় নাৰীৰ স্থান উচ্চ আছিল। সমাজ আৰু পৰিয়ালত নাৰীয়ে উচ্চ আসন লাভ কৰিছিল। নাৰীক পুৰুষৰ অৰ্ধাংগিনী গণ্য কৰা হৈছিল। স্ত্ৰী অবিহনে ধৰ্ম কাৰ্য আধৰুৱা বুলি বিবেচিত কৰা হৈছিল। স্বামী-স্ত্ৰী দুয়ো মিলি যজ্ঞ কৰিছিল। ঋক বেদত দম্পত্তি (দম্+পতি অৰ্থাৎ পত্নী+পতি) শব্দৰ বৰ্ণনা আছে। পতিৰ আগত পত্নী শব্দ ব্যৱহাৰ হৈছিল। বৈদিক যুগত কন্যাই নিজৰ ইচ্ছামতে বিবাহ কাৰ্য সম্পন্ন কৰিব পাৰিছিল। নাৰীৰ মাজত বাল্য বিবাহ আৰু পৰ্দা প্ৰথা নাছিল। তেওঁলোকে ঘৰে বাহিৰে স্বাধীনভাৱে চলা-ফুৰা কৰিব পাৰিছিল। বিধৱাসকলে পুনৰ বিবাহ কৰিব পাৰিছিল। অথৰ্ববেদত বৰ্ণনা আছে যে 'নতুন বোৱাৰী যি ঘৰলৈ যায় সেইখন ঘৰৰে তেওঁ সম্ৰাজ্ঞী হয়।'



খ্ৰীঃপূঃ ৬০০ৰ পৰা ৩০০ খ্ৰীঃলৈকে উত্তৰ বৈদিক কাল বুলি গণ্য কৰা হয়। এই যুগত সমাজত মহিলাৰ স্থান কিছু নিম্নগামী হয়। উত্তৰ বৈদিক যুগত ধৰ্ম সূত্ৰবোৰে বাল্য বিবাহক সমৰ্থন আৰু উৎসাহ দিলে। যাৰ ফলত নাৰী শিক্ষা বাধাপ্ৰাপ্ত হ'ল। মহিলাৰ বাবে বেদৰ অধ্যয়ন বন্ধ কৰি দিয়া হৈছিল। নিজৰ স্বামীক পৰমেশ্বৰ জ্ঞান কৰাৰ ধাৰণাৰ জন্ম দিয়া হৈছিল। বহু পত্নী প্ৰথাৰ প্ৰচলন বাঢ়ি গৈছিল।

৬৩০০ খ্ৰীষ্টাব্দৰ পৰা ১১০০ শতিকালৈকে এই সময়খিনিক ধৰ্ম শাস্ত্ৰৰ যুগ বুলি ধৰা হয়। এই সময়ছোৱাত মহিলা স্থান আৰু অধিক নিম্নগামী হয়। এই যুগত মনুস্মৃতিৰ প্ৰয়োগে সকলো বৈদিক নীতি-নিয়মক জলাঞ্জলি দিয়ে। মহিলাসকল সামাজিক আৰু ধাৰ্মিক ক্ষেত্ৰত সংকীৰ্ণ ভাবাদৰ্শৰ বলি হ'ব লগা হ'ল। বৈদিক যুগত

যিসকল নাৰীয়ে নিজৰ প্ৰৱল ব্যক্তিত্বৰ দ্বাৰা দেশৰ সাহিত্য আৰু সমাজৰ আদৰ্শক প্ৰভাৱিত কৰিছিল তেওঁলোক এই যুগত পৰাধীন নিঃসহায় আৰু নিৰ্বলী হৈ পৰিছিল। মনুস্মৃতিয়ে এনেকুৱা ধৰণে প্ৰচাৰ কৰিছিল যে —"নাৰী কেতিয়াও স্বাধীনভাৱে কাম কৰাৰ যোগ্য নহয়। শিশুকালত পিতৃৰ অধীনত, যৌৱন কালত স্বামীৰ অধীন আৰু বৃদ্ধ কালত পুত্ৰৰ নিয়ন্ত্ৰণত থাকে।' স্বামীক সেৱা কৰাটোৱে নাৰীৰ প্ৰধান কৰ্তব্য। এই সময়ছোৱাত মহিলাসকলক সম্পত্তিৰ অধিকাৰৰ পৰাও বঞ্চিত কৰা হৈছিল।

১১ শতিকাৰ পৰা ১৮ শতিকালৈকে এই সময়ছোৱাক মধ্যযুগ বুলি গণ্য কৰা হয়। এই সময়ছোৱাতে ভাৰতীয় নাৰীৰ সামাজিক স্থান যথেষ্ট নিম্নমুখী হয়। কু-সংস্কাৰ, অন্ধবিশ্বাস কিছুমানে নাৰীৰ সামাজিক স্থিতি নিম্নমুখী কৰে। এই সমস্যাবোৰৰ ভিতৰত নাৰীৰ বাল্য বিবাহ, বিধৱা বিবাহ, পৰ্দা প্ৰথা, সতীদাহ প্ৰথা, পুৰুষ প্ৰধান পৰিয়ালত পুৰুষৰ অনুশাসন, যৌতুক প্ৰধা আদিয়ে বিশেষভাৱে উল্লেখযোগ্য সমস্যা। এই সমস্যাবোৰে নাৰীক সমাজত পুৰুষৰ দাসী আৰু উপভোগৰ পণ্য সামগ্ৰীত পৰিণত কৰি তোলে। ভাৰতৰ মুছলমান যুগত নাৰীৰ সামাজিক প্ৰস্থিতিয়ে একেবাৰে নিম্নস্থান পায়গৈ। নাৰীক সমাজত এক অৱহেলিত স্থানত ৰাখে। এটা সময়ত কিছুমান সমাজত কন্যা সন্তান বধ কৰা প্ৰথা প্ৰচলিত আছিল। কিয়নো কন্যা সন্তানে পৰিয়ালত এক বিপৰ্যয় মাতি আনে, উপযুক্ত পাত্ৰত বিয়া দিয়া, বিয়াত যৌতুক দিয়া আদি নানা কাৰণত এই প্ৰথা প্ৰচলিত আছিল। আৰু জীয়াই থকাবোৰৰ ক্ষেত্ৰতো ল'ৰাৰ সমান শিক্ষা-দীক্ষা দিয়াত অৱহেলা কৰিছিল।

আধুনিক যুগত ভাৰতৰ স্বাধীনতাৰ পিছত নাৰীৰ সামাজিক স্থান কিছু পৰিমাণে উন্নত হৈছে। ইংৰাজ শাসনৰ সময়তে প্ৰৱৰ্তন হোৱা পাশ্চাত্য শিক্ষাৰ প্ৰভাৱে নাৰীকো ল'ৰাৰ সমানে শিক্ষা-দীক্ষা দিয়া আৰু সমান অধিকাৰ দিয়াৰ ব্যৱস্থা লাহে লাহে প্ৰচলিত হ'ল। ইংৰাজ চৰকাৰে বিভিন্ন আইন কানুনৰ দ্বাৰা নাৰীক অৱহেলিত কৰা কুপ্ৰথাবোৰ লাহে লাহে বন্ধ কৰিবলৈ সক্ষম হয়।

১৯ শতিকাত মহিলাই নিজৰ মৰ্যাদাৰ উন্নতিকৰণৰ ক্ষেত্ৰত যথেষ্ট সজাগ হ'ল। বিবাহিত মহিলাই সম্পত্তিৰ অধিকাৰ পালে। বিবাহ বিচ্ছেদৰ অধিকাৰ পালে। দ্বিতীয় মহা যুদ্ধৰ সময়ত আৰু বিশেষকৈ কুৰি শতিকাৰ মাজভাগত মহিলাই বহুত অধিকাৰ আৰু সন্মান লাভ কৰে, যদিও পুৰুষৰ সৈতে মহিলাই ৰাজনীতি, আইন, অৰ্থনৈতিক, শৈক্ষিক আৰু সামাজিক বিষয়ত সমান সুবিধা



পোৱা নাই। আমি সকলোৱে জানো যে ঘৰুৱা কামবোৰ মহিলাই কৰিব লাগে। কিন্তু ঘৰুৱা কামবোৰৰ বাহিৰে অন্যান্য কামবোৰত শ্ৰমবিভাজনৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত পাৰ্থক্য আছে। মহিলাই ভোটদানৰ অধিকাৰ পাইছে। কিন্তু সেই অনুপাতে ৰাজনৈতিক ক্ষমতাৰ অধিকাৰ এতিয়াও পোৱা নাই। তেওঁলোক শিক্ষাৰ পৰাও বঞ্চিত হৈ আছে। স্বাধীনতাৰ ৬৯ বছৰৰ পিছতো দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা গাঁৱৰ মহিলাই এতিয়াও শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। আৰু ইয়াৰ বেছি ভাগ গাঁৱৰ মহিলা। এই একৈশ শতিকাৰ দুৱাৰডলিত থিয় হৈ আমি অনুমান কৰিব পাৰিছো যে মহিলাই শিক্ষা, নিয়োগ আৰু ৰাজনীতিৰ ক্ষেত্ৰত ন্যায় পাবলৈ আৰু বহু দূৰ বাট আগুৱাব লাগিব। কিয়নো ভাৰতীয় সমাজৰ পৰিয়ালত ছোৱালীৰ ওপৰত কম গুৰুত্ব দিয়াৰ মানসিকতা এতিয়াও প্ৰচলিত হৈয়ে আছে।




**প্ৰসংগ পুথিসমূহ ঃ**

Emerging Issues and education

Principles of sociology, General sociology

# নিৰুদ্ধ অনুভৱ

কল্যাণ দাস



নির্মল কেতবোৰ মুখ
সীৰলুৰ চৌহদত
কুটি কুটি খায় তেওঁবোৰক
নতুনত্বৰ তাড়নাই
সৃষ্টিৰ বাসনাই।

সমাজৰ কল্যাণৰ হকে কৰা কৰ্মক লৈ সন্তুষ্ট থকা এজাক মানুহৰ পৃথিৱী এখন সৃষ্টিৰ প্ৰয়াসত নিমজ্জিত নির্মল মনৰ প্ৰতিফলন সীৰলু। গ্ৰাম্য বিকাশ মঞ্চই সঁচা অৰ্থত গ্ৰামাঞ্চলৰ বিকাশৰ লক্ষ্য আগত লৈ অগ্ৰসৰ হৈছে। আমি দেখিছো জন্মলগ্নৰ পৰাই অতি উচ্চমানৰ কৰ্মৰ যোগেদি অসমৰ কেইবাখনো জিলাত জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়াই আহিছে। এটা পৰিয়াল সদৃশ গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মচাৰীবোৰৰ দৰে চৰকাৰী অনুষ্ঠানৰ কৰ্মচাৰীবোৰে কাম কৰিলে আমাৰ ৰাজ্যখনৰ বহু উন্নতি হ'লহেঁতেন। অসমৰ নিচিনা এখন দুৰ্নীতিগ্ৰস্ত ৰাজ্যত প্ৰতিখন জিলাতে গ্ৰাম্য বিকাশ মঞ্চৰ নিচিনা একোটা বেচৰকাৰী অনুষ্ঠানৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে কিছুমান শুদ্ধ মনৰ স্ৰষ্টা লাগিব। মানুহ শোধন কৰা প্ৰক্ৰিয়া এটা দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ ফল। মানুহে কেনেদৰে কৰ্মৰ প্ৰতি অনুৰক্ত হৈ স্বাৱলম্বী হ'ব পাৰে এই শিক্ষা দিব পৰা কথাটো সকলো ব্যক্তিৰ বাবে সম্ভৱ নহয়। বহু উচ্চ শিক্ষিত মানুহেও এই ক্ষেত্ৰত ব্যৰ্থ হ'ব পাৰে। লোভ-মোহ নথকা





সুস্থ ধ্যান ধাৰণাৰে পুষ্ট এচাম মানুহে এইক্ষেত্ৰত আগভাগ ল'ব পাৰে। বস্তুবাদী জগতখনক আগস্থান দিয়া মানুহৰ বাবে এনেকুৱা চিন্তা-চৰ্চা কোনো কাৰণতে সম্ভৱ নহয়। কিবা কাৰণত সম্ভৱ হ'লেও ই ক্ষণস্থায়ী হ'ব। শিক্ষা অমূল্য ৰতন। সুশিক্ষাৰ দ্বাৰা পৰিয়াল গঠনৰ যোগেদি সবল সমাজ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব পাৰে। কিন্তু বহু যুগৰ অন্তত শিক্ষা অশুদ্ধিলৈ পৰিৱৰ্তন হ'ল। শিক্ষিত মানুহক শোধন কৰাৰ পৰিকল্পনা কৰিব লগা হ'ল। শিক্ষিত মানুহৰ বৰ্বৰতাত পৃথিৱীৰ পৰা প্ৰাণীজগতৰ বিলুপ্তিৰ উপক্ৰম হ'ল। যি শিক্ষাই অইন দহজনৰ হিত সাধন কৰিব পাৰে সেই শিক্ষাকহে অমূল্য ৰতন বোলা হয়। জীৱৰ জীয়াই থকাৰ হেঁপাহক সমৰ্থবানবোৰে চহাব পাৰিব লাগিব। সকলো ব্যক্তি একে শিক্ষাৰে শিক্ষিত হ'ব নিবিচাৰে। বিচাৰিলেও একমুখী শিক্ষা সুস্থ সমাজৰ লক্ষণ হ'ব নোৱাৰে।

জন্মগতভাৱে সকলো মানুহে সমাজৰ প্ৰতি দায়বদ্ধতা তেজত লৈ নাহে। সৃষ্টিশীল মানসিকতাৰে সকলোৱে কাম কৰিব নোৱাৰে। এইটো নিশ্চিত যে সমাজৰ কিছুসংখ্যক মানুহৰ জীৱন সমাজ সচেতনতাৰ বাবে উৎসৰ্গিত হ'বই। তেওঁলোকেই ভিন্ ভিন্ ক্ষেত্ৰত ভিন্ন উদ্দেশ্যাত ভৱিষ্যতৰ পুৰুষৰ বাবে সীৰলু আঁকিব লাগিব। এখন বৈষম্যহীন সমাজ গঠনৰ প্ৰক্ৰিয়াত অসংখ্য সঁচা সীৰলু আঁকি যাব লাগিব সুশিক্ষাৰ মাধ্যমেৰে। ভৱিষ্যতে কি ধৰণৰ সমাজ গঠন হ'ব বহুতৰ বোধগম্য নহ'লেও কিছুমান ব্যক্তিৰ বোধগম্য হয়। এনে ব্যক্তিয়ে সমাজ এখন সঠিক লক্ষ্যত উপনীত হোৱাৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত ল'ব পাৰে। দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ অন্তত এওঁলোক সফল হোৱাটো নিশ্চিত হৈছে।

পথ দুৰ্ঘটনা, মাদকদ্ৰব্য সেৱন, বিবাহ বিচ্ছেদ, গোলকীয় উষ্ণতা আদি প্ৰসংগত সজাগতাৰ শিক্ষা গ্ৰাম্য বিকাশ মঞ্চই আয়োজন কৰিব পাৰে। এনেকুৱা সজাগতাৰ শিক্ষা বেচৰকাৰী অনুষ্ঠানৰ যোগেদি বেছি ফলপ্ৰসূ হয়। সংস্কাৰ পূৰ্ণ সমাজ সৃষ্টিত বেচৰকাৰী অনুষ্ঠানবোৰে আগভাগ ল'ব পাৰে। আমাৰ ৰাজ্যৰ বহু অঞ্চলত গ্ৰাম্য বিকাশ মঞ্চৰ স্ৰষ্টাৰ নিচিনা কিছু সংখ্যক মানুহ নোহোৱা নহয়। কিন্তু এনেধৰণৰ কামৰ সংক্ৰমণ সহজে নহয়। এনে সংক্ৰমণ সংঘটিত নহ'লে সমাজ বহু যুগ পিছপৰি ৰোৱাটো নিশ্চিত।

কুৰি শতিকাৰ পৰিসমাপ্তিৰ ঠিক আগমুহূৰ্তত কাব্যিক চিন্তাৰে গ্ৰাম্য বিকাশ মঞ্চৰ জন্ম দিলে। মোৰ নিচিনা বহু পৰিয়ালৰ সদস্যৰ বাবে এইটো এটা অপঘাত কাৰ্য্যৰ সমতুল্য। নিজৰ কথা নাভাবি অইনৰ হিত সাধনৰ বাবে কাম কৰিব যোৱাটো আমাৰ সমাজত কোনোধৰণে খাপ নোখোৱা কথা। কিন্তু বংশগত তত্বত এইটো এটা পুৰুষৰ পৰা পৰৱৰ্তী পুৰুষলৈ এক উচ্চমানৰ প্ৰবাহিত চৰিত্ৰ। সম্ভ্ৰান্ত মনৰ পৰাহে সুস্থ-সবল সমাজৰ ধাৰণা আৰু আৰ্হিৰ মতামত আহিব পাৰে। আজি গ্ৰাম্য বিকাশ মঞ্চৰ যোগেদি এশৰো অধিক মানুহ প্ৰত্যক্ষভাৱে বিভিন্ন কৰ্মত নিয়োগ হৈ আছে। কৃষি, শিক্ষা আদি ভিন্ ভিন্ ক্ষেত্ৰত সমাজৰ বহুতো পৰিয়াল উপকৃত হৈছে। মই বিচাৰো গ্ৰাম্য বিকাশ মঞ্চই এনেকুৱা আঁচনি লওঁক যাতে গোটেই বিশ্বত শিপাব পাৰে আৰু অনুষ্ঠানটোক ধৰি ৰখাৰ বাবে উপযুক্ত ব্যক্তি সৃষ্টি কৰিব পাৰে।



# শৈশৱ— মোৰ অনুভৱ

ধ্ৰুৱজ্যোতি ৰাজবংশী

শৈশৱ, যিটো নামত নিহিত হৈ আছে কাৰোবাৰ সপোন, বহুদিনীয়া পৰীক্ষা-নিৰীক্ষাৰ ফলাফল আৰু বৰ্তমান শিক্ষা সমাজৰ বাবে এক আশা। গ্ৰাম্য বিকাশ মঞ্চৰ বৰ্তমানৰ সঞ্চালক পৃথিভূষণ ডেকা ডাঙৰীয়াৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে দেখা বৰ্তমান সমাজৰ লগত খাপ খুৱাই তাক উন্নতৰ পৰা উন্নতিৰ দিশলৈ লৈ যাব পৰা শিক্ষা ব্যৱস্থাৰ পৰিপূৰ্ণ ৰূপ হ'ল 'শৈশৱ'। ২০১৫ চনৰ ২১ জানুৱাৰীত জন্মগ্ৰহণ কৰা এই শিক্ষানুষ্ঠানটোৱে গ্ৰাম্য বিকাশ মঞ্চৰ স্বকীয় স্বৰূপ তথা বৰ্তমানৰ ব্যতিক্ৰমী শিক্ষা ব্যৱস্থাৰ অন্য এক নিদৰ্শন, য'ত শিক্ষক ছাত্ৰৰ সম্বন্ধৰ কথাও সুকীয়া, য'ত



ছাত্ৰই শিক্ষকক ছাৰৰ পৰিৱৰ্তে "দাদা" বা "বাইদেউ" বুলিহে সম্বোধন কৰে। যিটোৱে শিক্ষক ছাত্ৰৰ সম্বন্ধক এক অন্য সুন্দৰ মাত্ৰা প্ৰদান কৰাৰ উপৰিও এই সম্বন্ধটোক ওচৰ চপাই আনিছে। ফলত কোনো ল'ৰা-ছোৱালীয়ে বিনা সংকোচেৰে সমন্বয়কৰ ওচৰ চাপিছে। শ্ৰেণীকোঠাত ছাত্ৰ আৰু শিক্ষকৰ (সমন্বয়ক)ৰ মাজত উচ্চ নীচ দূৰ কৰিবৰ বাবে শ্ৰেণীকোঠাত উপলব্ধি কৰা নাই কোনো চকী মেজ তথা ডেস্ক-বেঞ্চৰ ব্যৱস্থা। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰত্যাহ্বান পৰীক্ষা ব্যৱস্থাটো উঠাই দিয়া হৈছে; কিন্তু তাৰ পৰিৱৰ্তে উপলব্ধি কৰাইছে দৈনিক মূল্যায়নৰ ব্যৱস্থাটো। য'ত ল'ৰা ছোৱালীয়ে সদায়ে গম নোপোৱাকৈয়ে পৰীক্ষাৰ সন্মুখীন হৈছে। তিনি মাহৰ মূৰে মূৰে অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীৰ অগ্ৰগতিৰ খতিয়ানো লাভ কৰিছে। অভিভাৱকেও নিজৰ ল'ৰা-ছোৱালীৰ বিনা স্বাৰ্থে পৰীক্ষা লৈছে। লগতে অগ্ৰগতিৰ খাতিয়ানত সঠিক মূল্যায়নো কৰিছে। লগতে প্ৰতিবছৰে বিভিন্ন প্ৰতিষ্ঠানৰ অভিজ্ঞ ব্যক্তিসকল আহি শৈশৱৰ ল'ৰা ছোৱালীৰ মূল্যায়নো কৰিছে। ইয়াত ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তে শিক্ষকেহে পাছ-ফেইল কৰিছে। বৰ্তমান শ্ৰেণীকোঠাৰ উপৰিও বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত লৈ গৈ ল'ৰা-ছোৱালীক উক্ত প্ৰতিষ্ঠানৰ তাৎপৰ্য্যৰ ওপৰত শিক্ষা প্ৰদান কৰিছে। প্ৰধানকৈ ৭ টা দিশত যেনে— language, Fine motor skill, Gross motor skill, self help & adoptive, speritual & moral cognitive socio emotional learning এইকেইটা দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ উপৰিও নাচ-গান, কলা চিত্ৰাঙ্কন ইত্যাদি সৰ্বাঙ্গীন দিশতে মনোনিবেশ কৰিছে যাতে শিশু এটাৰ আগুৱাই যোৱাত কোনো বাধা নাহে সেইটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। লুপ্ত হ'বলৈ ধৰা অসমীয়া সংস্কৃতিৰ কৃতী চিহ্ন স্বৰূপ ... সাচিপাত, বাহৰ বিভিন্ন সামগ্ৰী ইত্যাদি বিভিন্ন সামগ্ৰীৰ সংৰক্ষিত ঠাইৰ ঠিকনা সংগ্ৰহ কৰিওঁ ছাত্ৰ-ছাত্ৰীক সেইবোৰ দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে। শিক্ষাৰ্থীয়ে যাতে বৰ্তমানৰ নতুনত্বক আদৰিবলৈ প্ৰয়াস কৰা মুহূৰ্তত পুৰণিক মনত ৰাখি যায়। ইত্যাদি বিভিন্ন ধৰণৰ নতুন নতুন কৌশল অৱলম্বনৰ জৰিয়তে বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোত অন্য এক নতুন এটা কৌশল উপহাৰ দিবলৈ শৈশৱে ভৱিষ্যতলৈ গতি কৰি আছে।

বাঁহ গোঁসাই উৎসৱৰ প্ৰভাৱত ভঠেলি উৎসৱৰ সৃষ্টি হ'লনে ভঠেলি উৎসৱৰ প্ৰভাৱত বাঁহ গোঁসাই উৎসৱৰ সৃষ্টি হ'ল সেই সম্পৰ্কে সঠিক সিদ্ধান্ত দিব নোৱাৰি যদিও অনুমান কৰিব পাৰি যে সম্ভৱত বাঁহ গোঁসাই উৎসৱৰ প্ৰভাৱতে ভঠেলি অথবা জনজাতীয় সকলৰ প্ৰভাৱত ভঠেলি উৎসৱৰ সৃষ্টি হৈছিল। কিয়নো জনজাতীয় সমাজত বাঁহৰ প্ৰভাৱ অধিক সেয়ে জনজাতীয় সংস্কৃতিক বাঁহ সংস্কৃতি বুলি ক'লেও অত্যুক্তি কৰা নহয়। বাঁহক মংগোলীয় সকলৰ অৱদান বুলি পণ্ডিত সকলে একমুখে স্বীকাৰ কৰি গৈছে।

# বাঁহ গোঁসাই উৎসৱ আৰু ভঠেলিৰ এক তুলনামুলক অধ্যয়ন

শিখা হাবৈ



**অ**তি প্ৰাচীন কালৰে পৰাই উৎসৱ অনুষ্ঠানসমূহে জনসাধাৰণৰ মাজত বিশ্বাস, আনন্দ, সৌন্দৰ্য্য আদি অনুভূতি সমূহ জগাই তুলি আহিছে। উৎসৱ অনুষ্ঠানসমূহে জনসাধাৰণৰ মাজত আত্মবিশ্বাস বৃদ্ধি কৰে। ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰাই অনাখৰী লোকৰ মাজত উৎসৱ পালনৰ পৰ্ব চলি আহিছে। তেওঁলোকে প্ৰধানতঃ ভয়াবহ প্ৰকৃতিক সন্তুষ্ট কৰিবলৈ, খেতি পথাৰ, অৰণ্য, আকাশ আদিৰ দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ আৰু বিশেষকৈ বলবৃদ্ধি কৰিবলৈ উৎসৱ অনুষ্ঠানসমূহ পাতিছিল। উৰ্বৰতা বৃদ্ধিৰ লগতে কৃষিৰ প্ৰাচুৰ্য কামনাই আছিল প্ৰধানত উৎসৱ পাৰ্বনৰ প্ৰধান উদ্দেশ্য। উৎসৱ অনুষ্ঠানসমূহ উদ্‌যাপন কৰাৰ ক্ষেত্ৰত এক বিশেষ তাৎপৰ্য থকা দেখা যায় আৰু এই বিশেষ তাৎপৰ্যই একোটা জাতিক বা সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰে।

ভাতৰত উত্তৰ পূব দিশত অৱস্থিত অসম ভিন্ন জাতি জনগোষ্ঠীৰে সমৃদ্ধ এখন বহুভাষিক ৰাজ্য। অসমত বাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীয়ে নিজস্ব ৰীতিৰে সুকীয়া সুকীয়াভাৱে অতীজৰ পৰাই উৎসৱ অনুষ্ঠানসমূহ পালন কৰি আহিছে। প্ৰতিটো জাতি-জনগোষ্ঠীয়ে সুকীয়া সুকীয়াভাৱে স্বকীয় ৰীতি-নীতিৰে উৎসৱসমূহ পালন কৰে যদিও সকলো উৎসৱ অনুষ্ঠানৰ অন্তৰালত এটা উদ্দেশ্য প্ৰতিফলিত হোৱা দেখা যায়। কৃষিৰ শ্ৰীবৃদ্ধি তথা প্ৰজনন শক্তি বৃদ্ধিৰ কামনা।

অসমৰ এটি অন্যতম জনজাতীয় জনগোষ্ঠী শৰণীয়া কছাৰীসকলৰ মাজত বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠান অতীজৰে পৰাই চলি আহিছে। বাঁহ গোঁসাই উৎসৱ তেওঁলোকৰ মাজত প্ৰচলিত এটি অন্যতম উল্লেখযোগ্য উৎসৱ। প্ৰকৃততে ক'বলৈ গ'লে গছ-গছনিক দেৱতা জ্ঞান কৰি পূজা-অৰ্চনা কৰা প্ৰথা অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ মাজতে বিদ্যমান। কেৱল প্ৰতিটো জাতি জনগোষ্ঠীয়ে উৎসৱসমূহক ভিন্ন নামেৰে নামাকৰণ কৰা দেখা যায়।

নামনি অসমৰ দৰং বাক্সা ওদালগুৰি আদি ঠাইত শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত বাঁহ গোঁসাই উৎসৱৰ লগত নামনি অসমৰ সকলো জাতি জনগোষ্ঠীয়ে পালন কৰা জনপ্ৰিয় ঋতুকালীন উৎসৱ ভঠেলিৰ লগত কিছু পৰিমাণে সাদৃশ্য থকা দেখা যায়।

বাঁহ গোঁসাই উৎসৱৰ প্ৰভাৱত ভঠেলি উৎসৱৰ সৃষ্টি হ'লনে ভঠেলি উৎসৱৰ প্ৰভাৱত বাঁহ গোঁসাই উৎসৱৰ সৃষ্টি হ'ল সেই সম্পৰ্কে সঠিক সিদ্ধান্ত দিব নোৱাৰি যদিও অনুমান কৰিব পাৰি যে সম্ভৱত বাঁহ গোঁসাই উৎসৱৰ প্ৰভাৱতে ভঠেলি অথবা জনজাতীয় সকলৰ প্ৰভাৱত ভঠেলি উৎসৱৰ সৃষ্টি হৈছিল। কিয়নো জনজাতীয় সমাজত বাঁহৰ প্ৰভাৱ অধিক সেয়ে জনজাতীয় সংস্কৃতিক বাঁহ সংস্কৃতি বুলি ক'লেও অত্যুক্তি কৰা নহয়। বাঁহক মংগোলীয় সকলৰ অৱদান বুলি পণ্ডিত সকলে একমুখে স্বীকাৰ কৰি গৈছে।

"কথিত আছে যে দামোদৰদেৱে অনুগত শিষ্য শ্ৰীভগৱান দেৱক জনজাতি অধ্যুষিত উত্তৰ কামৰূপত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ দিয়ে। গুৰু আজ্ঞাপৰ শ্ৰীভগৱানদেৱ আহিল বৰ্তমানৰ গোবিন্দ পুৰলৈ আৰু তাত সত্ৰ স্থাপন কৰি নিজ গুৰুৰ নিৰ্দেশ মতে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ অগ্ৰসৰ হ'ল যদিও শিৱ-পাৰ্বতী উপাসক জনজাতিসকলৰ পৰা বাধা পাবলৈ ধৰিলে। তেতিয়া দূৰদৰ্শী দামোদৰদেৱে বিশ্বস্ত শিষ্য শ্ৰীভগৱানদেৱক নিৰ্দেশ দিলে জনজাতিসকলৰ দেৱতা শিৱ পাৰ্বতীকো সত্ৰায়িত কৰিবলৈ। গুৰুৰ আদেশ শিৰোধাৰ্য কৰি শিৱ-পাৰ্বতীৰ প্ৰতীক পাউৰাক সত্ৰায়িত কৰা হ'ল।"[১] এনেদৰে জনজাতীয়সকলৰ মাজত শিৱ পাৰ্বতীৰ প্ৰতীক পাৰা বা পাউৰা তোলা হয়। এই উৎসৱকে শৰণীয়া কছাৰীসকলে "বাঁহ গোসাঁই উৎসৱ" বুলি কয়।

ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পাৰি যে অনাৰ্য বা আৰ্যভিন্ন গোষ্ঠীৰ মাজত বাঁহ গোসাঁই উৎসৱে প্ৰথমে পাতনি মেলে। কিয়নো "বাঁহ" মংগোলীয় গোষ্ঠীৰ দান তথা শিৱ পাৰ্বতীৰ প্ৰতীক। লগতে শিৱ হ'ল জনজাতীয় লোকসকলৰ উপাস্য দেৱতা। সেয়ে বাঁহ গোসাঁই উৎসৱৰ প্ৰথম প্ৰচলন জনজাতীয় লোকৰ মাজত হোৱা বুলি অনুমান কৰিব পাৰি। এই সম্পৰ্কে ড° হীৰেন গোহাঁয়ে কেচাঁইখাতী নামৰ আলোচনীখনৰ পাতনিত এনেদৰে কৈছে...

"বাঁহ হৈছে মংগোলীয় সংস্কৃতিৰ অন্যতম প্ৰধান উপাদান। আৰ্যাৱৰ্ত্তত বাঁহ আমাৰ ইয়াৰ দৰে সুলভ নহয় আৰু নানা কামত ব্যৱহৃত নহয়। সেয়ে "পাউৰা" পূজা স্থানীয় মংগোলীয় কৃষ্টিৰ পৰাই নৱাগত আৰ্যসকলে লোৱাৰ সম্ভাৱনা বেছি। তাকে যেনিবা ঘহি মাজি আৰ্যকৃত কৰি লোৱা হৈছে।[২]

শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত বাঁহ-গোসাঁই উৎসৱৰ লগত নামনি অসমৰ বিশেষকৈ কামৰূপ, নলবাৰী অঞ্চলৰ আৰ্য গোষ্ঠীৰ মাজত প্ৰচলিত। এই উৎসৱটো অনুষ্ঠিত হোৱাৰ কোনো নিৰ্দিষ্ট দিন, বাৰ নাই। কেৱল ভাল দিন চাই এই উৎসৱটো অনুষ্ঠিত কৰা হয়। বহাগ মাহৰ পৰা বাঁহৰ গজালি মেলা আৰম্ভ হয়। সেয়েহে বহাগ মাহত ভঠেলি উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱৰ লগত পৰিৱেশ সংৰক্ষণ আৰু পৰিৱেশ সচেতনতা জড়িত হৈ থকা বুলি অনুমান কৰিব পাৰি। ভঠেলি উৎসৱত প্ৰধানত বাঁহক পূজা কৰা হয়, বাঁহৰ শ্ৰীবৃদ্ধি কামনা কৰা হয়। অতি প্ৰাচীন কালৰে বিভিন্ন জাতি জনগোষ্ঠীয়ে বাঁহ পূজা কৰি আহিছে। ঠাই গোষ্ঠীৰ লোকসকলে ভঠেলি উৎসৱ পালন কৰে, সেইদৰে দৰং মংগলদৈ অঞ্চলৰ লোকসকলে বাঁহৰ লগত সংপৃক্ত দেউল উৎসৱ পালন কৰে। গোৱালপাৰা জিলাৰ লোকসকলে সুৰী বা সুৰেৰী উৎসৱ পালন কৰে। শৰণীয়া কছাৰীসকলৰ মাজতো বাঁহ গোসাঁই উৎসৱ পালন কৰা হয়। উদ্দেশ্য একেটাই- গছৰ শ্ৰীবৃদ্ধি কামনা কৰা, সমাজৰ কল্যাণ সাধন কৰা।

ভঠেলি পদটো আহিছে সংস্কৃত নভঃস্তলিকা শব্দৰ পৰা। ভঠেলি উৎসৱক অঞ্চল বিশেষ পাওৰা তোলা বা পাৰা তোলা বুলিও কোৱা হয়। ভঠেলি উৎসৱৰ লগত পাৰা বা পাউৰা তোলাৰ ওতঃপ্ৰোতঃ সম্পৰ্ক আছে। পাউৰা হ'ল এডাল দীঘল জাতি বাঁহ, যাক ডালে মুলে চোপৰ (জোপোহাৰ) পৰা উভালি আনি ৰঙীন কাপোৰেৰে সজোৱা হয়। সজোৱা বাঁহক পাউৰা বা পাৰা বুলি কয়। "কোনো লোকৰ মতে পাউৰা বা পাওৰা শব্দটোৰ মূল হৈছে পাৰ্বতী (পদটো)"[৪] (নবীন চন্দ্ৰ শৰ্মা স্মৃতিগ্ৰন্থ বাঁহ গোসাঁই উৎসৱ) ভঠেলি উৎসৱত দুডাল দীঘল জাতি বাঁহ জোপোহাৰ পৰা উভালি আনি ৰঙীন কাপোৰেৰে সুন্দৰকৈ সজোৱা হয় লগতে তাত মাজে মাজে চোৰৰ বান্ধি মাজ ভাগত ফুলৰ মালা বা ফুলৰ থোপা আৰি দিয়া হয়। বাঁহ সজোৱা কাৰ্যটি মূল উৎসৱ স্থলীত কৰা নহয়। কোনো দুটা চুবুৰী বা দুটি সম্প্ৰদায়ৰ মাজত দুটি পাৰা সজোৱা হয়। ইয়াৰে কোনো এটি চুবুৰী বা ফৈদ বা দৰা ঘৰীয়া হৈ ঢোল, খোল, তাল, বৰকাঁহ, শংখ আদি বাদ্যযন্ত্ৰসমূহ বজাই বজাই গীত মাতেৰে সমদল হৈ মূল ভঠেলিস্থলীলৈ মহা পয়োভৰেৰে পাৰা দুটি অনা হয়। উৎসৱ স্থলীত সাধাৰণতে আহত গছত বাঁহ দুডালক এটি এটিকৈ থিয় কৰোৱা হয়। ইয়াকে পাৰ তোলা বোলে।

কোনো কোনো অঞ্চলত পৰম্পৰা আছে যে পাৰা দুটিৰ যিটো বেছি ওখ হয় সেইটোৰ গৰাকী ফৈদটোক জয়ী বুলি ধৰা হয়। জয়ী ফৈদটোৱে বিপৰীত পক্ষৰ পাৰাটোৰ কাচন সামগ্ৰীসমূহ পায়। অৱশ্যে এই কাচন সামগ্ৰীৰ পৰিৱৰ্তে যিকোনো মাননি দিয়া প্ৰথাও প্ৰচলন আছে। পাৰাৰ গুৰিৰ ঠাইখিনি ফাকুগুড়ি নানাৰঙী ফুলেৰে ধুনীয়াকৈ সজাই ধূপ-ধূনা, চাকি-বন্তি দি মাহ প্ৰসাদৰ শৰাই আগবঢ়োৱা হয়। লগতে উৎসৱস্থলীত নাম কীৰ্ত্তন কৰা হয়। ভঠেলি উৎসৱ পতা সময়খিনি হ'ল বৰদৈচিলা আগমনৰ সময়। সেয়েহে ইয়াত আড়ম্বৰপূৰ্ণ ৰভা আদিৰ ব্যৱস্থা নাথাকে। কিন্তু সাম্প্ৰতিক সময়ত পুৰণি পদ্ধতিৰ কিছু পৰিমাণে সলনি হৈছে। হাজোৰ ওচৰৰ ৰামদিয়া অঞ্চলত আড়ম্বৰপূৰ্ণভাৱে তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয় ভঠেলি। ইয়াৰ লগত

সংগতি ৰাখি ডাঙৰ মেলা অনুষ্ঠিত কৰা হয়। নলবাৰী চহৰৰ ওচৰৰ বালিলেছা মন্দিৰ প্ৰাঙ্গনতো আড়ম্বৰপূৰ্ণভাৱে ভঠেলি উৎসৱ উদ্‌যাপন কৰা হৈ আহিছিল যদিও বৰ্তমানে ইয়াৰ প্ৰভাৱ হ্ৰাস পাই আহিছে। পূৰ্বতে ভঠেলি উৎসৱ নামনি অসমৰ কামৰূপ নলবাৰী অঞ্চলৰ দুই চাৰিখন গাঁও বা দুই চাৰিটা চুবুৰী মিলি অনুষ্ঠিত হৈছিল যদিও বৰ্তমানে ইয়াৰ প্ৰভাৱ তেনেই স্তিমিত হৈ আহিছে। ৰামদিয়াৰ বাহিৰে বাকী অঞ্চলত ভঠেলি উৎসৱৰ প্ৰভাৱ বিচাৰি পোৱা টান হৈ পৰিছে। কেৱল দুই এঠাইতহে ইয়াৰ প্ৰভাৱ নুমাব ধৰা চাকিৰ নিচিনাকৈ ধিমিকি ধিমিকি জ্বলি আছে আৰু এনেদৰে থাকিলে হয়তো অদূৰ ভৱিষ্যতে ই সময়ৰ সোঁতত নিশ্চিহ্ন হৈ যাব।

ভঠেলি উৎসৱৰ দৰে বাঁহ গোসাঁই উৎসৱো বহাগ মাহত অনুষ্ঠিত হয়। চ'তৰ সংক্ৰান্তি অৰ্থাৎ গৰু বিহুৰ দিনাৰ পৰা বহাগ মাহৰ ছয় তাৰিখলৈ এই বাঁহ গোসাঁই উৎসৱ পতা হয়। "শৰণীয়া কছাৰীসকলৰ বাঁহ গোঁসাই উৎসৱ কৃষি ভিত্তিক লোক উৎসৱ। শৰণীয়া কছাৰীসকলে বাঁহক বুঢ়া ডাঙ্গৰীয়া বা শিৱ জ্ঞান কৰে। বাঁহ পূজা কৰিলে শিৱ সন্তুষ্ট হয় বুলি তেওঁলোকৰ বিশ্বাস। শিৱ গোঁসাই সন্তুষ্ট হ'লে শস্য-মৎস্য, ধন, জন বৃদ্ধি হোৱাৰ লগতে, সকলোৰে অপায়-অমংগল দূৰ হয় বুলি তেওঁলোকে গভীৰ আন্তৰিকতাৰে বিশ্বাস কৰে। সেয়েহে বছৰটোৰ আৰম্ভণীতে বাঁহ গোসাঁই পূজা কৰি শস্য মৎস্য ধন, ধান, জন বৃদ্ধিৰ কামনাৰে সকলোকে মাৰিমৰকৰ পৰা ৰক্ষা কৰি ভালে কুশলে ৰখাৰ প্ৰাৰ্থনাৰে বাঁহ গোসাঁই উৎসৱ পালন কৰা হয়।"

বাঁহ গোসাঁই উৎসৱ কৰাৰ পদ্ধতি ভঠেলি উৎসৱতকৈ সামান্য পৃথক। ঠাই ভেদে সম্প্ৰদায় ভেদে এনে ভিন্নতা অস্বাভাৱিক নহয়।

বাঁহ গোসাঁই পূজাৰ বাবে পূৰঠ আৰু পোন জাঁতি বাঁহৰ ৯ হাত ৫ আঙুলি দীঘল জোখৰ এডাল বাঁহ লাগে। এই বাঁহ ডোখৰ ভালদৰে ধুই পৰিস্কাৰ কৰি পোছাক অৰ্থাৎ জামা পিন্ধোৱা হয়। ইয়াৰ পাছতে শীৰ্ষভাগত মুকুট, তেল, সেন্দূৰ আদি সানি কুসুম মালাৰে জাতিষ্কাৰ কৰি দিয়া হয়। এই সন্দৰ্ভত গোসাঁই বাঁহত গামোচা ঘুনুচা, উৰমাল, চোৱাৰ আদি যথা স্থানত সংস্থাপন কৰিব লাগে। এনেদৰে বাঁহ গোসাঁই সুন্দৰ দৃষ্টিনন্দনকৈ সজাই পৰাই তোলা হয়। গোসাঁই বাঁহ সজোৱা হোৱাৰ পিছত গোসাঁইৰ বা দেৱগৃহৰ চাৰিওফালে সাতপাক ঘুৰাই উৎসৱক্ষেত্ৰলৈ গোসাঁই বাঁহ সজোৱা হোৱাৰ পিছত গোসাঁইঘৰ বা দেৱগৃহৰ চাৰিওফালে সাতপাক ঘূৰাই উৎসৱ ক্ষেত্ৰলৈ গোসাঁই বাঁহ লৈ যোৱা হয়। ভঠেলি উৎসৱত যেনেদৰে উৎসৱৰ বাঁহ দুডাল পথাৰৰ মাজৰ বা আলিবাটৰ ওচৰৰ ডাঙৰ গছত আওজাই থোৱা হয় বাঁহ গোসাঁই উৎসৱত তেনেদৰে কৰা নহয়। বাঁহ গোসাঁই উৎসৱত নামঘৰ বা গোসাঁইঘৰত বাঁহ দুডাল সজাই-পৰাই উলিয়াই আনি গোসাঁই ঘৰৰ চাৰিওফালে সাতপাক ঘুৰাই বাঁহ গোসাঁইক পূজা-অৰ্চনা কৰি গাঁও সৰি ফুৰাবলৈ বা পৰিভ্ৰমণ কৰাবলৈ সাজু কৰায়। সৰি ফুৰাওতে দেউৰী বা মুখীয়াল ব্যক্তিয়ে তেওঁলোকৰ ঘৰলৈ আমন্ত্ৰণ জনায়। তাৰ পিছত গাঁওখনৰ অইন ব্যক্তিসকলে তেওঁলোকৰ নিজা নিজা ঘৰলৈ বাঁহ গোসাঁইক আদৰণি জনায়। সৰি ফুৰোৱাৰ অন্তত আকৌ বাঁহ গোসাঁইক গোসাঁই ঘৰলৈ নিয়া হয়। ভঠেলি উৎসৱত বাঁহ দুডালক গাঁওৰ মাজেৰে লৈ যোৱা হয় পিছে পিছে ভক্তপ্ৰাণ ৰাইজ নাম-কীৰ্ত্তন কৰি যায়। কোনো বিশেষ ব্যক্তিৰ ঘৰত লৈ যোৱা নহয়। সেয়ে বাঁহ গোসাঁই উৎসৱৰ লগত ভঠেলি উৎসৱৰ কিছু পাৰ্থক্য থকা দেখা যায়।

বাঁহ গোসাঁই উৎসৱ শৰণীয়া কছাৰীসকলৰ জাতীয় উৎসৱ। ডেকা-বুঢ়া, ল'ৰা-তিৰোতা সকলোৰে এই উৎসৱলৈ আগ্ৰহেৰে বাট চাই থাকে। হিয়াত উলাহৰ ঢল নামে। দিন যিমানে আগবাঢ়ি গৈছে সিমানে বাঁহ গোসাঁই উৎসৱৰ জনপ্ৰিয়তা পূৰ্বতকৈ অধিক বৃদ্ধি হৈ পৰিছে। সময়ৰ পাক চক্ৰত ই থাউনি হেৰুৱাব লগা হোৱা নাই। এইটো এটা জাতিৰ কাৰণে শুভ লক্ষণ। আনহাতে ভঠেলি উৎসৱে নামনি অসমৰ কামৰূপ-নলবাৰী অঞ্চলত প্ৰায়ে মেলানি মগাৰ উপক্ৰম হৈছে। আগতে দুই-তিনিটা চুবুৰী বা দুই-তিনিখন গাঁও লগ হৈ ভঠেলি উৎসৱ কৰিছিল যদিও এতিয়া ইয়াৰ প্ৰভাৱ সীমিত হৈ আহিছে। হাজোৰ ৰামদিয়াৰ বাহিৰে নামনি অসমৰ কতো উলহ-মালহেৰে ভঠেলি উৎসৱ আয়োজন কৰা নহয়। হয়তো পৰিৱৰ্তনশীল সময়ৰ সোঁতত ভঠেলিয়ে নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। কিন্তু এনেকুৱা এটা পুৰণি উৎসৱ কালৰ বুকুত নিশ্চিহ্ন হৈ যাবলৈ ধৰাটো এটা সভ্য জাতিৰ কাৰণে ভাল লক্ষণ হ'ব নোৱাৰে। নতুন প্ৰজন্মই এই উৎসৱসমূহৰ প্ৰতি সম্ভাৱ পোষণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।



# শৈশৱ ঃ জীৱনৰ এক স্বৰ্ণীল সময়

ক্ষিতিশ কুমাৰ কাকতি

**দে**শৰ ভৱিষ্যৎ সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰে শিশুসকলৰ ওপৰত। ভৱিষ্যৎ সমাজ বা দেশৰ গুৰি ধৰোতা এই শিশুসকলক শিশু কালছোৱাতে শুদ্ধ আৰু উচিত পথেৰে আগবঢ়াই নিবলৈ এক সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ নিশ্চয় প্ৰয়োজন আছে। অন্যথাই ভৱিষ্যৎ এজন ভাল মানহ হোৱাৰ লক্ষ্য স্থিৰ কৰিব পৰা নাযাব।

আমি জানো যে ঘৰখনেই হৈছে শিশুৰ প্ৰথম শিক্ষানুষ্ঠান। প্ৰথমে ঘৰখন, তাৰ পিছতহে বাহিৰা জগতখনৰ লগত পৰিচয় ঘটে। ঘৰখনত মাকৰ পৰা মাকৰ ভাৱ, ভাষা আৰু চলন চৰিত্ৰ লৈয়ে শিশু গঢ় লৈ উঠে। সেয়েহে মাকেই শিশুৰ শিক্ষাৰ ভিত্তি। শিশুৱে শৈশৱৰ শিক্ষাথলী ঘৰখনত পিতৃ-মাতৃৰ অনুশাসনৰ মাজেৰে নৈতিকভাৱে গঢ় লৈ উঠিব লাগিব। মূল্যবোধৰ শিক্ষাৰ পৰা যদি শিশু বঞ্চিত হয় তেনেহ'লে তাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। শিশুৰ বাবে ঘৰখন এনে হ'ব লাগিব যাতে শিশুৱে জীৱনৰ নিত্য প্ৰয়োজনীয় সকলোবোৰ বস্তুৰ লগত পৰিচিত হয় আৰু প্ৰতিটো বস্তুৰ ব্যৱহাৰ জানে। আকৌ পৰিয়ালত পৰস্পৰে পৰস্পৰৰ যাতে স্বাৰ্থ হৈ উঠে। প্ৰত্যেকে প্ৰত্যেকক যাতে সাহায্য কৰে, প্ৰত্যেকৰ মাজত যাতে বুজাবুজি গঢ়ি উঠে সেই অভ্যাস গঢ়ি তুলিব লাগিব। অকল কিতাপ পঢ়া বিদ্যা থাকিলেই শিক্ষিত হোৱা নাযায়। শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে শিশুৰ ক্ষমতাসমূহৰ সুস্থ বিকাশ হয়। শিশুৰ মনত যাতে কোনোমতে অশ্ৰদ্ধা, দোষদৃষ্টি, অনৈক্য বুদ্ধি, পৰনিন্দা, পৰচৰ্চা, প্ৰভৃতি কু-অভ্যাসে বাহ নলয় তালৈ তীক্ষ্ণ নজৰ দিব লাগিব।



শিশুবোৰৰ জীৱনত শিকিবলগীয়া এক গুৰুত্বপূৰ্ণ কথা হ'ল অসতক চিনাৰ শক্তি আৰু তাক নিৰোধ কৰাৰ সাহস আৰু বুদ্ধি। জীৱনৰ বাবে কোনটো বেয়া, কোনটো ভাল, কোনটো কৰা উচিত কোনটো উচিত নহয়, এই ভাল-বেয়া নিৰ্ধাৰণ কৰিব পৰা ক্ষমতা শিশুৱে সৰুৰে পৰা পাব লাগিব। শিশুক ভাল কৰিবলৈ হ'লে তাৰ ভিতৰত যি বেয়া আছে তাক পাহৰাই দি অনবৰতে তাৰ ভাল দিশটো দাঙি ধৰিব লাগিব। মানৱীয় প্ৰমূল্য, দয়া, ক্ষমা, প্ৰেম, প্ৰীতি, ধৈৰ্য, কৰুণা আদি বিষয়বোৰৰ অৰ্থ যেন সিহঁতে ঠিকমতে বুজি পায়। প্ৰত্যেকটো বিষয় সম্বোধনে তাৰ বোধ স্বচ্ছ কৰি দিব লাগিব।

শিশু কালতে মাকৰ মৰম-চেনেহ, আদৰ-যত্নৰ পৰা বঞ্চিত শিশু মানসিকভাৱে ভাগি পৰে। গতিকে অন্যান্য শিশুৰ লগত সুস্থ আৰু স্থায়ী মানসিক সম্পৰ্ক গঢ়ি তুলিব নোৱাৰে। মনোবৈজ্ঞানিক বেকনে কৈছে — "যি পৰিয়ালত পিতৃ-মাতৃৰ শিশুক শাসান কৰাৰ অস্ত্ৰ ভালপোৱা, সেই পৰিয়ালেই সুস্থ আৰু সুখী পৰিয়াল।" ইতিবাচক কথা-বতৰা পতা এখন ঘৰৰ শিশু কেতিয়াও বেয়া হ'ব নোৱাৰে। এটা ইতিবাচক পৰিৱেশ সৃষ্টি কৰি শিশুসকলক ইতিবাচক বিষয়সমূহৰ অনুশীলনত ব্যস্ত ৰাখি আগবঢ়াই লৈ যোৱাটো অকল ঘৰখনৰ ক্ষেত্ৰতেই নহয় শিক্ষানুষ্ঠানসমূহৰো নিশ্চয় দায়িত্ব অপৰিহাৰ্য। তেতিয়াহে শিশুৰ

মনত লুকাই থকা সৃষ্টি, সম্ভাৱনা তথা প্ৰতিভা বিকশিত হৈ শিশুৰ জীৱনত সফলতাৰ দুৱাৰ মুকলি হ'ব।

সন্তানক যদি পিতৃ-মাতৃৱে কিবা উপদেশ দিবলগীয়া হয় তেনেহ'লে পিতৃ-মাতৃয়ে সেইটো নিজেই আচৰণ কৰি দেখুৱাব লাগিব। মাক-দেউতাকৰ চাল-চলন আৰু চৰিত্ৰ অজ্ঞাতসাৰে শিশুৰ চৰিত্ৰলৈ গুচি যায়। গতিকে সন্তানৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে সাৱধান হৈ চলিব লাগিব। শৈশৱ কালতে পঢ়াৰ নিৰ্দিষ্ট সময় উলিয়াবলৈ পিতৃ-মাতৃয়ে শোৱা-উঠাৰ সময় নিৰূপণ কৰি দিয়া উচিত। শিক্ষাৰ ক্ষেত্ৰত এটা মাৰাত্মক দিশ হৈছে বেছিভাগ অভিভাৱকে পৰীক্ষাসমূহত শিশুটিয়ে লাভ কৰা মাৰ্কছিটখনৰ ওপৰতে শিক্ষাৰ মান নিৰূপণ কৰে। ৮০ বা ৯০ শতাংশ নম্বৰ কেতিয়াও সন্তানৰ উন্নতিৰ মাপকাঠী হ'ব নোৱাৰে।

পঢ়া-শুনাৰ বাবে নিষ্ঠা লাগে। নিষ্ঠা মানে অশৃংখলিতভাৱে লাগি থকা। মই এইটো বিষয় আহৰণ কৰি থাকিম, ইয়াকে বোলে নিষ্ঠা। নিষ্ঠা থাকিলে একাগ্ৰতা আহে। একাগ্ৰতা আনন্দৰ পৰা আহে। যদি শিশুৱে কাৰ্যক্ৰমত আনন্দ পায় একাগ্ৰতা আহিব। মনোযোগেৰে পঢ়িলে কাৰ্য সমাপন হৈ যায়। শিশুক সদায় আনন্দত ৰাখিব লাগে। শিশুসকলৰ অনুভূতি প্ৰকাশৰ বাবে শ্ৰেণীকোঠাত নিৰাপদ অনুভৱ কৰিব লাগে। শিশুৰ চিন্তা আৰু মতামতক মূল্য দিব লাগে। শিশুক তাৰ সামৰ্থ অনুযায়ী আগবঢ়াই নিব লাগে। সামৰ্থ থকা স্বত্ত্বেও যদি শিশুৱে তাৰ কৰণীয় নকৰে তেনেহ'লে তাৰ কৰ্মক্ষম ক্ষমতা কমি যায়।

শিশুৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ কথা হ'ল শিশুৰ স্বাস্থ্য। সুস্থ শৰীৰতহে এটা সুস্থ মন থাকে। বহু অভিভাৱকৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকে শিশুক মানসিকভাৱে বহু দায়িত্ব দিয়ে, কিন্তু শাৰীৰিক স্বাস্থ্যৰ প্ৰতি বিশেষ কোনো যত্ন নলয়। শিশুক অকল মানসিক দিশত গুৰুত্ব দিলেই নহ'ব, কিয়নো মানসিক প্ৰস্তুতি লাভ কৰিবলৈ হ'লে এটা সুস্থ-সবল নিৰোগী শৰীৰৰ অতি প্ৰয়োজন। শিশুক নিজে নিজৰ শৰীৰৰ প্ৰতি যত্ন লোৱাৰ বাবে তৎপৰ কৰি তুলিব লাগিব। স্বাস্থ্যৰ প্ৰতি সজাগ হ'বলৈ প্ৰবুদ্ধ কৰিব লাগিব। শাৰীৰিকভাৱে সুস্থ শিশুৱে মানসিক আৰু বৌদ্ধিক বিকাশ সাধন কৰিব পাৰে। আকৌ পঢ়াৰ বাবে শিশুক কোনো ধৰণৰ হেঁচা প্ৰয়োগ নকৰি পঢ়া-শুনাত যাতে মনোযোগ বাঢ়ে সুকৌশলেৰে তাকেই কৰিব লাগে।

শিশুৱে কেতিয়াও যাতে অবাবত সময় নষ্ট নকৰে সেই শিক্ষা সৰুৰে পৰা শিশুক দিব লাগে। শিক্ষাই শিশুক আত্মনিৰ্ভৰশীল আৰু আত্মবিশ্বাসী কৰি গঢ়ি তুলিব লাগিব। সততা, মহানুভৱতা, দায়িত্ববোধৰ আদিপাঠ শিশুৱে পাব লাগিব। শিক্ষা গ্ৰহণ কৰি যদি শিশুৱে স্বাৰ্থপৰভাৱে প্ৰাধান্য দি আপোনপেটা হৈ পৰে তেনেহ'লে সেই শিক্ষা কেতিয়াও শুদ্ধ শিক্ষা হ'ব নোৱাৰে। আনহাতে সমাজ, জাতি বা দেশ গঢ়াৰ ক্ষেত্ৰত অকল মেধাৱী ছাত্ৰজনকেই ল'ব নোৱাৰি মেধা হৈও যদি চৰিত্ৰহীন হয় সি কেতিয়াও দেশ বা জাতি গঠনত সহায়ক হ'ব নোৱাৰে।

আমাৰ ঘৰখনত, সমাজখনত, বিদ্যালয়সমূহৰ মূল্যবোধৰ উপাদানসমূহ কমি যাব ধৰিছে। আমাৰ শিশুসকলে নিজৰ ঘৰখনত নিজৰ গাঁওখনত দেখিবলৈ পায় অসংযমী আচৰণ, সম্পৰ্কৰ সংকট, সামাজিক দায়িত্বহীনতা, অমানৱীয়তা, অশ্ৰদ্ধা, কু-চৰ্চা, কু-প্ৰথা আৰু এক মূল্যবোধহীন পৰিৱেশ। এনে এক পৰিৱেশত ডাঙৰ-দীঘল হোৱা শিশুৰ ভিতৰত অজ্ঞাতসাৰে মজ্জাগত হৈ উঠে আত্মকেন্দ্ৰিক তথা স্বাৰ্থপৰতাৰ ভাব। গতিকে শিশু অৱস্থাতে অসৎ প্ৰৱণতা নিৰোধী প্ৰৱণতা যদি খুব শক্তিশালী আৰু তীক্ষ্ণ কৰি দিয়া নাযায় তেনেহ'লে বেছি বয়সত অসৎ সংগৰ কবলত পৰি উচ্ছৃংখলতা কেৱল একক জীৱনতেই নহয় তাৰ বীজাণু লাহে লাহে সমাজৰ গভীৰতালৈ সংক্ৰামিত হয়।

যি শিক্ষাই শিশুৰ হৃদয়খনক প্ৰশিক্ষণ নিদিয়ে সেই শিক্ষা বিপজ্জনক। শিশুক অকল শিকালে নহয় জীৱনবোধত পৰিণত কৰিব লাগিব।শিশু শিক্ষাৰ বাবে পুথি বা গ্ৰন্থৰ প্ৰয়োজন, শিশুৰ উপযোগী গ্ৰন্থ। গ্ৰন্থৰ জন্ম মানে এখন হৃদয়ৰ জন্ম।

শৈশৱ কালতে শিশুৰ মানসিক স্বাস্থ্য সুদৃঢ় কৰিবলৈ সাধু কথাৰ কিতাপ পঢ়িবলৈ দিব লাগে। ই শিশুক সাধু হোৱাত সহায় কৰে। তাৰোপৰি কল্পনাশক্তি, বিশ্লেষণাত্মক দৃষ্টিভংগী উন্নত কৰাত সহায় কৰে। সাধুকথাৰ অন্তৰালত থকা নৈতিক শিক্ষা শিশুটিয়ে হাড়ে-হিমজুৱে গ্ৰহণ কৰে। সাধুকথাই শিশুক আনন্দ দিয়ে, সৎ হোৱাৰ প্ৰেৰণা দিয়ে। আনন্দ আৰু প্ৰেৰণাই জীৱনৰ সফলতাৰ উৎস।

জীৱনত স্থবিৰতা আৰু গতিশীলতা আছে। স্থবিৰতাই মৃত্যু আৰু গতিশীলতা জীৱন। শিশুসকলক গতিশীল কৰি তুলিব লাগিব। আজিৰ প্ৰজন্মৰ মাজত সামৰ্থ্যৰ চকুযুৰি আছে; কিন্তু প্ৰকাশৰ অভাৱ। আনৰ দুখত দুখী হোৱা, কাৰো অন্তৰত দুখ নিদিয়া, কোনোবাই আঘাত দিলেও তাক সহ্য কৰিব পৰা শৈশৱৰ ভিত্তিতে এইবোৰ অন্তৰ্ভুক্ত হোৱা উচিত। শিশুক ভাল-বেয়া নিৰ্ণয় কৰিব পৰা জ্ঞান দিয়াটো আৰু তাক বোধগম্য কৰি তোলাটো শৈশৱ কালতেই জৰুৰী। কাৰণ আমাৰ দেশত বহু অভিজ্ঞ ডাক্তৰ, ইঞ্জিনিয়াৰ আছে। কিন্তু ভাল মানুহৰ অভাৱ হৈছে।

শিশু এটি স্বতন্ত্ৰ সত্বা। শিশু এটি দেৱসত্তা। শৈশৱৰ স্বৰ্ণিল দিনবোৰ জীৱনলৈ এবাৰহে আহে। সেয়েহে প্ৰতি জন ব্যক্তিয়ে শৈশৱৰ স্মৃতি ৰোমন্থন কৰি এক মানসিক সৌন্দৰ্য উপভোগ কৰে।

উৰ্দু কবিতা এটিত এগৰাকী কবিয়ে লিখা কবিতা এশাৰীৰ ভাবানুবাদ এনেধৰণৰ — "মোৰ ধন ঐশ্বৰ্য, লাগিলে আনকি যৌৱনো ওভতাই নিয়া তাৰ পৰিৱৰ্তে মোৰ শৈশৱ পুনৰাই প্ৰদান কৰা।" পৃথিৱীৰ প্ৰতিগৰাকী শিশুৱে যাতে এখন সুন্দৰ বিনন্দীয়া পৃথিৱীত বিচৰণ কৰিব পাৰে তাৰ বাবে সমাজৰ সকলো স্তৰৰ লোকে গুৰুত্ব দিব লাগিব।



# গাঁৱে গাঁৱে বিকাশৰ আঁত ধৰিছে গ্ৰাম্য বিকাশ মঞ্চই

## বানপীড়িত ৰাইজৰ মাজত আশাৰ ছবি

শ্বাহ আলম আহমেদ

যি সময়ত জীৱিকা আৰু সংস্থাপনৰ ভয়াৱহ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, অপসংস্কৃতিয়ে সামাজিক প্ৰমূল্য গ্ৰাস কৰিবলৈ লৈছে, তেনে সময়তে ৰাজ্যখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই। নগৰৰ পৰা বহু দূৰত এখন গাঁৱত এচাম শিক্ষিত যুৱক-যুৱতী দিনে-নিশাই ঘূৰি ফুৰিছে নিজৰ মানুহখিনিক সুস্থিৰভাৱে আগবঢ়াই নিবলৈ, সমাজক গভীৰ নিৰাশাৰ বিপৰীতে আশাৰ পোহৰ দিবলৈ, জীৱন-জীৱিকা, সম্পদ, সংস্থাপনৰ সুৰক্ষাৰ সপোন ৰচিবলৈ। এনেদৰে সঁচা মানুহৰ আশাৰ সপোন বুটলি অতি সংগোপনে অথচ নিৰ্ভীকভাৱে তেওঁলোক ঘূৰি ফুৰিছে বিশ্বাস আৰু আস্থাৰ পৰিৱেশ ঘূৰাই আনিবলৈ, সামাজিক পৰিৱেশ জাগ্ৰত আৰু শক্তিশালী কৰিবলৈ। সমাজৰ মানৱ মহত্ত্বৰ সৰ্বশ্ৰেষ্ঠ গৌৰৱখিনি বিয়পাই গ্ৰাম্য অঞ্চলৰ দুৰ্বলতাক শক্তিলৈ, প্ৰত্যাহ্বানক সুবিধালৈ পৰিণত কৰাৰ কৌশল ৰচনাৰে 'জনগণৰ কাৰ্যসূচী' প্ৰস্তুত আৰু বঞ্চিত-নিষ্পেষিত মানুহখিনিক সংঘবদ্ধ কৰি 'জনগণৰ কাৰ্য্যসূচী'ৰ সপোনক বাস্তৱ ৰূপ প্ৰদানৰ দিহা কৰিবলৈ আৰু তাৰ জৰিয়তে প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়িবলৈ। এয়া পৰিবৰ্তনৰ বিশাল যাত্ৰা। এই যাত্ৰা আৰম্ভ হৈছিল এটা দশক পূৰ্বে, যি সময়ত সমগ্ৰ ৰাজ্যখন, বিশেষকৈ নলবাৰী জিলাত আতংকময় পৰিৱেশে বিৰাজ কৰিছিল, সেই সময়তে কেইজনমান যুৱক-যুৱতীয়ে কৰিছিল নতুন যাত্ৰাৰ সন্ধান আৰু ১৯৯৯ চনৰ ৭ ডিচেম্বৰত জন্ম হৈছিল গ্ৰাম্য বিকাশ মঞ্চৰ। সংস্কৃতি, সমাজতত্ত্ব, বাণিজ্য-ব্যৱস্থাপনা, বিজ্ঞান ইত্যাদি বিষয়ৰ এচাম উচ্চ শিক্ষিত (সম্প্ৰতি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা) মিলি হৈছে এখন মঞ্চ, একেই সপোন, একেই আশা, একেই কামনা— মাথোঁ নিজৰ মানুহখিনি আগবাঢ়ি যোৱাত সহায় কৰা। সমাজ পৰিৱৰ্তনৰ প্ৰাথমিক ধাৰণা আহৰণৰ বাবে স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই অহৰহ চেষ্টা অব্যাহত ৰাখিছে। ভিন্ন ঘাত-প্ৰতিঘাত নেওচি সম্প্ৰতি 'একশ্বন এইড্, 'নেডফি', 'ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি

(চমুকৈ আৰ জি ভি এন), 'জামচেটজি টাটা ট্ৰাষ্ট', 'ইউনিচেফ', 'এন চি আৰ আই', আদিকে ধৰি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বিভিন্ন সংস্থাৰ অৰ্থ সাহাৰ্য্যৰে গ্ৰাম্য বিকাশ মঞ্চ ৰাইজৰ সেৱাত ব্ৰতী হৈছে। বিশেষকৈ গ্ৰাম্য অঞ্চলত স্বাস্থ্য আৰু আৰ্থ-সামাজিক উন্নয়নক লক্ষ্য কৰি আগবাঢ়ি অহা এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে নলবাৰী, বাগ্‌সা, বৰপেটা আৰু কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত ৰাইজৰ পৰা প্ৰশংসা ল'বলৈ সক্ষম হৈছে। উল্লেখ্য যে গৃহ জিলা নলবাৰীত সম্প্ৰতি ৮০ খন বিদ্যালয়ৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন বিষয়ক সজাগতা, পাঠ্যক্ৰমত দুৰ্যোগ বিষয়টো অন্তৰ্ভুক্তিকৰণ আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰিব পৰাকৈ গ্ৰাম্য অঞ্চলত একোখনকৈ স্থিতিস্থাপনক সমাজ গঢ়িবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আছে। ইয়াৰ লগতে অনুষ্ঠানটিয়ে বাগ্‌সা জিলাত দীৰ্ঘদিন হৈ থকা মানৱ সৰবৰাহৰ দৰে সমস্যা ৰোধৰ বাবে স্থানীয় লোকসকলৰ জীৱিকা সুনিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি থকা দেখা গৈছে। তদুপৰি জনজাতীয় মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে 'বাগৰুম্বা উইভিং ছ'চাইটী' জন্ম দি গ্ৰাম্য বিকাশ মঞ্চই নেডফিৰ সহায়েৰে আগবাঢ়িছে। ইয়াৰ লগতে জিলাখনৰ সৰ্বস্বান্ত তথা বানপীড়িত বৰভাগ-বনভাগ অঞ্চলত দুৰ্দশাগ্ৰস্ত পৰিয়ালক জীৱিকাৰ উপায় হিচাপে জিভিএনে বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াই জিলাখনৰ সচেতন লোকৰ পৰা প্ৰশংসা লাভ কৰা দেখা গৈছে। স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে জিলাখনৰ কৃষি ব্যৱস্থাৰ ওপৰতো গুৰুত্ব দিয়া দেখা গৈছে। ইয়াৰ ভিতৰত কৃষকৰ উপকাৰৰ অৰ্থে ঘগ্ৰাজান আৰু কৈতাজান মুকলি কৰা, সথাই জান মুকলি কৰা, অৰৰা গাঁৱত দহ হাজাৰ নেমু পুলি ৰোপণ, এছ আৰ আইৰ পদ্ধতিত খেতিয়কক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাৰে ৰাইজৰ মাজত অনুষ্ঠানটো সোমাই পৰিছে। আনকি কৃষকৰ উপকাৰৰ অৰ্থে বাগ্‌সা আৰু নলবাৰী জিলাত পৰিত্যক্ত হৈ থকা জান-জুৰিসমূহ পুনৰ কাৰ্যক্ষম কৰাৰ বাবেও গ্ৰাম্য বিকাশ মঞ্চই পদক্ষেপ গ্ৰহণ কৰাত ৰাইজ উৎসাহিত হৈ আছে। তথ্য জনাৰ অধিকাৰ আইন, ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আইনৰ বিষয়ে সজাগ কৰা কাম-কাজসমূহতো গুৰুত্ব দি আহিছে। জন্ম লগ্নৰে পৰা বঞ্চিতসকলক, বিশেষকৈ শিশু-মহিলাসকলক আৰ্থ সামাজিক সবলীকৰণৰ জৰিয়তে সমাজ পৰিবৰ্তন কৰিব বিচৰা অনুষ্ঠানটোত বৰ্তমান প্ৰায় পাঁচ শতাধিক স্বেচ্ছাসেৱক বিভিন্ন উন্নয়নমূলক কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। গ্ৰাম্য বিকাশ মঞ্চৰ সঞ্চালক পৃথ্বিভূষণ ডেকা আৰু সম্পাদক দিবাকৰ ডেকাই দেশ-বিদেশৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সংযোগ স্থাপনেৰে অনুষ্ঠানটি সফলতাৰ দিশে আগবঢ়াই নিবলৈ চেষ্টা চলাই আছে। উল্লেখ্য যে ২০১১ চনৰ পৰাই নলবাৰী জিলাৰ বৰভাগ আৰু পূব নলবাৰী উন্নয়ন খণ্ডৰ সৰ্বমুঠ ১৮ খন গাঁৱত গ্ৰাম্য বিকাশ মঞ্চই নিৰৱচ্ছিন্নভাৱে আজিৰ দিনটোলৈ চলাই গৈছে শিশু অধিকাৰ প্ৰকল্পৰ কাম। উক্ত প্ৰকল্পৰ জৰিয়তে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সঠিক ৰূপায়ণ, শিশু বনুৱাকে মূল সুঁতিলৈ অনা, শিশু তথা মাতৃৰ স্বাস্থ্য সচেতনতাৰ লগতে প্ৰতিখন গাঁৱতেই একোখন শিশু মঞ্চ স্থাপন কৰি গুণগত শিক্ষা আৰু সামাজিক শিক্ষাৰ পোষকতা কৰা গ্ৰাম্য বিকাশ মঞ্চই ইতিমধ্যে নিজৰ উদ্দেশ্যত সফল হৈছে।

*লেখক নলবাৰীৰ এগৰাকী সাংবাদিক*



# Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 17 Years...

| *Activity / Project* | *Funding Agency / Donner* | *Area / District* |
|---|---|---|
| **1999 - 2000** | | |
| Plantation Programme | *Members Contribution* | *Puberun Jatiya Vidyalaya, Baridatora, Nalbari* |
| ***2000-01*** | | |
| *District level Work Camp* | *Nehru Yuva Kendra, Nalbari* | *Sonkani, Jugurkuchi, Nanai Village, Barbhag, Nalbari* |
| *Entrepreneurship Development Programme on Radio, Tap and TV repairing* | *Nehru Yuva Kendra, Nalbari* | *Pajipar LP School, Barbhag, Nalbari* |
| *Hepatitis Vaccination programme* | *Members Contribution* | *Barbhag, Pub-Nalbari and Barigog Banbhag Dev. Block, Nalbari* |
| *Self Employment Training on Jute and Cloth Fabrics Painting* | *Nagen Sarma Memorial Trust* | *Gopuja LP School, Pub-Nalbari, Nalbari* |
| ***2001-02*** | | |
| *World AIDS Day celebration* | *AssamState AIDS Control Society, khanapara* | *Barkhetri Dev. Block* |
| *Awareness programme on lodizes Salt* | *Field Publicity Office, Nalbari* | *Kothora Village, Nalbari* |
| ***2002-03*** | | |
| *Self Employment Training* | *State Institute of Rural Development (SIRD)* | *Kamarkuchi, Barbhag, Nalbari* |
| *World AIDS Celebration* | *District Joint Director Health, Nalbari* | *Barbhag Dev. Block* |
| *National Science Day* | *Science Communication Forum and GVM* | *Arangamou Girls ME School, Barbhag, Nalbari* |
| ***2003-04*** | | |
| *Targeted Intervention Project (TI Project) for migrant labour in Char and reverie areas* | *Assam State AIDS Control Society, Assam.* | *Barkhetri Dev. Block of Nalbari District* |
| *Rural Entrepreneurship Development Programme on Agro machineries and Fabric painting* | *NABARD, Regional Office Guwahati* | *Barbhag Collage, Barbhag, Nalbari* |
| *Free Health Camp* | *Joint Director health, Nalbari* | *Bhangnamari Char, Barkhetri Dev. Block, Nalbari* |
| ***2004-05*** | | |
| *Total Sanitation Campign (TSC) Programme* | *District water and Sanitation Committee (DWSC) public Health Engineering Department, Nalbari* | *Barbhag Dev. Block.* |

| | | |
|---|---|---|
| Emergency Relief and Rehabilitation | Action Aid India, Guwahati | Barbhag Dev. Block |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Ofice, Guwahati | Barbhag & Pub-Nalbari Dev. Block |
| **2005-06** | | |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Ofice, Guwahati | Barbhag & Pub-Nalbari Dev. Block |
| World AIDS Day Celebration | District Administration | Socio Light, Barbhag, Nalbari |
| **2006-07** | | |
| Construction of Fuel Efficient Crematorium (FEC) | CAPART, New Delhi | Barbhag & Barkhetri Dev. Block, Nalbari |
| Reproductive Child Health | Rural Women Upliftment Association of Assam (RWUAA), Japorigog, Guwahati | Barkhetri Dev. Block |
| SHG Formation & Promotion Programme | NABARD, Regional Ofice, Guwahati | Pub-Nalbari, Barbhag and Barigog Dev.Block |
| DRR though School Project | Action Aid International, New Delhi | 80nos. Govt. School in Nalbari district of Assam |
| Pottery Cluster Development Project | NABARD, Regional Office, Guwahati | Chanmaguri and Purnakhundum Village of Kamrup District of Assam |
| Construction of Community Building under MPLAD Fund | MP Indramoni Bora | Kardaitola,Barbari,Nalbari |
| **2007-08** | | |
| DRR though School Project | Action Aid International, New Delhi | 80nos. Govt. School in Nalbari district of Assam |
| Awareness Building of Natural Wetlands of Nalbari District | Environmental Equity Justice Partnership (EEJP) | Barigog Banbhag and Barbhag Dev. Block of Nalbari |
| Empowerment of Elected women representative in Nalbari District | The Hunger Project (THP), New Delhi | Nalbari District |
| National Youth Dev. Programme | Nehru Yuva Kendra, Nalbari | Nalbari |
| Village Development Programme (Village Adoption Programme) | NABARD, Regional Office | Barsimalua Village, Nalbari district |
| Strengthening SHGs in Nalbari, Assam | Sir Dorabji Tata Trust,Mumbai | Barbhag Dev. Block,Nalbari |
| **2008-09** | | |
| DRR though School Project | Action Aid International, New Delhi | 80nos. Govt. School in Nalbari district of Assam |
| Flood Relief and Rehabilitation Project | Action Aid International, New Delhi | Barbhag Dev. Block,Nalbari |
| Centre for practical Livelihood Training on | NEDFi, Guwahati | Chatra and Thanpatkuchi of |

| | | |
|---|---|---|
| Tailoring & Weaving | | Nalbari District |
| SHG Formation and Promotion Program | NABARD Regional Office, Guwahati | Pub-Nalbari, Barbhag and Barigog Banbhag Dev. Block |
| Bamboo Cluster Development Project (Japi Cluster) | NABARD Regional Office, Guwahati | Pub-Nalbari, Nalbari District |
| Skill Development Training | State Institute of Rural Development (SIRD) | Nalbari |
| Awareness Programme on Right to Information | North East Network (NEN) | Nalbari District |
| **2009-10** | | |
| People Empowerment for Accessing Rights to Livelihood (PEARL) Project | Indo Global Social Service Society (IGSSS) | Tamulpur & Nagrijuli Dev.Block, Baksa District |
| Promoting & Strengthening Disaster Risk Reduction in Assam | DFID & Action Aid International, New Delhi | Nalbari District |
| Promotion of Diversion Base Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari District |
| Mobilizing communities on MGNREGS | Action Aid India, Regional Office, Guwahati | Pub- Nalbari, Barigog Banbhag and Barbhag Dev. Block of Nalbari District |
| Skill Development Programme on Water Hyacinth craft | NEDFi, Guwahati | Barbhag & Barigog Banbhag Dev. Block of Nalbari District |
| Community Based Disaster Risk Reduction (CBDRR) | UNICEF, Regional Office, Guwahati | Hajo, Rangia and Kamalpur Dev. Block of Kamrup(R) District |
| Disaster Risk Management Programme (DRMP) | District Disaster Management Authority (DDMA), Nalbari | Barbhag and Pub- Nalbari Dev. Block,Nalbari |
| Promotion of Peace and Social Harmony | National Council of Rural Institute (NCRI, Hyderabad) | Pub- Nalbari, Barbhag and Barigog Banbhag Dev. Block of Nalbari district |
| **2010-11** | | |
| Extension of SRI (System of Rote Intensification) | Professional Assistance for Development Action (PRADAN) | Nalbari & Baksa District of Assam |
| Mother Group Members Training Programme on RTE | Assam Mahila Samata Society, Guwahati | Nalbari & Baksa District |
| District Youth Convention and Youth Club Exchange Programme | Nehru Yuva Kendra, Nalbari | Nalbari District |
| **2011-12** | | |
| Study on Children engagement in Brick Kilns | Aid Et Action, Guwahati | Kamrup Rural District |
| Empower Community for ensuring Child Rights in Nalbari District of Assam | Child Rights and You (CRY) | Nalbari District |
| Adolescent Education in Assam | Sir Dorabji Tata Trust (SDTT), Mumbai | Nalbari, Baksa and Kamrup(R) |
| Child Friendly School System | UNICEF | Rani Rampur, Kamrup(R) |

| | | |
|---|---|---|
| (CFSS) | | |
| Celebration of International Women's Day | District Administration, Nalbari | Nalbari District |
| Awareness of MGNREGA | NYK, Nalbari | Nalbari District |
| Exhibition at Rakh Mela | NABARD & NEDFi | Nalbari District |
| **2012-13** | | |
| Flood Response in Kamrup, 2012 | Save the Children | Kamrup(R) District |
| Humanitarian Assistance to Vulnerable Population Affected by Flood in Assam (ECHO) | ECHO/Action Aid International | Kamrup(R) District |
| ECHO supported Flood Response in Nalbari district of Assam | Save the Children | Nalbari District |
| IKEA supported Flood response in Nalbari District of Assam | Save the Children | Nalbari District |
| Flood Response in Tinsukia and Kamrup(R) district of Assam | Sir Dorabji Tata Trust, Mumbai | Kamrup(R) & Sadia (Tinsukia) district |
| Flood Response in Nalbari and Kamrup district of Assam | Help Age India, New Delhi | Kamrup(R) & Nalbari District |
| Flood Response in Assam | Franklin Templeton India Pvt. Ltd. | Nalbari District |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa and Kamrup(R) |
| Adolescent Education in Assam | SDTT, Mumbai | Nalbari, Baksa and Kamrup(R) |
| Empower Community for ensuring Child Rights in Nalbari District of Assam | Child Rights and You (CRY) | Nalbari District |
| Extension of SRI | Professional Assistance for Development Action (PRADAN) | Nalbari & Baksa District of Assam |
| **2013-14** | | |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa and Kamrup(R) |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa and Kamrup(R) |
| Empower Community for ensuring Child Rights in Nalbari District of Assam | Child Rights and You (CRY) | Nalbari District |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Ministry of Rural Development (MoRD), Govt. of India | Barigog Banbhag, Pub- Nalbari, Tamulpur and Baksa dev. Block of Nalbari and Baksa District. |

| | | |
|---|---|---|
| Adolescent Empowerment Project | National Foundation of India (NFI), New Delhi | Nalbari & Kamrup (R) District |
| Strengthening Capacity Building and Sustainable farming | Action Aid Associtation, Regional Office, Guwahati | Assam |
| **2014-15** | | |
| Promotion of Diversion Based Irrigation(PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa & Kamrup (R) |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa & Kamrup (R) |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Ministry of Rural Development (MoRD), GOI | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baksa Dev. Block of Nalbari & Baksa dist. |
| Adolescent Empowerment Project | National Foundation of India (NFI), New Delhi | Nalbari & Kamrup (R) District |
| Strengthening Capacity Building and Sustainable farming | Action Aid Associtation, Regional Office, Guwahati | Assam |
| Empowering Access to Education for Marginalized Children in Kamrup & Nalbari | Action Aid Associtation, Guwahati | Nalbari & Kamrup (R) District |
| Sustainable Option for Upliftment Livelihood (SOUL) | Indo Global Social Service Society (IGSSS) | Baksa District of Assam |
| Community Led Child Centered Disaster Risk Reduction | Fondazione L'Abro della Vita (FADV), Italy | Bako & Goalpara of Assam |
| **2015-16** | | |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District |
| Child Rights project in Kamrup (rural) focusing on education | Child Rights and You (CRY) | Kamrup (Rural) District |
| Scaling up ITE in Govt. Schools in Assam | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa, Kamrup(R), Nagaon, Marigaon, Hailakandi, Karbi Anglong, Barpeta, Sivsagar, Karimgong & Goalpara |
| Enhance food and nutritional security along with income enhancement of 6000 household in Assam through SRI, SMI and Value Chain interventions | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa & Kamrup(R) |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa & Kamrup (R) |
| Empowering Access to Education for Marginalized Children in Kamrup & Nalbari | Action Aid Associtation, Guwahati | Nalbari & Kamrup (R) District |
| Community Led Child Centered Disaster Risk Reduction | Fondazione L'Abro della Vita (FADV), Italy | Kmarup(R) district |
| Adolescent Empowerment Project | National Foundation of India (NFI), New Delhi | Nalbari District |
| Improving Smallholders livelihoods through agriculture and allied intervention in 10 villages of | The Hans Foundation (THF) and National Foundation of India (NFI) | Nalbari district |

| | | |
|---|---|---|
| Nalbari district of Assam | | |
| Farm base income through creation and renovation of diversion base irrigation structure and promotion of agricultural extension activities | Tata Trusts | Nalbari, Baksa and Kamrup (Rural) district |
| Internet Saathi | Tata Trusts, Google India Pvt. Ltd. | Nalabri, Baksa, Kamrup (Rural) and Barpeta district |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Ministry of Rural Development (MoRD), GOI | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baksa Dev. Block of Nalbari & Baksa dist. |
| CHILDLINE 1098 Services | CHILDLINE INDIA FOUNDATION, Ministry of Women and Child Development, GOI | Nalbari and Rangia Sub Division of Kamrup (Rural) district |
| USHA Silai School | Usha International Pvt. Ltd. | Nalbari and Baksa District |

***Published by: Dibakar Deka Secretary, GVM***

**C. L. MAHESWARI & CO.**
CHARTERED ACCOUNTANTS

HOUSE NO.84, MAHESWARI KUNJ,
BYE LANE NO-6, BORTHAKUR MILL ROAD,
ULUBARI, GUWAHATI - 781007
PHONE: 0361-2546283, (M) 94350-43052
E-Mail: clmaheswarig@yahoo.com
clmaheswarig@gmail.com

To,
The Members of
Gramya Vikash Mancha
Village: Kardaitola (Barbari Chowk)
P.O. Barbari,
Dist. Nalbari,
Pin – 781351 (Assam)

## AUDITORS REPORT

We have audited the attached Balance Sheet of Gramya Vikash Mancha as at 31st March, 2016 and the annexed Income & Expenditure Account and Receipts & Payments Account for the year ended on that date. These financial statements are the responsibility of the Society. Our responsibility is to express an opinion of these financial statements based on our audit.

We have conducted our audit in accordance with auditing standards generally accepted in India. Those standards require that we plan and perform the audit to obtain reasonable assurance about whether the financial statements are free of material misstatements. An audit includes examining, on a test basis, evidence supporting the amounts and disclosures in the financial statements. An audit also includes assessing the accounting principles used and significant estimates made by the management as well as evaluating the overall financial statement presentation. We believe that our audit provides a reasonable basis for our opinion.

We have obtained all the information and explanation which, to the best of our knowledge and belief, were necessary for the purpose of the audit.

The Balance Sheet, the Income and Expenditure Account and the Receipt and Payments account dealt with by this report are in agreement with the books of account as produced to us.

In our opinion and to the best of our information and according to the information and explanation given to us, the said statements of accounts read along with the notes on accounts annexed thereto give a true and fair view:

(i) In the case of Balance Sheet of the state of affair of the Society as at 31st March, 2016.
(ii) In the case of Income and Expenditure Account of Society, of the deficit of the Society for the year ended on that date; and
(iii) In the case of the Receipts and Payments Account of Society, of the Receipts and Payments of the Society for the year ended on that date.

(CA C. L. Maheswari)
Membership No. 016519
Proprietor
For and on behalf of
C. L. Maheswari & Co.
Chartered Accountants
FRN - 309105E

C. L. MAHESWARI & CO. GUWAHATI Chartered Accountants

Guwahati
Dated: 29th August, 2016

## GRAMYA VIKASH MANCHA

Village: Kardaitola, P.O: Barbari, Dist: Nalbari, Assam, PIN: 781351

RECEIPTS AND PAYMENTS FOR THE YEAR ENDED 31ST MARCH, 2016

| Particulars | Note No. | As on 31st March 2016 ₹ | As on 31st March 2015 ₹ |
|---|---|---|---|
| **RECEIPTS** | | | |
| I. CASH AND CASH EQUIVALENT AT THE BEGINNING OF THE YEAR | | | |
| Cash in hand (as certified by Secretary) | 23 | 98845.00 | 11142.00 |
| Balance with Savings Bank Account | 24 | 24439526.60 | 14592763.10 |
| Programme Advance | 25 | 20000.00 | 0.00 |
| II GRANT IN AID RECEIPTS | | | |
| Grant in Aid Foreign Fund | 26 | 5449603.34 | 6742473.00 |
| Grant in Aid National Fund | 27 | 102399875.00 | 35233938.00 |
| III DONATION | | | |
| Contribution received from donation | 28 | 932780.00 | 1023710.00 |
| IV SAVINGS BANK ACCRUED INTEREST | 29 | 938859.00 | 632415.00 |
| V OTHER RECEIPTS | 30 | 923368.00 | 556251.00 |
| TOTAL | | **135202856.94** | **58792692.10** |
| **PAYMENTS** | | | |
| VI GRANT IN AID EXPENSES | | | |
| Grant in Aid Foreign Fund Expenses | 31 | 5122884.00 | 7326729.00 |
| Grant in Aid National Fund Expenses | 32 | 25342133.86 | 19149490.50 |
| VII OWN PROGRAMME EXPENSES | 33 | 18883.00 | 105198.00 |
| VIII OTHER EXPENSES | 34 | 2446005.50 | 1763403.00 |
| IX GRANT ADVANCES MKSP | 35 | 41221385.00 | 5889500.00 |
| X PROGRAMME ADVANCE | 36 | 0.00 | 20000.00 |
| XI CASH AND CASH EQUIVALENT AT THE END OF THE YEAR | | | |
| Cash in hand (as certified by Secretary) | 37 | 121431.00 | 98845.00 |
| Balance with Savings Bank Account | 38 | 60930134.58 | 24439526.60 |
| TOTAL | | **135202856.94** | **58792692.10** |

Notes on Accounts: Note -39

Signed in terms of our separate report of even date attached

President
Gramya Vikash Mancha
President
Gramya Vikash Mancha

Secretary
Gramya Vikash Mancha
Secretary
Gramya Vikash Mancha

C.L.MAHESWARI & CO. GUWAHATI Chartered Accountants

( CA C.L.Maheswari )
Proprietor
Membership No. : 16519
For and on behalf of
C.L.Maheswari & Co.
Chartered Accountants
FRN - 309105E

Guwahati,
Dated,: 29th August, 2016

# GRAMYA VIKASH MANCHA

## Village: Kardaitola, P.O: Barbari, Dist: Nalbari, Assam, PIN: 781351

## BALANCE SHEET AS AT 31ST MARCH, 2016

| Particulars | Note No. | As at 31st March, 2016 ₹ | As at 31st March, 2015 ₹ |
|---|---|---|---|
| **I. CORPUS FUND AND LIABILITIES** | | | |
| **1. Corpus Fund** | | | |
| Corpus Fund | 1 | 2273881.65 | 2273881.65 |
| Reserve and Surplus | 2 | -590421.55 | -489903.00 |
| **2. Capital Grant** | | | |
| Fixed Assets (Foreign Grants) | 3 | 443864.00 | 478250.00 |
| Fixed Assets (National Grants) | 4 | 1308017.00 | 174908.00 |
| **3. Non Current Liabilities** | | | |
| Borrowing | 5 | 0.00 | 200000.00 |
| **4. Current Liabilities** | | | |
| Unspent Grant in aid Fund | 6 | 35456962.48 | 8706457.50 |
| Grants Fund MKSP (MAIN) | 7 | 76606565.52 | 34173974.00 |
| Other Payable | 8 | 146582.00 | 69000.00 |
| **TOTAL** | | **115645451.10** | **45586568.15** |
| **II. ASSETS** | | | |
| **1. Non- Current Assets** | | | |
| **Fixed Assets (Tangible)** | | | |
| Own Fund | 9 | 1344333.00 | 1462430.00 |
| National Fund | 10 | 1308017.00 | 174908.00 |
| Foreign Fund | 11 | 443864.00 | 478250.00 |
| **2. Current Assets** | | | |
| Grants on Account ASRLMS (MKSP, MAIN) | 12 | 50974929.52 | 18459500.00 |
| Other Current Assets | 13 | 522742.00 | 473108.55 |
| Cash and Cash Equevalents | 14 | 61051565.58 | 24538371.60 |
| **TOTAL** | | **115645451.10** | **45586568.15** |

Notes on Accounts: Note -39

Signed in terms of our separate report of even date attached

President
Gramya Vikash Mancha
President
Gramya Vikash Mancha

Secretary
Gramya Vikash Mancha
Secretary
Gramya Vikash Mancha

C.L. MAHESWARI & CO. GUWAHATI Chartered Accountants

( CA C.L.Maheswari )
Proprietor
Membership No. : 16519
For and on behalf of
C.L.Maheswari & Co.
Chartered Accountants
FRN - 309105E

Guwahati,
Dated : 29th August, 2016

**GRAMYA VIKASH MANCHA**

**Village: Kardaitola, P.O: Barbari, Dist: Nalbari, Assam, PIN: 781351**

**INCOME AND EXPENDITURE FOR THE YEAR ENDED 31ST MARCH, 2016**

| | Particulars | Note No. | As on 31st March 2016 | As on 31st March 2015 |
|---|---|---|---|---|
| | | | ₹ | ₹ |
| | **REVENUE** | | | |
| I. | **REVENUE FROM GRANTS IN AID** | | | |
| | Grants in aid Foreign Fund | 15 | 5078584.00 | 7326729.00 |
| | Grants in aid National Fund | 16 | 32365019.34 | 19108662.50 |
| | Donation | 17 | 932780.00 | 1023710.00 |
| II. | Other Income | 18 | 518931.00 | 69547.00 |
| | **TOTAL** | | **38895314.34** | **27528648.50** |
| III. | **EXPENSES** | | | |
| | Grants in aid Foreign Fund Expenses | 19 | 5078584.00 | 7326729.00 |
| | Grant in aid National Fund Expenses | 20 | 32682064.34 | 19095021.50 |
| | Own Programme Expenses | 21 | 18883.00 | 105198.00 |
| | Other Expenses | 22 | 1098204.55 | 1129558.00 |
| | Depreciation | 9 | 118097.00 | 134281.00 |
| | **TOTAL** | | **38995832.89** | **27790787.50** |
| IV. | **Deficit (-)** | | **-100518.55** | **-262139.00** |

Notes on Accounts: Note -39

Signed in terms of our separate report of even date attached

President
Gramya Vikash Mancha
President
Gramya Vikash Mancha

Secretary
Gramya Vikash Mancha
Secretary
Gramya Vikash Mancha

( CA C.L.Maheswari )
Proprietor
Membership No. : 16519
For and on behalf of
C.L.Maheswari & Co.
Chartered Accountants
FRN - 309105E

C.L.MAHESWARI & CO. GUWAHATI Chartered Accountants

Guwahati,
Dated : 29th August, 2016

# বাতৰি কাকতৰ পৃষ্ঠাত...

৫ নৱেম্বৰ, মঙলবাৰ, ২০১৬ অসমীয়া খবৰ

বৰভাগৰ কৰিয়াত

আমাৰ খবৰ, বৰভাগ ঃ দেশৰ অন্য প্ৰান্তৰ লগতে নলবাৰী জিলাৰ বৰভাগৰ কৰিয়াত নৱজ্যোতি যুৱ মঞ্চৰ সহযোগত শিশু দিৱস পালন কৰা হয়। শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে এক সজাগতামূলক শোভাযাত্ৰা উলিয়ায়। গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত গঠন হোৱা নৱজ্যোতি যুৱ মঞ্চৰ সদস্য, শিক্ষাৰ্থী আৰু স্থানীয় মহিলাসকলে 'বাল্য বিবাহ বন্ধ কৰক', ধঁপাতমুক্ত সমাজ গঢ়ক', হোৱালী ঘৰৰ বোজা নহয়,' 'মুকলি স্থানত মলত্যাগ নকৰিব', 'মাদক দ্ৰব্য বৰ্জন

## গ্ৰাম্য বিকাশ মঞ্চৰ বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

বৰভাগ, ২৫ ছেপ্টেম্বৰ ঃ চাইল্ড ৰাইটছ্ এন ইউৰ অৰ্থ— বিকাশ মঞ্চই ৰূপায়ণ কৰা শিশু অধিকাৰ গাঁৱৰ শিশুসকলৰ লৈ গ্ৰাম্য... কৰিছে। কালি স্থ... পঁথাৰত অনুষ্ঠিত ... কৰে। প্ৰকল্পৰ ... বৰশিলুমহৰা, গোহে... এশ মিটা... হয়।

দৈনিক অসম

## শঠা জানৰ নিয়ন্ত্ৰণেৰে কৃষকলৈ সুফল আনিব



দৈনিক গণ অধিকাৰ
গুৱাহাটী, শুকুৰবাৰ, ২৩ ছেপ্টেম্বৰ, ২০১৬

## পূব নলবাৰীত মাদক দ্ৰব্য-বাল্যবিবাহ সম্পৰ্কত সজাগতা স...

গ্ৰাম্য বিকাশ মঞ্চৰ সভা

ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী

## বকো-দোকুছিত আই টি ই প্ৰকল্পৰ শিক্ষক প্ৰশিক্ষণৰ সামৰণি

## Challenges of water management

Mahmood Hassan

The Assam Tribune
Guwahati, Janasadharan • Vol. 14th • Issue 263 •
Tuesday, 27th September, 2016

Download Free App

Water-borne diseases

## ...re's initiatives not being implemented by Tezpur Municipal Board'

## 'Technology in education fails to get desired result'

১১

## 'গ্ৰাম বিকাশ মঞ্চ'ৰ সজাগতামূলক কাৰ্যসূচী

জনসাধাৰণ সেৱা, নলবাৰী, ২ ছেপ্টেম্বৰ ঃ গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত আৰু চান্দকুছি যুৱ মঞ্চৰ সহযোগত অলপতে ...

নিয়মীয়া বাৰ্তা
FRIDAY 19 AUGUST 2016

## বৰভাগত মাদক দ্ৰব্য নিবাৰণী সভা

নিয়মীয়া বাৰ্তা, বৰভাগ, ১৮ আগষ্ট ঃ নলবাৰী জিলাৰ 'গ্ৰাম্য বিকাশ মঞ্চ' বৰবৰীৰ দ্বাৰা সংগঠিত আৰু বিকশিত 'বালা যুৱ মঞ্চ' আৰু 'বালা মাতৃ গোট'ৰ যুটীয়া উদ্যোগত অলপতে মাদক দ্ৰব্য নিবাৰণীমূলক সভা এখন অনুষ্ঠিত হৈ যায়। স্থানীয় জনী মজুমদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত গাঁওখনৰ কৃষক দাস নামৰ লোকজনৰ গাহৰি পামখন বিজ্ঞানসম্মত পদ্ধতিৰে গঢ়ি তুলি মানৱ কল্যাণ সাধনৰ পৰিৱেশ সৃষ্টি কৰিবলৈ পৰামৰ্শ ...

## তামুলপুৰত 'শ্ৰী' পদ্ধতিৰে ধানখেতি



জনসাধাৰণ

## বৰভাগত মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে বিপদ মা...

### প্ৰতিহত কৰাৰ উদ্দেশ্যে স্বেচ্ছাসেৱী সংগঠনৰ সজা...

জনসাধাৰণ বিশেষ সেৱা, নলবাৰী, ২৫ আগষ্ট ঃ ...

অসমীয়া প্ৰতিদিন

## বকো-দোকুছিত আই টি ই প্ৰকল্পৰ শিক্ষক প্ৰশিক্ষণৰ সামৰণি

জনগণ সেৱা, বকো, ২ অক্টোবৰ ঃ ...

অসমীয়া প্ৰতিদিন
৬ অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ দেওবাৰ, ৪ ডিচেম্বৰ, ২০১৬/১৮ আঘোণ, ১৯৩৮ শক

## গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগ
## দহখন গাঁৱৰ কিশোৰ-কিশোৰীৰ মাজত কাবাদী খেল প্ৰতিযোগিতা

প্ৰতিদিন সেৱা, ঘগ্ৰাপাৰ, ৩ ডিচেম্বৰ ঃ গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত আৰু নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়াৰ অৰ্থসাহায্যত ৰূপায়ণ হৈ থকা 'কিশোৰ-কিশোৰী সবলীকৰণ' প্ৰকল্পৰ অধীনত ৩০ নৱেম্বৰত গুৱাকুছিত বড়িগোগ-বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত দহখন গাঁৱৰ কিশোৰীৰ মাজত পৰিসমাপ্তিমূলক কাবাদী খেল অনুষ্ঠিত হৈ যায়। যুৱ মঞ্চ ইছলাম, গ্ৰাম্য বিকাশ মঞ্চৰ উপ-সভাপতি প্ৰাঞ্জল চক্ৰবৰ্তী, সদস্য চন্দন চক্ৰবৰ্তী, ১২ নং দতবা গাঁও পঞ্চায়তৰ সভাপতি ৰমেশ পাটোৱাৰী উপস্থিত থাকে। প্ৰতিযোগিতাৰ অন্তত কেহিলুৰ যুৱক সংঘ আৰু পুখিউৰিলৰ সম্পাদক মমতাজ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটাসমূহ বিতৰণ কৰা হয়

অসমীয়া প্ৰতিদিন

আই টি ই ৰ শ্ৰীঅৰুন্ধতী শিবিৰৰ সামৰণি

## গ্ৰামাঞ্চলৰ ১০৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰকল্প দেখি অভিভূত ৰমেশ জৈন

## গ্ৰাম্য বিকাশ মঞ্চৰ সভা

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

TUESDAY, NOVEMBER 1, 2016





Rafiq Ali (Male)

## নাৰী ব্যৱসায়ী চক্ৰৰ কবলৰ পৰা কাৰ্য...

## নলবাৰীত উদ্ধাৰ নগাঁৱৰ চ...

## ৰঙিয়াত ছাত্ৰীক যৌন নিৰ্যাতন ঃ শিক্ষকক বিৰুদ্ধে গোচৰ

শিক্ষা মন্ত্ৰীৰ হস্তক্ষেপ দাবী দল-সংগঠনৰ ঃ পলাতক শিক্ষকৰ বিৰুদ্ধে সৰৱ ছাত্ৰ-ছাত্ৰী

## ৰঙিয়াত উদ্ধাৰ হোৱা নৱজাতক চাইল্ড লাইনৰ জিম্মাত

নিয়মীয়া বাৰ্তা, ৰঙিয়া, ১৭ অক্টোবৰ ঃ ৰঙিয়াৰ ঘাৰকুছিত কালি উদ্ধাৰ হোৱা নৱজাতক কন্যা শিশুটি আজি চাইল্ড লাইনে নিজৰ জিম্মাত লয়। পাছত সদ্যোজাত শিশুটিক সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত গুৱাহাটী উজানবজাৰস্থিত শিশুগৃহত ৰখাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে কালি পুৱা ঘাৰকুছিৰ ...

## ৰঙিয়া ৰেল জংচনত ব্ৰহ্মপুত্ৰ মেইলৰ পৰা পাঁচ কিশোৰ উদ্ধাৰ

নিজা বাতৰি দিওঁতা

ৰঙিয়া, ১৮ জুন ঃ ৰঙিয়া ৰেল জংচনত আজি নামনিমুৱা ব্ৰহ্মপুত্ৰ মেইলৰ পৰা ৰেল আৰক্ষীয়ে পাঁচজন কিশোৰক উদ্ধাৰ কৰে। গুৱাহাটী ...

## ৰঙিয়াত ৰে'লত ৫ শিশু উদ্ধাৰ

## ৰঙিয়াত ৰে'লৰপৰা পৰি যোৱা বিহাৰৰ যুৱতী চাইল্ডলাইনৰ জিম্মাত

## কৰিয়াত শিশু দিৱস উদ্‌যাপন



তামুলপুৰত শিশু দিৱস অনুষ্ঠান

## ৰঙিয়াত পাঁচ শিশু উদ্ধাৰ

## ৰঙিয়াত শিক্ষকৰূপী সংবাদকৰ্মীৰ ছাত্ৰীক নিৰ্যাতন

গোচৰ তথ্য, শাস্তিৰ দাবী

## ৰঙিয়াত সাংবাদিকৰ বিৰুদ্ধে ছাত্ৰীক শ্লীলতাহানিৰ অভিযোগ

## নৱম আন্তঃজিলা ছাত্ৰ জুনিয়ৰ কাবাদী কামৰূপ গ্ৰাম্য, নলবাৰী বিজয়ী

## ৰঙিয়াত উদ্ধাৰ হোৱা নৱজাতক চাইল্ড লাইনৰ জিম্মাত



## ৰঙিয়াত শিক্ষকৰ বিৰুদ্ধে ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগ

## কমলপুৰত চাইল্ড লাইনৰ শিশু শ্ৰমিক উদ্ধাৰ

## ৰঙিয়াত উদ্ধাৰ মূক-বধিৰ শিশু

প্ৰতিদিন সেৱা, ৰঙিয়া, ২০ জুলাই ঃ আজি পুৱতি নিশা চাইল্ড লাইনৰ সহযোগত ৰঙিয়া ষ্টেচনৰ ১নং প্লেটফৰ্মত এটি মূকবধিৰ শিশু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চাইল্ড লাইনৰ স্বপ্নহাৰী কৰ্মী ক্ৰমে ...

## ৰঙিয়াত ৫ শিশু উদ্ধাৰ ৰে'ল আৰক্ষীৰ

## মৰিয়ানিত ...

## ৰঙিয়াত ৰে'লত ৫ শিশু উদ্ধাৰ

## কেন্দুকোণাত শিশু শ্ৰমিক উদ্ধাৰ

## ৰঙিয়াত দুই শিশু শ্ৰমিক উদ্ধাৰ

প্ৰতিদিন সেৱা, ৰঙিয়া, ২৩ নৱেম্বৰ ঃ ৰঙিয়াত থকা চাইল্ড লাইনৰ ... ৰঙিয়াৰ দুই স্থানৰ পৰা দুজন শিশু শ্ৰমিকক ... কৰ্মীয়ে এজন শিশুক ...

## ৰঙিয়াত পাঁচ শিশু উদ্ধাৰ

এখন ৰে'লযোগে ৫ টি শিশুৱে যাত্ৰা কৰিছিল। গুৱাহাটীৰ আমবাৰীৰ শিশুহেইটিয়ে এনেদৰে যাত্ৰা কৰি থকাৰ সময়তে জি আৰ পি একৰ জোৱানে প্ৰথমতে প্ৰত্যক্ষ কৰি সোধপোছ কৰে।

## ৰঙিয়াত ছাত্ৰীক যৌন নিৰ্যাতন ঃ শিক্ষকক বিৰুদ্ধে গোচৰ

## কমলপুৰৰ দগাঁৱৰ এটি আশ্ৰয়হীন দৰিদ্ৰ পৰিয়ালৰ কৰুণ কাহিনী

## ৰঙিয়াৰ চাইল্ড লাইনে উদ্ধাৰ কৰিলে দুই শিশুক

২৪ ঘণ্টীয়া
ৰাষ্ট্ৰীয় বিনামূলীয়া সেৱা

CHILD LINE
1098
NIGHT & DAY

# *Some numbers change lives.....*

**চাইল্ডলাইন** হৈছে পৰিচৰ্যা আৰু সুৰক্ষাৰ প্ৰয়োজন থকা শিশুসকলৰ বাবে ২৪ ঘণ্টাই উপলব্ধ এটা ৰাষ্ট্ৰীয় বিনামূলীয়া জৰুৰীকালীন ফোন সেৱা। ই ভাৰত চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ এটা প্ৰকল্প। সংশ্লিষ্ট ৰাজ্য চৰকাৰ, বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থা, ইউনিচেফ, শিক্ষানুষ্ঠান আৰু যৌথ সংস্থাসমূহৰ লগত ই অংশীদাৰ হিচাপে কাম কৰে। আপুনি চাইল্ড লাইনৰ সেৱা নিম্নলিখিত কাৰণত বিচাৰিব পাৰে -

যদি কোনো শিশুৰ আশ্ৰয়ৰ প্ৰয়োজন হৈছে
যদি কোনো শিশুক পৰিতাক্ত অথবা হেৰোৱা অৱস্থাত পাইছে
যদি কোনো শিশুক অকলশৰীয়া অথবা ৰোগগ্ৰস্ত অৱস্থাত দেখিছে
যদি কোনো শিশুক আতংকগ্ৰস্ত বা ভীতিগ্ৰস্ত অৱস্থাত বাট-পথত পাইছে
যদি কোনো শিশু কাৰোবাৰ অবাঞ্ছনীয় আচৰণ অথবা অত্যাচাৰৰ বলি হৈছে
যদি ১৪ বছৰ বয়সৰ তলৰ কোনোবা শিশুক শিশু শ্ৰমিক হিচাপে কাম কৰি থকা দেখিছে

বা কোনো ব্যক্তিয়ে স্বেচ্ছাই চাইল্ড লাইনলৈ সেৱা আগবঢ়াব বিচাৰিছে।

**১০৯৮ নম্বৰলৈ ফোন কৰক**

---


**চাইল্ডলাইন**

ভাৰত চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ এটা প্ৰকল্প

গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত

ফোন নং ঃ ১০৯৮ (বিনামূলীয়া), ৰঙিয়া শাখা -০৩৬২১-২৪৪০১০, নলবাৰী শাখা- ০৩৬২৪-২৮৩৭৩৯

Website: www.childlineindia.org.in



টাটা ট্ৰাষ্টৰ অৰ্থ সাহাৰ্যত ৰূপায়িত ডি বি আই প্ৰকল্পৰ অধীনত এগৰাকী মহিলা কৃষকে গঢ়ি তোলা তেওঁৰ শাক-পাচলিৰ বাগিছা।




গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক সকলৰ মাজত অনুষ্ঠিত প্ৰীতি ফুটবলৰ শুভাৰম্ভণীৰ এক মুহূৰ্ত।

SHOISHAV

শৈশৱ | SHOISHAV | शैशव







Vill. : Barmurikona, P.O. : Barbari, Dist. : Nalbari, Assam, Pin : 781351